# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৰৰণী

## তাৰিখ ঃ ০৬/০৩/২০২০ শুকুৰবাৰ

**(আজি ইংৰাজী ০৬-০৩-২০২০ তাৰিখে ৰাতিপুৱা ৯ঃ০০ বজাত অসম বিধান সভাৰ মাননীয় অধ্যক্ষ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী দেৱৰ অধ্যক্ষতাত নিৰ্দ্ধাৰিত সময় সূচী মতে বাজেট অধিবেশনৰ কাম-কাজ আৰম্ভ হয়)।**

মাননীয় অধ্যক্ষঃ- Good Morning, Question No-81 শ্ৰী জাকিৰ হুছেইন সিকদাৰ। মন্ত্ৰী মহোদয়,

**শ্ৰী ৰঞ্জিত দত্ত (সংখ্যালঘু উন্নয়ন মন্ত্ৰী)** ঃ- অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে সংখ্যালঘু উন্নয়ন বিভাগৰ পৰা জানিব বিচাৰিছিলো বৰ্তমান সংখ্যালঘু উন্নয়ন বিভাগৰ অধ্যক্ষ জনক কেতিয়া নিযুক্তি দিয়া হৈছিল। উত্তৰ দিলে ২০১৭ চনৰ ৩ মাৰ্চত নিযুক্তি দিয়া হৈছিল। এই অধ্যক্ষ বাচনি প্ৰক্ৰিয়াৰ চৰকাৰী গাইড লাইন কি? মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিছে, অসম সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ অধ্যক্ষজনক মনোনীত কৰা হয়। মাননীয় অধ্যক্ষ মহেদয়, সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ অধ্যক্ষজনক এই কাৰণে নিযুক্তি দিয়া হয় যে এখন ব'ৰ্ড গঠন কৰা হৈছিল আৰু সেই ব'ৰ্ডৰ জৰিয়তে অসমত বসবাস কৰা যি সকল সংখ্যালঘু ভাষাই হওঁক বা ধৰ্মীয়ই হওঁক তেওঁলোকক বিভিন্ন ক্ষেত্ৰত বিভিন্ন ধৰণৰ আঁচনিৰ যোগেদি পৰৱৰ্তী সময়ত সেই মানুহখিনি বিভিন্ন অসুবিধাৰ পৰা মুক্ত হৈ যাতে স্বাৱলম্বী হ'ব পাৰে, সংখ্যাগুৰুৰ লগত যাতে একে শাৰীতে চলিব পাৰে, তাৰ কাৰণে এই বিভাগৰ জৰিয়তে বিভিন্ন ধৰণৰ কাম-কাজ কৰা হয়, আৰু এই ধৰণৰ কাম-কাজবোৰ যেতিয়া কৰিবলগীয়া হয়, সেই ব'ৰ্ডৰ অধ্যক্ষ যিজন থাকে, সেই অধ্যক্ষ জনৰ যথেষ্ট নিৰপেক্ষ হ'ব লাগিব আৰু তেওঁৰ কথা-বাৰ্তা আচৰণ দূৰ দৃষ্টিভংগী হ'ব লাগিব। অধ্যক্ষ ডাঙৰীয়া বৰ্তমানৰ যিজন অধ্যক্ষ , তেওঁৰ নামটো মই নকওঁ, সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ অধ্যক্ষ হিচাপে বৰ্তমানৰ চৰকাৰখনে নিযুক্তি দিছে, তেওঁক নিযুক্তি পোৱাৰ পাছতেই সংখ্যালঘু সকলৰ কল্যাণৰ পৰিবৰ্ত্তে সংখ্যালঘু সকলৰ মাজত কেনেকৈ ভাগ ভাগ কৰিব পাৰে, সংখ্যালঘু মানুহখিনিক কেনেকৈ তেওঁলোকে বৈষম্যমুলক আচৰণ কৰিব পাৰে আৰু যিবিলাক বিবৃত্তি দিয়ে বিভিন্ন মেডিয়া যেনে চচিয়েল মিডিয়াই হওঁক বা ইলেক্ট্ৰনিক মিডিয়া, প্ৰিণ্ট মিডিয়াই হওঁক বা সমাজৰ যিবিলাক মেল মিটিংত বিবৃতি দিয়ে তাৰ জৰিয়তে তেওঁ সমাজখনত এটা বিষবাষ্প তেওঁ চতিয়াই আছে। আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিম, যে বৰ্তমানৰ অধ্যক্ষ ডাঙৰীয়াৰ এনেকুৱা আচৰণ সম্পৰ্কে মাননীয় মন্ত্ৰী ডাঙৰীয়া জ্ঞাত নেকি? যদি জ্ঞাত তেনেহ'লে তেওঁৰ নিচিনা এজন ব্যক্তিক এই ব'ৰ্ডৰ অধ্যক্ষ পদত থকাৰ যোগ্যতা আজিৰ তাৰিখত আছে নেকি? এই বিষয়ত মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিম।

**মাননীয় অধ্যক্ষ** ঃ- যিজন নাথাকে সেইজনৰ নাম আমি ক'ব নিদিও, কাৰণ defend কৰিব নোৱাৰে।

**শ্ৰী ৰঞ্জিত দত্ত (সংখ্যালঘু উন্নয়ন মন্ত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয় সন্মানীয় বিধায়ক জাকিৰ

হুছেইন সিকদাৰ ডাঙৰীয়াই প্ৰশ্নটো কৰিছে সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ অধ্যক্ষ জনক কেতিয়া নিযুক্তি দিয়া হৈছিল। সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ অধ্যক্ষ জনক নিযুক্তি দিয়াৰ চৰকাৰী গাইড লাইন কি? মাননীয় অধ্যক্ষ মহোদয়, সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ অধ্যক্ষ জনক ২০১৭ চনৰ ৩ মাৰ্চত নিযুক্তি দিয়া হৈছে। এখন Gazette notification কৰা হৈছে, তেওঁকে ধৰি বাকী প্ৰায় ২০ গৰাকীলোকক লগত লৈ এখন উন্নয়ন নিগমৰ সম্পূৰ্ণৰূপে তেওঁক দায়িত্ব দিয়া হৈছে, আৰু এইটো ২০১৭ চনৰ ৩ মাৰ্চত দিয়া হয়। এই উন্নয়ন ব'ৰ্ডৰ অধ্যক্ষজনক চৰকাৰৰ তৰফৰ পৰা মনোনিত কৰা হয়। যিটো চৰকাৰী গাইড লাইন আছে সেই গাইড লাইন মতে মনোনিত কৰা হয়, আৰু এই উন্নয়ন ব'ৰ্ডৰ যিখিনি উন্নয়ন মুলক কাম-কাজ বিশেষকৈ সংখ্যালঘু লোক সকলৰ মাজত, তাত মুছলিম , খ্ৰীষ্টান, বৌদ্ধ, জৈন, পাৰ্চী যিখিনি ইয়াত সংখ্যালঘু বুলি কোৱা হয় তেওঁলোকৰ উন্নয়নৰ বাবে বিভিন্ন ধৰণৰ আঁচনি তৈয়াৰ কৰি সুচাৰুৰূপে পৰিচালিত কৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্যগৰাকীয়ে এটা অভিযোগ কৰিছে, তেওঁ উন্নয়ন ব'ৰ্ডৰ অধ্যক্ষ হৈ ৰাজনীতি কৰিছে বুলি অভিযোগ আনিছে বা তেওঁৰ বিভিন্ন মন্তব্য কথাটো ইয়াত আনিছে। মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে আমাৰ চৰকাৰ জ্ঞাত নহয়। উন্নয়ন ব'ৰ্ডৰ অধ্যক্ষ হিচাপে তেওঁ ৰাজনীতি কৰিব নোৱাৰে। কিন্তু তেওঁ ব্যক্তিগত হিচাপে যদি ৰাজনীতি কৰিছে, সেইটো আমাৰ জ্ঞাত নহয়। আমাৰ কথা হ'ল আমাৰ যিজন উন্নয়ন ব'ৰ্ডৰ অধ্যক্ষ আছে, তেওঁ দায়িত্বত থাকি ৰাজনীতিৰ বিষবাষ্প বিয়পাব নোৱাৰে। এই বিষয়ে চৰকাৰ জ্ঞাত নহয়, আৰু যদি তেওঁ ব্যক্তিগতভাবে কৰিছে আমি এই বিষয়েও জ্ঞাত নহয়। গতিকে ইয়াত ৰাজনীতিকৰণৰ কোনো প্ৰশ্নই আহিব নোৱাৰে এই চৰকাৰৰ দিনত। আমাৰ নৰেন্দ্ৰমোডী ডাঙৰীয়াৰ যি বাণী আছে, যি শ্ল'গান আছে 'সব কা চাথ সব কা বিকাশ' আৰু 'সবকা বিশ্বাস', ইয়াৰ আধাৰত আমি চৰকাৰখনে কাম কৰি গৈ আছো।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)**ঃ- মন্ত্ৰী ডাঙৰীয়াই উত্তৰখিনি দিছে, কিন্তু অধ্যক্ষ ডাঙৰীয়া, চৰকাৰী গাইড লাইন সম্পৰ্কে ইয়াত নিৰ্দ্দিষ্ট কোনো কথা নাই। যদি গাইড লাইন নাই, তেনেহ'লে ইয়াৰ কাৰণে এটা গাইড লাইন বনোৱাৰ ব্যৱস্থা কৰিব লাগে। তাৰ লগে লগে মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰত অতি দুখেৰে জনাওঁ যে যিজন ব্যক্তি বৰ্তমান অধ্যক্ষ সেই ব্যক্তিজন কিছুদিন আগতে এটা ৰাষ্ট্ৰীয় দলৰ মুখপাত্ৰ আছিল। তেখেতে বিভিন্ন ধৰণৰ প্ৰৰোচনামুলক গোষ্ঠীগত সংঘৰ্ষ লাগিব পৰা মন্তব্য দিয়া কাৰণে আমাৰ হাতত থকা তথ্য মতে ইতিমধ্যে তেওঁৰ মুখপাত্ৰ বাতিল কৰা হৈছে। গতিকে মন্ত্ৰী ডাঙৰীয়াৰ হাতত তথ্য নাই বুলি কৈছে।

**মাননীয় অধ্যক্ষ** ঃ- তথ্যখিনি মোক দিয়ক। so that we can take necessary steps.

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)** ঃ- অধ্যক্ষ ডাঙৰীয়া তথ্যখিনি আপোনাক দিম। আপোনাক

জনাওঁ যে পবিত্ৰ বিধান সভাৰ বিধায়ক সকলক বাংলাদেশী বুলি আখ্যা দিছে। কিছুদিন আগতে মানকাছাৰলৈ গৈছিল।

**মাননীয় অধ্যক্ষ** ঃ- প্ৰশ্নকালীন ঘন্টাত এই বিলাক কলে অসুবিধা হ'ব।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)**ঃ- অধ্যক্ষ ডাঙৰীয়া, মই শেষ কৰিম। এইবোৰ অতিকৈ জটিল বিষয়। আজি যদি আপুনি দিল্লীৰ গোষ্ঠীগত সংঘৰ্ষলৈ চায়, মেঘালয়ৰ গোষ্ঠীগত সংঘৰ্ষৰ কথা চায় তাত বিভিন্নজনৰ বক্তব্যৰ কাৰণে এই সংঘৰ্ষ বিলাক হৈছে। গতিকে এনকুৱা এজন ব্যক্তি আমাৰ অসমতো আছে। আমি চিনাক্ত কৰিব লাগে অধ্যক্ষ মহোদয়, তেওঁৰ যদি আমি মুখ বন্ধ কৰিব নোৱাৰো, তেওঁৰ দৰে ব্যক্তি এজনক যদি এখন চৰকাৰী মৰ্যদাপুৰ্ণ আসনত বহুৱা হয়, পৰবৰ্তী

সময়ত কিন্তু অসমত গোষ্ঠীগত সংঘৰ্ষ হোৱাৰ আশংকা আছে।

**মাননীয় অধ্যক্ষ** ঃ-মই আপোনাৰ কথাকেইটা নাকচ কৰা নাই।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, কিছুদিন আগতে মানকাছাৰলৈ গৈছিল, তাত গৈ দুটা গোষ্ঠীয়ে কোন ভাটিয়া, কোন উজনিৰ, ক'ত কোনে কি কৰিছে, কোনে কাক ধ্বংস কৰিছে, কোনে কাক অত্যাচাৰ কৰিছে এইবিলাক বিবৃত্তি দি পৰিবেশ বিনষ্ট কৰিছিল। আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা স্পষ্টভাৱে জানিব বিচাৰিছো যে এইজন ব্যক্তিক অধ্যক্ষ পদৰ পৰা অপসাৰিত কৰিব লাগে। ইয়াৰ আশ্বাস আজি এই পৱিত্ৰ সদনত দিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ জাকিৰ হুছেইন ডাঙৰীয়া বহক। মই আপোনাৰ কথাখিনি উপলব্ধি কৰিছো তেখেতে উত্তৰটো তেনেকৈয়ে দিব লাগিব সদনত। কথাটো হৈছে আপোনাক এটা পৰামৰ্শ দিয়া হৈছে, যে আপুনি যিখিনি ভাবিছে সেইখিনি লিখিত দিয়ক So that I can pass it to the Minister, definitely we will get something. Next supplementary, Shri Sherman Ali Ahmed.

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সংখ্যালঘু বোৰ্ডৰ অধ্যক্ষ চৰকাৰৰ এজন উচ্চপদস্থ বিষয়া। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যেতিয়া ভাষণ দিয়ে আমাৰ যথেষ্ট ভাল লাগে। তেখেতে কয় Fin Assam, 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস' এই কথাবিলাক শুনিলে ভাল লাগে। কিন্তু দুৰ্ভাগ্যজনক কথা হ'ল মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত এনেকুৱা এজন মানুহ সংখ্যালঘু বোৰ্ডৰ অধ্যক্ষ হিচাবে বহোৱা হৈছে যে তেওঁ বিভিন্ন সময়ত প্ৰৰোচনামূলক বক্তব্য দি আহিছে। এক কোটি ত্ৰিশ লাখ মানুহক বিভিন্ন সময়ত প্ৰত্যক্ষভাৱে বাংলাদেশী বুলি অভিযোগ কৰি আহিছে। অকল সেই জনগোষ্ঠীটোকে নহয়, জনগোষ্ঠীৰ ভিতৰৰ বিভিন্ন মানুহক ভাগ ভাগ কৰিবলৈ চেষ্টা কৰিছে। আমাৰ মাননীয় বিধায়ক শিকদাৰ ডাঙৰীয়াই এইক্ষেত্ৰত বিতং ভাৱে কৈছে। মাননীয় অধ্যক্ষ মহোদয়, আটাইতকৈ ডাঙৰ কথাটো হৈছে আপুনি ও এজন বিধায়ক, এই বিধান সভাত এটা জনগোষ্ঠীৰ পৰা অহা প্ৰতিনিধিখিনিক তেওঁ মুকলি ভাবে মিডিয়াত বাংলাদেশী বুলি ক'লে মই ভাৱো এই কথাটোৱে অকল আমাৰ অন্তৰত দুখ লগোৱাই নহয়, হয়তো আপোনাৰ বা মন্ত্ৰী মহোদয়ৰ অন্তৰতো দুখ লাগিব। গতিকে মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো গুৰুত্ব সহকাৰে ল'ব লাগে। So, Hon'ble Speaker Sir, it is with in your domain and I would like to request you to take a breach of privilege motion suo moto.

**মাননীয় অধ্যক্ষ** ঃ আপুনি কথাটো কৈছে গতিকে suo moto লোৱাতকৈ আপোনালোকে দিলে ভাল হয়। মই আপোনালোকক সহায় কৰিবলৈকে আছো। It is a very sensitive matter, I am assuring you that I will deal it properly.

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমত প্ৰায় এক কোটি ত্ৰিশ লাখ সংখ্যালঘু লোক আছে। ছটা জনগোষ্ঠী মুছলিম, শিখ, বৌদ্ধ, শিখ আদিলৈ যি এক কোটি ত্ৰিশ লাখ মানুহ আছে তাৰ ভিতৰত এক কোটিকেই তেখেতে সন্দেহৰ দৃষ্টিৰে চায়। যিজন অধ্যক্ষৰ এই ছটা জনগোষ্ঠীৰ প্ৰায় এক কোটি ত্ৰিশ লাখ মানুহৰ উন্নয়ণৰ দায়িত্ব আছে সেইজন অধ্যক্ষৰ যদি এক কোটি মানুহৰ প্ৰতি মনোভাৱ বেয়া থাকে, এই এক কোটি মানুহৰ ক্ষতিৰ কথা যদি চিন্তা কৰে আৰু এই এককোটি মানুহৰ প্ৰতি যদি তেখেতৰ দৃষ্টিভংগী সাম্প্ৰদায়িক হয় সেইজন মানুহে কেনেকৈ উন্নয়ন কৰিব? সেয়ে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যিহেতু উন্নয়ণৰ উদ্দেশ্য

আগত ৰাখি তেখেতক এই দায়িত্ব দিয়া হৈছে সেয়ে অতি সোনকালে চিন্তা-চৰ্চা কৰি এইজন মানুহক আঁতৰাই দি এজন উপযুক্ত মানুহক যিজনে এক কোটি ত্ৰিশ লাখ মানুহৰ ন্যায় কৰিব পাৰিব, সমদৃষ্টিৰে উন্নয়ণৰ কথা চিন্তা কৰিব পাৰিব তেনেকুৱা এজন মানুহ দিলে ভাল হয়।

**माननीय অধ্যক্ষ ঃ** তেওঁৰ কথাখিনি আমি ইয়াত কৈছো। তেওঁৰ কথাখিনি কোৱাৰ পিছত he will also get an opportunity to explain before the Minister then we will get the reply. গতিকে আমি সকলোৰে অসম খনৰ শান্তি-সম্প্ৰীতি বজাই ৰখাটো বিচাৰিছো। I am taking cognizance to this আপোনালোকে মোক কাগজখিনি দি দিব।

**শ্ৰী ৰঞ্জিত দত্ত (সংখ্যালঘু উন্নয়ন মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে তেখেতৰ ওপৰত অভিযোগ আনিছে কিন্তু আমি এই অভিযোগ লিখিত ভাৱে পোৱা নাই যিটো প্ৰশ্ন তেখেতে বিধান সভাৰ মজিয়াত কৰিছে। এই Board খনৰ অধ্যক্ষৰ কাৰ্য্যকাল হৈছে তিনি বছৰ। ২০১৭ চনৰ ৬ তাৰিখে নটিফিকেশ্যন হৈছিলে আৰু আজি হৈছে শেষ কাল আৰু আজিৰ দিনটোতেই এই প্ৰশ্নটো আহিছে। মাননীয় অধ্যক্ষ মহোদয়, মই এজন সংখ্যালঘু বিভাগৰ মন্ত্ৰীৰ দায়িত্বত আছে। আমাৰ নীতি হৈছে 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস'। আজি কিছুদিন আগতে সন্মানীয় সাংসদ শ্ৰী আব্দুল খালেক ডাঙৰীয়া, শ্ৰী ৰঞ্জিত দাস ডাঙৰীয়া আৰু মই জনীয়াৰ সন্মানীয় সদস্য শ্ৰী ৰফিকুল ইছলাম ডাঙৰীয়াৰ সমষ্টিত গৈ তাত ৩০ কোটি ৪২ লাখ টকাৰ 'মডেল ৰেচিডেঞ্চিয়েল স্কুল' দিছো। আমাৰ সন্মানীয় সদস্য বাঘবৰৰ শ্ৰী শেৰমান আলী ডাঙৰীয়াৰ ও এটা ডিমাণ্ড আছে আৰু প্ৰত্যেকজন বিধায়কৰে একো একোটা ডিমাণ্ড আহিছে। সেয়ে আমি সকলোকে সমান চকুৰে চাইছো। মাননীয় অধ্যক্ষ মহোদয়, যোৱা দুদিন ধৰি গাৰো পাহাৰত, শ্বিলঙত যিটো ঘটনা ঘটি আছে, কালি সন্মানীয় সদস্য শ্ৰী অশোক সিংহী ডাঙৰীয়া, যিজন অধ্যক্ষৰ ওপৰত অভিযোগ অনা হৈছে সেইজন অধ্যক্ষ ডাঙৰীয়া আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ তৎপৰতাত মেঘালয়ৰ পৰা অসমৰ মানুহখিনিক ৰিক'ভাৰী কৰা হৈছে। এইটো আমাৰ চৰকাৰেই কৰিছো। ইয়াত কাৰো প্ৰতি পক্ষপাত মূলক বা বৈষম্যমূলক ব্যৱস্থা কৰা নাই। গতিকে আমাৰ চৰকাৰখনে সকলো জাতি-জনগোষ্ঠীকে লগত লৈ আমি অসমখন আগবঢ়াই লৈ যাব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ৮২। শ্ৰী মহেশ্বৰ বড়ো।

**শ্ৰী ৰঞ্জিত দত্ত (সংখ্যালঘু উন্নয়ন মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী মহেশ্বৰ বড়ো (কলাইগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত আগৰ এম এচ ডি পি ৰ আঁচনিৰ যোগেদি বহুখিনি অতিৰিক্ত শ্ৰেণীকোঠা নিৰ্মাণ কৰা হৈছিল আৰু তাৰে বিল আজিলৈকে বিল পোৱা নাই। এই প্ৰশ্নটো উত্থাপন কৰা হৈছিল। উত্তৰত ওদালগুৰিৰ কথা যিটো উল্লেখ কৰা হৈছে এইটো ভুল হৈছে। মোৰ সমষ্টি দুখন জিলাত বিভক্ত। দৰং আৰু ওদালগুৰি। দৰং জিলাত ৪০ শতাংশ আৰু ওদালগুৰি জিলাত ৬০ শতাংশ এলেকা ক'ভাৰ কৰে। ইয়াত উত্তৰত ওদালগুৰি জিলাৰ কথা কোৱা হৈছে, কিন্তু ওদালগুৰি জিলাৰ মোৰ সমষ্টিৰ কলাইগাওঁ উন্নয়ণ খণ্ডৰ এই অংশটো আঁচনিৰ অৰ্ন্তভুক্তই হোৱা নাই। মন্ত্ৰী ডাঙৰীয়াই ভালদৰে জানে যে এইক্ষেত্ৰত বহুবাৰ আলোচনা কৰা হৈছে আৰু লিখা মেলাও কৰিছো। কিন্তু ওদালগুৰি জিলাৰ অংশটো অৰ্ন্তভুক্ত হোৱা নাই। কিন্তু দৰং অংশটোত এই আঁচনিৰ বহুখিনি কাম সম্পূৰ্ণ কৰা হ'ল। বিল আজিলৈকে পোৱা নগ'ল। দুখন মান হাইস্কুলৰ বিল পোৱা গৈছে। প্ৰাথমিক বিদ্যালয়, মধ্য ইংৰাজী বিদ্যালয় আৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ বহুখিনি শ্ৰেণীকোঠা টেণ্ডাৰ যোগে ঠিকাদাৰ সকলক নিৰ্মাণ কৰিবলৈ

দিয়া হ'ল কিন্তু আজিলৈকে বিল পোৱা নগ'ল। ইয়াত প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে বুলি কৈছে। যদিও আজিলৈকে বিল পোৱা নাই। দুটা মানত সামান্য ২ লাখ মান পাইছে। গতিকে খুব সোনকালে এই আঁচনিৰ ধন খিনি পাবৰ কাৰণে কিবা ব্যৱস্থা ল'বনে তাক মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী ৰঞ্জিত দত্ত (সংখ্যালঘু উন্নয়ন বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী মহেশ্বৰ বড়োৰ সমষ্টিটো দুখন জিলাৰ ভিতৰত। তেওঁৰ সমষ্টিটোৰ ৬০ শতাংশ হয়তো ওদালগুৰিত পৰে আৰু ৪০ শতাংশ দৰং জিলাত পৰে। এই বিষয়ে আমি আলোচনা কৰি আছো আৰু কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰিছো যে ওদালগুৰি সমষ্টিৰ যিটো আমাৰ দৰঙত পৰে এইবিষয়ে প্ৰধানমন্ত্ৰীৰ 'জন বিকাশ' কাৰ্য্যক্ৰমত এই ব্লকটো অৰ্ন্তভুক্ত কৰিবৰ কাৰণে ভাৰত চৰকাৰলৈ পত্ৰ প্ৰেৰণ কৰিছো আৰু খুব সোনকালে সম্ভৱতঃ এই প্ৰস্তাৱটো গৃহীত হ'ব। দ্বিতীয়তে, ইয়াৰ যিটো এম এচ ডি পি সেইটো একাদশ প্লেনৰ পইচা আৰু এইটো ডি চি ৰ যোগেদি খৰচ কৰা হয়। সেই সময়ত জিলা উপায়ুক্তলৈ এই পইচাটো পঠিওৱা হয়, জিলা উপায়ুক্তই টেণ্ডাৰ কল কৰি বা বিভিন্ন সমিতি তৈয়াৰ কৰি এই কামবিলাক কৰা হয় আৰু জিলা উপায়ুক্তৰ ফালৰ পৰা ইউ চি বিলাক দিয়া হয়। বহু জিলাত এতিয়াও কিন্তু ইউ চি বিলাক সম্পূৰ্ণ হোৱা নাই। জিলা উপায়ুক্তই ইউ চি বিলাক দিয়া নাই। ইয়াৰ আগৰ বিধান সভাতো এই বিষয়ে বহুখিনি কথা আলোচনা হৈছে। আমি জিলা উপায়ুক্তক ইউ চি বিলাক সোনকালে প্ৰেৰণ কৰিবৰ কাৰণে কৈ আছো তেতিয়া কেন্দ্ৰীয় চৰকাৰে চেকেণ্ড, থাৰ্ড ইন্সটলমেণ্ট বিলাক ৰিলিজ কৰিব। আমি জিলা উপায়ুক্ত সকলক কোৱাৰ পিছত তেওঁলোকে ইউ চি দিছে। তেখেতৰ সমষ্টিত কেন্দ্ৰীয় চৰকাৰৰ এশ শতাংশ আৰু ৰাজ্য চৰকাৰৰ পঞ্চাশ শতাংশ। ইয়াত লিখিছে ৰাজ্য চৰকাৰৰ বাকী State Share টো বাকী ৫০ শতাংশ Bill- Voucer নোপোৱাৰ বাবে মোকলাই দিব পৰা নাই। যিখিনি বিল -ভাউচাৰ উপায়ুক্তৰ হাতত জমা দিছে সেইখিনি প্ৰপাৰ নোহোৱা বাবে ডি চিয়ে পেমেন্ট কৰিব পৰা নাই। জিলা উপায়ুক্তৰ তথ্যমতে ইয়াত উত্তৰ দিয়া হৈছে। ইতিমধ্যে ইউ চি খিনি আমি ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিছো। খুৰ সোকালে চেকেণ্ড ইনষ্ট'লমেন্টৰ টকা কেন্দ্ৰীয় চৰকাৰে ৰিলিছ কৰিব। জিলা উপায়ুক্তক আমি টকা হেণ্ড অভাৰ কৰিম। যিখিনি পেমেন্ট বাকী আছে জিলা উপায়ুক্তৰ দ্বাৰা পেমেন্ট কৰা হ'ব।

মাননীয় অধ্যক্ষ ঃ কলাইগাওঁ সমষ্টিৰ লিংকত যদি আছে তেতিয়াহে ক'ব , মই এলাও কৰিম। কোৱেশ্চন নং-৮৩, শ্বেৰমান আলি আহমেদ।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মোৰ প্ৰশ্নটো কলাই গাওঁৰ ৰিলেটেড ছাৰ। কলাইগাওঁ সমষ্টিৰ খ্ৰষ্টান ধৰ্মৰ লোকসকল এই সংখ্যালঘুত উন্নয়নত পৰে নে নাই? তাৰ খ্ৰীষ্টান মানুহখিনি ডিপ্ৰাইভ হৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** মহেশ্বৰ বড়ো কথাখিনি সত্যতা আছেনে?

**শ্ৰীমহেশ্বৰ বড়ো ঃ** সত্যতা আছে ছাৰ।

**শ্ৰীগুৰুজ্যোতি দাস ঃ** অকল কলাই গাওঁতে নহয় ছাৰ মোৰ সমষ্টিতো হৈছে।

**মাননীয় অধ্যক্ষ ঃ** Whether Christians are included in the Schemes.

**শ্ৰীৰঞ্জিৎ দত্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰধান মন্ত্ৰী জন বিকাশ কাৰ্য্যক্ৰমত ইয়াত খ্ৰীষ্টান, মুছলিম, জৈন, পাৰ্চী, বৌদ্ধিষ্ট সকলো শ্ৰেণীৰ মানুহ তাত অৰ্ন্তভূক্ত আছে।

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ issue টো অত্যন্ত Serious.

Social Welfare Department ৰ ২০১৫ চনতে মুখ্যমন্ত্ৰীৰ বিশেষ Package ৰ অধীনত ঘোষণা কৰা আমাৰ কিছু দুখীয়া মহিলা- বোৱাৰী- ন-বোৱাৰী এনেধৰনৰ প্ৰত্যেককে ৫০০০- ১০০০০ টকা দিয়াৰ আঁচনি ঘোষণা কৰিছিলে সেই আঁচনিত ৩ কোটিৰো অধিক টকা , চৰকাৰী তথ্যমতে ৩ কোটি ৫ লাখ টকা । Department ৰ এগৰাকী বিষয়াই সেই আঁচনিৰ অৰ্ন্তগত প্ৰায় ৩ কোটি ৫ লাখ টকাৰ অধিক টকা তেখেতৰ কোনোৱা গ্ৰেড- ৪ কৰ্মচাৰীৰ হতুৱাই আত্মসাৎ কৰি গুচি গ'ল ২০১৫ চনত। তাৰ পিছত তেওঁ ২০১৫ পৰা ২০১৭ৰ মাৰ্চ মাহলৈকে অফিচ এটেণ্ড নকৰাকৈ দৰমহা লৈ আছিল। মই প্ৰশ্ন কৰাৰ পিছতহে দৰ্মহাটো বন্ধ হ'ল। মাননীয় , অধ্যক্ষ মহোদয়, D.C য়ে Inquary কৰিছে, তেও substantiate কৰিছে হয় এইটো Fact. Misappropriate কৰিছে । এতিয়া মাননীয় অধ্যক্ষ মহোদয়, কথাটো হ'ল ইমান এটা ডাঙৰ কেলেংকাৰী, সকলো তথ্য পাতি থকা সত্বেও আজি মন্ত্ৰী মহোদয় যিখিনি উত্তৰ দিছে তাৰ ফৰেনচিক লেৱৰেটৰীৰ Report এই মাত্ৰ পাই। ৩ মাৰ্চতে Procecution Order হ'ল। এনেকুৱা Case ত দুটা দিশ থাকে এটা হ'ল- Criminal Proceeding আৰু ত্ৰটা হ'ল- Departmental Proceeding . Deparmental Proceeding irrispective of other things . Deparmental Proceeding ৰ অবস্থা মই আপোনাক জনাইছো। 2017 চনৰ চেপ্টেম্বৰত তেওঁক শ্ব'কজ ইছ্যু কৰিছে।। ২০২০ চনৰ ২৯February ত inquary officer Appoint কৰিলে। Show Cause Issue কৰিছে 14 , September,2017 - Enquiary Officer Appoint কৰিলে মোৰ questionটো কৰাৰ পিচত।

**মাননীয় অধ্যক্ষ ঃ** That is your Power.

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** মাননীয় মন্ত্ৰী মহোদয়ৰ আন্তৰিকতা আছে। ইয়াৰ আগতে মই এই প্ৰশ্নটো সদনত সুধিবলৈ সুযোগ নাপাই Point of Order আনোতেই মন্ত্ৰী মহোদয়ে CID ক reffer কৰিছে। I appreciate Her for Sincereity. I have no doubt about the sincereity of the Minister. Hon'ble Speaker Sir, My Question মন্ত্ৰী মহোদয় বিভিন্ন কামত ব্যস্ত থাকে । Why the officers didnot take this issue with seriousness. Departmental Proceding ইমান দিন উত্তৰ দি আছে যে DD তেওঁৰ পৰা উত্তৰ পোৱা নাই কাৰণে দিব পৰা নাই। Hon'ble Speaker Sir, see how the officer misguide. This is the Assam Services decipline and apell Rule . In this Rule it is cleare that if the officer does not submit reply within the specified time. The Department can take Showmutto action. Department can engaged. আপুনিও এডভোকেট আছিল। Why the Inquiary officer, I am feeling sad. ৩ কেটি ৫ লাখ লৈ গ'ল। মন্ত্ৰী মহোদয়ৰ seriousness আছে। বিষয়াসকলে কিয় enquiary officer appoint কৰিবলৈ ৩ বছৰ সময় লগালে। মই যদি প্ৰশ্ন নকৰিলোহেঁতেন তেনেহ'লে Forensic Science Laboratory Report নাহিলেহেতেঁন। Procecution Sanction নহ'লহেঁতেন। মোৰ প্ৰশ্ন কৰাৰ পিছত inquiary officer appoint দিয়া হ'ল। They Could have done it 3 Years earlier. মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জড়িয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজো - I don't have any doubt about her sincereity. এইজন কোন বিষয়া ? আপুনি বিষয়াসকলৰ ওপৰত enquiary কৰক। কাৰ ওচৰত ফাইলটো পৰি আছিলে ? কিয় গুৰুত্ব দিয়া

নাছিল। মন্ত্ৰী মহোদয়াই ইমান Seriously লোৱাৰ পিচত This officer should be Punished. Action shoud be taken against this officer. This is a Serious Case....... Thank You.

**মাননীয় অধ্যক্ষ ঃ** Thank You,আপোনাৰ কথাটো ঠিকে আছে, মই appretiate কৰিছো। কিন্তু tune টো অলপ Low কৰিলে ভাল। Minister please ....।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম , মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ধন্যবাদ দিছো মাননীয় শ্বেৰমান আলী ডাঙৰীয়াক। তেখেতে মোক Appretiate কৰিছে। কিন্তু অধ্যক্ষ মহোদয় , আপোনাক জনাব বিচাৰিছো যে ডেইজী হাজৰিকা তেখেতক Show Cause দিবৰ কাৰনে আমাৰ বিভাগৰ পৰা চেষ্টা কৰি থকা হৈছিললে কিন্তু তেখেতক untress হিচাপে পোৱা গৈছিল। পিছত তেখেতৰ original Addressত পোৱা গ'ল। তেখেতে receive কৰাৰ লগে লগে Reply দিছে। তেখেতৰ ৰিপ্লাই আমাৰ Satisfectory নহ'ল। সেই কাৰনে এই বছৰ ২৯ ফেব্ৰুৱাৰীত তদন্ত বিষয়া নিযুক্ত কৰা হ'ল। এডমিনিষ্ট্ৰেটিভ এনকোৱাৰী হ'ব। প্ৰচিকিশ্যন অৰ্ডাৰটো আমি দিলো। যাতে তেখেতৰ ওপৰত আইনী ব্যৱস্থা লৈ শাস্তি দিব পাৰি. তাৰ ব্যৱস্থা আমি লৈছো।

**শ্ৰীশ্বেৰমান আলি আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয় এইটো কাৰনে মোৰ দুখ লাগে। মাননীয় মন্ত্ৰী মহোদয়াক মিচ গাইড কৰিছে। -- on receipt of the written statement of defence or if no suggest statement is received within the time specified. The deciplinary authority may itself inquire into such of the Chart as are not admitted. This is the Rule. এতিয়া বিষয়াসকলে বুজাইছে তেওক বিচাৰি পোৱা নাই। আপুনি জানে ছাৰ ৰেজিষ্টাৰ্ড পোষ্টত দিব তেও নাপালে within time নিদিলে ইনকোৱাৰী অফিচাৰ এপইন্ট কৰিব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** শ্বেৰমান আলি ডাঙৰীয়া আপুনি এই কেচটোত যুজি আছে। মই জানো । আপুনি কোৱা বাবে মই ভাল পাইছো। বেচিক কথাটো এটলিষ্ট এতিয়া লাইন এটালৈ আহিলে। আপুনি প্ৰশ্নটো অনা বাবে বিষয়াসকলে হয়তো বুজিলে। মই ভাবো মন্ত্ৰী ডাঙৰীয়ানী কথাটো চিৰিয়াচলী লৈছে - Within Short time will be able to procecutor. I would like to thank you for giving this Ruling .Another thing- মই এইটো কাৰনে কৈছো অধ্যক্ষ মহোদয় This should be last Case. where the officers misguide or neglect minister or public representative in such a way. সেইকাৰণে মই কৈছো অফিচাৰৰ বিৰুদ্ধে ব্যৱস্থা ল'ব লাগে। আজিও মন্ত্ৰী মহোদয়ে misguide কৰিছে যে আমি show causeৰ উত্তৰ পোৱা নাই কাৰণে।

**মাননীয় অধ্যক্ষ ঃ** I will look into it. আৰু নহয় যাতে।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** যাতে আৰু পিছত নহয়, এই উদাহৰণৰ ব্যৱস্থা ললে পিছত কোনো বিষয়াই অবজ্ঞা কৰিবলৈ সাহস নাপাব, মাননীয় মন্ত্ৰীক misguide কৰিবলৈ সাহস নাপাব। অধ্যক্ষ মহোদয়, দ্বিতীয়তে, মোৰ এজন চি ডি পি অ' বদলিকৰণৰ কাৰণে মাননীয় বাউদেউক মই লগ কৰিছিলো তেখেতে লিখি দিয়াই নহয় সচিব নে আয়ুক্ত পৰ্যায়ৰ বিষয়াক ফোন কৰি কৈ দিলে এইটো কৰি দিবলৈ। ইয়াৰ পিছত প্ৰায় এমাহ গ'ল মই আকৌ বাইদেউক কলো, বাইদেউ কামটো হোৱা নাই। বাইদেউৰে আকৌ ফোন কৰি কলে হোৱা নাই নেকি এতিয়াও, ৰ'ব মই এতিয়াই কৈ আছো। মই সেই কাৰণে কৈছো I dont have any doubt about

this.

**মাননীয় অধ্যক্ষ ঃ** দীঘল হৈছে অলপ কম কৰক, সময় গৈছে।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** এতিয়া উত্তৰ দিছে ৰিলিভাৰ পোৱা নাই These are only negligency.

**মাননীয় অধ্যক্ষ ঃ** আপুনি ৰিলিভাৰ এজন দি দিয়ক, মন্ত্ৰী ডাঙৰীয়ানীয়ে কৰি দিব।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** Ok, আপোনাৰ Ruling I will follow.

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, ধন্যবাদ। ইয়াৰ পিছত প্ৰশ্ন নং ৮৪, মামুন ইমদাদুল হক চৌধুৰী তেখেত অনুপস্থিত। প্ৰশ্ন নং ৮৫, বিনন্দ কুমাৰ শইকীয়া তেখেতেও অনুপস্থিত, What is happning. ইয়াৰ পিছত ৰফিকুল ইছলাম, প্ৰশ্ন নং ৮৬।

**শ্ৰী ৰঞ্জিৎ দত্ত (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন আছিল সংখ্যালঘু উন্নয়নৰ কাৰণে যোৱা কেইটা বছৰ কিমান পুঁজি ধাৰ্য্য আৰু কি কি আঁচনিত ব্যয় কৰিছে। মাননীয় মন্ত্ৰী মহোদয়ে ঠিকেই উত্তৰ দিছে কিন্তু কিছু কথা মই জানিব লগীয়া আছে। ইতিমধ্যে আমি যি সংখ্যালঘু উন্নয়ন বোৰ্ডৰ অধ্যক্ষৰ বিষয়ে আলোচনা কৰিলো, সেই সম্পৰ্কীত কিছু বিভাগ য'ত আমাৰ পইচা দিয়া হয়। মাননীয় মন্ত্ৰী মহোদয়ে জানিব বিভিন্ন ডিপ্লমা কোৰ্চৰ কাৰণে সংখ্যালঘু উন্নয়ন বোৰ্ডত পইচা দিয়া হয় আৰু এই সুবিধাখিনি সংখ্যালঘু ছাত্ৰ-ছাত্ৰীয়ে পায়। কিন্তু আমি লক্ষ্য কৰিছো এই ছাত্ৰ-ছাত্ৰী বিলাকে যেতিয়া আবেদন কৰে বহুকেইদিন তেওঁলোকে গুৱাহাটী আহি থাকে আৰু খবৰ লৈ থাকে, কোনো ৰিজাল্ট নাই, উত্তৰ নাই, ঠিক এনেকুৱা ধৰণৰ। তাৰ পিছত হঠাৎ এটা লিষ্ট ওলাই আহে কিছুমানে কয় চাৰ মোৰ ৬০ শতাংশ থকাৰ পিছতো মই নাপালো আৰু ৫০ শতাংশ থকা জনে চিত পাই গ'ল। এনেকুৱা ধৰণৰ কথাবতৰা বোৰ হৈ থাকে। গতিকে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো যে ইয়াৰ কাৰণে কিবা যোগ্যতা নিৰ্ধাৰণ আছে নেকি? যে নামভৰ্ত্তিৰ বাবে বিভিন্ন ডিপ্লমা, এ এন এম, জি এ এন এম, বি এচ চি নাৰ্চিংৰ পৰা আৰম্ভ কৰি আৰু বি ফাৰ্ম, ডি ফাৰ্ম যিবোৰ কোৰ্চেছ আছে ইয়াৰ কাৰণে এটা মাৰ্ক যদি নিৰ্ধাৰণ কৰি দিয়া হয়, মেৰিট বেছিছ যদি চিলেক্চন কৰা হয় কোনেও ডিপৰাইভ নহব আৰু গুৱাহাটীতো আহি থাকিব লগীয়া নহ'ব। গতিকে মন্ত্ৰী মহোদয়ে এনেকুৱা ব্যৱস্থা ল'ব নেকি মই জানিব বিচাৰিছো।

**শ্ৰী ৰঞ্জিৎ দত্ত (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য ৰফিকুল ইছলাম ডাঙৰীয়াই ইয়াত সংখ্যালঘু উন্নয়ন বোৰ্ডৰ যি আমাৰ আঁচনি আছে, তেখেতে প্ৰশ্ন কৰিছে যে ইয়াত Diploma Medical Laboratory training, ANM, GNM, BS.c Nursing , Diploma of Physiotherapy, Nature of ICU এনেকুৱা ধৰণৰ কোচিং কিছুমান কৰা ব্যৱস্থা আছে। এই বোৰ্ডে পেপাৰত বিজ্ঞাপন দি বা অনলাইনৰ যোগেদি এই এপলিকেচনবোৰ লোৱা হয়। ইয়াত বহুত শিক্ষিত মেৰিট থকা ছাত্ৰ-ছাত্ৰী সকলে ইয়াত এপলাই কৰে। ইয়াত অকল মুছলমানে নহয়, ইয়াত খ্ৰীষ্টিয়ান বা বৌদ্ধিষ্ট এই সকলকো আমি ইয়াত অন্তৰ্ভুক্ত কৰিবৰ কাৰণে ব্যৱস্থা কৰিছো। ইয়াত যিটো নিৰ্বাচনৰ যিটো বাচনি প্ৰক্ৰিয়া সেই বাচনি প্ৰক্ৰিয়াটো সম্পূৰ্ণ মেৰিট বেচিচতে লোৱা হয়। ইয়াত ৮৬, ৮৭ শতাংশ পোৱা ছাত্ৰ-ছাত্ৰী সকলেও ইয়াত এপলাই কৰে। এইটোত সম্পূৰ্ণ ভাৱে তেওঁলোকক বিনামূলীয়া ভাৱে ৰখা হয়, তেওঁলোকে নিজে ১০ শতাংশ ইয়াত সহযোগ কৰিব লাগে আৰু এইটো চৰকাৰী খৰচত, আমাৰ চৰকাৰৰ তৰফৰ পৰা যিটো সংখ্যালঘু উন্নয়ন ফাণ্ড আছে, পুঁজি দিয়া হয় এচ ও পি ডি ৰ বাজেটত, এইখিনিৰ আমি

ট্ৰেনিংৰ ব্যৱস্থা কৰো। আমি ইয়াত যিখিনি নিৰ্বাচনৰ প্ৰক্ৰিয়া কৰো সম্পূৰ্ণ নিকা ভাৱে আৰু মেৰিট বেছিকতে কৰা হয়।

**মাননীয় অধ্যক্ষ ঃ** সদস্য।

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰ দিছে যে মেৰিট বেছিচতে কৰে, মেৰিটৰ ওপৰত যদি হৈ আছে তেন্তে ঠিকেই আছে। কিন্তু বহুতে আমাৰ ওচৰত আহি আপত্তি কৰিছে যে মেৰিট বেছিচত হোৱা নাই। গতিকে এইটোত লক্ষ্য ৰাখিব লাগে মই অনুৰোধ কৰিছো আপোনাক। দ্বিতীয়তে, সংখ্যালঘু উন্নয়নৰ নামত আৰু কিছুমান আঁচনি আছে যিবিলাক আপোনাৰ ছাতি, চাইকেল ঠিক এনেকুৱা ধৰণৰ কিছুমান চলাৰলেম্প ইত্যাদি, এইবোৰৰ দৰকাৰ নাই বুলি মই নকও। কিন্তু এই সামগ্ৰী বিলাক গৈ চৰউন্নয়ণৰ যিবোৰ কাৰ্য্যালয় আছে বা সংখ্যালঘু উন্নয়নৰ যিবোৰ অফিচ আছে তাতে গৈ বছৰ বছৰ পৰি থাকে। এটা কথা তাৰ কোৱালিটি ভাল নহয়, দ্বিতীয়তে, বছৰ বছৰ পৰি থাকে তাৰ পিছত সেইবোৰ ব্যৱহাৰৰ উপযুক্ত হৈ নাথাকে। গতিকে এইটো লক্ষ্য ৰাখিব লাগে বিভাগে যাতে এই সামগ্ৰী বিলাক উন্নত মানৰ হয়। চলাৰলেম্প এটা দিছে যদি ছাত্ৰ এজনে পঢ়িবই নোৱাৰে, ছাতি দিছে সেইবোৰ আপুনি চাব কি কুৱালিটিৰ ছাতি।

**মাননীয় অধ্যক্ষ ঃ** কুৱালিটি ভাল হ'ব লাগে।

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া) ঃ** কুৱালিটি ভাল হ'ব লাগে আৰু অকল ছাতি, চলাৰলেম্প এইবিলাকতে সীমাবদ্ধ নহৈ, মই ধন্যবাদ দিম মন্ত্ৰী মহোদয়ক তেখেতে কৈছে ২১ টা স্কুল তেখেতে কৰিছে, সেইটো ভাল কথা। এতিয়া ডিজিটেল ক্লাছৰুম হৈছে আৰু বেছিকৈ হ'ব লাগে। এনেকুৱা ধৰণৰ আঁচনি লওঁক। চলাৰলেম্প বা ছাতি এইবোৰটো এশ, দুশ টকাত মানুহে কিনিব। গতিকে ই ক্লাছৰুম, ডিজিটেল ক্লাছৰুম, গাৰ্লচ হোষ্টেল কলেজবোৰত সংখ্যালঘু অঞ্চলত এনেকুৱা ধৰণৰ হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** তাৰমানে আঁচনিবোৰ নতুনকৈ উন্নত হ'ব লাগে। হ'ব, কেইবাটাও চাপলিমেন্টৰী আছে।

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, হায়াৰ এদুকেচনৰ কাৰণে বহুত মেৰিট থকা ছাত্ৰই পিএইচ ডি কৰি আছে, ৰিচাৰ্জ কৰি আছে বিভিন্ন বিভাগত, আই আই টিতো বহুত ছাত্ৰ সংখ্যালঘুৰ ফালৰ পৰা গৈছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, আপুনি চাপলিমেন্টৰী ডিমাণ্ড নকৰিব আৰু তিনি চাৰিটা আছে।

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া) ঃ** মই কৈছো যে এই ডিপ্লমাৰ পৰা আৰু ওপৰত গৈ আৰু যাতে এনেকুৱা ধৰণৰ কিছুমান আঁচনি লব পাৰে মই অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আঁচনিবোৰ উন্নীতকৰাৰ কথা কৈছে।

**শ্ৰী ৰঞ্জিৎ দত্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীক মই ধন্যবাদ দিছো। তেখেতে কৈছে যে চলাৰলাইট বা হেণ্ডপাম বা চাইকেল সেইটো আমি যোৱা ২০১৭-১৮ বৰ্ষত চৰ এৰিয়া ডেভলপমেন্টৰ পৰা দিয়াৰ ব্যৱস্থা হৈছিল। এইটো বাচনি প্ৰক্ৰিয়া সন্মানীয় বিধায়ক সকলে বেনিফিচাৰীৰ লিষ্ট দিছিল। যিবিলাক চৰ এৰিয়া ডেভলপমেন্ট ব্লক আছে অসমত যিবোৰ অন্তৰ্ভূক্ত ব্লক এই ব্লক বিলাকত দিয়া হৈছিল। এইবিলাক আমি জেম পৰ্টেলৰ পৰা, চৰকাৰৰ ই মাৰ্কেটিং পৰ্টেলৰ পৰা আমি ক্ৰয় কৰিছো। ইয়াত আমাৰ টেণ্ডাৰ নহয়, তেওঁলোক জেম পৰ্টেলত যিবিলাক কোম্পানী আছিল চাইকেল কোম্পানী হওক বা চলাৰ লাইটৰ কোম্পানীয়ে হওঁক বা

ছাঁতিৰ কথা কৈছে, ছাঁতিও আমি দিছো। আপোনালোকে চাব আমি দিয়া ছাতিৰ মানদণ্ডবোৰ। এইবিলাক জেম পৰ্টেলৰ পৰা ক্ৰয় কৰা হৈছে আৰু তাত সৰ্বনিম্ন যিটো নিৰিখ সেই নিৰিখত এইবোৰ ক্ৰয় কৰা হৈছে। এইবোৰ লিষ্ট সন্মানীয় বিধায়ক সকলেই তৈয়াৰ কৰি দিছিল আৰু ইতিমধ্যে এইবোৰ বিতৰণো হৈছে। সন্মানীয় বিধায়ক গৰাকীয়ে ইয়াত কৈছে যিখিনি আমাৰ চৰ এৰিয়া উন্নয়নৰ বা সংখ্যালঘু উন্নয়নৰ এচ ও পি ডি বাজেটৰ বাহিৰে আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰধান মন্ত্ৰী জন বিকাশ কাৰ্য্যক্ৰমত ২০১৮-১৯ বৰ্ষত আমি ৮৮৬ খন স্কুলক ডিজিটেল ক্লাছৰুম দিছো। সেইটো কেন্দ্ৰীয় চৰকাৰৰ আঁচনি। সৰ্বাধিক ৩০০ তকৈ অধিক স্কুল বৰপেটা জিলাতে দিয়া হৈছে। সন্মানীয় বিধায়ক সকল আপোনলোকে নিশ্চয় জানে যে প্ৰত্যেক খন স্কুলত দুটাকৈ ডিজিটেল ক্লাছৰুম দিয়া হৈছে। এই ডিজিটেল ক্লাছৰুমৰ তাৰ ৰেচপণ্ডটো বহুত ভাল, শিক্ষক সকলেও আন্তৰিকতাৰে গ্ৰহণ কৰিছে, তেওঁলোকক ট্ৰেনিংৰ ব্যৱস্থা কৰা হৈছে। ইয়াত দিল্লীৰ পৰা যিটো কোম্পানী নিয়োগ কৰি দিছিল কেন্দ্ৰীয় চৰকাৰে তেওঁলোকৰৰ ৫ বছৰ ওৱাৰেন্টি আছে, এনেকুৰা ধৰণৰ ব্যৱস্থাৰে ডিজিটেল ক্লাছৰুম কৰা হৈছে। আৰু আমি ২১ খন মডেল ৰেচিডেন্সি স্কুল ইতিমধ্যে কাম আৰম্ভ কৰিছো, প্ৰায়খিনি জিলাতে আমি আৰম্ভ কৰিছো। প্ৰধান মন্ত্ৰী জন বিকাশ কাৰ্য্যক্ৰমত আমি সদভাৱনা মণ্ডৱ আপোনালোকৰ সমষ্টিৰ প্ৰত্যেক ব্লকতে আপোনালোকে পাইছে। আমি কিছুমান টয়লেট আৰু খোৱাপানীৰ ব্যৱস্থা কৰিছো স্কুল বিলাকত, বিশেষকৈ যিবোৰ ছোৱলী স্কুল আছে বা হাইস্কুল বা হায়াৰ চেকেণ্ডাৰী স্কুল আছে, সেইবিলাকত। তেনেকুৰা ধৰণৰ আমি কৰিবলৈ ব্যৱস্থা কৰিছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, এইবাৰো আমি প্ৰায় ৮০০ তকৈ অধিক স্কুলত ডিজিটেল ক্লাছৰুম কেন্দ্ৰীয় চৰকাৰৰ পৰা পাইছো। যোৱাবাৰ বৰপেটা জিলাই বেছি পাইছে, বৰপেটা জিলাৰ জিলা উপায়ুক্তই লিষ্টখন খুবসুন্দৰ ভাৱে তৈয়াৰ কৰি দিছিল কাৰণে আমি তাত দিলো। এইবাৰ আমি অন্যান্য জিলাটো ডিজিটেল ক্লাছ ৰুম দিয়াৰ ব্যৱস্থা হাতত লৈছো।

**মাননীয় অধ্যক্ষ ঃ** চাপ্লিমেন্টৰি বহুত বিচাৰে, মই চাৰিটাহে allow কৰিম । গতিকে কংগ্ৰেছ দলৰ পৰা দিছিলে নুৰুল হুদা আৰু কমলাক্ষ্য দে পুৰকায়স্থ। কোনোবা এজনে কওঁক ।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট) ঃ** MSDP আঁচনি ২০১৬-১৭ বিত্তীয় বৰ্ষত যিবিলাক additional class room ৰ বাবে আঁচনি লোৱা হৈছিল, এই আঁচনি বিলাকৰ ৫০ শতাংশ পইচা কমিটি বিলাকক দিছে আৰু কমিটি বিলাক গঠন কৰোতে দেখা গৈছে যে স্থানীয় লোকক গুৰুত্ব নিদি অন্য ঠাইৰ পৰা মানুহ আনি কমিটি বিলাক বনাই দিছে আৰু এই ৫০ শতাংশ পইছা লৈ কিছুমান আঁচনিত ১০ শতাংশ কাম কৰি কাম বিলাক পেলাই থৈ দিছে । তাৰ উপৰিও এই ৫০ শতাংশ পইচা লৈ কামবোৰ আধৰুৱা কৰি থৈ দিছে। আজিলৈকে এই class room বিলাক সম্পূৰ্ণ হোৱা নাই। এই পইচা খিনি ১০০ শতাংশ ৰিলিজ পোৱা নাই । গতিকে যাৰ কাৰণে শৈক্ষিক দিশত এটা হেঙাৰ সৃষ্টি হৈছে আৰু এটা কথা চাৰ, আমাৰ চৰ এৰিয়া ডেভেলপমেন্ট ফাণ্ডৰ পৰা যিবিলাক আঁচনি লোৱা হৈছিলে যেনে-চোলাৰ লাইট, চাইকেল, ছাটিৰ কথা কৈ গ'ল এই বিলাক বস্তু যিখিনি তালিকা হৈছিলে আৰু এই তালিকা মতে হিতাধিকাৰী সকলক কুপন দিছিলে আৰু এতিয়া এই কুপন বিলাক লৈ যোৱাৰ পিছত আপোনাৰ নামত নাই ঘুৰি আহে । বাচনি হোৱা তালিকাৰ পৰা অধিক সংখ্যক মানুহে এই আঁচনিৰ পৰা বঞ্চিত হৈ আছে। গতিকে মন্ত্ৰী মহোদয়ক এই কথাখিনি দৃষ্টি গোচৰ কৰিছো যাতে ইয়াৰ এটা ব্যৱস্থা লয় ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ ।

**শ্ৰী ৰঞ্জিৎ দত্ত (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য নুৰুল হুদা ২০১৬-১৭ বৰ্ষৰ

যিবিলাক additional class room ৰ কথা কৈছে এই বিলাক $12^{th}$ plan ৰ আৰু সেই বিলাক আঁচনি জিলা উপায়ুক্তৰ যোগেদি এই আঁচনি বিলাক কাৰ্য্যকৰী কৰা হৈছে । কমিটি খিনি বনাই দিয়াৰ ক্ষেত্ৰত যি সমষ্টিত সেই additional class room বা তেনেকুৱা ধৰণৰ যিবিলাক তাত উন্নয়ণমূলক আঁচনি আছে। স্থানীয় বিধায়ক সকলে তালিকা দিয়া মতে কাম কৰা হৈছে । মই ইয়াত আপোনাৰ তালিকা খন উলিয়াম নেকি ? মোৰ হাতত আছে। additional class room যিবিলাকত দিলে বা যিবিলাক উন্নয়নমূলক কাম দিলে, মোৰ হাতত তথ্য আছে। মই তথ্য লৈ আহিছো। MLA recommendation কৰি দিছে সেই মতে জিলা উপায়ুক্তই এই কমিটি বিলাক বনাই দিছে আৰু উপায়ুক্তৰ যোগেদি সেই আঁচনি বিলাক ৰূপায়ণ কৰিছে । তাত আপোনালোকে কি ধৰণে মানুহ দিছে তাত ব্লকৰ বি ডি অ' ক দায়িত্ব দিছে বা জে ই ক মেম্বাৰ চেক্ৰেটাৰীৰ কৰি দিছে। এই গোটেই খিনি আপোনালোকৰ মতে কৰা হৈছে। আমাৰ ইয়াৰ পৰা তালিকা যোৱা নাই । দ্বিতীয়তে, যিখিনি চৰ এৰিয়া ডেভেলপমেন্টৰ আঁচনি আমি দিলো তাত ব্লক লেভেলৰ এখন কমিটি আছে আৰু ডিষ্ট্ৰিক্ট লেভেল কমিটি এখন আছে। ব্লক লেভেল কমিটিয়ে সেই হিতাধিকাৰীৰ তালিকা বনাই দিয়ে । সেই উন্নয়ন খণ্ডৰ যিটো বিধায়ক সেই বিধায়ক জনে সেই কমিটি খনৰ সদস্য হয় । আৰু ডিষ্ট্ৰিক্ট লেভেল কমিটিৰও সেই বিধায়ক জন সদস্য আছে । গতিকে যি খন তালিকা আহে সেই তালিকা মতে জিলা উপায়ুক্তলৈ বস্তু বিলাক পঠাই দিয়া হয় আৰু উপায়ুক্তৰ জৰিয়তে সেই আঁচনিৰ কাম কাজ খিনি কৰা হয় । সম্পূৰ্ণ নিকা ভাবে কৰা হয় ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ । ৰমেন্দ্ৰ নাৰায়ণ কলিতা । যদি কিবা থাকে মন্ত্ৰীক লগ কৰিব ।

**শ্ৰী ৰঞ্জিৎ দত্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো second installment ৰ কথা কৈছে নগাওঁ জিলাত, মাননীয় বিধায়ক গৰাকীয়ে কৈছে যে তাত বহুতে UC দিবলৈ বাকী আছে । জিলা উপায়ুক্তৰ পৰা UC বিলাক নিদিয়াৰ কাৰণে এই second installment বিলাক হোৱা নাই । ইতিমধ্যে বিত্ত বিভাগে পইচা ঘূৰাই আনিছে আপোনাৰ জিলাৰ পৰা ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সংখ্যালঘু বুলি কলে আজি আমাৰ বিশেষভাবে পাৰ্চী ,খ্ৰীষ্টান, জৈন, বৌদ্ধিষ্ট এই সকলো বিলাকে এই সুবিধাটো লাভ কৰিব লাগে । কিন্তু চাৰ মই জানো, কিন্তু ৰাইজে নাজানো । গতিকে আমি যদি সদনত কথা কওঁ তেতিয়াহ'লে টিভিৰ জৰিয়তে প্ৰশ্নোত্তৰ শিতানটো চাই আছে, তেতিয়া সজাগতা এটা হয় । আৰু সেই কাৰণে মই কথাটো শুধিব বিচাৰিছো যে আমি বিশেষভাবে লক্ষ্য ৰাখিছো যে এই কেইটা ধৰ্মাৱলম্বী লোকৰ মানুহ কিন্তু বঞ্চিত হৈ আছে । গতিকে এইবিলাক লোকও বঞ্চিত হ'ব নালাগে । দ্বিতীয়তে মোৰ সমষ্টিতো এটা সমস্যা হৈছে। মোৰ ব্লক আৰু ডিষ্ট্ৰিক্ট কমিটি থাকে, এতিয়া মোৰ দুখন জিলা, এখন কামৰূপ গ্ৰাম্য আৰু এখন কামৰূপ মেট্ৰ'। এতিয়া দুখন জিলা হোৱাৰ কাৰণে মোৰ অংকটো নিমিলে। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, কিবা এনেকুৱা কৰিব পাৰে নেকি কাৰণ মোৰ সমষ্টিটো খ্ৰীষ্টান, বৌদ্ধিষ্ট সংখ্যালঘু ইছলাম সকলো ধৰ্মৰ লোক আছে । কিন্তু মোৰ সমষ্টিত এই MSDP ৰ পৰা বঞ্চিত হৈ আছো। গতিকে এইটো ক্ষেত্ৰত মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰীক অনুৰোধ কৰিছো যে দুখন জিলা হোৱাৰ কাৰণেহে আমি বঞ্চিত হৈছে । কিবা উপায় আছে নেকি যে MSDP ৰ পৰা আমাৰ সমষ্টিটো বঞ্চিত নহয় । তাৰ কাৰণে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ বিচাৰিছো ।

**শ্ৰী ৰঞ্জিৎ দত্ত (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতাই তেখেতৰ সমষ্টিৰ কথা কৈছে। তেখেতৰ সমষ্টিটো MSDP প্ৰধান মন্ত্ৰী জন বিকাশ কাৰ্য্যক্ৰম

এইটো আগৰ MSDP. এতিয়া নতুন আঁচনি হ'ল প্ৰধান মন্ত্ৰী PMGVKY. মোৰ সমষ্টিত মোৰ ব্লকও PMGVKY ত অন্তৰ্ভুক্ত হোৱা নাই । এটা ব্লকত অন্তত ২৫ শতাংশ সংখ্যা লঘু থাকিব লাগে । তাত খ্ৰীষ্টান, বৌদ্ধিষ্ট,মুছলিম, জৈন হওঁক এটা ব্লকত ২৫ শতাংশ যদি minority ৰ লোক থাকে তেতিয়াহ'লে সেই ব্লকটো PMGVKY যোগেদি অন্তৰ্ভুক্ত কৰা হ'ব । আপোনাৰ সমষ্টিত যদি ২৫ শতাংশ minority লোক আছে, আপুনি চাৰ্ভে কৰি আমাক দিব আমি কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰি দিম। আমি নতুন তেনেকুৱা ব্লক অন্তৰ্ভুক্ত কৰিবৰ কাৰণে আমি চেষ্টা কৰিম । দ্বিতীয়তে চাৰ, তেখেতে যিটো ক'লে যে, খ্ৰীষ্টান, বৌদ্ধিষ্ট সকলো ইয়াৰ পৰা বঞ্চিত হৈ আছে তেনেকুৱা নহয়। আমাৰ চৰকাৰ খন দায়িত্ব লোৱাৰ পিছত আমি বাকী যিসকল সংখ্যালঘু অন্তৰ্ভুক্ত যিবিলাক শ্ৰেণীৰ লোক আছে সেই লোক সকলো এতিয়া আমি তেওঁলোকক আঁচনিত অন্তৰ্ভুক্ত কৰিছো । এইবাৰ আমি আমাৰ সংখ্যালঘু বিভাগৰ পৰা জৈন, বৌদ্ধিষ্ট, খ্ৰীষ্টানকো লৈছো, মুছলমানকো লৈছো । এই চাৰিটা সম্প্ৰদায়ক সামৰি লৈছো। লগতে আঁচনি দিয়াৰ ব্যৱস্থা আমি কৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । কিশোৰ নাথ ।

**শ্ৰী কিশোৰ নাথ (বৰখলা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, MSDP আঁচনিৰ পৰা বহুতো উপকৃত হৈছো। । মন্ত্ৰী মহোদয়ে কৈছিলে যে মোৰ সমষ্টিত কেইবাখনো স্কুলৰ বিল্ডিং সম্পূৰ্ণ হৈছে। কিন্তু সেই বিলাকৰ পেমেন্ট এতিয়ালৈকে ৰিলিজ হোৱা নাই। তাৰ ভিতৰত চাট বাগনা মণ্ডল এটা আছিলে ২কোটি টকাৰ এই পৰ্যায়ত। সেই আঁচনিটো কোনে কৰিব, আমাৰ construction committee য়ে কৰিব নে লাইন বিভাগে কৰিব এইটো সিদ্ধান্ত লওটে বহুত সময় গ'ল। বিল্ডিং ডিভিজনে টেণ্ডাৰ কৰিলে, ঠিকাদাৰে কাম কৰি আছিলে, সেই সময়ত সেই আঁচনিৰ টকাটো ঘুৰাই লৈ অহা হ'ল । এতিয়া বৰ্তমান সেইটো কাম কেনেকৈ হ'ব । মাটি খান্দা হৈ গ'ল। ইতিমধ্যে ফাণ্ডটো তাৰ পৰা ঘূৰি গ'ল। সেই কামতো এতিয়া কেনেকৈ কৰা হ'ব মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । আপোনাৰ তথ্য আছে যদি দিওঁক, ন'হলে পিছত তেখেতক দিব।

**শ্ৰী ৰঞ্জিৎ দত্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কৈছো যে এই কাম বিলাক লেহেমীয়া হৈছে। জিলা উপায়ুক্ত সকলক এই কামৰ দায়িত্ব দিয়াৰ কাৰণে এই কামবোৰ লেহেমীয়া হৈছে । জিলা উপায়ুক্ত সকলৰ বহুত ধৰণৰ কাম থাকে। জিলা উপায়ুক্ত সকলে হয়তো PWD বিভাগৰ জৰিয়তে এই বিলাক কাম কৰে । গড়কাপ্তানি বিভাগে এই বিলাক টেণ্ডাৰ কৰোতে তাৰ প্ৰচেচ কৰোতে বহুখিনি সময় লয়। যাৰ কাৰণে পইচাটো খৰচ কৰিব নোৱাৰে । কাছাৰ জিলাত তেনেকৈ সাতটা সংভাৱনা মণ্ডপৰ প্ৰত্যেকটো মণ্ডপতে দুই কোটিকৈ টকা আছিল। সাতটা সংভাৱনা মণ্ডপৰ পইচা জিলা-উপায়ুক্তক দিয়া হ'ল। কিন্তু দুবছৰ ধৰি পইচাটো পেলাই ৰাখিলে। গড়কাপ্তানি বিভাগে টেণ্ডাৰ কৰোতে দেৰি কৰিলে। আমি পইচাটো পেলাই নাৰাখি ঘুৰাই দিবলৈ কৈছো। আমাৰ বিভাগে হাউচফেডৰ জড়িয়তেদি যিবিলাক কাম কৰিবলৈ গৈ আছো তেনেকৈ সেই বিভাগৰ যোগেদি আমি যিটো পইচা, সেই পইচাটো জিলা উপায়ুক্তলৈ আমি পুনৰ ঘুৰাই দিয়াৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** পৰৱৰ্তী প্ৰশ্ন নং- ৮৮, শ্ৰী অমৰ চাঁদ জৈন ।

**শ্ৰী ৰঞ্জিৎ দত্তঃ মন্ত্ৰী, হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী অমৰ চাঁদ জৈন ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰ দিছে, কিন্তু তেওঁৰ উত্তৰত সন্তুষ্ট হোৱা নাই। চৰকাৰে সদায় কৈ থাকে যে শিল্প বিভাগৰ উন্নতি লাগে। মোৰ সমষ্টিত কাপোৰ

বনোৱাৰ কাৰণে বহুত শিল্পী আছে। চৰকাৰে এইবাৰ বহুত ডাঙৰ ষ্টেপ লৈছে, বহুত মানুহক শাল দিছে। কিন্তু শালবিলাক ৰাখিবৰ কাৰণে কোনো ঘৰ নাই। সেই কাৰণে মই কৈছিলো যে যি যি সমষ্টিত শাল দিয়া হৈছে, সেই সমষ্টিত যদি এটাকৈ ট্ৰেইনিং চেন্টাৰ বনাই দিয়া হয় তেতিয়া শিপিনী সকলে তাত শালবোৰ ৰাখি কাপোৰ বনাব পাৰিব, নতুন মানুহক কাম শিকাব পাৰিব। মন্ত্ৰীয়ে উত্তৰ দিছে এইটোৰ কোনো ব্যৱস্থা লোৱা নাই আৰু কোনো পৰিকল্পনাও নাই। মই মন্ত্ৰী মহোদয়ক কব খুজিছো যে মোৰ এৰিয়াত এটা যাতে ভাল স্কীল ট্ৰেইনিং চেন্টাৰ তেওঁৰ তত্বাৱধানত বনায় আৰু এইবাৰৰ ফাণ্ডটো যাতে ধৰা হয় তাৰ বাবে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো ।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰী ৰঞ্জিৎ দত্তঃ মন্ত্ৰী, হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে প্ৰশ্নটো স্কীল ডেভ'লপমেন্ট বিভাগক কৰিব লাগিছিল যিহেতু স্কীলৰ ওপৰত তেখেতে প্ৰশ্নটো কৰিছে। তেখেতে কৈছিল যে কাটিগড়া এল এ চিত হস্ততাঁত বস্ত্ৰৰ লগত জড়িত শিপিনীসকলৰ কল্যাণৰ বাবে 'স্কীল চেন্টাৰ'ৰ ঘৰ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে নেকি? আমাৰ বিভাগত স্কীল চেন্টাৰ হিচাপে তেনেকুৱা ধৰণৰ কোনো ব্যৱস্থা নাই। যিবিলাক ধৰক উৱেভাৰ চাৰ্ভিচ চেন্টাৰ আছে, যত একোটা ঘৰত ২০ জনী ২৫ জনী মহিলাই বহি পেলাই তাঁতশালত কাপোৰ ব'ব পাৰে এই ব্যৱস্থাটো তেওঁ প্ৰস্তাৱ কৰিলে নিশ্চয় আমি ব্যৱস্থা কৰিলোহেতেন। মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰে আমাক এটা 'সামৰ্থ' বুলি নতুন আঁচনি দিছে। এই 'সামৰ্থ'ত অসমৰ ৫০ হাজাৰ শিপিনীক ট্ৰেইনিং দিয়াৰ ব্যৱস্থা হাতত লোৱা হৈছে। এই আঁচনিটোত কেন্দ্ৰীয় চৰকাৰে কিছুমান গাইড লাইন বান্ধি দিছে যে যি সকল শিপিনীয়ে আবেদন কৰিব তেওঁলোকৰ আধাৰ কাৰ্ড থাকিব লাগিব। কিন্তু আমাৰ অসমত এটা সমস্যা হৈছে যে আধাৰ কাৰ্ড এতিয়ালৈকে সম্পূৰ্ণ হৈ উঠা নাই। ফলস্বৰূপে আমাৰ শিপিনীসকল বঞ্চিত হৈ আছে। ইতিমধ্যে আমি কেন্দ্ৰীয় চৰকাৰলৈ চিঠি লিখিছো যে অসমত আধাৰ কাৰ্ডৰ পৰা ৰেহাই দিব লাগে। কেন্দ্ৰীয় চৰকাৰে এতিয়ালৈকে কোনোধৰণৰ সঁহাৰি আমাক জনোৱা নাই। ইতিমধ্যে আমি আধাৰকাৰ্ড থকা সকলৰ আবেদন লৈছো। প্ৰায় ১৭ হাজাৰমান শিপিনীৰ পৰা আমি পোনপটীয়াকৈ আবেদন পাইছো। অ'ন লাইনৰ জড়িয়তেও আবেদন কৰিব পাৰিব। তাত জাকাৰ্ড, ডাইং আৰু হেণ্ডলুমৰ ট্ৰেইনিং আছে।তিনিটা কেটেগ'ৰিত প্ৰশিক্ষণ হয়। জাকাৰ্ড মেচিন চলোৱা ট্ৰেইনিং, ডাইঙৰ ক্ষেত্ৰত যিটো নেচাৰেল ডাইং আমাৰ শিপিনী সকলে ঘৰত কৰে সেইটোৰ ওপৰত দিয়া হয় হেণ্ডলুমৰ ওপৰটো ট্ৰেইনিং থাকে।ইতিমধ্যে অসমত প্ৰায়া আঢ়ৈশ ট্ৰেইনিংচেন্টাৰ

বাচি লৈছো আৰু প্ৰত্যেকটো চেন্টাৰত চি,চি,টি,ভি থাকিবলাগিব। কেন্দ্ৰীয় চৰকাৰে তাৰপৰা মনিটৰিং কৰি থাকিব। কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি থকা হৈছে। অমৰ জৈনৰ তাতো থাকিব। কাছাৰৰ পৰা আহিছে। আপোনাৰ সমষ্টিত যদি আৰু শিপিনী আছে আবেদন কৰিব কব। আপোনাৰ তাতো ট্ৰেইনিঙৰ ব্যৱস্থা কৰিম। এই ট্ৰেইনিংটোআমাৰ বিভাগক চলাবলৈ কৈছে,ইয়াত কোনো থাৰ্ড পাৰ্টি জড়িত কৰিবলৈ দিয়া নাই। ট্ৰেইনিং সম্পূৰ্ণ হোৱাৰ পিছত পৰীক্ষা পতা হ'ব, পৰীক্ষাত উত্তীৰ্ণ হ'লেহে পইচাটো দিব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, প্ৰশ্ন নং- ৮৯, আমিনুল ইচলাম।

**শ্ৰী ৰঞ্জিৎ দত্ত (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী আমিনুল ইছলাম** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কব বিচাৰিছো যে প্ৰধান মন্ত্ৰী গ্ৰাম বিকাশ যোজনাত যিবিলাক আঁচনি আমি প্ৰেৰণ কৰো সেই আঁচনি বিলাক ১৫ পইন্টচ্ প্ৰগ্ৰাম

ৰুৰেল মাল্টিচেক্টৰ ডেভ'লপমেন্ট প্লেনত দিয়া হয় যত ৰুৰেল মাৰ্কেটিং, এগ্ৰিকালচাৰ, এডুকেশ্যন, স্বাস্থ্য সকলো থাকে। কিন্তু আমি সেই প্ৰপ'জেলবিলাক দিওতে বাকী স্কীল লিটাৰেচি চেন্টাৰ, ডিজিটেল লিটাৰেচি চেন্টাৰ সেইবিলাক আজিলৈকে চেনশ্যন হৈ নগল। গতিকে বাকীবিলাক কিয় চেনশ্যন নহয় ? দ্বিতীয়তে, মন্ত্ৰী মহোদয়ে যিটো কথা কৈছে যে নগাওঁ জিলাৰ পৰা ইউ,চি টো অহা নাই, ইউ,চি নহাৰ কাৰণ হ'ল যিবিলাক কমিটী বনোৱা হয় কোনোবা বেলেগ সমষ্টিৰ এম,এল,এ ৰিকোমেণ্ড কৰি দিয়া কমিটী হৈছে, কোনোবা পাৰ্টিৰ চেক্ৰেটাৰীয়ে ৰিক'মেণ্ড কৰা কমিটী হৈছে। এখন জিলাৰ কামৰ বাবে বেলেগ জিলাৰ মানুহৰ জড়িয়তে কমিটী বনায়। গতিকে তেওঁলোকে কাম কোনে কৰে নিজেও চাবলৈ নাহে আৰু এনেদৰে দুই-তিনি বছৰ গুচি যায, কাম আধৰুৱা হৈ থাকে.। সেইবাবে ইউ,চি টো নাহে। গতিকে মন্ত্ৰী মহোদয়লৈ মোৰ অনুৰোধ অন্ততঃ কমিটীবিলাক বনাওতে স্থানীয় এম,এল,এৰ লগত আলোচনা কৰি বনালে ভাল হয়। এইটো কৰিলে তেওঁলোকে কামবোৰ চাব পাৰিব।

**মাননীয়অধ্যক্ষ ঃ** মন্ত্ৰীয়ে কব।

**শ্ৰী ৰঞ্জিৎ দত্ত (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য ইচলাম ডাঙৰীয়াক ধন্যবাদ দিছো। মাননীয় অধ্যক্ষ মহোদয়, আগতে সৰু সৰু আঁচনিবোৰ লৈছিলে। কৰবাত আই এ ৰাইৰ ঘৰ লৈছিলে, কৰবাত তাৰা পাম্প লৈছিলে, কৰবাত এডিশ্যনেল ক্লাচৰুম লৈছিল সাত লাখ টকাত, কৰবাত অঙ্গনাবাদী চেন্টাৰ ডেৰলাখ টকাত লৈছিলে যাৰ কাৰণে আঁচনিবোৰ সম্পূৰ্ণ কৰিব পৰা নাছিলে । এতিয়া আমি এটা নিয়ম কৰিছো, কেন্দ্ৰীয় চৰকাৰৰ পৰা নিৰ্দেশও আহিছে যে scheme বিলাক ডাঙৰ লব লাগে। স্কুল বিল্ডিং যদি লব লগীয়া হয়, ডাঙৰ বিল্ডিং লওঁক (৫০ লাখ টকাৰ)। এইবাৰ আমি প্ৰায় ৮,১০ টা ব্লকত লৈছো। প্ৰতিটো ব্লকত Self Help Group বিলাক তৈয়াৰ কৰা হৈছে। সেই Self Help Group বিলাকত training লোৱাৰ কাৰণে বা তেওঁলোকৰ সভা সমিতি পাতিবৰ কাৰণে ব্লক বিলাকত একোটাকৈ Self Help Group training center হিচাবে ৫০ লাখ টকা ব্যয়ৰ সাপক্ষে আমি দিছো। আমি শিক্ষক বিলাকৰ training center ইতিমধ্যে বৰপেটা জিলাত দিছো। এইবাৰ আমি লৈছো, যিবিলাক TET শিক্ষক,বৰপেটাৰ চৰ চাপৰি অঞ্চলত তেওঁলোকে চাকৰি কৰে। তেওঁলোকৰ থাকিবৰ কাৰণে উপযুক্ত ঘৰ নাই। গতিকে আমি সেই TET শিক্ষকসকলক থাকিবৰ কাৰণে Hostel ৰ ব্যৱস্থা আমি কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** Question is over।

## Point of Order

**ড° নোমল মমিন (বোকাজান)ঃ** মাননীয় অধ্যক্ষ মহোদয়, Starred Question No. 97. তাতে এটা প্ৰশ্ন সোধা হৈছিলে যে last one year ত কিমান ব্যক্তি pension পাবলৈ আছে? তাৰে অসমত যোৱা এটা বছৰৰ ভিতৰত কিমান ব্যক্তিয়ে pension নোপোৱাকৈ আছে আৰু কাৰণ বিলাক জানিবলৈ বিচাৰিছিলো।

ইয়াৰ উত্তৰত ৯৬৪ জনে pension পোৱা নাই বুলি কৈছে। কাৰণত দিলে Delay in submissin of pension papers both by DDOs and pensioners আৰু এটা উত্তৰ দিছে - due to death of pensioner during service period ।

মাননীয় অধ্যক্ষ মহোদয়, মৰাৰ পিছত ব্যক্তিজনে কেনেকৈ pension ৰ paper submit কৰিব। আৰু এনেকুৱা থাকে 3rd grade, 4th grade ৰ employee তেখেতসকলৰ পৰিবাৰ বা ল'ৰা-ছোৱালীৰ এই বিষয়ত অৰ্হতা নাথাকে। গতিকে তেখেতসকলে পেপাৰ বিলাক

কেনেকৈ চাব। গতিকে আমাৰ চাকৰি কৰি থাকিলে, আমাৰ চৰকাৰৰ দায়িত্ব হব লাগে retirement যিদিনা হয় সেই দিনাৰ পৰা pension দিব লাগে। At the time of retirement, যিদিনা retire হয়, সেইদিনা তেখেতক এখন গামোছা দি তেখেতক যদি pension দিব পৰা যায়, তেতিয়া হ'লে pension ৰ সমস্যাটোৱে শেষ হৈ যায়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। I will looked into it. আপুনি প্ৰশ্নটোৰ নম্বৰটো দিছে। মই সেই অনুসৰি চাম। মাননীয় সদস্য শ্ৰী সত্যব্ৰত কলিতা, point of order ৰ জৰিয়তে কিবা কব খুজিছিলে কওঁক।

**শ্ৰী সত্যব্ৰত কলিতা (কমলপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে আমাৰ সন্মানীয় মন্ত্ৰী ৰঞ্জিত দত্ত ডাঙৰীয়াই এটা কথা আস্থা দিলে যে যিবিলাক সদ্‌ভাৱনা মণ্ডপৰ পইচা ঘুৰি গৈছে, আমাৰ বিলাকো ঘুৰি গৈছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, নাই এইটো নহব। এইটো supplementary হৈ গ'ল। আপুনি মন্ত্ৰী ডাঙৰীয়াক এই বিষয়ত এবাৰ লগ কৰি লব।

ইয়াৰ পিছত মাননীয় সদস্য শ্ৰী মিহিৰ কান্তি সোম।

**শ্ৰীমিহিৰ কান্তি সোম (উদাৰবন্দ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, starred question no. 90 । মোৰ প্ৰশ্নৰ উত্তৰটো পালো। এতিয়া কথা হ'ল কি যে কোন কোন জিলাত এতিয়াও UC দিয়া নাই। কাৰণ যিবোৰ জিলাৰ পৰা UC দিয়া নাই তাত release কৰিব নালাগে আৰু যিবোৰ জিলাৰ পৰা UC দিয়া হৈছে তাত release কৰি দিব লাগে। মোৰ এৰিয়াতে এনেকুৱা আছে ঠিকাদাৰে বহুত ঠাইতে কাম সম্পূৰ্ণ কৰিছে, কিন্তু ঠিকাদাৰজনে পইচা পোৱা নাই। আৰু এটা কথা হ'ল যে MSDP ৰ অধীনত গুৱাহাটীৰ পৰা ঠিকাদাৰে কাম লৈছে তাত গৈ সেই ঠিকাদাৰজনে আৰু আন এজন ঠিকাদাৰক sub-contract দি আছে। এইটো অলপ আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ে চাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মন্ত্ৰী মহোদয়ে এই বিষয়ত উত্তৰ দিম বুলি কৈছে।

**শ্ৰী দেৱব্ৰত শইকীয়া (নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, unstarred question no. 184 আছিলে। ২১ জানুৱাৰী ২০২০ চনৰ ভিতৰত এটা Mines & Minerals Task Force Battalion ৰ। এইটো High Court ৰ নিৰ্দেশনা আছিল, এতিয়াও হোৱা নাই। গতিকে এইটো আপোনাৰ জৰিয়তে দৃষ্টি আকৰ্ষণ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Starred question 96। মই চৰ অঞ্চলৰ উন্নয়নৰ কাৰণে মন্ত্ৰী মহোদয়ৰ ওচৰত এটা প্ৰশ্ন কৰিছিলো। বৰ্তমান বিত্তীয় বছৰত চৰ অঞ্চলৰ উন্নয়নৰ কাৰণে কি কি আঁচনি গ্ৰহণ কৰা হৈছে?

উত্তৰত দিছে বৰ্তমান বিত্তীয় বছৰত চৰ অঞ্চলৰ উন্নয়নৰ কাৰণে ৮ টা ৰঙ্গমঞ্চ নিৰ্মাণ আৰু ৩৫০৬ জন হিতাধীকাৰীৰ মাজত উন্নতমানৰ বীজ আৰু বায়ো-অৰ্গেনিক চইল ইনৰিচাৰ বিতৰণৰ আঁচনি গ্ৰহণ কৰা হৈছে। মাননীয় অধ্যক্ষ চৰ অঞ্চলৰ উন্নয়নৰ ৮ টা ৰঙ্গমঞ্চ নিৰ্মাণ, এইটো কি আমি ধৰিব পৰা নাই।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। Will discussing detailed on 27.03.2020.

এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়া, আপুনি মাননীয় সদস্য মিহিৰ কান্তি সোমৰ ক্ষেত্ৰত কিবা উত্তৰ দিব বিচাৰিছিল, কওঁক।

**শ্ৰীৰঞ্জিত দত্ত (সংখ্যালঘু উন্নয়ন বিভাগৰ মন্ত্ৰী)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য মিহিৰ কান্তি সোম ডাঙৰীয়াই এটা প্ৰশ্ন কৰিছিলে যে UC ৰ ক্ষেত্ৰত। আমাৰ যেতিয়া কেন্দ্ৰীয় চৰকাৰৰ পৰা পইচাটো আহে। ধৰক কাছাৰ জিলাত **১০** কোটি টকা, কৰিমগঞ্জত **১০** কোটি টকা, তেনেকৈ গোটেই টকাতো এটা UC ত এখন কাগজত আহে। ইয়াত part by part UC আমি দিলে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ নকৰে। গোটেই টকাতো সম্পূৰ্ণভাৱে UC দিব লাগে। এতিয়া ধৰক কোনোৱা এটা কাম সম্পুৰ্ণ **১০০** শতাংশ হৈ গৈছে, কোনোৱা এটা কাম **৫০** শতাংশ হৈছে। আমি **১০০** শতাংশ কামৰ যদি UC দিয়া হয় কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ নকৰে।

আমাৰ সন্মানীয় সদস্য ওয়াজেদ আলী চৌধুৰীয়ে কৈছে যে ৰঙ্গমঞ্চ। চৰ অঞ্চলটো অকল বাঘবৰ, জনীয়া, বা আলুপতিয়া চৰে নহয়, মাজুলীতো চৰ আছে, লখীমপুৰতো চৰ আছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মন্ত্ৰী ডাঙৰীয়া যোৱা কালি আমাৰ চৰ অঞ্চলৰ ওপৰত আলোচনা হৈছে, ইয়াৰ ওপৰত এটা বিতং আলোচনা হ'ব।

এতিয়া মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মী, আপোনাৰ কি আছে।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, মৰিয়নী ঃ** মাননীয় অধ্যক্ষ মহোদয়, unstarred question no. 202. ইয়াত মই প্ৰশ্ন সুধিছিলো অংগনবাদী কেন্দ্ৰৰ বাবে চৰকাৰে পূজী মুকলি কৰিব নেকি?

মই ধন্যবাদ দিছো মন্ত্ৰী ডাঙৰীয়ানিয়ে সমস্যা আছে বুলি কৈছে। মোৰ মাত্ৰ এটা পৰামৰ্শ আছে মানে **২০০৬** চনৰ পৰা বিধায়ক হোৱা কাৰ্য্যকালৰ অভিজ্ঞতা ফালৰ পৰা কও ইয়াত Housing Board বা কাৰোবাক দিয়া হয়। মন্ত্ৰী ডাঙৰীয়ানিয়েও স্বীকাৰ কৰিব যে সেই ঠিকাদাৰ জনে ঠাইত গৈ কাম নকৰে। তেওঁলোকে সেই ঠিকাটো আৰু বেলেগক দিয়ে আৰু দুই তিনিজন ঠিকাদাৰ হয়। অংগনবাদী কেন্দ্ৰসমূহৰ Housing Board ত tender হয়। tender হোৱাৰ পিছত main contractor জনে ঠাইত গৈ কাম কৰিবলৈ নাযায়। তেওঁলোকে আকৌ সেই কামটো বেলেগক দিয়ে মানে দুই তিনি খলপীয়া হৈ যায়। সেই কাৰণে আমি অনুৰোধ জনাম এইটো এটা মেকানিজিম ওলাই যাতে এটা সঠিক fund ত ব্যৱহাৰ হ'ব লাগে, কমিচন ব্যৱস্থাটো বন্ধ হ'ব লাগে। সঠিক যিটো মুল্য দিয়া হৈছে সেই মুল্যৰে কামটো হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া মাননীয় সদস্য শ্ৰী অতুল বৰা।

**শ্ৰী অতুল বৰা (দিশপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ আজি এইটো প্ৰশ্ন আছিলে, প্ৰশ্নটো কিন্তু তেওঁলোকে not related to department বুলি দিছে। মই খনিজ আৰু খনিজাত সামগ্ৰীৰ মন্ত্ৰী গৰাকীক সুধিছিলো। প্ৰশ্নটোত গোটেইখিনি কয়লাৰ কথাই আছে। যদিও কয়লা চিণ্ডিকেট সম্পৰ্কে ওচৰত বিষয় বুলি আছে। কিন্তু মই প্ৰশ্ন কৰিছিলো যে ৰাজ্যখনত চলি থকা কয়লা চিণ্ডিকেট সম্পৰ্কে এইটো বেলেগ কথা। কিন্তু প্ৰশ্ন - খ ত যিটো আছে খাৰচাঙৰ অৰুণাচলৰ পৰা অসমলৈ অহা কিমান কয়লা ভৰ্তি ট্ৰাক ক'ত আৰু কেতিয়াৰ পৰা বন্ধ হৈ আছে। আকৌ প্ৰশ্ন - গ তোত দিছিলো **১১** ফেব্ৰুৱাৰীৰ পৰা বন্ধ হৈ থকা কয়লা ট্ৰাক সমূহ কোনে, কেতিয়া, কেনেকৈ মুকলাই নিলে। আৰু প্ৰশ্ন - ঘ - জৰিত থকা কয়লাৰ মাফিয়াৰ নাম জানেনে? এনেবোৰ কাম অবৈধ কাৰবাৰ বন্ধ কৰাৰ কাৰণে মুখ্যমন্ত্ৰীক লিখিত ভাৱে কিবা পত্ৰ দিছেনে? কয়লাখনি সমূহত ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ কৰিবলগীয়া একো নাই নেকি? কোনে ভাগে ভাগে দায়িত্ব বহন কৰিছে আৰু এই খনিবোৰৰ ওপৰত অধিকাৰ কাৰ, ৰাজ্য চৰকাৰৰ নে কেন্দ্ৰীয় চৰকাৰৰ? এইটো যদি খনিৰ আৰু খনিজাত সামগ্ৰীৰ যিজনে দায়িত্ব আছে, সেই গৰাকী মন্ত্ৰীয়ে এইটো উত্তৰ নিদিয়ে, তেতিয়া হ'লে কোন গৰাকী মন্ত্ৰীক মই সুধিম ভৱিষ্যতে। মাননীয় অধ্যক্ষ মহোদয় আপুনি মোক অলপ পৰামৰ্শ দিয়ক।

**माननीय अध्यक्ष ঃ** ঠিক আছে। আপোনাৰ হাতত অলপ সময় আছে প্ৰশ্নটোৰ উত্তৰৰ বাবে। এই বিভাগটো গৃহ বিভাগৰ বুলি আমাক জনাইছিলে লিখিত ভাৱে। সেইকাৰণে গৃহ বিভাগৰ শেষৰ **৩০** তাৰিখে প্ৰশ্ন আছে। এতিয়াও বেলট হোৱা নাই। You can submit a question addressing to the Home Department.এতিয়া শ্ৰী গুৰুজ্যোতি দাস।

**শ্ৰী গুৰুজ্যোতি দাস, মঙ্গলদৈ ঃ** চাৰ, মোৰ প্ৰশ্ন নং ৮৪। মই বিশেষভাৱে সক্ষম লোক সকলৰ বিষয়ে ক'ব বিচাৰিছো। উপস্থাপন কৰিব দিলে ভাল পাম, অধ্যক্ষ মহোদয়।

**माननीय अध्यक्ष ঃ** এইটো supplementry, মই দিব নোৱাৰো। আপুনি বহক। এতিয়া ৰফিকুল ইছলাম, what is your point of order?

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ unstarred question 185, pension সম্পৰ্কে মই শুধিছিলো। ২০১৮ আৰু ২০১৯ ত কিমান সংখ্যক pension দিলে? শিক্ষা বিভাগ আৰু পঞ্চায়ত দুটা বিভাগৰ উত্তৰ দিছে ৩৩,৩২৭ সংখ্যক শিক্ষক বিষয়া কৰ্মচাৰী অৱসৰ লৈছে। ইয়াৰ মাজত দুবছৰত মাত্ৰ তেখেতসকলে ২২,৫০৬ টা pension file হে পাইছে। ২২,০০০ তেখেতসকলে ফাইল পাইছে। নিয়মীয়াকৰণত ২৬ হাজাৰ লিখিছে।

**माननीय अध्यक्ष ঃ** আপোনাৰ এইটো point of order হোৱা নাই। Supplementary হৈছে। মই next লৈ গৈছো, শূণ্যকালীন ঘন্টা। মই প্ৰথমতে জাকিৰ হুছেইন সিকদাৰক তেখেতৰ শূণ্যকালীন ঘন্টাৰ notice ৰ ওপৰত ক'বলৈ অনুৰোধ কৰিছো।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি বিধান সভাত যোৱা ৫ মাৰ্চত 'অসমীয়া প্ৰতিদিন' কাকতত প্ৰকাশিত বাতৰি 'কা'ক লৈ সংঘৰ্ষ মেঘালয়ত আবদ্ধ অসমৰ লোক। শীৰ্ষক বাতৰিটো শূণ্যকালীন ঘন্টাত আলোচনা কৰাৰ সুবিধা দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো তাৰ লগে- লগে এই গুৰুত্বপূৰ্ণ বিষয়টো অতি কম সময়ৰ ভিতৰত আপুনি আলোচনা কৰিবলৈ কৈছে। গতিকে কম সময়ৰ ভিতৰতে মাননীয় বিভাগীয় মন্ত্ৰী ডাঙৰীয়াৰ লগতে পবিত্ৰ সদনক অৱগত কৰাৰ কাৰণে আগবাঢ়িছো। মাননীয় অধ্যক্ষ ডাঙৰীয়া, যোৱা কিছুদিন ধৰি মেঘালয়ত অসমৰ এই 'কা'ক লৈ সংঘৰ্ষ হয়, দুটা group ৰ মাজত কাজিয়া হয় আৰু সেই কাজিয়াৰ সূত্ৰপাত লাহে-লাহে গোটেই মেঘালয়, চেৰাপুঞ্জিৰ এলেকা, শ্বিলঙৰ গোটেই এলেকাতে এই কাজিয়াটো বিয়পি পৰে। ইতিমধ্যে আমাৰ কংগ্ৰেছ বিধায়ীনি দলে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক সাক্ষাৎ কৰিছিলো আৰু আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মেঘালয়ৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াক আমাৰ সন্মুখতে টেলিফোন যোগে যাৱতীয় ব্যৱস্থা লোৱাৰ কাৰণেও আলোচনা কৰিছে। সেই পৰামৰ্শমতে ইতিমধ্যে অসমত যোৱাকালি আমাৰ হাতত পোৱা তথ্য মতে প্ৰায় ৩০০-৪০০ লোক মেঘালয়ৰ পৰা CRPF য়ে আনি অসম আৰক্ষীৰ হাতত গতাই দিছে।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, বিষয়টো অতিকৈ জটিল। মেঘালয়ত বৰ্তমান internet বন্ধ। তাৰ যি বাতাবৰণ বা অশান্তি সম্পৰ্কত কিছু মানুহে অৱগত কৰিব পাৰিছে, বেছিভাগ মানুহে অৱগত কৰিব পৰা নাই। মেঘালয়ত অসমৰ বহুত মানুহে কৰ্মসূত্ৰে তাত থাকে। বিভিন্নজনে তাত কৰ্মস্থাপনৰ জৰিয়তে নিজেবা নিজৰ পৰিয়াল পোহপাল দিয়ে। সংঘৰ্ষৰ ফলত মেঘালয়ত থকা অসমৰ শ্ৰমজীৱি মানুহখিনিয়ে বা বেলেগ সূত্ৰে যোৱা মানুহখিনিয়ে যথেষ্ঠখিনি নিজৰ জীৱনৰ প্ৰতি তেওঁলোকৰ ভাবুকি আহিছে, মুকলিকৈ চলাচল কৰিব পৰা নাই, কাম কৰিব পৰা নাই। মাননীয় অধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে চেৰাপুঞ্জিৰ গোলকগঞ্জ, হীৰাগঞ্জ চেলা আৰু শ্বিলঙৰ পুলিচ বজাৰ আদিকে ধৰি বিভিন্ন অঞ্চলত অসমৰ বহুত মানুহ Police station ত আছে। এই মানুহসকলক মেঘালয় পুলিচে নিজে কৈছে যে আমি নিৰাপত্তা দিব নোৱাৰো। থানাত যিসকল মানুহ আছে সিহতঁৰ খাদ্যৰ অভাৱ হৈছে, পানীৰ অভাৱ হৈছে, তেওঁলোকে থকা উপযুক্ত পৰিৱেশ নাই। যিসকল মানুহ কিবা কাৰণত ৰাস্তাত ওলাই আহিছে তেওঁলোকক আক্ৰমণ কৰা হৈছে।

যোৱাকালিও শ্বিলঙত বৰপেটাৰ এজন যুৱকক আক্ৰমণ কৰিছে। তেওঁক শ্বিলঙৰ এখন চিকিৎসালয়লৈ ভৰ্ত্তি কৰা হৈ আছে তেওঁৰ চিকিৎসা হৈ আছে। অসমৰ মানুহ মৃত্যু মুখতো পৰিছে। এই গোটেই বিষয় লৈ ৰাজ্য চৰকাৰ তৎপৰ। সেইটো আমি স্বীকাৰ কৰিছো। মেঘালয়ত যিসকল মানুহ বসবাস কৰে বা কাম কৰি আছে তেওঁলোকৰ জীৱনৰ নিৰাপত্তাৰ প্ৰতি তেওঁলোকক যাতে কোনেও তাত হাৰাশাস্তি কৰিব নোৱাৰে তাৰ কাৰণে আমি পদক্ষেত্ৰ ল'ব লাগিব আৰু তাৰ কাৰণে অধ্যক্ষ ডাঙৰীয়া, আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়া, ৰাজ্য চৰকাৰ আৰু পবিত্ৰ সদনক মই এটা কথা অনুৰোধ কৰিব বিচাৰো মাননীয় অধ্যক্ষ ডাঙৰীয়া যে ইয়াৰ পৰা এটা প্ৰতিনিধি দল মেঘালয়লৈ প্ৰেৰণ কৰিব লাগে আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰী আৰু মেঘালয় চৰকাৰৰ লগত কথা পাতি স্থায়ী শান্তি অনাৰ কাৰণে এটা পৰিৱেশ চৰকাৰে সুনিশ্চিত কৰিব লাগে।

মাননীয় অধ্যক্ষ ডাঙৰীয়া ইতিমধ্যে মেঘালয়ত যিসকল মানুহ আমাৰ লগত বা সদনত উপস্থিত থকা মাননীয় সদস্য সদস্যা সকলৰ লগত যোগাযোগ কৰি আছে, মানুহ খিনিয়ে যেতিয়া কান্ধি কান্ধি ফোন কৰে তেতিয়া যথেষ্ঠখিনি বেয়া লাগে। বৰ্তমান আন্দোলনটো কিছু কমিছে, সংঘৰ্ষ আৰু হিংসা কিছু কমিছে। মেঘালয়ৰ কিছু স্কুলত এতিয়া পৰীক্ষা চলি থকা কাৰণে তেওঁলোকে আন্দোলন কমোৱা বুলি কৈছে কিন্তু পৰীক্ষাৰ পিছতে তেওঁলোকে আন্দোলন আৰু তীব্ৰতৰ কৰি তুলিব। তীব্ৰতৰ কৰি তোলাৰ লগে-লগে বিপদত পৰিব অসমৰ সেই শ্ৰমজীৱি আৰু দুখীয়া মানুহখিনি। যাতে তেনেকুৱা এটা পৰিৱেশ নহওঁক অসমৰ মানুহখিনি যদি তাতে কৰ্ম সংস্থাপন নাপায় তেতিয়াহলে তেওঁলোকে ইয়াত আহি ঘৰত এনে বহিব লাগিব। পৰিয়ালা পোহপাল কৰিব নোৱাৰিব। গতিকে অসমৰ যিসকল মানুহ মেঘালয়ত আছে তেওঁলোকে যাতে পুনৰ কৰ্মস্থানলৈ যাব পাৰে, কামবোৰ কৰিব পাৰে, মুকলিকৈ ঘুৰা ফুৰা কৰিব পাৰে আগৰ দৰে। এনেকুৱা এটা পৰিবেশ অনাৰ ক্ষেত্ৰত অসমৰ চৰকাৰৰ দায়িত্ব আছে। মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত মাননীয় মন্ত্ৰী সকলক অনুৰোধ জনাইছো যে এই বিষয়টো অতি গুৰুত্বপূৰ্ণ হিচাপে তেওঁলোকে গণ্য কৰিব লাগে আৰু আপোনাৰ নেতৃত্বত এটা কমিটি গঠন কৰি দিব লাগে, যি প্ৰতিনিধি দলে মেঘালয়ত অতি সোনকালে যাব লাগে আৰু তাত গৈ যি সমূহ এলেকা স্পৰ্শকাতৰ হৈ আছে, যি সমূহ এলেকাত এতিয়াও সংঘৰ্ষৰ উত্তেজনা মাৰ যোৱা নাই সেই সমূহ এলেকাত গৈ পৰিদৰ্শণ কৰি উপযুক্তভাৱে মেঘালয় চৰকাৰৰ লগত বহি এটা শান্তি চুক্তি কৰিব লাগে। শান্তিৰ পৰিৱেশ অনাৰ কাৰণে তেওঁলোকক বাধ্য কৰাব লাগে।

শেহতীয়াভাৱে মই ক'ব বিচাৰিছো আজি ৰাতিপুৱা মোলৈ ফোন আহিছে যে গোলকগঞ্জ থানাত প্ৰায় ৩০০ মানুহ আছে। হীৰাগঞ্জ চেলা থানাৰ অন্তৰ্গত যিখিনি মানুহ আছে তেওঁলোকক অনা হৈছে আৰু এতিয়াও বহুত মানুহ জঙ্গল আৰু পাহাৰত আবদ্ধ হৈ আছে। তেওঁলোকে ওলাবলৈ সাহস কৰা নাই। সিহঁতে তাত থাকিবও পৰা নাই, খাবও পৰা নাই। যোগাযোগো কৰিব পৰা নাই, মোবাইন সমূহো বিকল হৈ পৰিছে। যিসকল মানুহ তাত ভাড়া ঘৰত আছিল তেওঁলোকক ওলাই দিয়া হৈছে, ক'ত থাকিব তেওঁলোক? তেওঁলোকে ৰাস্তাতো থাকিব নোৱাৰে কাৰণ দেখিলেই আক্ৰমণ কৰে। এই যে মানুহবোৰ জঙ্গল বা ভাড়াঘৰ আছে, অসম পুলচ পঠিৱাই দি মেঘালয় পুলিচৰ লগত কোন অঞ্চলত সেই মানুহবোৰ আবদ্ধ হৈ আছে সেই ঠাই সমূহ তদন্ত কৰি কাৰ ঘৰত ভাড়া আছিল গোটেইখিনি কথা অধ্যয়ণ কৰি ঠাইবোৰ চিনাক্ত কৰি মানুহবোৰৰ বিহিত ব্যৱস্থা ল'বৰ বাবে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰীলৈ অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই 'অসমীয়া প্ৰতিদিন' কাকতত ৫-৩-২০২০ তাৰিখে যিটো বাতৰি

প্ৰকাশিত হৈছে যে ‘কা’ ক লৈ সংঘৰ্ষ মেঘালয়ত আবদ্ধ ১৫০০ লোক। ভাড়াঘৰৰ পৰা উলিয়াই দিছে। যোৰহাট, বৰপেটাৰ অভিযন্তা, কৰ্মচাৰী এই শীৰ্ষক যিটো বাতৰি সেইটো চৰকাৰৰো দৃষ্টিগোচৰ হৈছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ চৰকাৰে তৎপৰতাৰে মেঘালয় চৰকাৰৰ লগত আলোচনা কৰি প্ৰতিটো মূহুৰ্তৰ তদাৰক কৰি আছে। অলপতে আমাৰ কংগ্ৰেছ বিধায়িনী দলৰ সদস্য সকলে মাননীয় মুখ্যমন্ত্ৰীক লগ পাইছিল, এই সম্পৰ্কে জনোৱাত তেওঁ লগে লগে মেঘালয়ৰ মুখ্যমন্ত্ৰীক ফোন কৰি জনাইছিল আৰু তাৰ পিছৰ পৰাই আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ লগতে সততে যোগাযোগ কৰি আছে। অধ্যক্ষ মহোদয়, মেঘালয় পুলিচৰ লগত অসম পুলিচে এই গোটেই বিষয়টো monitoring কৰি আছে। আমাৰ অসমীয়া মানুহ যাতে ক'তো বিপদত নপৰে সেইটোৰ প্ৰতি আমাৰ সকলোৰে সমূহীয়া কৰ্তব্য আছে। আমাৰ বিলাসীপাৰাৰ বিধায়ক অশোক সিংহী ডাঙৰীয়াই যোৱাকালি যোৰাবাট আৰক্ষী থানাৰ বিষয়াজনৰ সৈতে লগ লাগি মেঘালয়ৰ পৰা অহা অসমীয়া লোকসকলৰ বাবে গাড়ীত তেল ভৰাই দিয়াৰ লগতে খোৱা-বোৱাৰ ব্যৱস্থা কৰি দিছে। ইয়াৰোপৰি, আৰক্ষী অধীক্ষক সকলকো নিৰ্দেশ দিয়া হৈছে যে ঘূৰি অহা মানুহখিনিক নিজৰ নিজৰ জিলালৈ উভটি যোৱাৰ বাবে গাড়ীত তেলৰ ব্যৱস্থা যাতে কৰি দিয়ে । গতিকে এনে ধৰণৰ কাম আমি সমূহীয়াভাৱে কৰিব লাগিব। তাত যিহেতু তেনে ঘটনা এটা সংঘটিত হৈছে, সেই ক্ষেত্ৰত আমি সকলোৱে উত্তেজনাৰ সৃষ্টি নকৰি ঘটনাটো কিদৰে চম্ভালি ল'ব পাৰো তাৰ বাবে ব্যৱস্থা কৰি লাগিব। সেয়েহ, আমি চৰকাৰ পক্ষই হওঁক বা বিৰোধী পক্ষই হওঁক, সকলোৱে সংযম ৰক্ষা কৰিহে বক্তব্য ৰাখিব লাগিব যাতে আমাৰ বক্তব্যই ক'তো উত্তেজনাৰ সৃষ্টি নকৰে। গতিকে, এই সম্পৰ্কত অসম পুলিচে মেঘালয় পুলিচৰ লগত কাম কৰি আছে। অসম পুলিচৰ উচ্চ পদস্থ বিষয়াই মোক ৰাতিপুৱাই জনাইছে যে যোৱা দিনকেইটাত মেঘালয় পুলিচৰ বহু উচ্চ পদস্থ বিষয়াই ৰাতি উজাগৰে কটাই আমাৰ মানুহখিনিৰ নিৰাপত্তা যাতে সু- নিশ্চিত হয়, তাৰ বাবে চেষ্টা কৰি আছে আৰু এই বিষয়টোত তদাৰক কৰা অসম পুলিচৰ উচ্চ পদস্থ বিষয়াসকলেও নিশা উজাগৰে আছে। ইয়াৰ বাবে আমি অসম পুলিচ আৰু মেঘালয় পুলিচক ধন্যবাদ জ্ঞাপন কৰিছো কাৰণ তেওঁলোকে তৎপৰতাৰে জনসাধাৰণৰ নিৰাপত্তাৰ বিষয়টোত গুৰুত্ব আৰোপ কৰিছে।

অধ্যক্ষ মহোদয়, যোৱা ০৫-০৩-২০২০ তাৰিখে অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত- **“ ‘কা’কলৈ সংঘৰ্ষঃ মেঘালয়ত আৱদ্ধ ১৫০০ লোকক ভাড়াঘৰৰ পৰা উলিয়াই দিছে যোৰহাট, বৰপেটাৰ অভিযন্তা কৰ্মচাৰী”** শীৰ্ষক বাতৰিটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। মেঘালয় আৰক্ষীৰ পৰা পোৱা সংবাদ মৰ্মে অসমৰ বিভিন্ন লোক মেঘালয়ত আৱদ্ধ হৈ থকা তথ্য সন্দৰ্ভত আৰক্ষীৰ সঞ্চালক প্ৰধান আৰু মেঘালয় আৰক্ষীৰ সঞ্চালক প্ৰধানৰ মাজত যোৱা ০৪-০৩-২০২০ তাৰিখে আলোচনা হয় আৰু যিসকল অসমীয়া লোক সম্প্ৰতি মেঘালয়ৰ আইন-শৃংখলা জড়িত পৰিস্থিতিৰ বাবে অসমলৈ ঘূৰি আহিবলৈ ইচ্ছুক তেখেতসকলক ঘূৰাই পঠোৱাৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনোৱা হয়। সেই অনুসৰি ইং ০৫-০৩-২০২০ তাৰিখে ৰাতিপুৱা প্ৰায় ৮ বজাত মেঘালয়ত থকা অসমৰ বিভিন্ন জিলাৰ সৰ্বমুঠ ২৭৯ জন লোকক মেঘালয় আৰক্ষীয়ে অসম আৰক্ষীৰ হাতত চমজাই দিয়ে। ইয়াৰোপৰি, মেঘালয় আৰক্ষীয়ে পশ্চিম গাৰো জিলাৰ ১৯ জন লোক, পশ্চিমবংগৰ জলপাইগুড়িৰ এজন লোক আৰু নেপালৰ এজন লোকক অসম আৰক্ষীক চমজাই দিয়ে। জিলাসমূহৰ তথ্য এনেধৰণৰ-

| **জিলা** | **লোকৰ সংখ্যা** |
|---|---|
| ধুবুৰী | ৭৩ জন |
| গোৱালপাৰা | ৩৩ জন |
| কোকৰাঝাৰ | ৫৮ জন |
| বৰপেটা | ২৫ জন |
| নলবাৰী | ২৮ জন |
| কামৰূপ | ২৪ জন |
| বাক্সা | ২৮ জন |
| শিৱসাগৰ | ২ জন |
| ধেমাজি | ১ জন |
| যোৰহাট | ১ জন |
| নগাওঁ | ১ জন |
| ওদালগুৰি | ২ জন |
| বঙাইগাওঁ | ১ জন |
| চিৰাং | ২ জন |

উক্ত লোকসকলক পিছত নিজ গৃহ জিলালৈ যোৱাৰ বাবে অসম পুলিচ তথা অসম চৰকাৰে ব্যৱস্থা কৰি দিয়ে।

অধ্যক্ষ মহোদয়, মই সদনক আশ্বস্ত কৰিব বিচাৰিছো যে চৰকাৰৰ তৰফৰ পৰা এই বিষয়টো গুৰুত্ব সহকাৰে লোৱা হৈছে আৰু প্ৰতিটো মূহুৰ্তত এই সম্পৰ্কত অসম পুলিচ মেঘালয় পুলিচৰ লগত সংযোগত আছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই সম্পৰ্কে তদাৰক কৰি আছে । গতিকে, চৰকাৰে এই ক্ষেত্ৰত সকলো যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰি আছে। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** Thank You.

This matter is very sensitive. During my student days, I have experienced such things. গতিকে তাত থকা মানুহখিনিৰ protectionৰ বাবে আমি কামখিনি খুব সাৱধানে কৰাটো ভাল। So, I think, we should not discuss more, we are concern with those people. The Govt. is taking steps and all of us with you. তাৰ মানুহে কেতিয়াবা কথাবোৰ কমকৈ বুজি পায়। সেয়েহে, এই বিষয়টোত debate কৰা উচিত নহয়। অসম বিধান সভাৰ কথাবোৰ positive way ত যাব লাগে, because we are concern with their security.

Next, Aminul Islam.

**শ্ৰী আমিনুল ইছলাম, ( ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ০৫ মাৰ্চ, ২০২০ তাৰিখৰ দৈনিক অসম কাকতত প্ৰকাশিত- "অসম চৰকাৰৰ কঠোৰ নিৰ্দেশনা সত্বেও মালিক পক্ষই নামানে শ্ৰম বিভাগৰ নীতি-নিৰ্দেশনা"-শীৰ্ষক বাতৰিটো আপোনাৰ জৰিয়তে মই চৰকাৰৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, বিভিন্ন খণ্ডত যিসকল শ্ৰমিকে কাম কৰে, সেই শ্ৰমিক সকলৰ দৈনিক নূন্যতম মজুৰিৰ লগতে তেওঁলোকৰ মানৱীয় সা-সুবিধাৰ কাৰণে সময়ে সময়ে চৰকাৰে

নীতি নিৰ্ধাৰণ কৰি আহিছে আৰু বিশেষকৈ শ্ৰম বিভাগে যিবিলাক নীতি-নিৰ্দেশনা দিয়ে, সেই সম্পৰ্কে সংসদ আৰু বিধান সভা উভয়তে আইন pass হৈছে। সেই আইনসমূহ কাৰ্যকৰী কৰাৰ বাবে চৰকাৰৰ এটা বিভাগ আছে। শ্ৰম বিভাগেও বিভিন্ন কৰ্মচাৰী ৰাখিছে। কিন্তু, দেখা গ'ল যে এই আইন-কানুনবিলাক কেৱল আমি ৰচনাহে কৰিছো, এইবোৰ কাগজতে সীমাবদ্ধ হৈ আছে, বাস্তৱিকতে শ্ৰমিকসকলে তেওঁলোকৰ নুন্যতম সা-সুবিধা বা আইনী নিৰাপত্তা পোৱা নাই। শ্ৰম বিভাগে শ্ৰমিকসকলৰ বাবে যি দৈনিক আৰু মাহেকীয়া মজুৰি নিৰ্ধাৰণ কৰিছিল, সেই নূন্যতম মজুৰিটো প্ৰায় বিলাক বিভাগতে বিভিন্ন খণ্ডৰ শ্ৰমিকসকলক মালিক পক্ষই নিদিয়ে। এই ক্ষেত্ৰত শ্ৰমিকসকলে যদি মালিক পক্ষক নূন্যতম মজুৰিটো দিয়াৰ বাবে দাবী কৰে, তেতিয়া মালিক পক্ষই তেওঁলোকক কামৰ পৰা বহিষ্কাৰ কৰাৰ ভাবুকি দিয়ে। তেনেস্থলত শ্ৰমিকসকলেও নিৰুপায় হৈ মালিকপক্ষই যি হাৰত মজুৰি দিয়ে সেইমতে কাম কৰিব লগীয়া হয়। গতিকে চৰকাৰে বান্ধি দিয়া নূন্যতম মূল্যটো নোপোৱাকৈয়ে তেওঁলোকে কাম কৰিব লগীয়া হয়। অধ্যক্ষ মহোদয়, আন এটা গুৰুত্বপূৰ্ণ কথা হ'ল যে শ্ৰমিকসকলক মালিক পক্ষই যাতে ঠগিব নোৱাৰে, তাৰ কাৰণে শ্ৰমিকসকলৰ নূন্যতম দৈনিক বা মাহেকীয়া মজুৰি তেওঁলোকৰ account ত দিব লাগে বুলি আইনত উল্লেখ আছে। MGNREGA ৰ অধীনত কাম কৰা Job Card holder সকলক account ত পইচা দিয়া হয়, যাৰ ফলত সকলোখিনি transparent হয়, মালিকপক্ষই নূন্যতম মজুৰি দিছে নে নাই তাৰ তথ্যগত প্ৰমাণ থাকে। ঠিক এনেদৰে অন্যান্য খণ্ডত, যেনে, আজি মিস্ত্ৰী শ্ৰমিক সন্থাই যিটো আভিযোগ কৰিছে তাৰ ওপৰত ভিত্তি কৰিয়েই বাতৰিটো পৰিবেশন কৰা হৈছে, গতিকে তাত যদি মালিক পক্ষক বাধ্য কৰাব পৰা গ'লহেঁতেন যে শ্ৰমিকসকলৰ মজুৰিটো তেওঁলোকৰ account ত দিব লাগিব, তেতিয়া তেওঁলোকে নূন্যতম মজুৰিৰ আইন মানিব লাগিলেহেঁতেন। মালিক পক্ষই যিহেতু তেওঁলোকৰ মজুৰিটো একাউণ্টত নিদিয়ে আৰু আমাৰ চৰকাৰে বাধ্য কৰিব পৰা নাই। সেই কাৰণে তেওঁলোকে আধা পইচাও দিয়ে, নুন্যতম মজুৰিতকৈ কমো দিয়ে আৰু এতিয়া উপায় নাপায় আমাৰ শ্ৰমিক সকলে সেই টকাৰে কাম কৰিবলগীয়া হৈ আছে। গতিকে ইয়াত দেখা গ'ল যে মিলৰ যিসকল শ্ৰমিক তেওঁলোকৰ দৈনিক মজুৰি ১৩০ ৰপৰা ১৫০ টকা, ব্যক্তিগত চি কিৎসা প্ৰতিষ্ঠানৰ নাৰ্চ বা চাফাই কৰ্মচাৰী, তেওঁলোকক ৩ হাজাৰৰ পৰা ৪ হাজাৰ টকা মাত্ৰ দিয়া হয়। ইটাভাটাৰ যিসকল শ্ৰমিক তেওঁলোকক দৈনিক ১৩০ ৰ পৰা ১৫০ টকা দিয়া হয়। ঠিক সেইদৰে ব্যৱসায় প্ৰতিষ্ঠানৰ কৰ্মচাৰী সকলৰ দৰমহা ৪ হাজাৰৰ পৰা ৫ হাজাৰ টকা দিয়া হয়, দুচকীয়া যান-বাহনৰ ব্যক্তিগত ডিলাৰ বা ৱৰ্কশ্বপৰ শ্ৰমিক সকলক ৩ হাজাৰৰ পৰা ৬ হাজাৰ, ৪চকীয়া যান-বাহনৰ ব্যক্তিগত ডিলাৰ বা ৱৰ্কশ্বপৰ শ্ৰমিক সকলক ৩ হাজাৰৰ পৰা ৭ হাজাৰ, ৰেষ্টুৰেণ্ট হোটেল আদিৰ শ্ৰমিক সকলক মাহেকীয়া দৰমহা ৪ হাজাৰ টকাৰ পৰা ৬ হাজাৰ। এনেকৈ চাবোন, বিস্কুট, বিড়ি আৰু অন্যান্য ফেক্টৰীৰ অনুষ্ঠান-প্ৰতিষ্ঠানৰ একেই কথা। মালিক আৰু ঠিকাদাৰ সকলে তেওঁলোকৰ নুন্যতম মজুৰিৰ পৰা বঞ্চিত কৰি আহিছে আৰু দুৰ্ভাগ্যজনক কথা হৈছে আমাৰ সহকাৰী শ্ৰম আয়ুক্তৰ কাৰ্য্যালয় যিটো আছে এই সহকাৰী শ্ৰম আয়ুক্তৰ কাৰ্য্যালয় বিভিন্ন এলেকাত তেওঁলোকৰ অধীনত থাকে আৰু তেওঁলোকৰ এটা গোপন বুজা-বুজি থাকে মালিক পক্ষ বা ঠিকাদাৰ সকলৰ লগত । যিটো কাৰণত তেওঁলোকে ৰেগুলাৰ ভিজিট বা মনিটৰ কৰি যিটো ensure কৰিব লাগে, সেইটো তেওঁলোকে কৰিব নোৱাৰে বা ইচ্ছা কৰি নকৰে। অধ্যক্ষ মহোদয়, অতি দুখৰ কথা কেইটামান কমপ্লেইন আমি পাইছিলো যে মাজতে চিপাঝাৰৰ কেইটামান ইটাভাটাত আৰু কিছুদিন পিছত সৰুপথাৰৰ (বৰপথাৰ)ৰ ওচৰত ইটাভাটাৰ

শ্ৰমিক সকলৰ গোটেই পৰিয়ালক ভৰিত শিকলি লগাই যোৱা কেইবামাহ ধৰি বান্ধি ৰখিছিল। কাৰণ তেওঁলোকে এই টকাৰে কাম কৰিব লাগে। এটা সময়ত থকা দাস প্ৰথাৰ নিচিনাকৈ তেওঁলোকক ওলাই আহিব দিয়া নাছিল। মই খবৰ পাই পুলিচৰ লগত যোগাযোগ কৰি কেনেবাকৈ তেওঁলোকক মোকলাই আনিলো। এনেকৈ তেওঁলোকক কাম কৰিবলৈ বাধ্য কৰোৱা হৈছিল আৰু তেওঁলোকক পইচাও দিয়া হোৱা নাছিল, থকা-খোৱাৰ সুবিধাখিনিও দিয়া হোৱা নাছিল। গতিকে মই আপোনাৰ জৰিয়তে অধ্যক্ষ মহোদয়, চৰকাৰৰ দৃষ্টি গোচৰ কৰিলো যাতে শ্ৰমিক সকলক যিখিনি নুন্যতম সা-সুবিধা দিব লাগে সেইটো ensure কৰা হয় আৰু নুন্যতম মজুৰিখিনি যাতে দিয়া হয়, তাৰ কাৰণে চৰকাৰে শ্ৰম আয়ুক্ত আৰু সহকাৰী শ্ৰম আয়ুক্ত সকলক যাতে জবাবদিহি কৰে, যাতে ভায়োলেশ্বন নহয়, এইটো চৰকাৰে ensure কৰিব বুলি আশা ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**শ্ৰী সঞ্জয় কিষাণ, মন্ত্ৰী, শ্ৰমিক কল্যাণ বিভাগ ঃ** মানীনয় অধ্যক্ষ ডাঙৰীয়া, মই মাননীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়াক ধন্যবাদ জনাইছো যে তেখেতে তেজক পানী কৰি যিসকল শ্ৰমিকে দেশৰ কাৰণে সেৱা কৰি আহিছে, তেওঁলোকৰ দুখৰ কথা এই পৱিত্ৰ সদনত দাঙি ধৰিছে। অধ্যক্ষ ডাঙৰীয়া আমাৰ সকলোৰে কাৰণে নুন্যতম মজুৰি আইন ১৯৪৮ ৰ অধীনত কোনো এক সূচী ভুক্ত নিয়োগৰ বাবে নূন্যতম মজুৰি নিৰ্দ্ধাৰণ কৰা হয়। এই আইনৰ অধীনত গঠন কৰা উপদেষ্টা সমিতিৰ উপদেশ মৰ্মে চৰকাৰী নূন্যতম মজুৰি নিৰ্দ্ধাৰণ কৰা হয়। এই উপদেষ্টা সমিতিখন মালিক পক্ষ, ট্ৰেড ইউনিয়ন আৰু চৰকাৰৰ প্ৰতিনিধিৰ দ্বাৰা গঠন কৰা হয়। প্ৰতি ৬ মাহৰ মূৰে মূৰে সৰ্বভাৰতীয় উপভোক্তা মূল্য সূচাংক অনুসৰি উক্ত নিৰ্দ্ধাৰিত মজুৰিৰ ওপৰত মৰগীয়া বানচ ধাৰ্য্য কৰা হয়। সেয়েহে অধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে আমাৰ চৰকাৰৰ যি নীতি-নিয়ম আছে, উল্লেখযোগ্য যে এই নিৰ্দ্ধাৰিত চৰকাৰৰ নুন্যতম মজুৰি ঘৰ ভাড়া, বিদ্যুৎ, পানী, পৰিবহন, বোনাচ লগতে যিকোনো পেঞ্চন আঁচনি, স্বাস্থ্য বীমা, নিয়োগ আৰু তাৰ অংশ আৰু অৱসৰ সময়ত পাবলগীয়া গ্ৰেচুউটি ধন বৰ্তমান অসম চৰকাৰে নিৰ্দ্ধাৰিণ কৰা মজুৰি সমূহ হ'ল- অদক্ষ্য আন স্কীলড-৮,১৬০ টকা প্ৰতি মাহে আৰু অৰ্ধদক্ষ(চেমী স্কীল)-৯৫২০টকা, দক্ষ স্কীলড-১১,৯০১ টকা, অতি দক্ষ-১৫,৩০০.৯০টকা এনেধৰণৰ সুৰক্ষা কৰ্মীৰ বাবে ১৮,৪৫২ টকা, পৰ্য্যৱেক্ষণৰ বাবে১৫,৭২৭ টকা, সুৰক্ষা কৰ্মী (অস্ত্ৰসহ কৰ্মী) ৰ বাবে-১৩,৮১১ টকা, সুৰক্ষা কৰ্মীৰ বাবে ১০,৭৮৭.১৬ টকা। বিক্ৰী কৰ্মীৰ বাবে ১৪,০২৪ টকা। গৃহ কৰ্মীৰ বাবে ৭,৮১৫ টকা, লগতে প্ৰতি দিনে ২৬০ টকাকৈ আৰু প্ৰতিদিনে ৩৫ টকাকৈ নুন্যতম মজুৰিৰ অধিসূচনা বলৱৎ হোৱাৰ পিছত, বিভাগৰ ফালৰ পৰা ট্ৰেড ইউনিয়নৰ কৰ্ম-কৰ্তা সকলৰ লগত নুন্যতম মজুৰি সঠিকভাৱে প্ৰৱৰ্ত্তন কৰাৰ বাবে পৰ্য্যৱেক্ষণ কৰা হয়। শ্ৰমিক সংগঠনসমূহৰ পৰা নিৰ্দ্দিষ্ট অভিযোগ পালে সঠিক ভাৱে নিষ্পত্তি কৰাৰ বাবে নিৰ্দ্ধাৰণ কৰা হয়। মাননীয় অধ্যক্ষ মহোদয়, বহু ক্ষেত্ৰত দেখা যায় যে আমাৰ বিধায়ক ডাঙৰীয়াই কোৱাৰ দৰে বহু সময়ত শ্ৰমিক সকলে শ্ৰম কাৰ্য্যালয়ত আহি অভিযোগ দিয়াৰ পৰা বিৰত থাকে। যিহেতু তেওঁলোকৰ চাকৰিৰ কথা থাকে, পৰিয়ালৰ কথা থাকে। সেই কাৰণে আমি যেতিয়াই এই সম্পৰ্কে আমাৰ বিভাগে গম পায়, তাৎক্ষণিকভাৱে আমাৰ বিভাগৰ যিসকলক দায়িত্ব দিয়া থাকে, তেওঁলোকে গৈ ব্যৱস্থা গ্ৰহণ কৰে। এই আইনৰ অধীনত ১০ খন জিলাত সহকাৰী শ্ৰম আয়ুক্ত, ১৬ খন জিলাত শ্ৰম বিষয়া আৰু ৭খন জিলাত উপায়ুক্ত আৰু অতিৰিক্ত উপায়ুক্তই নুন্যতম মজুৰি আইন ১৯৪৮ আৰু মজুৰি আদায় আইন ১৯৩৬ অথৰিটী হিচাপে অধিসূচনা জাৰি কৰা হৈছে আৰু এই আইনৰ অধীনত সহকাৰী শ্ৰম আয়ুক্ত, শ্ৰম পৰিদৰ্শক আৰু শ্ৰম বিষয়া সকলে নুন্যতম মজুৰি নিশ্চিত আৰু সাংগঠনিক ভাৱে প্ৰৱৰ্ত্তন কৰাৰ বাবে নিয়মীয়াকৈ পৰ্য্যৱেক্ষ কৰে।

পৰিদৰ্শক সকলে নিয়মীয়া পৰ্য্যৱেক্ষণ কৰোতে নিয়মৰ উলংঘন দৃষ্টিগোচৰ হ'লে শ্ৰমিক সকলক নুন্যতম মজুৰি প্ৰদান কৰাৰ বাবে মালিক সকলক নিৰ্দ্দেশ জাৰি কৰে। এই নিৰ্দ্দেশ অনুসৰি য'তেই যিখিনি গোচৰ পোৱা হয়, আমাৰ যিসকলক দায়িত্ব দিয়া হৈছে আমাৰ ইন্সপেক্টৰেই হওঁক বা শ্ৰম আয়ুক্তই হওঁক তেখেত সকলে ফেক্টৰীয়েই হওঁক বা উদ্যোগেই হওঁক তালৈ যায় বা তেওঁলোকৰ কৰ্মচাৰী গৈ তাৰে মালিকৰ লগত কথা পাতি যিবিলাক অধিকাৰ সেইসমূহ দিবৰ বাবে চেষ্টা কৰি আহিছে। প্ৰাপ্ত তথ্য অনুসৰি ২০১৯ চনৰ পৰা এতিয়ালৈকে অসমত নুন্যতম মজুৰি আইন ১৯৪৮ চনৰ অধীনত ইন্সপেক্টৰে কোৱা অভিযোগ সমূহ নিষ্পত্তি কৰি এতিয়ালৈকে ৯ টা গোচৰ মহামান্য আদালতৰ বিচাৰৰ বাবে প্ৰেৰণ কৰা হয়। সহকাৰী শ্ৰম আয়ুক্ত তেজপুৰৰ পৰা পোৱা তথ্য মতে নিয়মিত পৰিদৰ্শনৰ সময়ত শ্ৰম পৰিদৰ্শকৰ দ্বাৰা নুন্যতম মজুৰি উলংঘাৰ ক্ষেত্ৰত মালিক কৰ্ত্তৃপক্ষক নিৰ্দ্দেশনা জাৰি কৰা হয় আৰু এই নিৰ্দ্দেশনা অনুসৰি ৬টা প্ৰতিষ্ঠানৰ শ্ৰমিক সকলক মুঠ ৫,১৪,৩৬৪ টকা মোকলাই দিবলৈ সক্ষম হৈছে। তেজপুৰ পৌৰসভাৰ চাফাই কৰ্মী সকলে নিয়মীয়াভাৱে নুন্যতম মজুৰি পাবলৈ সক্ষম হৈছে। ধেমাজি জিলাত দুটা প্ৰতিষ্ঠানে নুন্যতম মজুৰি উলংঘা কৰাৰ বাবে নিৰ্দেশনা জাৰি কৰাৰ ফলত সেই প্ৰতিষ্ঠানৰ শ্ৰমিক সকলক ৭৮,০০০ টকা মোকলাই দিয়াৰ ব্যৱস্থা কৰা হৈছে। এনেধৰণে অন্যান্য জিলাসমূহতো যেতিয়া নুন্যতম মজুৰি উলংঘা কৰা দৃষ্টিগোচৰ হয়, অনতি পলমে শ্ৰমিক সকলৰ প্ৰাপ্য বকেয়া ধন মোকলাই দিয়াৰ বাবে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰা হয়।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ চৰকাৰ অহাৰ পাছত এই বিভাগটোক অতি শক্তিশালী কৰিবৰ কাৰণে বহু জাগাত আমাৰ কাৰ্য্যালয়ো নাছিল। এতিয়া নতুনকৈ কাৰ্য্যালয়বোৰ বনোৱা হৈছে। Inspector সকলৰ কোনো ধৰণৰ যান-বাহনৰ ব্যৱস্থা নাছিল। ইতিমধ্যে যান-বাহনৰ ব্যৱস্থা কৰা হৈছে আৰু বহুত জাগাত আমাৰ বিভিন্ন কাৰ্য্যালয় বিলাকত আমাৰ বিষয়াৰ যথেষ্ট অভাৱ আছিল। ইতিমধ্যে সেইবিলাক পুৰণ কৰিবৰ কাৰণে চেষ্টা কৰা হৈছে। মই সন্মানীয় বিধায়ক ডাঙৰীয়াক কৈছে আৰু সকলো বিধায়কক অনুৰোধ কৰিব বিচাৰিম যে এই ক্ষেত্ৰত আমাৰ সকলোৰে যথেষ্ট অধিকাৰ আছে, দায়িত্ব আছে যে আমি এই খাটি খোৱা মানুহখিনিৰ কাৰণে যদি তেনেকুৱা ধৰণৰ কিবা অভিযোগ পাওঁ, অন্তত মই এতিয়া এই দায়িত্বত আছো। মই ইতিমধ্যে কেইবাটাও কাৰ্য্যালয়লৈ গৈছো য'ত এনেধৰণৰ অবহেলা ক'ৰবাত কৰা হৈছে নেকি, মই জানিবৰ কাৰণে আৰু মই দেখিছো বহুত কাৰ্য্যালয়ত যিখিনি অভাৱ আছে সেইখিনি মই ঠিক কৰিবৰ কাৰণে চেষ্টা কৰিছো আৰু এই ক্ষেত্ৰত যথেষ্ট কাম কৰিব লগা আছে। গতিকে মই সকলোৰে সহযোগিতা বিচাৰিছো যাতে শ্ৰমিক সকলক উপযুক্ত অধিকাৰখিনি আমি দিয়াব পাৰো আৰু তেনেধৰণৰ যদি বিশেষ কিবা কেচ থাকে আপোনালোকে আমাৰ বিভাগক দিব আৰু ন'হলে মোকো এইখিনি জনোৱা যায় তেতিয়াহ'লে মই লগে লগে শ্ৰমিক সকলৰ অধিকাৰৰ কাৰণে বিভাগৰ তৰফৰ পৰা যিখিনি কৰিবলগীয়া আছে, সেইখিনি সদায় মই কৰিবৰ কাৰণে চেষ্টা কৰিম। মই সকলোৰে এই ক্ষেত্ৰত সহযোগিতা বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

সুধিব পাৰো নিকি বিশবাওঁৰ মানে কি ? বাংলা অৰ্থে। 'বিশবাওঁ জলে'

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** এইটাৰ আৰ কাজ হবেনা। প্ৰায় না হওয়াৰ মতোই।

**মাননীয় অধ্যক্ষঃ** বিশবাওঁ মানে না হওয়াৰ মতো, ঠিক আছে মই বুজি পাইছো।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ** ঃ ৩৩ কেভি পাঁচগ্ৰাম-কৰিমগঞ্জ বিদ্যুৎ লাইন বিশবাওঁ জলে। ২ মাৰ্চে

“দৈনিক নববার্তা প্রসঙ্গে” প্রকাশিত এই খবরটির বিষয়ে উত্থাপন করার সুযোগ করে দেওয়ার জন্য আপনাকে ধন্যবাদ জানাচ্ছি। অধ্যক্ষ মহোদয় যে সময় সরকার বলে থাকেন যে Make in India, ডিজিটেল ইণ্ডিয়া সেই সময় বাস্তব চিত্র বা ফিল্ড লেভেলে ব্যাপারটা অন্যরকম। আমাদের করিমগঞ্জে ৪ তারিখে রাত্রে সামান্য বৃষ্টি হয়েছিল। দিনের বেলা আট ঘন্টা কারেন্ট নেই। আজ পর্য্যন্ত কারেন্ট নেই। তার কারণ টা হচ্ছে, আমাদের ৩৩ কেভি পাঁচগ্রাম থেকে করিমগঞ্জের লাইন। তার জন্য সেংশন হয়েছিল ১৩০ কেভি পাওয়ার সাব-ষ্টেশন, টি ডি এফ স্কীমের আণ্ডারে ২০১৪ সালে। এয়ার্ড করা হয়েছিল ই জি আই কোম্পানী লিমিটেডকে। এই কাজের জন্য বরাদ্দ করা হয়েছিল ১০ কোটি ৪৬ লক্ষ টাকা। তার জন্য সাপ্লাই পার্ট ছিল ৭ কোটি ২ লক্ষ টাকার অধিক এবং ইরেকশন পার্ট ছিল ৩ কোটি ৪৪ লক্ষ ।

অধ্যক্ষ মহোদয়, ২০১৬ সালের মার্চ অবধি অর্থাৎ যখন পর্যন্ত কংগ্রেস সরকার ছিল তখন ১৩ টি টাওয়ারের কাজ হয়েছিল। ২০১৮ সালে ই সি আই কোম্পানীকে এই জি সি এলের তরফ থেকে টারমিনেট করা হল। ইরেকশন পার্ট টা টারমিনেট করা হল। তার কারণ হচ্ছে কাজের অগ্রগতি না হওয়ার জন্য সেটাকে ইরেকশন করা হল। সেই কোম্পানী তখন বলেছিল ২০ শতাংশ

প্রাইস এসকেলেশন দেওয়া হয় যদি তাহলে আমরা সেই কাজটা করতে রাজি আছি। পরবর্তীকালে আমরা দেখতে পারলাম যে ডিপার্টমেন্টের তরফ থেকে বলা হল আমরা সেই কাজটা করব। যদি ২০ শতাংশ প্রাইস এসকেলেশন হত তাহলে ৪ কোটি ১৩ লক্ষ হত, কিন্তু বর্তমান সময়ে সেই কাজ করা হচ্ছে ৭ কোটি টাকা দিয়ে এবং সেটা প্রাইস এসকেলেশন হয়ে ১০ কোটি টাকা হবে। তার মানে হচ্ছে যে কাজটা ৪ কোটি টাকা দিয়ে করতে পারতাম সেই কাজটা করতে হচ্ছে ১০ কোটি টাকা দিয়ে। কিন্তু কাজের কাজ কিচ্ছু হচ্ছে না । অত্যন্ত দুঃখজনক ব্যাপার হচ্ছে যে ২৪ টা টাওয়ারের কাজ ইতিমধ্যে হয়েছে। তার মধ্যে ১৩ টা কাজ হয়েছে ২০১৬ অবধি। তার মানে কংগ্রেস সরকার থাকাকালীন অবস্থায়। মাত্র ১১ টা টাওয়ারের কাজ হয় বর্তমান সরকারের দিনে অর্থাৎ এই চার বছরে। বর্তমান সরকার এবং ডিপার্টমেন্টের যে অবহেলা সেই গুলো আমরা এখানে দেখতে পারছি। My suggestion is to honourable Minister বিশেষ করে ১৩২ কেভি পাওয়ার গ্রীডের যে কাজ চলছে তার সামনে দিকে ১৩২ কেভি পাওয়ার গ্রীডের লাইন একটা যাচ্ছে। যে সাব-স্টেশন করা হচ্ছে সেটা ৪ কিলোমিটার হবে। বড় লাইন না করে সেই ১৩০ কেভির পাওয়ার গ্রীডের যে সাব-স্টেশন সেটা থেকে টি ডি পি যেটা সেংশন করা হয়েছে বিশেষ করে সেটা পেটেল নগরে যদি নিয়ে আসি তাহলে ৪ কিলোমিটার লাগবে। প্রত্যেকটা বিধান সভায় আমি সেই কথা গুলো বলি অধ্যক্ষ মহোদয়। কিন্তু আলটিমেটলি কাজের কাজ কিছু হচ্ছে না। বিধান সভায় বলা হল যেহেতু আমরা ১৩২ কেভির কাজ করতে পারছি না পেটেল নগরে , আমরা পাঁচগ্রাম থেকে করিমগঞ্জের এন এইচের সামনে দিয়ে ৩০ কেভির লাইন করব। অধ্যক্ষ মহোদয়, আপনি জানেন আমি অনশন ধর্মঘটে বসেছিলাম। আপনি বলেছিলেন আমরা মার্চ অবধি ৩০ কেভির কাজটা অন্ততপক্ষে শেষ করতে পারব। এমনকি এম ডি ও বিভাগীয় আধিকারিকরা আপনার চেম্বারে এসেছিলেন, আমরা গণতন্ত্রে বিশ্বাস করি। আপনিও বলেছিলেন কিন্তু আমি আপনাকে বলতে চাই যে এই ৩০ কেভির যে লাইন পাঁচগ্রাম থেকে ভাঙ্গা অবধি সেই লাইনের অন্তত ৫ থেকে ১০ শতাংশ কাজ হয়েছে। ভাঙ্গা থেকে করিমগঞ্জ অবধি যে লাইন সেই লাইনের ৫৫ থেকে ৬০ শতাংশ কাজ হয়েছে। অতএব মার্চের মধ্যে সেই কাজ শেষ করা

সম্ভব হবে না। আপনি বললেন, বিধান সভায় বলা হল কিন্তু সরকারের পক্ষ থেকে যে তৎপরতা থাকা দরকার ছিল, সরকারের সেই তৎপরতা নেই। সরকারের সেই মানসিকতা নেই। আমি আপনার মাধ্যমে মন্ত্রী মহোদয়কে প্রশ্ন করতে চাই মার্চ মাসের মধ্যে করিমগঞ্জের মানুষ কি সেই বিদ্যুৎ সংযোগ পাবে কি পাবে না? সেটা পরিষ্কার আমরা জানতে চাই। My suggestion is to honourable Minister আমি আপনার চেম্বারে বলেছিলাম একজন নোডেল অফিসার দেওয়া হোক যিনি সবসময় মনিটরিং করতে পারেন। আজ অবধি নোডেল অফিসার দেওয়া হয় নাই। অতএব আমরা চাই মার্চ মাসের মধ্যে আমাদের বিদ্যুৎ সমস্যার সমাধান হোক। ভারত হচ্ছে বিশ্বের বুকে একটা গণতান্ত্রিক দেশ এবং আমরা গণতন্ত্রে বিশ্বাসী অতএব গণতন্ত্রে যা করা দরকার সেটা আমরা করব। কিন্তু আমরা চাই সরকারের বিভাগীয় মন্ত্রী মহোদয়ের কাছ থেকে একটা পরিষ্কার উত্তর। মার্চের মধ্যে সেই বিদ্যুৎ সংযোগ হবে কি হবে না এবং করিমগঞ্জের মানুষের সেই বিদ্যুতের সমস্যার সমাধান হবে কিনা? সেটা মন্ত্রী মহোদয়ের কাছ থেকে আমরা জানতে চাই। এই বলে আমি আমার মন্তব্য শেষ করছি।

.................**(সদনত হুলস্থুল)**..............

**মাননীয় অধ্যক্ষঃ** মানুহৰ কেতিয়াবা খং উঠিব পাৰে। এইখন সদন হয়। কোনো কথা ৰেকৰ্ডত নাযায় যিখিনি হৈছে। মই এটা কৈছো যে, Zero Hour ত ক'ব। কোনোবাই কিবা ক'বলৈ থাকিলে হাত দাঙিব, মই আপোনাক ক'বলৈ দিম। কাৰোবাৰ যদি কিবা Objection থাকে, এখেতসকলৰো কিবা থাকিলে Objection মোললৈ দেখাব। চিএৰ বাখৰ কৰি থাকিলে এইখন সদন হ'বনে? ক'ৰবাত কোনোবাই কেতিয়াবা ক'লেও আপোনালোকে অলপ ধৈৰ্য্য ধৰিব। ইমান ধুনীয়াকৈ কৰিমগঞ্জৰ এটা জলন্ত সমস্যা। মোৰ তাতো গৈছে, বুজি পাইছো।তাৰ পাছত সেই কথাটোক লৈ আপোনালোকৰ তাত কিবা Local Politics চলি থাকক। আমি ignore কৰিলোহেঁতেন। মোক যদি ক'লেহেতেন এইটো delate ক ৰিব লাগে মই delate কৰিলোহেতেন। কিন্তু আকৌ যদি counter কৰে how will do it. মই প্ৰত্যেক সদস্যকে কৈছে কিবা এটা ক 'বলৈ থাকিলে you just raise your hand definatly I will allow. এনেকৈ কৰিলে কি হ'ব। এইটোত ভাল পৰিবেশ এটা নেদেখে নহয়, মানুহে ভাল পৰিবেশ পাব নেকি? আমি law maker. এইবিলাক কথা ৰেকৰ্ড ৰ পৰা বাদ কৰা হৈছে। Minister Please.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী** ঃ- অধ্যক্ষ মহোদয় "দৈনিক নৱবাৰ্তা প্ৰসঙ্গ" ত প্ৰকাশিত বাতৰি কাকতত ৩৩ কে ভি পাচঁগ্ৰাম কৰিমগঞ্জ বিদুৎ লাইন বিশবাওঁ জ্বলে, শীৰ্ষক বাতৰিটো আমাৰ চৰকাৰৰ দৃষ্টিগোচৰ হৈছে আৰু এই সম্পৰ্কত power Department য়ে বিহীত ব্যৱস্থা গ্ৰহণ কৰিছে। আমাৰ মাননীয় সদস্য কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াই যিখিনি কথা তেখেতে উত্থাপন কৰিছে, মই তেখেতক এই কথাখিনি কৈ আশ্বস্ত কৰিব বিচাৰিছো যে এইটো শক্তি বিভাগে এই ক্ষত্ৰত তৎপৰতাৰে কাম কৰি আছে।

( মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় অধ্যক্ষ মহোদয়ৰ আসনত উপবিষ্ট)

শক্তি বিভাগৰ বিষয়াসকলে মোক জনোৱা মতে তেওঁলোকে কামটো যিমান পাৰে সিমান সোনকালে কৰাৰ চেষ্টা কৰি আছে। মই তেওঁলোকৰ লগত আলোচনা কৰিছো আৰু আমিও বিচাৰিছো সোনকালে এই লাইনটো হৈ যাব লাগে। গতিকে আমাৰ গড়কাপ্তানি মন্ত্ৰী ডাঙৰীয়াই যোৱাকালি কৈছিল যে যেতিয়া কোনেবা এটা ৰাস্তা হয়, আমাৰ সকলো বিধায়কে নিজৰ নিজৰ অঞ্চল, আমি সকলোৱে সহযোগ কৰি ৰাস্তাটো বনোৱাত সকলোৱে সহযোগ কৰিব লাগে। তেতিয়া

সোনকালে হৈ যায়। ঠিক তেনেকৈ আমি কওঁ যে প্ৰতিটো বিভাগত যিবোৰ উন্নয়নৰ কাম হয়। গতিকে উপাধ্যক্ষ ডাঙৰীয়া আমি ভাবো যে সকলো সন্মানীয় সদস্যই, শাসকীয় দলৰেই হওঁক বা বিৰোধী দলৰেই হওঁক আমি সকলোৰেই এই কথাটোত সহযোগ কৰি কামটো আমি সকলোৰেই এটা দায়িত্ব ল'ব লাগে। এইটো কথা নহয়, যে চৰকাৰৰ কামটো এল'টমেন্ট কৰিব পাৰে, কামটো কৰিছে নে কৰা নাই আমি জনপ্ৰতিনিধি হিচাবে আমাৰ সকলোৰে এটা দায়িত্ব আছে আৰু আমি এই দায়িত্বটো সকলোৰেই পালন কৰিব লাগে উপাধ্যক্ষ ডাঙৰীয়া, গতিকে তেতিয়াহে কামটো হয়। আমি যদি ইজনে আনজনক সমালোচনা কৰি এনেদৰে সময় নষ্ট কৰো, তেতিয়া কাম বিলাক নহয়। সৰ্বসাধৰন ৰাইজে ভোগিব লাগে। গতিকে এই ক্ষেত্ৰত মই ভাবো যে, মাননীয় সদস্য পুৰকায়স্থ্য ডাঙৰীয়াই, তেখেতেও এই ক্ষেত্ৰত তদাৰক কৰক। কৰিমগঞ্জত যি সকল সন্মানীয় সদস্য আছে, তেখেত সকলেও কামবিলাক তদাৰক কৰক, হৈছেনে হোৱা নাই? গতিকে এইটোত আমাৰ সকলোৰে এটা সমুহীয়া দায়িত্ব হিচাপে আমি কৰিব লাগে। উপাধ্যক্ষ মহোদয়,। দৈনিক নৱবাৰ্তা প্ৰসংগ বাতৰি কাকতত প্ৰকাশিত ৩৩ কে ভি পাচঁগ্ৰাম কৰিমগঞ্জ বিদুৎ লাইন বিশবাওঁ জ্বলে, শীৰ্যক বাতৰিটো আমাৰ চৰকাৰৰ দৃষ্টিগোচৰ হৈছে আৰু এই সম্পৰ্কত নিম্নোক্ত কথাখিনি মাননীয় সদস্যক আমি জনাব বিচাৰিছো চৰকাৰৰ তৰফৰ পৰা। প্ৰকৃতাৰ্থত পাচঁগ্ৰাম কৰিমগঞ্জ লাইনটো ১৩২ কে ভিৰ নহয়। ১৩২ কে ভি ৰ লাইনটো প্ৰকৃততে হাইলাকান্দি কৰিমগঞ্জ লাইনহে। প্ৰথমতে এই লাইনটোৰ বিষয়ে তথ্যখিনি অৱগত কৰিব খুজিছো। হাইলাকান্দি কৰিমগঞ্জ ১৩২ কে ভি প্ৰবহন লাইনৰ কামৰ ঠিকা ০৩-০৭-২০১৪ তাৰিখেই মেৰ্চাছ ই চি আই ইঞ্জিনিয়াৰিং এণ্ড কনষ্ট্ৰাকচন লিমিটেডক দিয়া হৈছিল। সেই কাম শেষ কৰাৰ নিদ্ধাৰিত সময় আছিল ২০১৬ চনৰ ৩ জানুৱাৰী। কিন্তু সেই কাম সময় মতে সম্পুৰ্ন ন'হল। কামৰ লেহেমীয়া গতি আৰু ঠিকাদাৰে চুক্তি ভংগ কৰাৰ বাবে ২৯-১-২০১৮ তাৰিখে এ ই জি চি এল য়ে সেই প্ৰতিষ্ঠানৰ লগত কৰা চুক্তি বাতিল কৰে। তাৰ পাছত এ ই জি চি এল ব'ৰ্ডে সেই লাইনটোৰ যোগান Supply আৰু নিৰ্মানৰ Erection কামৰ বাবে বেলেগে বেলেগে নিবিদা আহ্বান কৰে। Construction আৰু Supply টো দুটাই এজন ঠিকাদাৰে নোৱাৰিলে কাৰনে দুটাক বেলেগ কৰি দিলে। এই কামৰ যোগান অংশৰ কাম প্ৰায় শেষ হ'ল যদিও নিৰ্মাণ কাৰ্য্যৰ ক্ষেত্ৰত সমস্যাই দেখা দিলে। ২৮-৮-২০১৮ তাৰিখে নিৰ্মাণ কাৰ্য্যৰ বাবে নিবিদা আহ্বান কৰা হ'ল। কিন্তু কোনো ঠিকাদাৰি প্ৰতিষ্ঠানে নিবিদা দাখিল নকৰিলে। সেই বাবে সেই নিবিদা বাতিল কৰা হৈছিল। তাৰ পাছত নিবিদাৰ বিধি ব্যৱস্থাৰ কিছু শিথিল কৰি ৭-১-২০১৯ তাৰিখে আকৌ নিবিদা আহ্বান কৰা হ'ল। এইটো শিথিল কৰি দিয়া হ'ল যাতে তাত মানুহ গৈ কাম কৰে। নিবিদা দাখিলৰ শেষ তাৰিখ আছিল ২৮-১-২০১৯ । কিন্তু সেই তাৰিখৰ ভিতৰত কোনেও নিবিদা দাখিল নকৰাত দুবাৰ সময় সীমা বঢ়াই দিয়া হ'ল। কিন্তু তথাপিও কোনো প্ৰতিষ্ঠানে নিবিদা দাখিল নকৰিলে। এই কথা এ ই জি চি এল ব'ৰ্ডক জনোৱাৰ পাছত ব'ৰ্ডে এই কাম বিভাগীয় ভাবে সম্পন্ন কৰা নিৰ্দেশ দিলে। সেই মতে এই কাম বিভাগীয়ভাবে কৰিববৈলে লোৱা হৈছে আৰু ব'ৰ্ডৰ সিদ্ধান্ত অনুসৰি এই কাম ৩১-৫-২০২১ ৰ ভিতৰত সম্পুৰ্ন কৰাৰ লক্ষ্য ৰখা হৈছে। ইতিমধ্যে এই কামৰ দায়িত্ব এ জি এছ' চিয়েটছ, মুডিট বৰা আৰু নৱ বৈশ্য নামৰ তিনিটা ঠিকাদাৰী প্ৰতিষ্ঠানক ভাগ ভাগ কৰি দিয়া হৈছে আৰু তেওঁলোকে আৱন্টিত কামৰ কিছু অংশ সম্পুৰ্নও কৰিছে। এই লাইনৰ আন এটা বিকল্পৰ কথাওঁ চিন্তা কৰা হৈছে, পি জি চি আই এল ৰ পাৱাৰ গ্ৰীড ক'ৰ্পৰেছন অব ইণ্ডিয়া লিমিটেড বদৰ পুৰ- কুমাৰঘাট ১৩২ কে ভি লাইনটো প্ৰস্তাৱিত ১৩২ কে ভি হাইলাকান্দি, কৰিমগঞ্জ লাইনৰ ৰুটৰ (Route) ওপৰেদি পাৰ হৈ গৈছে।

এই ক্রছ অভাৰ (Cross- Over ) পইন্টটো কৰিমগঞ্জ উপ কেন্দ্ৰৰ পৰা মাত্ৰ ৪ কিঃ মিঃ আতৰত। এতিয়া পি জি চি আই এল ৰ সেই লাইনৰ পৰা এক অস্থায়ী লাইন হিচাপে ১৩২ কে ভি লাইন এটা নিৰ্মাণ কৰাৰ প্ৰস্তাৱ লোৱা হৈছে। প্ৰস্তাৱিত ১৩২ কে ভি হাইলাকান্দি, কৰিমগঞ্জ প্ৰবহন লাইনৰ এই টাৱাৰ ছিডুল অনুসৰি এই লাইনটো নিৰ্মাণ কৰিবলৈ ১৪ টা টাৱাৰ বহুৱাব লাগিব আৰু খৰচ পৰিব প্ৰায় ১.৫ কোটি টকা। এই লাইনৰ জৰীপ প্ৰায় সম্পুৰ্ন হৈছে আৰু চিলঙত অনুষ্ঠিত অ চি চি ৰ বৈঠকত এই সম্পৰ্কত অনুমোদনো জনোৱা হৈছে। অন্য এটা লাইনৰ ওপৰেদি যাব গতিকে তাৰ কাৰনে উপাধ্যক্ষ ডাঙৰীয়া আৰু ১৪ টা টাৱাৰ বহুৱাবলগীয়া হৈছে। ১.৫ কোটি খৰচ হ'ব সেইটো অনুমোদন কৰা হৈছে। ৰাষ্ট্ৰীয় ঘাই পথৰ কাষে কাষে কৰিমগঞ্জ লৈ যাবলগীয়া ৩৩ কে ভি লাইন নিৰ্মাণৰ কাম দুটা অংশত বিভক্ত কৰি দুখন আঁচনিৰ অধীনত কৰিবলৈ লোৱা হৈছে।

**প্ৰথম অংশ**

১৩২-৩৩ কেভি পাঁচগ্ৰাম গ্ৰীড উপকেন্দ্ৰৰ পৰা মকইভাঙালৈ ১৪ কিঃমিঃ দূৰত্বৰ ৩৩ কে ভি লাইন নিৰ্মাণৰ কাম SOPD-2019-20 ৰ অধীনত কৰিবলৈ লোৱা হৈছে। এই কামৰ বাবে আদেশ দিয়া হৈছে APDCL/CGM(PP&D) SOPD 2019-20/SDN & INFRA/ BADARPUR/36 নম্বৰ চিঠিৰ যোগেই দি ০১,১০,২০১৯ তাৰিখে দিয়া হৈছে। এই কামৰ বাবদ মুঠ ব্যয় হ'ব - ৪,১৩,৭০,৭০৩,০০ টকা। এই কামৰ ৮ কিলোমিটাৰ দৈৰ্ঘ্যত খুঁটা বহুওৱাৰ কাম শেষ হৈছে। ২০২০ চনৰ ৩০ এপ্ৰিলৰ ভিতৰত এই কাম শেষ কৰাৰ লক্ষ্য ৰখা হৈছে।

**দ্বিতীয় অংশ**

সুভাষ নগৰ বৈদ্যুতিক উপকেন্দ্ৰৰ পৰা শ্ৰীগৌৰীলৈ ৰাষ্ট্ৰীয় ঘাই পথৰ কাষে কাষে ২০ কিলোমিটাৰ দূৰত্বৰ ৩৩ কে ভি লাইন নিৰ্মাণৰ কাম আই পি ডি এচ (IPDS) আঁচনিৰ অধীনত কৰিবলৈ লোৱা হৈছে। এই কামৰ কৰ্মাদেশ 12-12-2017 তাৰিখৰ 'APDCL/ CGM(PP&D)/APDCL/IPXDS -01/LOA/PKG5A/BVZ/2017/884 ' নম্বৰ চিঠিৰ যোগেদি দিয়া হৈছে। এই কামৰ বাবদ মুঠ ব্যয় হ'ব ৩,৫৭,৪৮,৩০০.০০ টকা। ইয়াৰ ১৯ কিলোমিটাৰ দৈৰ্ঘ্যত খুঁটা বহুওৱাৰ কাম শেষ হৈছে আৰু ১৬ কিলোমিটাৰ দৈৰ্ঘ্যত পৰিবাহী তাঁৰ সংযোগ কৰাৰ কাম ও শেষ হৈছে। এই ৩৩ কে ভি লাইনৰ কাম ২০২০ চনৰ মাৰ্চৰ ভিতৰত শেষ কৰিবৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰিছো। গতিকে উপাধ্যক্ষ মহোদয়, এইটো ক্ষেত্ৰত এ পি ডি চি এলৰ পৰা ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে। আপুনি দেখিছেই যে গোটেই প্লেনটো পুনৰ ৰিভাইচ কৰিব লগীয়া হৈছে। ৰিভাইচ কৰি অন্য এটা লাইনৰ ওপৰেৰে তাঁৰ লৈ গৈ ১৪ টা অতিৰিক্ত টাৱাৰ বহোৱাব লগীয়া হৈছে। গতিকে এটা লাইনৰ ওপৰেৰে তাঁৰ লৈ গৈ টাৱাৰ বহুওৱা কামটোত সময়ৰ প্ৰয়োজন হয়। যিহেতু এই কামটো ২০১৪ চনৰেই আৰু যিহেতু আমি এতিয়া তৎপৰতাৰে কামটো কৰিছো আমি আশা ৰাখিছো ২০২০ চনৰ মাৰ্চ মাহৰ ভিতৰত আমি কামটো সম্পূৰ্ণ কৰিম। এইক্ষেত্ৰত আপোনালোকে চোৱাচিতা তথা সহায় সহযোগ কৰক। কিবা অভিযোগ থাকিলে আপোনালোকে শক্তি বিভাগক দিব আৰু সেই অভিযোগ মতে আমি কাম কৰিম। সেয়ে আপোনালোকক আশ্বস্ত কৰিছো যে আপোনালোকে যেনেদৰে বিচাৰিছে আমি তেনেকৈ কামটো সম্পূৰ্ণ হোৱাটো বিচাৰিছো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু মোৰ ঘৰ সুভাষ নগৰতেই অৱস্থিত সেয়ে মই নিতৌ এই চাবষ্টেচনটোৰ কাষেৰেই অহা যোৱা কৰিব লগা হয়। সেয়ে এই চাবষ্টেচনটোৰ ওপৰত মই বেছি গুৰুত্ব দিওঁ। এইক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো

কিন্তু মাৰ্চলৈকে যিহেতু সময় দিছে মই ক'ব বিচাৰিছো যে যোৰাকালি আমাৰ ৯ ঘণ্টা কাৰেণ্ট নাছিলে। গতিকে এপ্ৰিলত যদি ৩০ ডিগ্ৰী লাইনটো নহয়গৈ আমাৰ বিভীষিকাময় পৰিস্থিতিৰ সৃষ্টি হ'ব। কৰিমগঞ্জৰ ৰাইজ থাকিব নোৱাৰিব। সেয়ে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে ন'ডেল অফিচাৰ তালৈকে পঠিয়াই দিয়ক যাতে মাৰ্চ মাহত ৩০ ডিগ্ৰী লাইনটো আমি পাওঁ। তাৰবাবে বিধায়ক হিচাবে যি সহায় লাগে সেই সহায় কৰিবলৈ সাজু আছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু এতিয়া বাজেট চেচন চলি আছে গতিকে সকলো বিষয়া, কৰ্মচাৰী ব্যস্ত থাকিব সেয়ে মই আজিয়েই ন'ডেল অফিচাৰক কৈ দিম যাতে বাজেট শেষ হোৱাৰ লগে লগে এই ঠাই পৰিভ্ৰমণ কৰিব আৰু আপোনালোকৰ সহায়-সহযোগ আগবঢ়াব।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ২। শ্ৰী দেবব্ৰত শইকীয়া।

**শ্ৰী দেবব্ৰত শইকীয়া ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, 'অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলী' ৰ ৫৪ নম্বৰ নিয়মৰ অধীনত ২০২০ চনৰ ২২ ফেব্ৰুৱাৰী তাৰিখে 'দৈনিক অসম' কাকতত প্ৰকাশিত "যোৰহাট চিকিৎসা মহাবিদ্যালয় পৰিদৰ্শন ৰাজ্যপাল জগদীশ মুখীৰ" এই বাতৰিটোৰ প্ৰতি মই অসমৰ মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, অসমীয়াত এটা কথা আছে যে 'দেহা থাকিলেহে বেহা' অৰ্থাৎ 'Health is not everything, but every thing else is nothing without health" এই কাৰণে আমি সকলোৱে কেনেকৈ নিৰোগী হৈ থাকিব পাৰো সেই ক্ষেত্ৰত গুৰুত্ব দিব লাগিব আৰু বিভিন্ন কাৰণবশতঃ মানুহে চিকিৎসালয়লৈ আহিব লগীয়া হয় আৰু যদি এই চিকিৎসালয়ত উন্নত চিকিৎসাৰ সুবিধা নাথাকে তেনেহ'লে তেওঁলোকে আৰোগ্য হ'ব পৰাকৈ চিকিৎসা বিচাৰি বিভিন্ন চিকিৎসালয়লৈ গৈ সৰ্বস্বান্ত হ'ব লগীয়া হয়। সেইকাৰণে আমাৰ যি ব্যৱস্থা সেই ব্যৱস্থাত প্ৰথমতে ৰোগ নিৰ্ণয় হোৱাটো জৰুৰী আৰু পিছত নিৰাময়ৰ ব্যৱস্থা কৰাটো দৰকাৰ। এইক্ষেত্ৰত মই চৰকাৰক ধন্যবাদ জনাওঁ যে প্ৰধানমন্ত্ৰীৰ ঘোষণা অনুসৰি প্ৰতিখন জিলাতে এখনকৈ হস্পিতাল কৰাৰ দিশত আমি আগবাঢ়িছো আৰু এই হস্পিতালখিনি হ'লেই অকল নহ'ব তাত কৰ্ম কৰিবলৈ চিকিৎসক, নাৰ্চ আৰু অন্যান্য কৰ্মচাৰী আদিৰ ব্যৱস্থা হ'ব লাগিব। আমি অসমৰ যোৰহাট জিলাৰ যিখন চিকিৎসা মহাবিদ্যালয়ৰ কথা কৈছো এই চিকিৎসালয় খনলৈ ওচৰৰ নাগালেণ্ড আৰু অৰুণাচল প্ৰদেশৰ ৰোগী আহে। যিহেতু সেই ৰাজ্য কেইখনত নিজা চিকিৎসালয় নাই। ঠিক একেই অৱস্থা ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়খনৰো। মই যোৰহাট চিকিৎসা মহাবিদ্যালয়খনৰ কথা উল্লেখ কৰিছো গতিকে এই চিকিৎসা মহাবিদ্যালয়খনৰ কথাই কম। ইয়াত যিমান পৰিমাণৰ পৰ্য্যাপ্ত চিকিৎসক আৰু অন্যান্য সা-সুবিধা থাকিব লাগে সেইখিনিৰো অভাৱ হৈ আছে। এই কথাটো ৰাজ্যপাল ডাঙৰীয়াই নিজে উপলব্ধি কৰিছে। যিখিনি কথা বাতৰিটোত ওলাইছিল যে নিউৰ' চাৰ্জন আছে নিউৰ'লজিষ্ট নাই বা কাৰ্ডিঅ'চাৰ্জন আছে কাৰ্ডিঅ'লজিষ্ট নাই। যোৱা বছৰ বিধান সভা চলি থকা সময়ত কেইবা গৰাকী শিশুৰ তাত মৃত্যু হৈছিল। তেতিয়া অসম বিধান সভাত মন্ত্ৰী মহোদয়ে বিবৃতি দিছিল, আই চি ইউ ৰ ব্যৱস্থা বেছি কৰিব লগীয়া হৈছিল আৰু ঠিক তেনেদৰে যোৰহাট চিকিৎসালয়তে চাৰে তিনি লাখতকৈ অধিক ৰোগীয়ে চিকিৎসা ল'বলৈ আহে। গতিকে চিকিৎসালয়ত যিমানখিনি বিচনাৰ প্ৰয়োজন সেইখিনি সম্পূৰ্ণ হোৱাৰ উপৰিও অতিৰিক্ত দিব লগীয়া হোৱা কাৰণে কেতিয়াবা মাটিয়ে বালিয়ে পৰি থাকিব লগীয়া হয়। যিসকলে ৰোগী পৰিচৰ্য্যা কৰিবলৈ আহে তেওঁলোকৰ কাৰণে ও বিশেষ ব্যৱস্থা নোহোৱা কথাটো ৰাজ্যপাল

মহোদয়ৰ পৰিদৰ্শন কালত ফুটি উঠিছিল। ঠিক তেনেদৰে গোটেই অসমতে যিমান সংখ্যক আই চি ইউ থাকিব লাগে সিমান সংখ্যক আই চি ইউ বেডৰ অভাৱ। সেইকাৰণে ব্যক্তিগত চিকিৎসালয়ত বেছিকৈ আই চি ইউ বেড থকাৰ কাৰণে বহু সময়ত অত্যাধিক ব্যয় কৰি দুখীয়া ৰোগী ও চিকিৎসাৰ বাবে প্ৰাইভেট হস্পিতাললৈ যাব লগীয়া হয়। তাৰ ফলত তেখেত সকলে মাটি-বাৰী পৰ্য্যন্ত বিক্ৰী কৰিব লগীয়া হয়। আই চি ইউ কম থকাৰ অন্যতম কাৰণটো হ'ল যে ইমান সংখ্যক আই চি ইউ হ'লেই নহ'ব চিকিৎসকৰো ব্যৱস্থা কৰিব লাগিব। WHO নিৰ্দ্দেশনা অনুসৰি এজন ডাক্তৰে কমেও ১ হাজাৰজন ৰোগী চাব লাগে কিন্তু অসমত বোধকৰো এজন ডাক্তৰৰ বোজা ১৮০০ ৰ পৰা ২০০০ লৈ। অকল মেডিকেল কলেজৰ কথাই নহয়, তাৰ্লৈ ৰেফাৰ হ'বলৈ হ'লে প্ৰাইমেৰী হেল্থ কেয়াৰখিনি ও ভাল হ'ব লাগিব। অহা ১৫ তাৰিখে মন্ত্ৰী মহোদয় মোৰ সমষ্টিলৈ যোৱাৰ কথা আছে তেতিয়া হয়তো মডেল হস্পিতালখনৰ কাম আৰু খৰতকীয়াকৈ আৰম্ভ হ'ব। আমাৰ মহকুমা চিভিল হস্পিতালখনৰ কাম ১৯৯১ চনত আৰম্ভ হৈছিল আৰু এতিয়ালৈকে তাৰ কাম সম্পূৰ্ণ হোৱা নাই। গতিকে এই গোটেই চিকিৎসা ব্যৱস্থাটো উন্নত কৰিবলৈ হ'লে গোটেই বিলাক বিভাগৰ স্পেচিয়েলিষ্ট থাকিব লাগিব কাৰণ যিখিনি মিনিমাম বিভাগ আছে সেইখিনি লৈয়ে যদি আমি কাম কৰো তেনেহ'লে যিটো প্ৰকৃত উদ্দেশ্য সেইটোত সফল হ'ব পৰা নাযাব। বিভিন্ন বিভাগত নাৰ্চ, কনিষ্ঠ পঞ্জীয়ক, সহকাৰী অধ্যাপক-অধ্যাপিকা যিমানখিনি থাকিব লাগে সিমানখিনি পৰ্য্যাপ্ত পৰিমাণে নাই। কিছুমানত এজন বা দুজন ৰেজিষ্টাৰৰ যোগেদি এই বিভাগবোৰ চলাই নিয়া হয়। ঠিক তেনেদৰে বহু বিভাগত এজনো চুপাৰ স্পেচিয়েলিষ্ট নাই। এটা সময়ত যেতিয়া এম চি আই ইন্সপেকশ্যন আহিছিলে আমি ইখনৰ পিছত সিখন চিকিৎসালয়লৈকে চিকিৎসক সকলক ট্ৰেন্সফাৰ কৰি আমি দেখুৱাব লগা হৈছিল। তদুপৰি যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ নতুনকৈ নিৰ্মান হোৱা কামখিনি বেয়া হোৱাৰ বাবে মন্ত্ৰী মহোদয়ে গৈ নিজেই complain পাইছিল আৰু তেখেতে ৰিপিয়েৰিঙ কৰাৰ বাবে কৈছিল । ইয়াত চিকিৎকসকলৰ আৱাস গৃহ সমূহ যিমান থাকিব লাগিছিল সিমান নাই । সেই গতিকে এই গোটেই খিনি কথা মই অধ্যক্ষ মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰিছো যাতে উজনী অসমৰ মানে অসমৰ আটাইতকৈ পুৰণি ডিব্ৰুগড় আসাম মেডিকেল কলেজ আৰু যোৰহাট মেডিকেল কলেজ , এই দুয়োখন যাতে আমাৰ গুৱাহাটীত থকা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ নিচিনা উন্নত সা সুবিধাযুক্ত হয় তাৰ বাবে এই খিনিকে কৈ মই অধ্যক্ষ মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

**উপাধ্যক্ষ মহোদয়ঃ** এতিয়া ৰুল-৫৪ ত ৰূপজ্যোতি কুৰ্মী আছে। আপুনি ক'ব নেকি ?

**শ্ৰীৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আগুাৰ ৰুল ৫৪ ত -"যোৰহাট চি কিৎসা মহাবিদ্যালয় পৰিদৰ্শন ত ৰাজ্যপাল জগদীশ মুখীৰ" শীৰ্ষক বাতৰিটোৰ ওপৰত আপুনি মোক ক'বলৈ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। আমি সকলোবে জানো যে, হেল্থ ইছ ৱেল্থ মানে দেহা থাকলিহে বেহা বুলি কোৱা হয়। যোৰহাট মেডিকেল কলেজ স্থাপিত হোৱাৰ পৰা মোৰ সৌভাগ্য হৈছে যে, পূৰ্ব্বৰ স্বাস্থ্য মন্ত্ৰী আৰু এতিয়া স্বাস্থ্য ম ন্ত্ৰীৰ লগত জড়িত থাকবলৈ সুবিধা পাইছো। আগতে আছিল গৰ্ভনিঙ বডি। এতিয়া নতুনকৈ নাম সলনি কৰি এক্সিকিউটিভ কাউন্সিল অৱ চোচাইটি ফৰ মেডিকেল কলেজ কৰা হ'ল। এনেধৰণৰ এখন মেডিকেল কলেজৰ সমিতিৰ সদস্য হিচাপে থকা মোৰ থকাৰ সৌভাগ্য হৈছে। আজিৰ দিনত মেডিকেল কলেজখনৰ যথেষ্ঠ পৰিৱৰ্ত্তন হৈছে আৰু নতুনত্ব আহিছে , এইয়া মই স্বীকাৰ কৰিম আৰু এইটো কাৰণে মই এই চৰকাৰখনক ধন্যবাদ জনাইছো। কিন্তু ৰাজ্যপাল ডাঙৰীয়াৰ ক্ষন্তেকৰ পৰিদৰ্শনতে এখেতে

কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় সাংবাদিকৰ আগত প্ৰকাশ কৰিছিল। এই বিষয়টো ওলাই পৰিছে যে, এতিয়াও এশ শতাংশ মেডিকেল কলেজখন হোৱাগৈ নাই। গুৰুত্বপূৰ্ণ বিভাগসমূহত সুব্যৱস্থা নথকা টোৱে বুজায় যে ক'ৰ বাত মেডিকেল কলেজখনৰ কামবোৰ অসম্পূৰ্ণ হৈ আছে। এতিয়া যদি আমি চাওঁ সৰু সুৰা বেমাৰ হ'লে- জ্বৰ ,কাহ হ'লে মেডিচিন বিভ্ৰগৰ যিকোনো ডাক্তৰে চাব পাৰে। ডাঙৰ ৰোগ হ'লে , এক্সিডেন্ট হ'লে তাত নিউৰ'চাৰ্জনৰ প্ৰয়োজন হয়। আমি সকলোৱে জানো যে ষ্ট্ৰ'ক হ'লে কাৰ্ডিওলজিষ্টৰ প্ৰয়োজন হয়। কিন্তু এনেকুৱা বিশেষজ্ঞ চিকিৎসক নহ'লে ৰোগী গৰাকীৰ মৃত্যু হ'ব পাৰে। তাত এখন কমিটি আছে। কেইদিনমান আগতে তাৰে এখন সভা হৈ গ'ল। মাননীয় অধ্যক্ষ হিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়া সেই কমিটিখনৰ সভাপতি। মইও তাত সদস্য হিচাপে আছো। আলোচনাত আমি প্ৰশ্ন উত্থাপন কৰিছিলো যে আমাৰ সমিতিৰ দায়িত্ব কি হ'ব? আমি কেনেধৰণে আৰু কি কি কাম কৰিব লাগিব? তেতিয়া আমি যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষক সুধিছিলো যে যোৱাবাৰৰ প্ৰচিডিঙ চৰকাৰলৈ পঠিয়াইছেনে? তেতিয়া আমাৰ প্ৰিঞ্চিপাল মহোদয়ে জনালে যে দিয়া হ'ল। কিন্তু বহু মাহ হৈ যোৱাৰ পিচতো চৰকাৰৰ ফালৰ পৰা কোনো উত্তৰ অহা নাই। আজি যিসকল বিভাগীয় বিষয়া গুৱাহাটীত বহি আছে- প্ৰধান সচিব, সচিব, ডি এম ই ইত্যাদি বিষয়াসকলৰ কি দায়িত্ব নাজানো নে এই বিষয়াসকলে গুৰুত্বসহকাৰে লোৱা নাই নেকি? গতিকে এই বিষয়ে মন্ত্ৰী মহোদয়ক চকু দিবলৈ অনুৰোধ জনালো। কিছুমান অভাব আছে সেইখিনি মন্ত্ৰী মহোদয়ৰ জ্ঞাতাৰ্থে জনাইছো। আমাৰ যোৰহাট মেডিকেল কলেজখনৰ পি জি হোষ্টেলৰ কাৰণে বহু অসুবিধা হৈ আছে। এম বি বি এচ হোষ্টেলৰ কাৰণেও বহুত অসুবিধা হৈ আছে। কেইদিনমান আগতে স্বাস্থ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা দেৱে কৈছিল যে, আমি মেডিকেল কলেজৰ চিকিৎসকসকলক এইমছৰ দৰে দৰমহা দিবলৈ গৈ আছো। এইবোৰ ভাল কথা। এইখিনিতে জনাব বিচাৰিছো আমাৰ যোৰহাট মেডিকেল কলেজত এক্সপানশ্যনৰ বাবে চৌহদত মাটি আছে। ষ্টুডেন্টৰ সংখ্যা বঢ়ালে আমি অধিক চিকিৎসক পাব পাৰো। নতুন নতুন মেডিকেল কলেজ দিয়া হৈছে। এইটো নিশ্চয় ভাল হৈছে। কিন্তু চৰকাৰে যদি ইতিমধ্যে থকাবোৰ ভালকৈ ৰক্ষণা বেক্ষণ নকৰে বা ব্যৱহাৰ নকৰে নিশ্চয় ত্ৰুটি কৰা যেন অনুভৱ হ'ব। আমাৰ যোৰহাট মেডিকেল কলেজত গ্ৰেড- থ্ৰি আৰু গ্ৰেড- ফোৰ কৰ্মচাৰীৰ নাটনি। আজি কেইদিন মান আগতে ৰেডিওলজিষ্ট এজন চাকৰিৰ পৰা ৰিজাইন দিলে। সেই পোষ্টটো ভেকেন্ট হৈ আছে। লগতে কনট্ৰেকচুৱেল এমপ্লয়'ই প্ৰায় ১৫০ জন মান আছে। তেওঁলোকক নিয়মীয়া কৰিব লাগে। আজি দুই বছৰ ধৰি কোনো নতুন নিযুক্তি হোৱা নাই। বহুত পোষ্ট ভেকেন্ট হৈ আছে। 3rd Grade- 4th Grade ৰ ব্যৱস্থা ল'ব লাগে। এমপ্লয়'ইসকলৰ কোৱাৰ্টাৰৰ ব্যৱস্থা পূৰণ কৰিব লাগে। লগতে এমপ্লয়'ইসকলৰ বাছৰ ব্যৱস্থা কৰিব লাগে। কেইদিনমান আগতে মাজুলীলৈ ভ্ৰমণ কৰিবলৈ গৈছিলো তাত বিদেশী পৰ্য্যটক লগ পাইছো। এটা খবৰে বাতৰিৰ শিৰোনাম দখল কৰিছিল। য'ত গোটেই পৃথিৱীতে আমি লাজত পৰিব লগা হৈছিল কাৰণ আমাৰ যোৰহাট মেডিকেল কলেজৰ মৰ্গত কোল্ড ষ্ট'ৰেজ নাই। আৰু এটা কথা হ'ল আমাৰ যোৰহাট মেডিকেল কলেজৰ চিকিউৰিটিৰ মানুহবিলাকক দৰমহা ৰোগীসকলৰ টিকটৰ পোৱা টকাৰে দিব লগা হৈছে। দুই বছৰ ধৰি কোনো পেমেন্ট হোৱা নাই। গতিকে এই টকাখিনি দিয়াৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনালো। যিগৰাকী ব্যাক্তিয়ে মেডিকেল কলেজত খাদ্য যোগান ধৰি আছে তেখেতেও আজি টকা পোৱা নাই। ফাৰ্মাচীখনত মেডিচিন পৰ্য্যাপ্ত নহয়, গুৰুত্বপূৰ্ণ মেডিচিনৰ ফাৰ্মাচীত অভাব। লগতে মেডিকেল কলেজত চাৰ্ভিছ ৰুল নোহোৱা বাবে অসুবিধা হৈছে। কাৰো প্ৰমোশ্যন হোৱা নাই। ৰাইট মেন

ৰাইট প্লেচত নাই। উদাহৰণস্বৰূপে লেৱৰেটৰী টেকনিচিয়ান এজন অফিচত আছে আৰু ৱাৰ্ড বয় এজন কম্পিউটাৰৰ কাম কৰি আছে। হুইল চেয়াৰ, ষ্ট্ৰেচাৰ ইত্যাদিৰ অভাৱ আছে। চৌহদত কাৰ পাৰ্কিং আৰু বাইক পাৰ্কিংৰ ব্যৱস্থা কৰিব লাগে। মে আই হেল্প ইউ চেন্টাৰ আছে যদিও তাত মানুহ নাই। মানুহ দিয়াৰ ব্যৱস্থা কৰিব লাগে। দিব্যাঙ্গ ৰোগীসকলৰ বাবে সপ্তাহত এদিনহে চিকিৎসক বহে। গতিকে এইটো দুই দিন কৰিব লাগে। আমাৰ NRHMৰ বহু পোষ্ট আছে । ডি এইচ ইৰ পৰা যোৰহাট মেডিকেল কলেজত দিয়াৰ ব্যৱস্থা কৰিলে ভাল হয়। কেম্পাচৰ বাহিৰত ডাম্পিং ৰ ব্যৱস্থা কৰিব লাগে। ENT , Dermaeotologist, Neorologist, Cardeologist, Uroleogist Specialistৰ ব্যৱস্থা কৰিব লাগে। আৰু এটা কথা- প্ৰত্যেক চোচাইটীক এখন বাজেট কৰিবলৈ কোৱা হয়। সেই বাজেট প্ৰস্তুত কৰি দিয়াৰ পিছতো পৰ্য্যাপ্ত টকা আমি নাপাওঁ। গতিকে বিচৰা ধন আমাক সময়মতে দিবলৈ অনুৰোধ জনালো। যাতে যোৰহাট মেডিকেল কলেজখন আমি সঠিক ভাবে পৰিচালনা কৰিব পাৰো। ধন্যবাদ ।

**মাননীয় উপধ্যক্ষ ঃ** হ'ব, ধন্যবাদ। মন্ত্ৰী মহোদয়।

**শ্ৰীপিযুষ হাজৰিকা, মন্ত্ৰী ঃ** উপাধ্যক্ষ ডাঙৰীয়া, ৰুল ৫৪ ৰ যোগেদি সন্মানীয় বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়া আৰু বিধায়ক ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই যোৰহাট চিকিৎসা মহাবিদ্যালয় পৰিদৰ্শন ৰাজ্যপাল অধ্যাপক জগদীশ মুখীৰ সেই প্ৰসংগটো উপস্থাপন কৰিছে। দুয়োগৰাকী সন্মানীয় সদস্যই কেবাটাওঁ গুৰুত্বপূৰ্ণ পৰামৰ্শ আমাক দিছে, কি কি কৰিলে অসমৰ স্বাস্থ্য জগতখন আৰু উন্নত হ'ব সেই বিষয়ে আমাক পৰামৰ্শ দিছে। ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই যথেষ্ট কেইটামান কথা কৈছে, যথেষ্ট নহয় প্ৰায় গোটেইখিনি কথায়ে কৈছে কি কি কৰিলে যোৰহাট চিকিৎসা মহাবিদ্যালয় খন আৰু উন্নত হ'ব, এইবিষয়ে আমি নিশ্চয়কৈ সজাগ হ'ব লাগিব আৰু এই বিষয়ে আমি কাম কৰিব লাগিব। উপাধ্যক্ষ মহোদয়, ২০০৯ চনত যোৰহাট চিকিৎসা মহাবিদ্যালয়খন আৰম্ভ কৰা হৈছিল, আজিৰ পৰা দহ বছৰ আগতে। মই অস্বীকাৰ নকৰো যে আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ সমপৰ্য্যায়ৰ হ'বলৈ বা অসম চিকিৎসা মহাবিদ্যালয় সমপৰ্য্যায়ৰ হ'বলৈ আৰু আমাক কিছু সময় লাগিব বা আৰু আমি কিছু কাম কৰিব লাগিব। মই আজিৰ পৰা তিনি দিনমান আগতে এই পবিত্ৰ বিধান সভাতে কৈছিলো, আজি আমাৰ দেৱব্ৰত শইকীয়া ডাঙৰীয়াও কৈছে যে WH ৰ ষ্টেণ্ডাৰ্দত আমাৰ ডাক্তৰ available হয়নে নহয় সেই বিষয়ে তেখেতে উপস্থাপন কৰিছে। মই কথাটো অস্বীকাৰ নকৰো। উপাধ্যক্ষ মহোদয়, এই মুহূৰ্তত অসমত চিকিৎসা মহাবিদ্যালয় আছে ৬ খন। দেশ খন স্বাধীন হোৱাৰ ৭০ বছৰ হ'ল এতিয়া ৬ খন চিকিৎসা মহাবিদ্যালয় আছে। মোৰ যদি ভুল হোৱা নাই ২০০৬ চনলৈকে আমাৰ মাত্ৰ ৩ খন চিকিৎসা মহাবিদ্যালয় আছিল। ২০০৬ ৰ পৰা ২০১১-১২ লৈকে ৩ খন চিকিৎসা মহাবিদ্যালয় স্থাপন হ'ল। আজি এইটো যদি মোক কোনোবাই কয় বা স্বাস্থ্য বিভাগৰ কেবিনেট মন্ত্ৰী ডাঙৰীয়াক কোনোবাই কয় যে আমাৰ available ডাক্তৰ লাগে, available ডাক্তৰ উপাধ্যক্ষ মহোদয় ৰাতিটোৰ ভিতৰতে উৎপাদন নহয়। তাৰ কাৰণে এটা প্ৰক্ৰিয়া লাগিব। তাৰ কাৰণে ব্যৱস্থা লব লাগিব আৰু তাৰ কাৰণে কাম কৰিব লাগিব। এই মুহূৰ্তত অসমত ৬ খনৰ পৰা ৭ খন চিকিৎসা মহাবিদ্যালয় হৈছে, ডিফুত ইতিমধ্যে আৰম্ভ কৰিছো। আৰু আমি অন্য ৭ খন চিকিৎসা মহাবিদ্যালয়ৰ কাম Including AIIMS পূৰ্ণ গতিত আমি চলাই ৰাখিছো। যদি সকলো ঠিকেই থাকে থাকে অহাবছৰ আমি লক্ষিমপুৰ আৰু নগাওঁ চিকিৎসা মহাবিদ্যালয় আৰম্ভ কৰিম। এই সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ চৰকাৰ খনে যোৱা ৪ টা বছৰত, ৪ টা বছৰ সম্পূৰ্ণ হোৱাই নাই, ৮ খন চিকিৎসা

মহাবিদ্যালয়ৰ কাম পূর্ণ গতিত তৰান্বিত ভাৱে চলাই লৈ গৈছে। কোনোবা এজন ব্যক্তিয়ে বা কোনোবা এজন সদস্যই প্ৰশ্ন কৰিব পাৰে যে আমাৰ দিনত হৈছিল। কেইদিনমান আগত মই যেতিয়া উত্তৰ দি আছিলো ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া তেখেতে কলে যে প্ৰকৃত প্ৰতিচ্ছবিটো কি আছিল যে ২০১২ চনৰ তেতিয়াৰ তদানিন্তন কেন্দ্ৰীয় মন্ত্ৰী গোলাম নবি আজাদ ডাঙৰীয়াই কৈছিলে যে ধুবুৰী আৰু নগাঁৱত আৰু লক্ষিমপুৰত চিকিৎসা মহাবিদ্যালয় স্থাপন কৰিব লাগে। ২০১৪-১৫ চনত আধাৰশিলা হ'ল মাননীয় উপাধ্যক্ষ মহোদয়, দুখৰে কৈছো এই চিকিৎসা মহাবিদ্যালয় কেইখনৰ কাৰণে তেতিয়া চৰকাৰে কোনো ধৰণৰ বাজেটত টকা নিদিলে আৰু কাম আৰম্ভই নহ'ল। এই চিকিৎসা মহাবিদ্যালয় কেইখনৰ কাম কেতিয়া আৰম্ভ হ'ল যেতিয়া সৰ্বানন্দ সোনোৱাল ডাঙৰীয়া অসমৰ মুখ্যমন্ত্ৰী হ'ল তেতিয়া এই চিকিৎসা মহাবিদ্যালয় কেইখনৰ কাৰণে পুঁজিৰ আৱন্টন দিয়া হ'ল আৰু পূর্ণ গতিত এই চিকিৎসা মহাবিদ্যালয় কেইখনৰ কাম চলি আছে। গতিকে মই আকৌ কৈছো যে ভুকুটেতো কল নপকে। Rome was not built in a day. এদিনতেটো আমি সকলো কাম কৰিব নোৱাৰো। এই মূহুৰ্তত অসমত আমি ডাক্তৰ ৯০০ জন উলিয়াব কৰিব পাৰো। তাৰে ১৫ শতাংশ অল ইণ্ডিয়া কোটাত, তেওঁলোকে এক বছৰ গাঁৱত প্ৰেকটিচ কৰিব লাগিব, কিন্তু তেখেত সকল নিজৰ নিজৰ ঠাইলৈ হয়তো গুচি যায়। আমি ৭৬৫ জন অসমে পাওঁ। তাৰে ৪০ বা ৪৫ শতাংশ ডাক্তৰে আমাৰ অসম চৰকাৰত যোগদান নকৰে। আমি বাধ্য কৰিব নোৱাৰো। গতিকে তেওঁলোক কোনোৱা নাৰ্চিং হোমত যায়, কোনোবাই বাহিৰত যায় আৰু কোনোবাই বাহিৰত পঢ়িবলৈ গুচি যায়। আমাৰ পি জি ৰ কাৰণে এই মুহূৰ্তত অসমত আছে ৬৫৫ টা আসন। তাকো যোৱা বছৰৰ পৰা আমি ৮৪ টা পালো বৰপেটা আৰু যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ পৰা পালো। গতিকে আগতে আৰু কমি আছিল। আমাক কিন্তু স্পেচিয়েলিষ্ট আৰু লাগে। আমাৰ এম বি বি এচ ডাক্তৰৰ সংখ্যা একেইবাৰে কম নহয়, প্ৰায় ৪০০০ ডাক্তৰ আমাৰ অসম চৰকাৰৰ অধীনত আছে। অসম চৰকাৰৰ ডি এইচ এচ আৰু এন এইচ এম ৰ অধীনত প্ৰায় ৪০০০ ডাক্তৰ আছে। কিন্তু আমাৰ স্পেচিয়েলিষ্টৰ সংখ্যা কম মই অস্বীকাৰ নকৰো। কিন্তু মই আকৌ কৈছো এইটো এই চাৰি বছৰত কৰিব পৰা কাম নহয়। এইটো ৭০ বছৰৰ পৰিক্ৰমাৰে কৰিব পৰা এটা কাম চাৰি বছৰত সম্পূৰ্ণ কৰিব নোৱাৰি এই পবিত্ৰ সদনক মই জনাবলৈ পাই দুখিত। কিন্তু মই আকৌ কৈছো যে আমি কৰিবলৈ চেষ্টা কৰিছো। এই ৮ খন চিকিৎসা মহাবিদ্যালয় যেতিয়া আমাৰ হ'ব ২২০০/২৩০০ ডাক্তৰ হ'ব আৰু আমাৰ পি জি ৰ ষ্টুডেন্টৰ সংখ্যাও বাঢ়িব, আমাৰ চুপাৰ স্পেচিয়েলিটিৰ সংখ্যাও বাঢ়িব আমাৰ নিশ্চয়কৈ অহা ৬টা, ৭টা বছৰত অসমৰ স্বাস্থ্য খণ্ডলৈকে ব্যাপক পৰিবৰ্তন, বৈপ্লবিক পৰিবৰ্তন আহিব বুলি মই উপলব্ধি কৰো। অধ্যক্ষ মহোদয়, নলবাৰীও আছে, তিনিচুকীয়াও আছে আৰু তিনিখন নতুনকৈ আৰম্ভ হ'ব, ইতিমধ্যে আপোনালোকে জানিব পাৰিছে যে সোণাৰিত এখন নতুন চিকিৎসা মহাবিদ্যালয় আৰম্ভ হয়, বিশ্বনাথ চাৰিআলীত এখন নতুন চিকিৎসা মহাবিদ্যালয় আৰম্ভ হ'ব আৰু এখন গোৱালপাৰাত চিকিৎসা মহাবিদ্যালয় আৰম্ভ হ'ব। গতিকে আমাৰ চিকিৎসা মহাবিদ্যালয় ৰ সংখ্যা ১৭ খন হ'বলৈ গৈ আছে। আমাৰ চৰকাৰৰ উদ্দেশ্য কি প্ৰত্যেকখন জিলাত এখন যাতে চিকিৎসা মহাবিদ্যালয় হয়। মাজতে কোনোবাই এদিন কলে যে চিকিৎসা মহাবিদ্যালয় বনাই আছে।

**মাননীয় অধ্যক্ষ ঃ** সময় কম আছে।

**শ্ৰীপিযুষ হাজৰিকা, মন্ত্ৰী ঃ** চিকিৎসা মহাবিদ্যালয় বনাই আছে, আন্তগাঁথনিৰ অভাৱ, মই কৈছো আন্তগাঁথনি উন্নত কৰিব লাগে। কিন্তু চিকিৎসা মহাবিদ্যালয় বনোৱা এইটোৱে কথা, ডাক্তৰ

যেতিয়ালৈকে পৰ্য্যাপ্ত নহ'ব আমি হস্পিটাল বনাই লাভ নাই। গতিকে ডাক্তৰ পৰ্য্যাপ্ত কৰিবলৈ আমাক কি লাগিব চিকিৎসা মহাবিদ্যালয় লাগিব। আজি ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই মৰাণৰ কথা কৈছে We have seven air conditioned cabins in Jorhat Medical College. But, very unfortunatelly সেইদিনাখন কি আছিল আমাৰ যান্ত্রিক বিজুতীৰ কাৰণে বেয়া আছিল, আমিও দুখিত। কিন্তু ইতিমধ্যে আমি নতুন কেবিনেটৰ কাৰণে অৰ্ডাৰ কৰিছো। ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই কৈছে তাতে contractual employee ৰ কথা, contractual employee ৰ কথা আমি নকৰো তাত Management Committee বা ই চি য়ে কৰে তেখেতলোকে নিযুক্তি দিয়ে, তেখেত সকলে তাৰ পৰা যি কালেক্চন হয় তেনেকৈ দিয়ে। গতিকে

অধ্যক্ষ মহোদয়, আমি যিমানখিনি পাৰো কৰিবলৈ চেষ্টা কৰিছো আৰু কৰিম। আজি যোৰহাট চিকিৎসা মহাবিদ্যালয়ত কাৰ্ডিঅ' চাৰ্জন আৰু নিউৰ'লজিষ্ট নাই। কাৰণ এই মুহূৰ্তত মাত্ৰ ১৮ জন চুপাৰ স্পেচিয়েলিষ্ট আছে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত। গতিকে প্ৰত্যেক সময়ত কাৰ্ডিঅ' চাৰ্জন আৰু নিউৰ'লজিষ্ট প্ৰত্যেক চিকিৎসা মহাবিদ্যালয়ত বা মেডিকেলত ৰাখিব পৰা নাই। কিন্তু যোৰহাট চিকিৎসা মহাবিদ্যালয়ত ডাঃ অলোক মালাকাৰ বুলি কাৰ্ডিঅ'লজিষ্ট আছে আৰু ডাঃ অমৃত শইকীয়া, সত্যজিৎ ৰাভা বুলি নিউৰো চাৰ্জন আছে। গতিকে তেখেত সকলে আমাৰ ৰোগী সকলক সেৱা আগবঢ়াই আছে। অধ্যক্ষ ডাঙৰীয়া মই ব্যক্তিগত কথা বেছি নকও ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়া মোৰ বন্ধু, তেখেতৰ এটাই সমস্যা তেখেতে ভালটো দেখোতে অলপ কষ্টৰে দেখে। ২০১১ চনৰ পৰা একেলগে বিধায়ক আছিলো, চৰকাৰতে আছিলো, চৰকাৰত থাকোতেও তেখেতে ওলোটা দেখে আৰু এতিয়া বিৰোধীত আছে, বিৰোধীত থাকিলেটো ওলোটা দেখে। গতিকে তেখেতক মই অনুৰোধ কৰিছো যে ভালো কেতিয়াবা দেখক দুটা ভাল কথা কওঁক আৰু উৎসাহৰে কাম কৰিম, দুগুন উৎসাহৰে কাম কৰিম বুলি প্ৰতিশ্ৰুতি দি মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মই ৫ মিনিট মান সময় বঢ়াম, বেছি নবঢ়াও এটাৰ পিছত শেষ কৰিম। কালি মন্ত্ৰীয়ে উত্তৰ দিলে, মই দুৰ্ভাগ্যবশতঃ অকমান বেলেগ এটা কামৰ বাবে বাহিৰলৈ যাব লগা হ'ল, যোৰহাট চিকিৎসা মহাবিদ্যালয়ত মোকে আপোনালোকে দায়িত্ব দি থৈছে। কিন্তু এটা ঠিক যে মেনেজমেন্ট কমিটিৰ ৰুল বিলাক আমি কি কৰিব পাৰো, কি কৰিব নোৱাৰো সেইখিনি কৰি দিলে ভাল। আগৰ যিখিনি কেজুৱেল মানুহ যে আছিল বুলি কৈছে সেইবোৰ পূৰ্বতে হয়তো হোৱাৰ সময়তে দিছিল কিন্তু তাৰ পিছত তেনেকুৱা ধৰণৰ হোৱা নাই। কিন্তু আমি কমিটিখনে কিমানলৈ কাম কৰিব পাৰো, কাৰণ তাত বহুত কথাত কি হয় আমি নজনাকেও বহুত কথা হয়, মই তাৰ কাৰণে কাকো দোষাৰূপ কৰা নাই। কিন্তু এটা ৰুলচ খিনি আমাক ফেম কৰি দিলে ভাল যে এই কমিটিখনে এইখিনি কাম কৰিব পাৰে। ইয়াৰ পিছত আমাৰ শেষৰটোলৈ গৈছো বিমল বৰা, আপোনাৰ বিষয়টো চমুকৈ কব, আজি উপায় নাই নহয়, পিছবেলা আকৌ ২ বজাত বহিব লাগিব।

**শ্ৰী বিমল বৰা, বিধায়কঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিময় অনুসৰি মই অসমৰ এটা গুৰুত্বপুৰ্ণ বিষয় বিধান সভাৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে অসমৰ অৰ্থনীতিত বিশেষ ভাবে অৰিহণা যোগাই অহাৰ লগতে নিবনুৱা সমস্যাৰ ব্যাপক এটা অংশ সমাধান কৰি অসমৰ সমাজ জীৱনত এটা গুৰুত্বপুৰ্ণ সমস্যা সমাধান কৰাত বিশেষভাবে উদ্যোগ গ্ৰহণ কৰি অহা ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ বিভিন্ন সমস্যা তেখেত সকলৰ আছে। উজনি অসমৰ গ্ৰাম্য অৰ্থনীতিৰ লগতে সামগ্ৰিক অসমৰ অৰ্থনীতিত প্ৰভাৱ

বিস্তাৰ কৰি অহা ক্ষুদ্ৰ চাহ খেতিয়ে নিবনুৱা সমস্যাৰে জৰ্জৰিত ৰাজ্য খনৰ এই গুৰুত্বপুৰ্ণ সমস্যাটোক কিছু পৰিমানে সুস্থিৰ কৰি অহাত বিশেষভাবে অৰিহনা যোগাই আহিছে । আমাৰ চৰকাৰে বিভিন্ন সময়ত ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ বিভিন্ন সমস্যা খুব আন্তৰিকতাৰে সমাধান কৰিবৰ বাবে যি উদ্যোগ গ্ৰহণ কৰি আহিছে তাৰ বিপৰীতে কেতিয়াব এনে কিছু কথা লক্ষ্য কৰো যে কেচাপাতৰ যি মূল্য সেই মূল্য সুস্থিৰ কৰি ৰখাত চৰকাৰে সময়ে সময়ে বা প্ৰশাসনে যেনে ধৰণৰ উদ্যোগ গ্ৰহণ কৰিব লাগিছিল, হয়তো সেই উদ্যোগ শিথিল হোৱা পৰিপ্ৰেক্ষিতত ক্ষুদ্ৰ চাহ খেতিয়ক সকলে সময়ে সময়ে কেচা পাতৰ যি মূল্য সেই উচিত মূল্য লাভ কৰাৰ পৰা বঞ্চিত হ'বলগীয়া হয় । মাননীয় অধ্যক্ষ মহোদয়, সমগ্ৰ অসমত প্ৰায় ১ লাখ ১৮ হাজাৰ ক্ষুদ্ৰ চাহ খেতিয়কে এই খেতিৰ জৰিয়তে স্বাৱলম্বী হ'বৰ কাৰণে দীৰ্ঘ দিন ধৰি এই খেতিত মনোনিবেষ কৰি আহিছে। সেই ১ লাখ ১৮ হাজাৰ ক্ষুদ্ৰ চাহ খেতিয়কৰ প্ৰায় ৫.৫০ বিঘা মাটিত খেতি কৰে আৰু ২০১৪ চনত এই খেতিৰ জৰিয়তে ৮২ কোটিতকৈ অধিক কেচা চাহপাত তেওঁলোকে উৎপাদন কৰিবলৈ সক্ষম হৈছিলে। অধ্যক্ষ মহোদয়, এই ক্ষুদ্ৰ চাহ খেতিয়কৰ জৰিয়তে এই যি ১ লাখ ১৮ হাজাৰ লোক প্ৰত্যক্ষ ভাবে সম্পৰ্কীত হৈ আহিছে, পৰোক্ষ ভাবে প্ৰায় শ্ৰমিক ৰূপে বা অন্যান্যই এই গোটেই খেতিটোৰ লগত জড়িত হৈ প্ৰায় ৩ লাখতকৈ অধিক লোক নিজৰ জীৱন নিৰ্বাহ কৰিবৰ কাৰণে সক্ষম হৈছে । অসমৰ যি চাহ উৎপাদন হয়, ৩০ শতাংশতকৈ অধিক চাহ আমাৰ এই ক্ষুদ্ৰ চাহ খেতিয়কৰ জৰিয়তে ক্ষুদ্ৰ চাহ খেতিৰ উৎপাদনৰ জৰিয়তে আমি অসমৰ লগতে ভাৰতবৰ্ষৰ অৰ্থনীতিত সংযোজন ঘটাব আমি সক্ষম হৈছো । মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ সমস্যা সমাধান কৰিবৰ কাৰণে তেখেত সকলৰ যি মাটি, সেই মাটিৰ পট্টা প্ৰদান কৰিবৰ কাৰণে বিশেষ উদ্যোগ গ্ৰহণ কৰিছে মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ চৰকাৰৰ লগতে মাননীয় উদ্যোগ মন্ত্ৰীকো মই ধন্যবাদ জনাইছো । আৰু অসমৰ ক্ষুদ্ৰ চাহ খেতিয়ক সকলে চৰকাৰে গ্ৰহণ কৰা এই উদ্যোগ সমূহৰ জৰিয়তে তেখেত সকলৰ দীৰ্ঘদিনৰ যি মাটিৰ সমস্যা আছিল, ভূমিৰ যি অধিকাৰৰ পৰা তেওঁলোকে বঞ্চিত হৈ আছিল আজি তেখেত সকলে সেই ভূমিৰ অধিকাৰ পাবৰ কাৰণে সক্ষম হৈছে। গতিকে মাটিৰ পট্টাৰ এই বিষয়টো আৰু শক্তিশালীভাবে আগুৱাই লৈ যাবৰ কাৰণে মই অসম চৰকাৰ ৰাজহ বি ভাগকো দৃষ্টিআকৰ্ষণ কৰিব বিচাৰিছো। ৰাজহ বিভাগৰ মন্ত্ৰী হিচাপে বিশেষভাবে ক্ষুদ্ৰ চাহ খেতি অধ্যুষিত অঞ্চলৰ পৰা প্ৰতিনিধিত্ব কৰা যোগেন মোহন ডাঙৰীয়াই আজি এই দায়িত্ব লৈছে গতিকে তেখেতকো মই আজি এই পবিত্ৰ বিধান সভাৰ মজিয়াৰ জৰিয়তে মই তেখেতক আহ্বান জনাইছো । মাননীয় উদ্যোগ মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে প্ৰায় বছৰেকত দুবাৰ কেচা পাতৰ মূল্য অৱনমিত হয় । এতিয়া নতুনকৈ কেচাপাত আৰম্ভ হ'ব । মে', জুন মাহত পাতৰ যি উৎপাদন সেই উৎপাদন অধিক হোৱাৰ পৰিপ্ৰেক্ষিতত যি সকল বৃহৎ উদ্যোগ আছে সেই উদ্যোগ সমূহে নিজৰ ইচ্ছা মতে তেখেত সকলে দাম নিৰ্ধাৰণ কৰে। কাৰণ আমাৰ উৎপাদনৰ পৰিমান বৃদ্ধি হৈ যায় গতিকে ক্ষুদ্ৰ চাহ খেতিয়ক সকলে সেই যি সমূহ চুক্তি থাকে সেই কলঘৰ সমূহত পাত দিবই লাগিব । কাৰণ তেখেত সকলৰ নিজাবৰীয়া কলঘৰ নাই । গতিকে সেই চাহ ফেক্টৰী সমূহে নিজৰ ইচ্ছা মতে দাম নিৰ্ধাৰণ কৰে এই ক্ষেত্ৰত উদ্যোগ বিভাগৰ লগতে প্ৰশাসনে বিশেষ উদ্যোগ গ্ৰহণ কৰিব লাগে যাতে সেই সময় খিনি তীক্ষ্ণ নজৰত ৰাখিব লাগে যাতে ক্ষুদ্ৰ চাহ খেতিয়ক সকলে বঞ্চিত হ'বলগীয়া নহয়। তাৰ পিছত আৰু এটা সময় আহে সেই সময়ততো পূজাৰ বন্ধৰ পিছত কাৰণ পূজাত সকলো বাগান বন্ধ থাকে আৰু বন্ধ থকাৰ কাৰণে বাগিচা সমূহৰ নিজৰ যি সকল চাহ পাত আছে সেই

চাহপাতৰ উৎপাদন বাঢ়ি যায় আৰু ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰো উৎপাদন বাঢ়ি যায়। সেই সময়ত উভৈনদী হৈ পৰে কেচাপাত। গতিকে সেই সময়তো নিজৰ ইচ্ছামতে দাম নিৰ্ধাৰণ কৰে উদ্যোগ সমূহে । গতিকে এই গোটেই কথা খিনি খুব আন্তৰিকতাৰে বিশ্লেষণ কৰাৰ প্ৰয়োজন আছে । কাৰণ চৰকাৰৰ কোনো বিশেষ উদ্যোগ নোহোৱাকৈয়ে প্ৰায় অসমৰ এটা ডাঙৰ অৰ্থনীতিত অৰিহণা যোগোৱা এই যি বিপ্লৱ আৰম্ভ হ'ল, সেউজ বিপ্লৱ আৰু লগতে নিৰনুৱা সমস্যা যি সমাধানৰ দিশত এই উদ্যোগটোৱে লৈ যাব বিচাৰিছে মই ভাবো উদ্যোগ বিভাগে এই ক্ষেত্ৰত বিশেষ ভাবে দৃষ্টি দিব লাগে। গতিকে এই ক্ষেত্ৰত আগন্তুক দিনত যাতে সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ চৰকাৰে ক্ষুদ্ৰ চাহ খেতিয়কক লৈ বিশেষ ভাবে আৰু অধিক পদক্ষেপ গ্ৰহণ কৰিব পাৰে তাৰ কাৰণে মই আহ্বান জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো ।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া আমাৰ আজি সময় কম চমুকৈ বক্তব্য ৰাখিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, কেচাপাতৰ মূল্য নিৰ্ধাৰণ সম্পৰ্কত যিটা কথা কৈছে এই সম্পৰ্কত বিমল বৰা ডাঙৰীয়াই জানে যে আমাৰ চৰকাৰে ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ কাৰণে বিভিন্ন দৃষ্টান্তমূলক পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁলোকৰ ওপৰত থকা আমি কমাই দিছো, মানে শূন্যলৈকে আনিছো আৰু অন্যান্য সুবিধাৰ ক্ষেত্ৰতো তেওঁলোকক কৈ দিয়া আছে যে তেওঁলোকে SHG বা সমূহীয়াভাবে যদি কলঘৰ স্থাপন কৰে তাৰ কাৰণে তেওঁলোকৰ sub-sidy ৰ ব্যৱস্থা আছে আৰু বিভিন্ন ধৰণৰ ব্যৱস্থা আছে আৰু state policy ত ট্ৰেক্টৰ দিয়া সুবিধা আছে। গতিকে আমাৰ এইটো priority sector অসম চৰকাৰৰ আৰু মাননীয় অসম চৰকাৰৰ। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই ক্ষেত্ৰত তেওঁ সততে এই ব্যৱস্থা গ্ৰহণৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰি আছে । সেই কাৰণে অধ্যক্ষ ডাঙৰীয়া আমাৰ এই যিটো কেচাপাতৰ কথাটো আজি কৈছে ইয়াত আমাৰ কেইটা মান কথা আছে । আমাৰ এই গোটেই মূল্য নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰত আচলতে টি বৰ্ড অৱ ইণ্ডিয়া তেওঁলোকে এখন কমিটি কৰি দিয়ে । প্ৰাইচ মনিটৰিং কমিটি আৰু সেই কমিটিত ডিচি চেয়াৰমেন থাকে জিলা সমূহৰ আৰু তাৰ উপৰিও টিবৰ্ডৰ মেম্বাৰ থাকে আৰু ফেক্টৰীৰ প্ৰতিনিধি থাকে । তাত মূল্যটো এনেকৈ নিৰ্ধাৰণ হয় যে যিটো চাহপাত auction ত বিক্ৰী হয় সেই বিক্ৰী হোৱাৰ পিছত সেই মূল্যটোৰ ক্ষেত্ৰত ৬৫ শতাংশ পাব লাগিব ক্ষুদ্ৰ চাহ খেতিয়কে আৰু ৩৫ শতাংশ ফেক্টৰীয়ে পাব । এই ফৰ্মুলাটো কিছু ক্ষেত্ৰত আমাৰ কাম কৰা নাই । যোৱাবাৰ নিশ্চয় বিমল বৰা ডাঙৰীয়াৰ মনত আছে গেছৰ নাটনি হোৱাৰ পিছত আমাৰ ফেক্টৰী বিলাক চলিব পৰা নাছিলে । তেতিয়া আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজেই পদক্ষেপ লৈছে Oil India, ONGC ক কৈ আমি AGCL ৰ গেছ দি ক্ষুদ্ৰ চাহ খেতিয়ক সকলক ৰক্ষা কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে । অধ্যক্ষ ডাঙৰীয়া মই মাত্ৰ এটা কথা কওঁ আপোনাৰ জৰিয়তে বিমল বৰা ডাঙৰীয়াক কওঁ যে এই সম্পৰ্কত ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ লগত বহু খিনি আলোচনা হৈছে আৰু যোৰহাটত তেওঁলোকৰ অফিচ এটা কেন্দ্ৰীয় অফিচ কৰাৰ কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াই ১ কোটি টকাও দিছে ইতিমধ্যে আৰু তেওঁ লোকক যিখিনি পইচা পাব লাগে সেই পইচা খিনিও দিয়া হৈছে । যোৰহাটতে এই অনুষ্ঠানটো হৈছিল। অধ্যক্ষ ডাঙৰীয়া এতিয়া কথাতো হৈছে যে Auction ত আমাৰ চাহৰ দাম কমি গৈছে। এইটোৰ মুল কাৰণটো হৈছে যে আগতে আমি monopoly আছিলো। আমি 52% of the total production of the country অসমে produce কৰিছিলো। গতিকে আমি monopoly আছিলো। আজিৰ দিনত কেনিয়া,আফ্ৰিকা আৰু শ্ৰীলংকাও আহিল চাহৰ ক্ষেত্ৰত। গতিকে চাইনাটো প্ৰাইনিয়াৰেই,তেওঁলোকে

গোটেই পৃথিৱীৰে প্ৰাইঅ'নিয়াৰ। আজিৰ দিনত গোটেই market খনতে competitive হৈগৈছে। আমাৰ অসমে একমাত্ৰ পৃথিৱীৰ ভিতৰত ৰাজ্য য'ত হাত্তেৰে চাহপাত pluck কৰা হয় "এটি কলি দুটি পাত"। বাকিবিলাকত চব mechanized কৰিছে। এনেদৰে mechanized কৰিলে, ৩,৪,১০টাও পাত থাকে। সেইকাৰণে চাহৰ কোৱালিটিও বেয়া হয়। গতিকে অসমৰ চাহ, তেওলোকে ১০০ কেজি চাহৰ লগত অসমৰ চাহ মিহলাই তেওঁলোকে কোৱালিটি product কৰিছে আৰু বিক্ৰি কৰিছে। সেইকাৰণে অসম চৰকাৰ পৰা আমি commerce Ministry ৰ লগত আহি take up কৰিছো যে অসমত চাহৰ ওপৰত এটা Geographical Index লাগে। গতিকে সেইটো এতিয়া process ত আছে। যিদিনাখন সেইটো হৈ যাব সেইদিনাই অসমৰ চাহ বিশ্ব বজাৰত কিছু পৰিমানে stable হৈ যাব। অধ্যক্ষ ডাঙৰীয়া চাহৰ কোৱালিটী যদি আমি নবঢ়াও আৰু ক্ষুদ্ৰ চাহ ক্ষেতিয়কেই হওঁক বা বৃহৎ চাহ খেতিয়কেই হওঁক আজিৰ দিনত আতাইতকৈ বেয়া অৱস্থা অসমৰ চাহ উদ্যোগৰ। ইতিমধ্যে 'মেগলিন মেগাৰতে' তেওঁলোকৰ ১৫খন বাগান বিক্ৰি কৰিছে। The Assam Tea corporation ৰ গোটেই বাগিচা বিক্ৰি কৰিছে। টাটাই ও বিক্ৰি কৰিব আহিছিল কিন্তু আমি বাধা দিলো। এতিয়া অৱস্থাটো এই কাৰণে বেয়া হৈছে যে Auction market ত বা বিশ্ব বজাৰখনৰ লগত আমি compete কৰিব পৰা নাই। অধ্যক্ষ মহোদয়,আজিৰ দিনত চাহৰ ক্ষেত্ৰত জেচমিন,Green Tea , White Tea , Yellow Tea ,purple Tea & Gold Tea ইত্যাদি বিভিন্ন ধৰণৰ চাহৰ কোৱালিটি হৈছে । আজিৰ দিনত, এই কোৱালিটিৰ ক্ষেত্ৰত প্ৰতিকিলো চাহত ৮৫ টকাকৈ বিক্ৰি হৈছে। আমাৰ ইয়াত চাহত ইমান দাম নাপায়, কাৰণ কোৱালিটিৰ কথা আছে। সেইকাৰণে ক্ষুদ্ৰ বা বৃহৎ চাহ খেতিয়কেই হওঁক কোৱালিটিৰ ওপৰত গুৰুত্ব দিব লাগে। মই এটা সৰু কথা ক'ব বাচাৰিছো, আমাৰ ডুবাইত এখন টি পাৰ্ক আছে। ডুবাই খন হৈছে মৰুভুমি, তাত গছ নাই। চাহ বাগিচা ডুবাইৰ মানুহে জীৱনত দেখাই নাই। সেই টি পাৰ্কখন মই নিজেই ভিজিট কৰি দেখিছো যে আমাৰ ইয়াৰ পৰা চাহ লৈ গৈ ডুবাইত পেকেজিং কৰি চাহ প্ৰস্তুত কৰিছে। গোইটেই পৃথিৱীত তেওঁলোকে চাহ বিক্ৰি কৰি আছে। ইয়াত যদি ১০০ টকাত চাহ কিনিছে তাত তেওঁলোকে এক কিলো চাহত ২০০০ টকা লাভ কৰিবলৈ সক্ষম হৈছে।

দ্বিতীয় কথা হ'ল 'আইমা'ৰ পৰা ভাইচ চেয়াৰমেন আহিছিল, তেওঁ মোক ক'লে তেওঁ ডুবাইৰ আহমেদ কোম্পানীৰ লগত চাহৰ ব্যৱসায় কৰি আছে।অধ্যক্ষ মহোদয়, আমি লিপটনৰ নামহে শুনিছো, আহমেদ কোম্পানীৰ নাম শুনা নাই। অসমৰ চাহ তেওঁ ডুবাইৰ আহমেদ টি কোম্পানীলৈ চাপ্লাই কৰে। আহমেদ টিয়ে ইউৰোপ আৰু আমেৰিকাৰ সম্পূৰ্ণ বজাৰ দখল কৰিছে কাৰণ হ'ল কোৱালিটি, কিন্তু আমাৰেই চাহপাত। গতিকে আমি কোৱালিটিক প্ৰাধান্য দিব লাগিব, ইয়াৰ বাহিৰে কোনো ৰাস্তা নাই। ক্ষুদ্ৰ চাহ খেতিয়ক আৰু বৃহৎ চাহ খেতিয়কক আমি এই খেতিয়কক আমি অনুৰোধ কৰিম যে কোৱালিটিত আমি আগবাঢ়িব লাগিব। নহ'লে অসমৰ চাহ উদ্যোগ বাচি থাকিব নোৱাৰে। অধ্যক্ষ মহোদয়, ছয়গাওঁত আমি এখন টি পাৰ্ক আৰম্ভ কৰিছো। ডুবাইৰ টি পাৰ্কৰ লগত আমি অংশীদাৰ হ'ম যাতে ইন্টাৰনেচনেল মাৰ্কেট চেইনটো আমি পাই যাওঁ। এটিয়া আমাৰ কাম আৰম্ভ হৈছে। ছয় গাওঁত টি পাৰ্কৰ কাম ইতিমধ্যে আৰম্ভ হৈছে। ডুবাইৰ নিচিনা 'মেচিভ টি ' আমি কৰিবলৈ লৈছো। মই শেষতীয়া ভাৱে ডুবাইৰ কৃষকক চোৱাৰ বাবে, মই উদ্যোগ বিভাগৰ এ আই ডি চিৰ (এম ডি)ৰ নেতৃত্বত খুদ্ৰ চাহ খেতিয়কৰ দুজন প্ৰতিনিধি তেওঁলোকৰ তৰফৰ পৰা আৰু আমাৰ বৃহৎ চাহ গোষ্ঠীৰ পৰাও ২ জন প্ৰতিনিধিৰ এটা গ্ৰুপ ডুবাইত ট্ৰেইনিং কৰিব দিছো

যাতে তেওঁলোকে ডুবাইত গৈ কেনেকৈ ব্ৰেণ্ডিং পেকেজিং কৰি চাহক আগলৈকে লৈ যাব পাৰে। গতিকে অধ্যক্ষ মহোদয় কোৱালিটি লাগিবই।

**মাননীয় অধ্যক্ষ ঃ** I accept your suggestion. মই House Adjourn কৰাৰ আগতে চাহৰ কথা সংক্ৰান্তত মোক ৰূপজ্যোতিয়েও দিছে। কথাতো হৈছে যে It is a very important matter.কাৰণ আমাৰ economy টো অসমৰ চাহৰ লগত জড়িত। গতিকে এইটো ভাল হৈছে। মই ভাবো এই বিষয়টোৰ কাৰণে আমি কেতিয়াবা আলোচনা কৰা ভাল। ইয়াত যিহেতু সময় নহ'ব, সেই গতিকে আমি 'ষ্টেক হল্ডাৰ' সকলক লগত লৈ আমি এবাৰ আলোচনাত বহিলে কথাটো বেয়া নহয়। কাৰণ বাগান ও জীয়াই থাকিব লাগিব, বাগানৰ মানুহখিনিও জীয়াই থাকিব লাগিব আৰু উদ্যোগটো ও জীয়াই থাকিব লাগিব। উদ্যোগটো জীয়াই ৰাখিবলৈ হ'লে পাটোৱাৰী ডাঙৰীয়াই কোৱাৰ দৰে কোৱালিটি লাগিবই। এই ক্ষেত্ৰত আমি সকলোৱে চকু ৰাখিব লাগিব। মই ভাবো কেতিয়াবা এনেকুৱা এটা বিষয় আলোচনা কৰাতো আৱশ্যক হৈছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা ঃ** অধ্যক্ষ মহোদয়, আপোনাৰ নেতৃত্বত আমাৰ এটা গ্ৰুপ শ্ৰীলঙ্কা বা অষ্টেলিয়া কৰবাত গৈ অহা ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, এতিয়া সদন আবেলি ২ বজালৈ স্থগিত ৰখা হৈছে।

**(পূৰ্ব নিৰ্ধাৰিত সময়মতে আবেলি পুনৰ সদন আৰাম্ভ হয়)**

**মাননীয় অধ্যক্ষ ঃ** আমাৰ এই Special পিছ বেলাৰ অধিবেশন আৰম্ভ কৰিব বিচাৰিছো। এতিয়া **২০২০-২১** চনৰ অসম চৰকাৰৰ বাৰ্ষিক বিত্তীয় প্ৰ-বিবৰনী প্ৰাক্কলন বাজেট উত্থাপন কৰিবৰ কাৰণে মাননীয় বিত্তীয় মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক অনুৰোধ কৰিছো।

**শ্ৰীদেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এই বাজেট খন website ত ওলাছে বুলি, leak হৈছে বুলি গম পাইছো।

**মাননীয় অধ্যক্ষ ঃ** মই কথাটো অকনমান গম পাইছিলো, দুই এজন সদস্যই কৈছিলে। কিন্তু মই যিখিনি চাইছো বাজেটৰ text proposal ৰ কিবা ওলাইছে নেকি? বাজেটৰ যিকোনো কথা ওলোৱাটো ডাঙৰ কথা নহয়। আচল বাজেটৰ অংশ সেইটোৱে। বাজেটত দুটা part ত থাকে এটা general speech আৰু এটা text proposal, part 1 & part 2. মই নাজানো কোনটো ওলাইছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, বিত্ত মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, সাধাৰণতে আমি যিখিনি development ৰ কথা কওঁ, সেইখিনি বিভিন্ন বিভাগৰ পৰা হৈ থাকে। কিন্তু আজি কালি texation proposal Budget speech তো নানো। শেষত কৈ হে দিম, পিছতহে লিপিবদ্ধ হ'ব। গতিকে texation proposal যদি কোনোবাই leak হোৱা বুলি কয়, তেতিয়া বেলেগ কথা। মই নাভাৱো যে leak হোৱা বুলি। কাৰণ এই মাত্ৰ (২ মিনিট আগত) কেবিনেটে অনুমোদ দিছেহে।

**মাননীয় অধ্যক্ষ ঃ** মই এটা কথা পঢ়ি দিব বিচাৰিছো - Budget is presented with a budget speech which is infact one of the most important speeches in the Parliament. The speech has two part. Part -A contain a general economic survey of the country & Part - B the texation proposals for the ensuing financial year.

মই এই কথাটো এই কাৰণে যে পিছৰ part টো হৈছে আটাইতকৈ secracy maintain কৰিবলৈ। তেনেকুৱা কিবা থাকিলে একো নাই। নহলে মই ভাৱো যে পঢ়াত আপত্তি নাই।

ঠিক আছে, মন্ত্ৰী ডাঙৰীয়া আপুনি আৰম্ভ কৰক।

**ড° হিমন্ত বিশ্ব শৰ্মা, বিত্ত মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়,

**১**/ এই মহামান্য সদনত মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন অসম চৰকাৰৰ বিত্তমন্ত্ৰী হিচাপে থিয় হৈ আজি মই মোৰ পঞ্চম তথা অন্তিমখন বাজেট উত্থাপন কৰিবলৈ ওলাইছো। অসমৰ ৰাইজৰ মৰম আৰু আশীৰ্বাদত এই বাজেট উত্থাপনৰ যোগেদি মই ধাৰাবাহিক ভাৱে পাঁচখন বাজেট দাখিল কৰা অসমৰ বিত্তমন্ত্ৰীসকলৰ তালিকাত ঠাই পালো। ১৯৫২-৫৩ বিত্তীয় বৰ্ষৰ পৰা ১৯৫৬-৫৭ বিত্তীয় বৰ্ষলৈ শ্ৰী মতিৰাম বৰাদেৱে, ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি শ্ৰী ফকৰুদ্দিন আলী আহমেদ দেৱে বিত্তমন্ত্ৰীৰূপে ১৯৫৯-৬০ বিত্তীয় বৰ্ষৰ পৰা ১৯৬৫-৬৬ বিত্তীয় বৰ্ষলৈ আৰু শ্ৰী কামাখ্যা প্ৰসাদ ত্ৰিপাঠীদেৱে ১৯৬৭-৬৮ বিত্তীয় বৰ্ষৰ পৰা ১৯৭১-৭২ বিত্তীয় বৰ্ষলৈ ধাৰাবাহিক ভৱে পাঁচখন বা ততোধিক বাজেট এইখন সদনতে উত্থাপন কৰিছিল। যেতিয়া মুখ্যমন্ত্ৰীগৰাকীয়ে বিত্ত বিভাগৰ অতিৰিক্ত দায়িত্ব বহন কৰি বাজেট দাখিল কৰে, তেতিয়া নিশ্চয় পাঁচ বা ততোধিক কাৰ্যকালৰ বাবে বাজেট দাখিল কৰিবলগীয়া হয়। এই বিৰল আৰু অনন্য সন্মান মোৰ ক্ষেত্ৰত সম্ভৱ হ'ল মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু অসমৰ ৰাইজে মোৰ ওপৰত পোষণ কৰা আস্থাৰ বাবেহে। এইক্ষেত্ৰত সৰ্বশক্তিমান ঈশ্বৰে মোৰ প্ৰতি কৰা আশীৰ্বাদ বৰ্ষণৰ বাবে মই পৰম ধন্য হ'লো আৰু সেই ঈশ্বৰৰ প্ৰতি মোৰ প্ৰণিপাত নিবেদন কৰিলো। ১৯৩৭ চনৰ ৩ আগষ্টত মৌলবী চৈয়দ ছাৰ মহম্মদ ছাদুল্লা ডাঙৰীয়াই এই সদনত দাখিল কৰা প্ৰথমখন বাজেটৰ বাজেট বক্তৃতাৰ পৰা আৰম্ভ কৰি সকলোবোৰ বাজেট বক্তৃতা ডিজিটেল ৰূপত সংৰক্ষণ কৰাৰ এক সুবৰ্ণ সুযোগ আমি লাভ কৰিছো।

**২**/ সন্মানীয় অধ্যক্ষ মহোদয়, ২০১৬ চনৰ ২৪ মে' তাৰিখে আশা, আকাংক্ষা, বিকাশ আৰু সৰ্বজনৰ অন্তৰ্ভুক্তিৰে এক সম্ভাৱনাময় ভৱিষ্যতৰ প্ৰতিশ্ৰুতি লৈ অসমত এক নৱ প্ৰভাতৰ সূচনা হৈছিল। আজি আপোনাসবৰ সন্মুখত বিনম্ৰতাপূৰ্বক গৌৰৱেৰে ঘোষণা কৰিব খোজো যে সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰাৰ ক্ষেত্ৰত আমি সৰ্বান্তঃকৰণেৰে চেষ্টা কৰিছিলো। মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোডী ডাঙৰীয়াই আমাক সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাসৰ মন্ত্ৰী দিছিল। আমাৰ চৰকাৰৰ বিকাশ যাত্ৰাৰ মৰ্মমূলত এই মন্ত্ৰ নিহিত হৈ আছিল আৰু মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰা বিদেশীমুক্ত, দুৰ্নীতিমুক্ত, সন্ত্ৰাসবাদমুক্ত তথা প্ৰদূষণমুক্ত ধ্বনিয়ে আমাৰ প্ৰশাসন ব্যৱস্থাটোক অহৰহ পৰিচালিত কৰি আহিছিল।

**৩**/ মোৰ ২০১৯-২০ বৰ্ষৰ বাজেট ভাষণত মই এই সদনক স্মৰণ কৰাইছিলো যে আমি এক গুৰুত্বপূৰ্ণ যাত্ৰাৰ সন্ধিক্ষণত উপনীত হৈছো আৰু সেই অৱস্থাৰ পৰা উভতি চোৱাৰ কোনো অৱকাশ নাই। একেটা কথাকেই দোহাৰি মই নতুনকৈ এই কথা যোগ দিব বিচাৰিছো যে পিছলৈ উভতি নোচোৱাকৈ আমাৰ পূৰ্বৰ সেই স্থিতিত আমি এতিয়াও অধিক প্ৰত্যয়েৰে অটল হৈ আছো। আমাৰ নিয়তিক নিজৰ কৰ্মৰে অধিক মঙ্গলময় ৰূপত গঢ়ি তোলাৰ যি সুৱৰ্ণ সুযোগ পাইছো তাক আমি হেৰুৱাব নোখোজো আৰু তাকে কৰি আমি এখন সমৃদ্ধিশালী অসম গঢ়ি তুলিব খোজো, যিখন অসম হ'ব প্ৰগতিশীল তথা বিকশিত আৰু য'ত প্ৰতিগৰাকী নাগৰিক সুস্বাস্থ্য, সমৃদ্ধি আৰু সুখৰ সৰ্বোচ্চ শিখৰত অৱতীৰ্ণ হ'ব পাৰিব।

**৪**/ মহোদয়, বিকাশ নামৰ পৰিঘটনাটো নিশাটোৰ ভিতৰতে নঘটে। ই হৈছে এক শক্তিশালী ভেঁটিৰ ওপৰত এচটা এচটাকৈ ইটা গাঁথি নিৰ্মাণ কৰা এটা ঘৰৰ দৰে। সেইবাবে বিকাশ সুনিশ্চিত কৰিবৰ বাবে আমাক প্ৰথমতেই এক সবল অৰ্থনীতিৰ প্ৰয়োজন। এইখিনিতে মই এই সদনৰ ক্ষন্তেক সময় বিচাৰিছো যাতে যোৱা চাৰিটা বছৰৰ অৰ্থনৈতিক যাত্ৰাৰ এক অৱলোকন আগবঢ়াব পাৰো আৰু

আমাৰ স্বপ্নৰ ভৱিষ্যত অসমৰখনৰ এক ৰূপৰেখা দাঙি ধৰিব পাৰো।

৫/ ২০১৬ চনৰ মোৰ প্ৰথমখন বাজেটত আমাৰ চৰকাৰৰ প্ৰশাসনৰ মূল দৰ্শনৰ জুমুঠিটো- অৰ্থাৎ নীতি আৰু ৰূপৰেখাসমূহ তৈয়াৰ কৰা হৈছিল। আমাৰ সুশাসনৰ মডেলটোৰ চাৰিটা স্তম্ভ আমি চিনাক্ত কৰিছিলো —

(ক) ব্যক্তি জীৱনৰ সততা

(খ) ৰাজনৈতিক অন্তৰ্ভুক্তিকৰণ

(গ) প্ৰশাসনিক নায্যতা আৰু

(ঘ) জন অংশীদাৰিত্ব

এই মডেলটোৰ বাবে অনুপ্ৰেৰণা আহৰণ কৰা হৈছিল পণ্ডিত দীনদয়াল উপাধ্যায়ৰ একাত্ম মানৱতাৰ আদৰ্শৰ পৰা আৰু স্বামী বিবেকানন্দই আগবঢ়োৱা মানৱ সম্পদ সৃষ্টি আৰু ৰাষ্ট্ৰ নিৰ্মাণৰ তুৰ্যনিনাদৰ পৰা। আমি স্বামী বিবেকানন্দই আগবঢ়োৱা সেই বাণীক সৰোগত কৰিছিলো য'ত তেওঁ কৈছিল —

*এটা মাত্ৰ অমূৰ্ত কল্পনা হাতত লোৱা। সেই এটা মাত্ৰ স্বপ্নক তোমাৰ জীৱনত*
*পৰিণত কৰা - তাৰ বিষয়ে ভাবা, চিন্তা কৰা আৰু সেই কল্পনাত নিৰ্বাহ কৰা।*
*তোমাৰ মগজু, পেশী, স্নায়ু, দেহৰ প্ৰতিটো অঙ্গ সেই স্বপ্নৰে ভৰাই পেলোৱা*
*আৰু বাকী সকলো চিন্তা পৰিত্যাগ কৰা। এয়াই হৈছে সাফল্যৰ মূল মন্ত্ৰ।।*

৬) এই সদনৰ প্ৰতিগৰাকী সদস্যকে মই অৱগত কৰিব খোজোঁ যে ধনঞ্জয় অৰ্জুনৰ লক্ষ্য কেৱল চৰাইটোৰ চকুত স্থিৰ হৈ থকাৰ দৰে, আমাৰ লক্ষ্য নিহিত হৈ আছে অসমৰ প্ৰতিগৰাকী নাগৰিকৰ জীৱনৰ মান উন্নীতকৰণত আৰু এই কথা নিশ্চিত কৰাত যাতে তেওঁলোকৰ বৃহত্তৰ ক্ষেত্ৰখনত এখন চৰকাৰৰ উপস্থিতি আৰু তাৰ মঙ্গলময় প্ৰভাৱ নিৰন্তৰ অনুভৱ কৰি থাকিব পাৰে।

৭) মহোদয়, ভৱিষ্যতৰ এখন সমৃদ্ধ অসমৰ আধাৰশিলা নিৰ্মাণৰ বাবে নিম্ন উল্লেখিত বুনিয়াদী ব্যৱস্থা সমূহৰ ওপৰত গুৰুত্ব দিয়া হৈছে আৰু সেই সমূহেই হৈছে আমাৰ যাত্ৰাৰ প্ৰধান পাথেয়।

জবাবদিহি বিত্তীয় ব্যৱস্থাপনা,

ৰাজহুৱা আন্তঃগাথনি নিৰ্মাণত গুৰুত্ব

মহিলা, কৃষক, যুৱক আৰু বিশেষভাৱে সক্ষম লোকৰ ওপৰত বিশেষ গুগুত্ব আৰোপ কৰি বিকাশৰ উত্তৰণমুখী যাত্ৰাত সকলো নাগৰিকৰ অন্তৰ্ভুক্তিকৰণ,

স্বাস্থ্যসেৱাৰ গুৰুত্বপূৰ্ণ সূচক সমূহৰ উন্নয়নৰ বাবে সৰ্ব্বাত্মক প্ৰচেষ্টা

নগৰীয়া আৰু গ্ৰাম্য উন্নয়নৰ বাবে সংহত প্ৰচেষ্টা,

আমাৰ জনগোষ্ঠী সমূহৰ সামাজিক আৰু সাংস্কৃতিক পুনৰুত্থানৰ বাবে প্ৰচেষ্টা

বহনক্ষম উন্নয়ন লক্ষ্যৰ ৰূপৰেখাৰ মাজত ওপৰৰ ব্যৱস্থা সমূহ সমাহিতকৰণ।

৮) আমি যেতিয়া এই ৰাজ্যৰ প্ৰশাসন ব্যৱস্থা লাভ কৰিছিলোঁ, সেই অৱস্থাত ৰাজ্যখনৰ বিত্তীয় ব্যৱস্থাটো চৰকাৰী নীতিৰ অচলাৱস্থা (Policy paralysis) আৰু অগ্ৰাধিকাৰ নিৰ্বাচনৰ ব্যৰ্থতাই চানি ধৰিছিল। এই সদনৰ পবিত্ৰ মজিয়াত মই এই অৱস্থাৰ প্ৰতিফলন ঘটাই এখন শ্বেতপত্ৰ উত্থাপন কৰিছিলোঁ।

৯) একোখন ৰাজ্যৰ বিত্তীয় স্বাস্থ্যৰ প্ৰতিফলন ঘটাব পৰা এক সূচক হৈছে মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন(GSDP)। সামগ্ৰিকভাৱে বিশ্ব আৰু ৰাষ্ট্ৰীয় অৰ্থনীতিৰ মন্দাৱস্থাৰ মাজতো অসমৰ বিত্তীয় ব্যৱস্থাই কিদৰে এক সুস্থিৰ বিকাশ বৰ্তাই ৰাখিছে তাক বুজাবলৈ মই মুঠ ৰাজ্যিক ঘৰুৱা

উৎপাদনৰ তথ্য উল্লেখ কৰিব বিচাৰিছো।

| ক্ৰমিক নং | বৰ্ষ | মুঠ ৰাজিক ঘৰুৱা উৎপাদন | বৰ্তমান মূল্যত | বাৰ্ষিক বৃদ্ধি |
|---|---|---|---|---|
| ১ | ২০১৬-১৭ | | ২৫৪৪৭৮.২৫ | ১১.৬৩ % |
| ২ | ২০১৭-১৮ | | ২৮৮৪৯৩.৫৭ | ১৩.৩৭ % |
| ৩ | ২০১৮-১৯ | (মহাগাননিকৰদ্বাৰা নিৰূপিত) | ৩২৩৫৫.৩৮ | ১২.১৫ % |
| ৪ | ২০১৯-২০ | বাজেট প্ৰাক্কলন | ৩৬৩৬১১.৫৪ | ১২.৩৮ % |

১০) ওপৰৰ তালিকাখনৰ পৰা দেখা যায় মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ দৃষ্টিভঙ্গীৰে বৰ্তমান মূল্যত ২০১৬-১৭ বৰ্ষৰ ২০১৯-২০ বৰ্ষলৈ বাৰ্ষিক গড় উন্নয়নৰ হাড় ১২.৩৮% ।ধ্ৰুৱক মূল্যৰ দৃষ্টিভঙ্গীৰেও আমাৰ ৰাজ্যিক বিকাশৰ হাড় ৰাষ্ট্ৰীয় গড় মানতকৈ অধিক আৰু এয়া হৈছে এক উল্লেখনীয় প্ৰাপ্তি।

১১) মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন বৃদ্ধিৰ আঁৰত কোনবোৰ কাৰকে ক্ৰিয়া কৰিছে সেই দিশটোৰ ওপৰত ক্ষন্তেক আলোকপাত কৰি মই ক'ব খোজোঁ যে আমাৰ ৰাজ্যখনৰ অৰ্থনীতি বহু পৰিমাণে চৰকাৰী কাৰ্যসূচী, আঁচনি আৰু চৰকাৰী ব্যয়ৰ ওপৰত নিৰ্ভৰশীল।

১২) মহোদয়, এতিয়া মই বাজেটৰ আকাৰ আৰু পুঁজি ব্যৱহাৰৰ আৰ্হি বা নমুনাৰ ওপৰত আলোকপাত কৰিব খুজিছো। ২০১৬ বৰ্ষৰ পূৰ্বে বাজেট প্ৰস্তুত হোৱা নাছিল বা ৰাজহুৱা ব্যয় কৰা হোৱা নাছিল তেনে এটা ধাৰণা মই দিবলৈ নিবিচাৰো। কিন্তু বিগত চাৰি বছৰত দেখা হৈছে কিদৰে সুনিষ্চিতভাৱে বাজেট ব্যয়ৰ উদাহৰণ সমূহে কিদৰে একোটা সাফল্যৰ গাঁথা আংমাৰ মাজলৈ লৈ আহিছে। মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন বৃদ্ধিৰ যি উৰ্দ্ধমুখী ধাৰাৰ কথা মই উল্লেখ কৰিলো সেই ধাৰাই দেখুৱাইছে। কিদৰে চৰকাৰৰ বাজেট ব্যৱস্থাপনাই এক যোগাত্মক ফল দিবলৈ আৰম্ভ কৰিছে।

| Year | Budget(In crore) | Expenditure (in crore) | Percentage |
|---|---|---|---|
| 2015-16 | 74903 | 41931 | 56 |
| 2016-17 | 83017 | 57407 | 69 |
| 2017-18 | 99453 | 65436 | 66 |
| 2018-19** | 108490 | 73119 | 67 |

**provisional figures

১৩) অধ্যক্ষ মহোদয়, ওপৰত দেখওৱা তালিকাৰ পৰা এই কথা প্ৰতিয়মান যে প্ৰতিবছৰে আমাৰ চৰকাৰে ব্যয়ৰ ক্ষেত্ৰত নতুন নতুন কীৰ্তিস্তম্ভ স্থাপন কৰিছে। ২০১৬-১৭ বৰ্ষত ব্যয়ৰ সীমা ৫০ হাজাৰ কোটি টকা অতিক্ৰম, ২০১৭-১৮ বৰ্ষত ব্যয়ৰ সীমা ৬০ হাজাৰ কোটি টকা অতিক্ৰম আৰু ২০১৮-১৯ বৰ্ষত ব্যয়ৰ সীমাই ৭০ হাজাৰ কোটি টকা অতিক্ৰম কৰে (প্ৰৰম্ভিক হিচাপ অনুসৰি)। ২০১৫-১৬ বৰ্ষৰ ব্যয়ৰ হাৰৰ তুলনাত যোৱা তিনি বছৰত আমাৰ চৰকাৰৰ ৰাজহুৱা ব্যয় ৭০ % বৃদ্ধি পাইছে। তদুপৰি আমাৰ চৰকাৰৰ দিনত ব্যয়ৰ বাৰ্ষিক বৃদ্ধিৰ হাৰো দ্ৰুততাৰে বৃদ্ধি পাইছে আৰু ২০১৫-১৬ বৰ্ষৰ তুলনাত( সম আধাৰত) ২০১৬-১৭ বৰ্ষত ব্যয় বৃদ্ধিৰ হাৰ ৩৬.৯% ৰ অধিক হৈছে। ২০১৭-১৮ বৰ্ষৰ বৃহৎ আধাৰৰ তুলনাতো ২০১৮-১৯ বৰ্ষৰ ব্যয় বৃদ্ধি আমাৰ বাবে অজি উৎসাহজনৰ পৰিঘটনা।

১৪) এই সদনৰ বহুত সদস্যই বাজেটৰ পুঁজি বিষয়ে জানিবলৈ উৎসুক। সেই বিষয়ে মোৰ কোনো

সন্দেহ নাই। মুঠ বাজেটক ২০১৫-১৬ বৰ্ষৰ বাজেটৰ স্তৰলৈ নমাই ৰূপায়নৰ মাপ বৰ্ধিত ৰূপত দাঙি ধৰিব মই পাৰিলোহেতেন। ৰাজ্যৰ বিত্ত মন্ত্ৰী হিচাপে এই কাম কৰা সহজ হলেও তেনে এক অগ্ৰহনীয় পন্থা মই অৱলম্বন কৰিব নোখোজো। তেনে এক পন্থাৰে বাজেট ৰূপায়নৰ মাপ প্ৰায় ৯৫ % বুলি দেখুৱাব পৰা গলেহেতেন। কিন্তু সেয়া জানো চৰকাৰৰ কৰ্তব্য ? তেনে কৰিলে জানো আমাৰ উন্নয়নশীল অৰ্থনীতিয়ে বিকাশ লাভ কৰিব ?

১৫) মহোদয়, মোৰ সৈতে নিশ্চয় সকলোৱে একমত হ'ব যে বাজেট ৰূপায়ন এনে এক বিষয় যাক আমি সকলোৱে চকু দিয়া উচিত।বাজেট ৰূপায়ন এনে এক কছ্ৰৎ যাৰ শেষফালে একোটা গাণিতিক সংখ্যা। এক তেজস্বী উদ্যমৰ দ্বাৰা আমি ৰাজ্যিক অৰ্থনীতিৰ ক্ষেত্ৰখন বিকশাই তুলিবলৈ সক্ষম হৈছোঁ। সদনৰ সদস্য সকলে নিশ্চয় লক্ষ্য কৰিছে যে বিগত তিনি বছৰত আমাৰ মুঠ ব্যয় বৃদ্ধিৰ পৰিমাণ প্ৰায় ৩০ হাজাৰ কোটি টকা হৈছেগৈ।

১৬) ২০১৬-১৭ বৰ্ষত আমি যেতিয়া ক্ষমতালৈ আহিছিলোঁ, এইখন সদনত ২০১৬ চনৰ তিনি জুন তাৰিখে ৰাজ্যৰ বিত্তীয় পৰিস্থিতি সম্পৰ্কে এক শ্বেতপত্ৰ দাখিল কৰা হৈছিল। সদস্য সকলৰ নিশ্চয় মনত আছে যে সেই সময়ত ৰাজ্যিক কৰ্মচাৰীৰ দৰমহা দিবৰ বাবেও ৰাজ্য চৰকাৰে কেন্দ্ৰীয় অনুমোদনৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছিল। বিগত চাৰি বছৰত ৰাজ্যৰ অৰ্থনীতিক পুনৰুৰ্জ্জীৱিত কৰিবলৈ অআমি কেতবোৰ বৃহৎ পদক্ষেপ হাতত লৈছিলো। যি স্থলত ২০১৫-১৬ বৰ্ষত ৰাজ্য চৰকাৰে নিজৰ কৰ্মচাৰীক কেৱল ৬ মাহ ১০ দিনৰহে দৰমহা দিবলৈ সমৰ্থ হৈছিল। তেনে স্থলত আজি আমি ৰাজ্যিক কৰ্মচাৰীক ৭ মাহ ৯ দিনৰ দৰমহা আদায় দিব পৰা অৱস্থালৈ আহিলো। সদনৰক জনাই তওঁ যে বৰ্দ্ধিত কৰ্মচাৰীৰ সংখ্যা বৰ্দ্ধিত পেঞ্চনভোগী আৰু সপ্ত দৰমহা আয়োগৰ পৰামৰ্শাৱলী কাৰ্য্যকৰী কৰণৰ পিছতো ১৫ শতাংশ হাৰৰ এই বৃদ্ধি এক লেখত ল'বলগীয়া ঘটনা । অধ্যক্ষ মহোদয়, বিকাশৰ এই হাৰ বৰ্তি থাকিলে অনতিপলমে আমি কৰ্মচাৰী সকলক সম্পূৰ্ণ বছৰটোৰ দৰমহা কেন্দ্ৰীয় পুঁজিৰ ওপৰত নিৰ্ভৰ নকৰাকৈ ৰাজ্যিক ৰাজহৰ পৰাই আদায় দিব পাৰিম।

১৭) ৰাজহুৱা বিত্তায়ন (public Finance)ৰ সংস্কাৰ আৰু ৰূপায়ন এক দীৰ্ঘম্যাদী প্ৰক্ৰিয়া। কোৱা হয় যে দেশ এখনৰ এশ বছৰীয়া ইতিহাস এখন কিতাপৰ এটা অধ্যায় মাত্ৰ। কিন্তু যেতিয়া দেখা যায় যে মাত্ৰ চাৰি বছৰীয়া কাৰ্য্যকালত আমাৰ অৰ্থনীতিয়েই সন্তোষজনক অগ্ৰগতি লাভ কৰিছে তেতিয়া মনত আনন্দৰ সঞ্চাৰ হয়। মই নিশ্চত যে সদনৰ বহু সদস্যই সফলতাৰ ৰহস্যনো কি তাক জানিবলৈ উৎসুক হ'ব।

১৮) মহোদয়, বৃহৎ প্ৰকল্প ৰূপায়নৰ স্বপ্ন দেখাৰ আৰু কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত আমাৰ ৰাজ্যৰ সক্ষমতা আমি যোগাই তুলিছো এই কথা প্ৰতিফলিত হৈছে ৰাজ্যখনৰ ক্ৰমবৰ্দ্ধমান কৰ্মশক্তিত। বিত্তীয় ব্যৱস্থা সংস্কাৰৰ বাবে প্ৰযুক্তিৰ ব্যৱহাৰ কৰিবলৈ আমি সিদ্ধান্ত লৈছিলো আৰু ইয়াৰ ফলত অসম চৰকাৰৰ কাম-কাজ বোৰ সুচল হৈ পৰিছিল। চৰকাৰী বিভাগ ব্যৱসায়ী আৰু কৰ্মচাৰী আটায়ে চৰকাৰৰ প্ৰতিশ্ৰুতিত আশ্বস্ত হৈছিল আৰু অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত এক আশাবাদৰ সৃষ্টি হৈছিল। মহোদয়, এইবোৰ জানো সুশানৰ প্ৰকৃত উপকৰণ নহয় ?

১৯) মহোদয়, মই নিশ্চি ত যে এই সদনত উপস্থিত আমি সকলোৱে সু -শাসনৰ এই নিৰৱ বিপ্লৱত অংশীদাৰ হোৱাৰ গৌৰেৱেৰে গৌৰৱান্বিত। অহা সময়ছোৱাত আমি এই জয়যাত্ৰা অক্ষুন্ন ৰাখিম আৰু সাফল্যৰ নতুন শিখৰত আৰোহন কৰিম।

২০) মহোদয়, তিনিচুকীয়া অথবা ডিমা হাচাও জিলাৰ গাওঁৰ এজন সাধাৰণ গঞাই বাজেটৰ এই

পৰিসংখ্যাবোৰৰ পৰা হয়তো বিশেষ কোনো কথা হৃদঙ্গম কৰিব নোৱাৰিব। চৰকাৰী প্ৰচেষ্টাৰে নিৰ্মাণ কৰি উলিওৱা বাস্তৱ হিত সমূহৰ সৈতেহে সাধাৰণ এজন লোক অধিক পৰিচিত। তৃণমূল পৰ্য্যায়তে বিকাশৰ এখন ছৱিয়ে বৰ্দ্ধিত ৰাজহুৱা ব্যয় আৰু বিচক্ষণ বিত্তীয় ব্যৱহাৰৰ সৈতে সম্পদৰ সঠিৰ ব্যৱহাৰৰ কথাকেই প্ৰতিফলিত কৰে।

২১) মহোদয়, ৰাজ্যখনৰ আন্তঃগাথনিৰ উন্নয়নৰ ক্ষেত্ৰখনত যি এক ৰূপান্তৰ ঘটিছে তাক প্ৰকাশ কৰিবলৈ এতিয়া মই এক চমু খণ্ডচিত্ৰ প্ৰকাশ কৰিবলৈ ওলাইছোঁ। অধ্যক্ষ মহোদয়, এইবাৰৰ বাজেটত ই-বাজেট ব্যৱস্থাৰ পৰা এঢাপ ওপৰলৈ গৈ QR গৈ কোড প্ৰৱৰ্তন কৰাৰ ব্যৱস্থা কৰা হৈছে যাতে ইচ্ছুক সদস্য সকল আৰু যিকোনো নাগৰিকে চৰকাৰৰ কীৰ্তিসমূহ নিজ চকুৰে প্ৰত্যক্ষ কৰিব পাৰে। তাৰবাবে তেওঁলোকে বাজেট বক্তৃতাৰ পুস্তিকাত সংলগ্ন কৰি দিয়া QR কোডকেইটা নিজৰ স্মাৰ্টফোনেৰে স্কেন কৰিলেই নিৰ্দ্দিষ্ট ৱেব পোৰ্টেলৰ কেতবোৰ ভিডিঅ' ক্লিপ দেখিবলৈ পাব। যিসমূহ সাফল্যৰ কাহিনীৰ বিষয়ে মই উল্লেখ কৰিব খোজোঁ, ইচ্ছুক লোকে সেই সমূহ প্ৰত্যক্ষ কৰিব পাৰিব।

২২) যোগাযোগ ব্যৱস্থাৰ ক্ষেত্ৰত অসম সদায়েই এক অসুবিধাৰ সন্মুখীন হৈ আহিছে। ৰাজ্যখনৰ ভূ-গাথনিক বৈশিষ্ট্যই যোগাযোগ ব্যৱস্থাক জটিল কৰি তুলিছে। মাননীয় সদস্য সকলে জানি সুখী হ'ব ২০১৬-২০১৭ বৰ্ষ আৰু ২০২০ চনৰ জানুৱাৰীৰ মাজৰ সময়ছোৱাত পকী পথ নিৰ্মাণ কৰা হৈছে ১৪,০০৬ কিলোমিটাৰ। উক্ত সময়ছোৱাত কেন্দ্ৰীয় চৰকাৰে নিৰ্মাণ কৰা পথৰ অতিৰিক্তকৈ এই পথসমূহ নিৰ্মাণ কৰা হৈছে।বাকী থকা কাঠৰ দলংসমূহক আমি পকী দলঙলৈ পৰিৱৰ্তিত কৰাৰ প্ৰতিশ্ৰুতি দিছিলো আৰু আজি পৰ্যন্ত ৩৩৫ খন তেনে কাঠৰ দলং পকী কৰা হ'ল। বিগত চাৰি বছৰত ২২০খন নতুন দলং নিৰ্মাণ কৰা হৈছে। আজি বহু মাতৃয়ে তেওঁলোকৰ কন্যাসন্তান সমূহক দূৰণিবটীয়া কলেজলৈ পঠিয়াবলৈ সক্ষম হৈছে, কাৰণ ৰাস্তা নিৰ্মাণ হৈছে। এজন পুত্ৰই নিজৰ পিতৃৰ জৰুৰীকালীন চিকিৎসা দিয়াবলৈ সক্ষম হৈছে, তেওঁৰ গাওঁখনক ওচৰৰ চিকিৎসালয়খনৰ সৈতে এখন দলঙে সংযোগ কৰিছে। এইবোৰেই হৈছে আশা আৰু বিকাশৰ কেতবোৰ গাঁথা যিবোৰে আমাৰ কামৰ সাফল্য নিৰূপণ কৰিছে।

পথ যোগাযোগৰ সমানে সমানে অসমত মোবাইল নেটৱৰ্কৰো পৰিৱৰ্তন ঘটিছে। মহোদয়, ২০১৫ চনৰ ১.৭ কোটি গ্ৰাহকৰ বিপৰীতে ২০১৯ চনত সেই সংখ্যাই ২.৩ কোটি চুইছে। এই পৰিঘটনাই অসম ফোন ঘনত্ব ২০১৫ চনৰ ৫৩.৯৫%ৰ পৰা ২০১৯ চনত ৬৮.৮১% লৈ বৃদ্ধি কৰিছে। ইণ্টাৰনেট যোগাযোগৰ সাফল্যৰ কাহিনীৰ বিষয়ে আমি সকলোৱে অৱগত। ২০১৫ চনত অসমত ইণ্টাৰনেট গ্ৰাহকৰ সংখ্যা আছিল ৫৪ লাখ আৰু আজি অসমত সেই গ্ৰাহকৰ সংখ্যা হৈছেগৈ ১.১৫ কোটি।

সাৰ্বজনীন গৃহ নিৰ্মাণৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য। ২০১৫-১৬ বৰ্ষত দৈনিক ১৯৬ টা গৃহ নিৰ্মাণ কৰাৰ বিপৰীতে ২০১৮-১৯ বৰ্ষত প্ৰধান মন্ত্ৰী আৱাস যোজনা (গ্ৰাম্য) ৰ অধীনত দৈনিক গড়ে ৩৯৭ টাকৈ গৃহ নিৰ্মাণ হৈছে। প্ৰধান মন্ত্ৰী আৱাস যোজনা (গ্ৰাম্য) ৰ অধীনত চাৰি বছৰত প্ৰায় ৫.১৯ লাখ গৃহ নিৰ্মাণ কৰা হৈছে য'ত ২০১৮-১৯ বিত্তীয় বৰ্ষত ১.৪৪ লাখ গৃহ নিৰ্মাণ সম্পূৰ্ণ কৰা হৈছে। এই পৰিসংখ্যা ২০১৫-১৬ বৰ্ষৰ প্ৰায় দুগুণ।

অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যত এক নজিৰবিহীন উন্নয়ন যজ্ঞ চলি থকাৰ সময়ছোৱাত বিদ্যুৎ শক্তিৰ অহৰহ যোগান এক অত্যাৱশ্যকীয় চৰ্ত। বিদ্যুৎ শক্তি এতিয়া আৰু বিলাসদ্ৰব্য হৈ থকা নাই। বৰং ই হৈ পৰিছে প্ৰতিগৰাকী নাগৰিকৰ অত্যাৱশ্যকীয় চাহিদা। বিজুলী-বাতি আৰু

বিজুলী পাংখা গ্ৰাম্য জীৱন শৈলীৰো অপৰিহাৰ্য অংগত পৰিণত হৈছে। আজি মাননীয় প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ সপোন বাস্তৱায়িত কৰি আমাৰ ৰাজ্যখনত ৬৯.৬৬ লাখ ঘৰ অৰ্থাৎ শতকৰা ১০০ ভাগ ঘৰ গৃহস্থীক বিদ্যুৎ যোগানেৰে পৰিপূৰ্ণ কৰা হৈছে। ৰাজ্যৰ ২৫ হাজাৰ অৰ্থাৎ শতকৰা ১০০ খন গাওঁ বিদ্যুৎ যোগান গ্ৰীডৰ অধীনলৈ আহি পৰিছে। অধ্যক্ষ মহোদয়, ১০০% ঘৰ-গৃহস্থী আৰু ১০০% গাঁৱলৈ বিদ্যুৎ যোগান সম্পূৰ্ণ কৰা হৈছে, তেতিয়া বুজিব লাগিব যে আন্তঃগাঁথনিৰ নামত বৃহৎ বিনিয়োগ নোহোৱাকৈ এয়া কেতিয়াও সম্ভৱ হোৱা নাই। সকলো গ্ৰাহকলৈ সম্পূৰ্ণ নিৰ্ভৰযোগ্য বিদ্যুৎ যোগান নিশ্চিত কৰিবলৈ যোৱা চাৰি বছৰত বিদ্যুৎ যোগান বিভাগে ১৭,০৩৩ চাৰ্কিট কিঃমিঃ ১১ কে.ভি. লাইন আৰু ৩৯,৬২৯ চাৰ্কিট কিঃমিঃ এল.টি. লাইন যোগ দিয়া হৈছে। একেদৰে ২৮,৪৩৭ টা নতুন বিতৰণ ট্ৰেন্সফৰ্মাৰ স্থাপন কৰা হৈছে। ৮০টাতকৈয়ো অধিক নতুন ছাব-ষ্টেচন স্থাপন কৰা হৈছে আৰু ২০১৬-১৭ চনৰ পৰা ১৮ হাজাৰ স্মাৰ্ট মিটাৰ স্থাপন কৰা হৈছে।

অধ্যক্ষ মহোদয়, মাননীয় প্ৰধানমন্ত্ৰীয়ে আমাক স্বচ্ছ ভাৰত নামৰ এক মহৎ স্বপ্নৰ কথা কৈছিল, যি স্বপ্নত ৰচিত হৈছিল এনে এখন প্ৰত্যাশী ৰাষ্ট্ৰ য'ত প্ৰতিজন নাগৰিকে নিজৰ সামাজিক আৰু অৰ্থনৈতিক স্থিতিৰ ব্যতিৰেকে এক সন্মানপূৰ্বক জীৱন-যাপন কৰিব পাৰিব। সেই স্বপ্নৰ পম খেদি পূৰ্বৰ ৫৩,৫১০ ঘৰৰ বিপৰীতে আজি তাৰ তিনিগুণ ঘৰলৈ আমি খোৱাপানী যোগান ধৰিবলৈ সক্ষম হৈছো। আজি ১.৪১ লাখ ঘৰক খোৱাপানী যোগানৰ নলীৰে সংযোগ সাধন কৰা হৈছে। পূৰ্বৰ ৬.০৯ লাখ ঘৰৰ বিপৰীতে আজি আমি ৩২.৬৬ লাখ ঘৰত শৌচাগাৰ স্থাপন কৰা হৈছে।

অধ্যক্ষ মহোদয়, ২০১৬ বৰ্ষত আমি যেতিয়া কাৰ্যভাৰ গ্ৰহণ কৰিছিলো, তেতিয়াৰ ৰাজ্যৰ স্বাস্থ্য বিভাগে এক পয়ালগা অৱস্থাৰ আশু নিৰাময়ৰ বাবে অপেক্ষা কৰি আছিল। অতি কম দিনৰ ভিতৰতে বিভাগটোৰ কাম আমি হাতত লৈছো।

অধ্যক্ষ মহোদয়, জটিল সমস্যাৰ মুখামুখি হৈ যোৱা চাৰিটা বছৰত আমি কেইবাটাও পদক্ষেপ মিছনৰ আৰ্হিত আৰু অভিনৱ কৰ্মপন্থাৰে সম্পন্ন কৰিবলগীয়া হৈছিল যাতে চলিত আঁচনি আৰু সা-সুবিধাসমূহক পুনৰুজ্জীৱিত কৰি আমি নতুন নতুন সা-সুবিধাৰ সৃষ্টি কৰিব লগীয়া হৈছিল। আমাৰ এক মৌলিক পদক্ষেপ আছিল যে বিনামূলীয়া ঔষধৰ যোগান। এই ঔষধৰ সংখ্যা (৩৮১ বিধৰ পৰা ৪৪৮ বিধলৈ) বৃদ্ধি কৰিছিলো। অস্ত্ৰোপচাৰৰ উপকৰণ বিনামূলীয়াকৈ (১২৮ বিধৰ পৰা ২২০ বিধলৈ) বৃদ্ধি কৰিছিলো, ৰাসায়নিক সামগ্ৰীৰ যোগান (১৪ বিধৰ পৰা ২৫ বিধলৈ) বৃদ্ধি কৰাৰ উপৰিও বিভিন্ন পণ্যদ্ৰব্য (৪৫ বিধৰ পৰা ৭৭ বিধলৈ) বৃদ্ধি কৰিবলৈ আমি সক্ষম হৈছিলো।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতিঃ** মাননীয় অধ্যক্ষ মহোদয়, এইখিনি public domain ত ইতিমধ্যে ওলাইছে। পৰম্পৰা অনুসৰি বাজেটৰ কথা leak হ'ব নালাগে, কিন্তু এইখিনি আমি সকলোৱে পাইছো। চাৱ, এইটো সদনৰ privilege, এইটো আগতে ওলাব নোৱাৰে।

**মাননীয় অধ্যক্ষঃ** Let him finish his speech.We will definitely discuss this matter later on.

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতিঃ** বাজেটৰ কথা leak হোৱাটোৱেই ডাঙৰ কথা অধ্যক্ষ মহোদয়। এই ক্ষেত্ৰত তদন্ত হ'ব লাগিছিল। এনে ঘটনা যদি কেন্দ্ৰত হ'লহেঁতেন তেন্তে কেন্দ্ৰীয় মন্ত্ৰীয়ে পদত্যাগেই কৰিলেহেঁতেন।

**মাননীয় অধ্যক্ষঃ** আপুনি Practice and Procedure of Parliament চাব, তাত স্পষ্টকৈ

উল্লেখ আছে যে বাজেট leak হোৱাটো breach of privilege নহয়। আপুনি কোৱা কথাটো বুজি পাইছো, তেখেতৰ speech খিনি শেষ কৰি ল'বলৈ দিয়ক, thereafter, I will take up the matter.

**মাননীয় শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতিঃ** অধ্যক্ষ মহোদয়, এইখিনি ইতিমধ্যে ওলাইছেই, গতিকে এইখিনি পঢ়াৰ কোনো অৰ্থ নাই।

**মাননীয় শ্ৰী ৰাজেদ আলী চৌধুৰী, (দক্ষিণ শালমাৰা)ঃ** মন্ত্ৰী ডাঙৰীয়াই পিছৰখিনি পঢ়ক।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মাননীয় বিত্ত মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, তেওঁলোকে (বিৰোধী পক্ষই) পাইছে যদিও সকলোৱে শুনা নাই।

(সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়)।

**মাননীয় অধ্যক্ষঃ** Please quiet. Let the Minister continue his speech. Leakage of Budget is not a privilege. You go through the page No. 787 of the Practice and Procedure of Parliament: Kaul & Shakdher, it is clearly written there.

**মাননীয় শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** অধ্যক্ষ মহোদয়, এই বাজেটখন শুনিবৰ বাবে অসমৰ মানুহে আগ্ৰহেৰে ৰৈ আছে। কিন্তু, ইতিমধ্যে বাজেটখন leak হ'ল। আমি এতিয়া সদন ত্যাগ কৰিলো।

(কংগ্ৰেছ বিধায়িনী দলে বিষয়টোৰ ওপৰত প্ৰতিবাদ জনাই সদন কক্ষ ত্যাগ কৰে।)

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মাননীয় বিত্ত মন্ত্ৰীঃ** ঔষধৰ ব্যাপক লভ্যতা নিশ্চিত কৰাৰ বিপৰীতে প্ৰাথমিক পৰ্যায়ৰ স্বাস্থ্য কেন্দ্ৰ পৰ্যন্ত গুণগত ৰোগ নিৰ্ণয় ব্যৱস্থা একোটা মুখ্যমন্ত্ৰীৰ বিনামূলীয়া ৰোগ নিৰ্ণয় আঁচনিৰ যোগেদি সংযোজিত কৰা হয়। চি.টি. স্কেন, (৩,৮৭,৯৬১ টা) এক্স-ৰে ( ১১,৩২,৩৬৩ টা) আৰু পৰীক্ষাগাৰ (২৭,৮৮,৯২৭ টা) সেৱা বিনামূলীয়াকৈ ইতিমধ্যে ৰাইজৰ বাবে উপলব্ধ কৰোৱা হৈছে। জনাবলৈ পাই সুখী হৈছো যে, প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় ডায়েলাইচিছ কাৰ্যসূচীৰ অধীনত যোৱা বছৰৰ পৰা অতি বিশিষ্ট ডায়েলাইছিছ সেৱাও বিভিন্ন জিলাৰ ১৭ টা স্বাস্থ্য কেন্দ্ৰত স্থাপন কৰা হৈছে। অনতিপলমে অন্য চাৰিটা কেন্দ্ৰতো সেই সুবিধা উপলব্ধ কৰা হ'ব। এতিয়ালৈকে সৰ্বমুঠ ১৫২০৮ টা বিনামূলীয়া জীৱন দায়িনী ডায়েলাইছিছ সম্পন্ন কৰা হৈছে।

সদনৰ সন্মানীয় সদস্যসকল জানি সুখী হ'ব যে চাংসাৰীত প্ৰতিষ্ঠা হৈ থকা অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ গৃহ নিৰ্মাণ কাৰ্য পূৰ্ণ গতিত চলি আছে আৰু ২০২০-২১ চনৰ পৰা ভাৰত চৰকাৰে

ইয়াত চিকিৎসা পাঠ্যক্ৰম আৰম্ভ কৰাৰ সিদ্ধান্ত লৈছে। চিকিৎসা সেৱাৰ ক্ষেত্ৰত সদ্য উপেক্ষিত হৈ থকা বহুকেইটা খণ্ডত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। উদাহৰণ স্বৰূপে, ভ্ৰাম্যমাণ চিকিৎসা-গোটৰ সংখ্যা ৫০ৰ পৰা ১৩০ লৈ বৃদ্ধি কৰা হৈছে। ভ্ৰাম্যমাণ চিকিৎসা-গোটৰ দ্বাৰা ৪৪৫ খন বাগিচা সামৰি লোৱা হৈছে, ৮১,৩১২ টা শিবিৰ অনুষ্ঠিত কৰা হৈছে আৰু ৩৮,৯৪,৮১৮ গৰাকী ৰোগীৰ সেৱা কৰা হৈছে।

চাহ-বাগিচা অঞ্চলত প্ৰসূতি চিকিৎসাৰ ক্ষেত্ৰখনত দেখা পোৱা দুৰ্দশাজনিত অৱস্থাৰ প্ৰতিৰোধ কৰিবলৈ চাহ-বাগিচা অঞ্চলৰ গৰ্ভৱতী মহিলাৰ ক্ষতিপূৰণ আঁচনিৰ ৰূপায়ণত গুৰুত্ব দিয়া হৈছে। ২০১৮ চনৰ অক্টোবৰ মাহৰ পৰা এই আঁচনিয়ে ২২,১৯৯ গৰাকী গৰ্ভৱতী মহিলালৈ

বেংক একাউণ্টৰ জৰিয়তে ১৬৬০.৪৯ লাখ টকা আগবঢ়াইছে। এই ধন গৰ্ভৱতী মাতৃসকলৰ পৰিপুষ্টিজনিত প্ৰয়োজন পূৰণৰ বাবে আৰু প্ৰসৱপূৰ্বক তথা প্ৰসৱোত্তৰ কালৰ স্বাস্থ্য সেৱা নিশ্চিত কৰাৰ বাবে প্ৰদান কৰা হৈছে। সমূহ বিকাশ মূলক কাৰ্য্যাৱলীৰ ভিতৰত আটাইতকৈ সন্তুষ্টিদায়ক প্ৰাপ্তি আছিল অটল অমৃত অভিযান আৰু প্ৰধান মন্ত্ৰী জন আৰোগ্য যোজনাৰ সফল ৰূপায়ণ। মহোদয়, সদনৰ সন্মানীয় সদস্য সকল বাৰুকৈ অৱগত যে এই দুয়োখন আঁচনিৰ যোগেদি সমাজৰ অৰ্থনৈতিকভাৱে দুৰ্ব্বল অংশটোৰ লোকসলকৰ ব্যয়বহুল চিকিৎসা ব্যৱস্থাও সহজ সাধ্য কৰি তোলা হয়। ইতিমধ্যে অটল অমৃত অভিযান আৰু প্ৰধান মন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত যথাক্ৰমে ৮১,৩৭০ গৰাকী আৰু ১,০৩,১৮৪ গৰাকী ৰোগীৰ চিকিৎসাৰ ব্যৱস্থা কৰা হৈছে।ৰাজ্যৰ স্বাস্থ খণ্ডতো ব্যপক পৰিৱৰ্ত্তনৰ স্বৰূপ প্ৰকাশিত হৈছে, প্ৰাতিষ্ঠানিক প্ৰসৱৰ সংখ্যা বৃদ্ধিত। ২০১৫-১৬ বৰ্ষৰ ৭০.৬ শতাংশৰ বাবে ২০১৯-২০ বৰ্ষৰ ৯১ শতাংশলৈ এই বৃদ্ধি দেখা গৈছে। যাৰ ফলত প্ৰসূতিৰ মৃত্যুৰ হাৰ ২৩.৬৭ শতাংশ আৰু শিশুৰ মৃত্যুৰ হাৰ ৬.৩৮ শতাংশ দ্ৰুতভাৱে নিম্নগামী হৈছে। এতিয় সন্মানীয় সদস্য সকলৰ সন্মুখত বিগত ৪ বছৰত আমাৰ চৰকাৰে শিক্ষাখণ্ডত লাভ কৰা সাফল্যৰ বিষয়ে আলোকপাত কৰিবলৈ বিচাৰিছো। এই দিশত নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ অধ্যয়ণৰত ১৩ লাখ ছাত্ৰ-ছাত্ৰীৰ মাজত আমি ১.৩৪কোটি খন বিনামূলীয়া পাঠ্যপুথি বিতড়ণ কৰিছো। দ্বিতীয়তে অৰ্থনৈতিকভাৱে পিছপৰা সমাজৰ ১,১৬,১১৯ গৰাকী ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি আৰু শিক্ষাদান মাছুল ৰেহাই দিয়া হৈছে। বিনামূলীয়া বাইচাইকেল লাভ কৰা দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ ছাত্ৰীৰ সংখ্যাৰো আমি দহগুণ বৃদ্ধি কৰি ২০১৫-১৬ বৰ্ষৰ ১৬,৯৭৭ গৰাকৰ পৰা ২০১৯-২০ বৰ্ষৰ ২,১৭,০১৭ গৰাকীকৈ বৃদ্ধি কৰিছো। মহোদয়, এই কথা অৱগত কৰি মই সন্তুষ্টি লাভ কৰিছো যে এন ধৰণৰ আন্তৰিক প্ৰচেষ্টাৰে আমি নৱম মানতে বিদ্যালয় ত্যাগ কৰা বিদ্যাৰ্থীৰ সংখ্যা ২০১৫-১৬ বৰ্ষৰ ১৩.৬ শতাংশৰ পৰা কমাই ২০১৯-২০ বৰ্ষত কেৱল ১.৩ শতাংশত সীমিত ৰাখিবলৈ সক্ষম হৈছে। অধ্যক্ষ মহোদয়, অসমৰ সমাজ খন প্ৰধানতঃ গ্ৰাম্য সমাজ। বৃহত্তৰ অসমখন হৈছে গ্ৰাম্য অসম। আমাৰ ৰাজ্যৰ উৎপাদনৰ এক বৃহৎ অংশত কৃষক সকলৰ অৱদান আছে। কৃষিখণ্ডত ৰাজ্যৰ এক বৃহৎ সংখ্যক লোক নিয়োজিত হৈ আছে। কৃষক কল্যাণৰ বাবে আঁচনি হাতত লৈ কৃষি বিভাগে শূন্যৰ পাৰআৰম্ভ কৰি আজি যিমান সংখ্যক আঁচনিৰ মাজত উপনীত হৈছে, সেয়া অভূতপূৰ্ব। অধ্যক্ষ মহোদয়, এইখিনিতে বিভাগটোৰ কেইটামান অৱদানৰ বিষয়ে উল্লেখ ক্ৰব খোজো। প্ৰথমতে, ২০১৮ চনৰ অসম কৃষক ঋণ সাহৰ্য্য আঁচনিৰ অধীনত কৃষি ঋণৰ তৎকালীন পৰিশোধৰ বাবে আমি ২৫ শতাংশ ৰাজসাহাৰ্য্যৰ ব্যৱস্থা কৰিছো। এই ক্ষেত্ৰত ৰাজসাহৰ্য্য সৰ্ব্বোচ্চ সীমা ২৫ হাজাৰ টকাত নিৰ্ধাৰণ কৰা হৈছে। ২০১৯ চনৰ ডিচেম্বৰ পৰ্য্যন্ত ১,১৫,৩০২ গৰাকী হিতাধিকাৰী ইয়াৰ দ্বাৰা উপকৃত হৈছে। শস্য ঋণৰ ক্ষেত্ৰতো ৩ শতাংশ সুদ ৰেহাই দি হিতাধিকাৰীক সম্পূৰ্ণ বিনামূলীয়াকৈ কৃষি ঋণ দিয়া ২০১৬-১৭ বৰ্ষত ১,০১,৬৩৪ গৰাকী হিতাধিকাৰীৰ বিপৰীতে ২০১৭-১৮ বৰ্ষত এই সংখ্যা বৃদ্ধি পাইছে, ২,৯৭,৫৮৭ গৰাকীলৈ। কিষাণ ক্ৰেডিট কাৰ্ডৰ আধীনত ১০ হাজাৰ টকাকৈ আগবঢ়াই ৬৭,৪৫২ খন ডিফল্ট হৈ যোৱা কৃষক ক্ৰেডিট কাৰ্ড আমি পুনৰ জীৱন্ত কৰিছো। ২০১৫-১৬ বৰ্ষত ৮০.০২ লাখ মেট্ৰিক টন ধানৰ উৎপাদনৰ বিপৰীতে ২০১৮-১৯ বৰ্ষত আমি ৯০ লাখ মেট্ৰিক টন ধান উৎপন্ন কৰিবলৈ সক্ষম হৈছো। এই বিত্তীয় বৰ্ষত ৯০ লাখে সীমা অতিক্ৰম কৰিব। মাননীয় অধ্যক্ষ মহোদয়, আমি নিশ্চয় গৌৰাৱান্বিত আমি বহু সদস্যই নাজানো এই সময়ছোৱাত মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৃষক সন্মান আঁচনিৰ জৰিয়তে অসমৰ ২৭ লাখ কৃষকৰ বেংক একাউণ্টত ১৬০০ কোটি টকা তেখেতে ইতিমধ্যে

আগবঢ়াইছে। মুখ্যমন্ত্ৰী কৃষি সা-সঁজুলি যোজনাৰ জৰিয়তে আমাৰ ৰাজ্য চৰকাৰে ৫ লাখ কৃষকক ইতিমধ্যে ২৫০ কোটি টকা মোকলাই দিছে আৰু ২০২০ চনত আৰু ৬ লাখ কৃষকক আমি ৩০০ কোটি টকা মোকলাই দিম। অৰ্থাৎ এই  সময়ছোৱাৰ ভিতৰত ২,৩০০ কোটি টকা আমাৰ কঋষক সকলৰ বেংক একাউণ্টত জমা হৈছে। যি এক অভূতপূৰ্ব সাফল্য। মাননীয় অদ্যক্ষ মহোদয়, যুৱ শক্তিৰ সুপ্ত শক্তি জাগৰিত কৰাত অগ্ৰাধিকাৰ দি আহিছো। আজি এই সময়ছোৱাত আমাৰ ৰাজ্যখনত ১,৮৮,৫৫৮ গৰাকী যুৱক-যুৱতীলৈ স্কীল প্ৰশিক্ষণ আগবঢ়াইছে আৰু তাৰে ৮২,৬০৮ গৰাকী যুৱক-যুৱতীয়ে নিযুক্তি পাবলৈ প্লক্ষম হৈছে। নিৰ্মাণ,চাহখেতি, হস্ততাঁত বস্ত্ৰ উৎপাদন কৃষি আৰু সহযোগী খণ্ডসমূহত জড়িত ২ লাখ যুৱক-যুৱতীক উন্নত প্ৰশিক্ষণ আৰু আগতীয়া শিকনৰ স্বকৃতি দিয়া হৈছে। চৰকাৰী খণ্ডত আপোনালোকে জানি আচৰিত হ'ব যে আজিৰ তাৰিখলৈকে ৩৮,০০০ যুৱকৃ-যুৱতীক আমি চাকৰি দিবলৈ সক্ষম হৈছো আৰু এই বছৰ আমি আৰু ৫৫ হাজাৰ চৰকাৰী চাকৰিত নিযুক্তি দিয়া হ'ব। অৰ্থাৎ আমাৰ কাৰ্য্যকালত ৮৫,০০০ ল'ৰা-ছোৱালীয়ে চাকৰি পাবলৈ সক্ষম হ'ব। সুক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া তথা বৃহৎ উদোগেত এই বছৰ আমি মুঠ ২,৩৪,৯৩২ গৰাকী যুৱক-যুৱতীয়ে প্ৰত্যক্ষ নিযুক্তি লাভ কৰিছে। ২০১৬ ৰ পৰা ২০১৯ ৰ কালছোৱাত ৰাজ্যত বিত্তীয় সংস্থাসমূহৰ সহযোগত ১২.৭৬ লাখ সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ গঢ়ি উঠিছে। সকলোবোৰ সামৰি আমাৰ অৰ্থনীতিত প্ৰায় ১৬ লাখ প্ৰত্যক্ষ অথবা পৰোক্ষ নিয়োজনৰ সুযোগ সৃষ্টি হৈছে। অধ্যক্ষ মহোদয়, দীন দয়াল দিব্যাংগ সাহাৰ্য্য আঁচনিৰ জৰিয়তে আমি ১.৫৬ লাখ দিব্যাংগ ভাতৃ-ভগ্নীয়ে মাহত ১ হাজাৰকৈ পেঞ্চন পাবলৈ সক্ষম হৈছে। মাননীয় অধ্যক্ষ মহোদয়, এতিয়া উঠি যোৱাৰ কাৰণটো খুব স্পষ্ট। আমাৰ চৰকাৰ অহাৰ সময়ত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ২০১৫-১৬ বৰ্ষত গড় হত্যা হৈছিল ২১ টা আৰু এই বছৰ মাত্ৰ ৩ টা গড় হত্যা হৈছে। ২১ ৰ পৰা ৩ টা গড় হত্যা এ চিৰকাৰৰ দিনত নমাই অনা হৈছে। যাৰ বাবে মই এই সদনৰ জৰিয়তে আৰক্ষী আৰু বন বিভাগৰ সমূহ বিষয়া-কৰ্মচাৰী লৈ ধন্যবাদ আগবঢ়াইছো। 'অষ্টাদশ মুকুতাৰ উন্নয়ণী মালা'' মাননীয় নৰেন্দ্ৰ মোদী ডাঙৰীয়াই কৈছে '' মোৰ চৰকাৰ সাধাৰণ জনতাৰ বাবে কৰ্মৰত। আমি সৰ্বাধিক গুৰুত্ব দিছো দেশৰ দৰিদ্ৰ জনতাক। এখন প্ৰগতিশীল তথা  ত্ৰুটি মুক্ত চৰকাৰৰ জৰিয়তে আমাৰ সু-প্ৰশাসন প্ৰদান কৰিব বিচাৰো।'' এই প্ৰতিশ্ৰুতিক বাস্তৱ ৰূপ দিবৰ বাবে ৪ বছৰ পূৰ্বে আমি আমাৰ যাত্ৰা আৰম্ভ কৰিছিলো। মাননীয় মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত এই চৰকাৰখনৰ মূল বৈশিষ্ট ৰাইজৰ প্ৰতি সেৱা আগবঢ়োৱা। এই উদ্দেশ্য আগত ৰাখি প্ৰতি বছৰৰ দৰে এইবাৰো মই এই পবিত্ৰ সদন আমাৰ চৰকাৰৰ ১৮ খন ধ্বজাবাহী আঁচনি উৎথাপন কৰিবলৈ বিচাৰিছো। সদনৰ সন্মানীয় সদস্যসকলক মই অৱগত কৰাবলৈ বিচাৰিছো যে পূৰ্বৰ বাজেটত ঘোষণা কৰা কিছু সংখ্যক আঁচনি পৰিৱৰ্ত্তনশীল মূল্য আৰু অবিৰত প্ৰাসংগিকতাৰ পৰিপ্ৰেক্ষিতত সেই আঁচনি পুনৰ সংস্থাপন কৰা হৈছে। আনহাতে ইয়াৰে কিছু সংখ্যক আঁচনিৰ স্থানত ৰাজ্যৰ সাধাৰণ জনতাৰ জীৱনক সু-দূৰ প্ৰসাৰী প্ৰভাৱ পেলাব পৰাকৈ কেতবোৰ নতুন আঁচনি মই এই শাখাত অন্তৰ্ভুক্ত কৰিছো। এই পৰিত্ৰ সদনত ১৮ খন ধ্বজাবাহী আঁচনিৰ বিষয়ে জনাবলৈ বিচাৰিছো। এই আঁচনিসমূহক আমি নাম দিছো 'অষ্টাদশ মুকুতাৰ উন্নয়ণী মালা''। ২০১৬ বৰ্ষৰ পৰাই এই আঁচনি সমূহে বিকাশ আৰু উন্নয়ণৰ ভেটি সুদৃঢ় কৰি তোলাৰ লগতে অসমৰ ৰাইজৰ বাবে সমতা আৰু ন্যায় সুনিশ্চিত কৰি আহিছে। মাননীয় অধ্যক্ষ মহোদয়, ১৮ টা ফ্লেগচিপ আঁচনিৰ কথা ক'বলৈ গৈ আছো। প্ৰথম আঁচনিটো যে নুমলীগড় শোধানাগাৰৰ অসম চৰকাৰৰ চত্তত আমি ২৬ শতাংশলৈ বৃদ্ধি কৰিম। সাম্প্ৰতিক সময়ত নুমলীগড় শোধানাগাৰ দেশৰ ৰাজহুৱা খণ্ডৰ সৰ্বাধিক গুৰুত্বপূৰ্ণ

প্ৰতিষ্ঠান সমূহৰ ভিতৰত অন্যতম। এই প্ৰতিষ্ঠানটোৰ সৈতে আছে অসমৰ এক আবেগিক সম্পৰ্ক, কিয়নো ইয়াৰ জন্ম হৈছিল ঐতিহাসিক অসম চুক্তিৰ আধাৰত। সম্প্ৰতি এন আৰ এল ত অসম চৰকাৰৰ অংশ হ'ল ১২.৩৫ শতাংশ। অলপতে ভাৰত চৰকাৰে এন আৰ এল ত থকা ভাৰত পেট্ৰ'লিয়াম কৰ্প'ৰেশ্বন লিমিটেডৰ (বি পি চি এল) ৬১.৬৫ শতাংশ অংশৰ নিৰ্বিনিয়োজনৰ সিদ্ধান্ত লৈছে। চৰকাৰে এই বুলিও সিদ্ধান্ত গ্ৰহণ কৰিছে যে এতিয়া এন আৰ এল অধিগ্ৰহণ কৰিব তেল আৰু গেছ খণ্ডত কৰ্মৰত আন এক ৰাজহুৱা খণ্ডৰ কোম্পানীয়ে। আমাৰ বাবে এয়া হ'ল এন আৰ এলত আমাৰ অংশ বৰ্তমানৰ ১২.৩৫ শতাংশৰ পৰা ২৬ শতাংশ বৃদ্ধি কৰাৰ এক সুবৰ্ণ সুযোগ। মই এই ঘোষণা কৰিবলৈ পাই আনন্দিত যে ইতিমধ্যে ভাৰত চৰকাৰে আমাৰ এই প্ৰস্তাৱৰ প্ৰতি নীতিগত সমৰ্থন আগবঢ়াইছে। অলপতে ভাৰত চৰকাৰে এন আৰ এল থকা বি পি চি এলৰ ৬১. ৬৫ শতাংশৰ Diiinvestment কৰাৰ সিদ্ধান্ত লৈছে। চৰকাৰে এই বুলিও সিদ্ধান্ত গ্ৰহণ কৰিছে যে এন আৰ এল অধিগ্ৰহণ কৰি তেল আৰু গেছ খণ্ডত কৰ্মৰত আন এক ৰাজহুৱা খণ্ডৰ কোম্পানীয়ে। আমাৰ বাবে এয়া হ'ল এন আৰ এলত আমাৰ অংশ বৰ্তামানৰ ১২.৩৫ শতাংশৰ পৰা ২৬ শতাংশ পৰ্য্যন্ত বৃদ্ধি কৰাৰ এক সুবৰ্ণ সুযোগ। মই এই ঘোষণা কৰিবলৈ পাই অত্যন্ত আনন্দিত হৈছো যে ভাৰত চৰকাৰে আমাৰ এই প্ৰস্তাৱৰ প্ৰতি নীতিগত সমৰ্থন আগবঢ়াছে। আমাৰ অংশ বৃদ্ধি কৰাৰ মুল উদ্দেশ্য হ'ল দীৰ্ঘম্যাদি কালত এন আৰ এল যাতে এক ৰাজহুৱা খণ্ড প্ৰতিষ্ঠান হৈ থাকে আৰু যাতে ৰাইজৰ বিকাশৰ এক প্ৰধান চালিকাশক্তি হৈ উঠে, সেয়ে নিশ্চিত কৰা। এই প্ৰতিষ্ঠানটো সাপ্ৰতিক উৎপাদন ক্ষমতা হ'ল বছৰি ৩ নিযুত মেট্ৰিটন (এম এম পিটি এ) আৰু অচিৰেই ক্ষমতা বৃদ্ধি হ'ব ৯ এম এম পি টি এ লৈ।

মহোদয়, এয়া সত্য যে অসম চৰকাৰৰ ৰাজহ অৰ্জনৰ উৎস বৰ বিশাল নহয়। তথাপি ৰাজ্যৰ ঔদ্যোগিক বিকাশ আৰু অৰ্থনৈতিক উন্নয়নৰ স্বাৰ্থত আৰু লগতে এন আৰ এলৰ সৈতে জড়িত আৱেগিক সংযোগজনিত কাৰণত আমি এই অতিৰিক্ত ১৩.৬৫ শতাংশ অংশ অধিগ্ৰহণৰ সিদ্ধান্ত লৈছোঁ। অধ্যক্ষ মহোদয়, সম্ভৱতঃ কোনো বিত্ত মন্ত্ৰীয়ে এতিয়ালৈকে আত্মবিশ্বাসৰ ভিত্তিত এনে এক বৃহৎ পদক্ষেপ লোৱা নাই। কিনন্তু মই ভাবো যে, উত্তৰ পুৰুষৰ প্ৰতি এয়া আমাৰ দায়িবদ্ধতা তথা পালনীয় কৰ্তব্য। সেয়ে এই অতিৰিক্ত ১৩.৬৫ শতাংশ অংশ অধিগ্ৰহণৰ উদ্দেশ্য মই এই বাজেটত ১৫০০ কোটি টকা আৱণ্টনৰ প্ৰস্তাৱ আগবঢ়াইছো।

**অন্ন যোজনা**

মাননীয় অধ্যক্ষ মহোদয়, ২০১৯-২০ বৰ্ষৰ বজেটত চাহ শ্ৰমিক সকললৈ বিনামূলীয়াকৈ চাউল যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছিল। সুলভ পুষ্টি আৰু খাদ্য প্ৰাপ্তি যোজনা (ANNA) ৰ অধীনত এই কাৰ্য্যসূচী ৰূপায়ণ কৰা হৈছিল আৰু ইয়াৰ জৰিয়তে এতিয়ালৈ ৬.৪৬৪ লাখ চাহ-শ্ৰমিক তথা আদিবাসী পৰিয়াল উপকৃত হৈছে।

অধ্যক্ষ মহোদয়, আপোনালোকৰ লগত একত্ৰিত হৈ আজি মই ঘোষণা কৰিব খুজিছো যে আজি এই বাজেটৰ কাৰ্য্যকৰীকৰণৰ ঠিক লগে লগে বাকী ৰাজ্যলৈও আমি বিনামূলীয়া চাউলৰ ব্যৱস্থা কৰিম। অৰ্থাৎ এই আচনিত এতিয়া আৰু ৫১ লাখ ৩৯ হাজাৰ লোকে বিনামূলীয়াকৈ চাউল পাবলৈ সক্ষম হ'ব।

অধ্যক্ষ মহোদয়, ইয়াত এটা সৰু printing mistake আছে। প্ৰতিটো চাহ-শ্ৰমিক পৰিয়াললৈ ২ কেজিকৈ বিনামূলীয়াকৈ চেনী যোগান ধৰা হব। ইয়াত ৪ কেজি আছে।

ইতিমধ্যে এই সন্দৰ্ভত সংগ্ৰহকৰণ আৰু নিবিদা গ্ৰহণ প্ৰক্তিয়া সম্পূৰ্ণ হৈছে। অন্ন যোজনাৰ

এই উৎপাদন ৰূপায়ণৰ বাবে আমি সাজু হৈছোঁ।

মই জানো যে আমাৰ ৰাজকোষৰ ওপৰত এয়া হ'ব এক অতিৰিক্ত বোজা, কিন্তু আমাৰ ৰাজ্যৰ নাগৰিকৰ নূন্যতম পৰিপুষ্টি নিৰাপত্তা নিশ্চিত কৰিবৰ বাবে আমাৰ কৰণীয় একো বাকী নাৰাখো।

অধ্যক্ষ মহোদয়, ২০২০-২১ বৰ্ষত এই আচনি ৰূপায়ণৰ বাবে মই ৪৭২ কোটি টকা আৱণ্টন কৰিছো।

**জ্যোতিষ্মান অসম**

মাননীয় অধ্যক্ষ মহোদয়, জ্যোতিষ্মান অসম। সমাজৰ ভিন্ন শ্ৰেণীৰ লোকৰ মাজত বিদ্যুৎৰ ব্যৱহাৰৰ বৃহৎ পাৰ্থক্য আছে। সমাজৰ বিত্তশালী শ্ৰেণীটোৱে বিলাসিতা, স্বাচ্ছান্দ্য আৰু বিনোদনৰ বাবে বিদ্যুতৰ ব্যয় বহণ কৰিববলৈ সম্ভৱ। কিন্তু একে সময়তে আমাৰ সমাজত অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ লোক সকলে আনকি লাইট আৰু ফেনৰ দৰে বুনিয়াদী উপকৰণ ব্যৱহাৰ কৰাৰ বাবত দিবলগীয়া বিজুলী মাচুল পৰিশোধ কৰোতেও যথেষ্ট সংগ্ৰাম কৰিবলগীয়া হয়।

মাননীয় অধ্যক্ষ মহোদয়, মাহিলী ৩০ ইউনিটলৈকে বিদ্যুৎ খৰছ কৰা পৰিয়াল সমূহলৈকে আমি বিনামূলীয়া বিদ্যুৎ যোগানৰ সিদ্ধান্ত গ্ৰহণ কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, লাইট ৱাল্ব, চিলিং ফেন ঘৰুৱা বৈদ্যুতিক আহিলা সমূহৰ দৰে বুনিয়াদী উপকৰণ সমূহৰ বাবে একোটা পৰিয়ালে ব্যৱহাৰ কৰিবৰ বাবে ৩০ ইউনিট বিজুলি পৰ্য্যাপ্ত বুলি ধৰি লোৱা হয়। সম্প্ৰতি ৰাইজৰ ১৪ লাখ পৰিয়ালে মাহে ৩০ ইউনিট পৰ্য্যন্ত বিজুলি ব্যৱহাৰ কৰে। এই পৰিয়াল সমূহ হ'ল সমাজৰ নিম্ন বিত্তশ্ৰেণীটোৰ অন্তৰ্ভক্ত। বিনামূলীয়া বিজুলি যোগানৰ বাবে লোৱা এই পদক্ষেপে তেওঁলোকক তাৎক্ষণিকভাৱে উপকৃত কৰিব। এই পৰিয়াল সমূহৰ ভিতৰত আছে চাহ শ্ৰমিকসকল, দৰিদ্ৰসীমাৰেখাৰ তলত পৰিয়ালসমূহ তথা অনুসূচিত জাতি জনজাতিৰ লোকসকল।। এই ৰাজসাহাৰ্য্য আগবঢ়োৱাৰ বাবে ৰাজ্য চৰকাৰৰ বছৰি ব্যয় হ'ব ২৫০ কোটি টকা। কিন্তু একে সময়তে ইয়াৰ জৰিয়তে প্ৰতিটো এক বুজন পৰিমাণৰ ধন ৰাহি কৰিব পাৰিব। এই আঁচনিখন ৩০ ইউনিটত সীমাবদ্ধ ৰখাৰ জৰিয়তে একে সময়তে দুটা উদ্দেশ্য সাধন কৰিব পৰা যাব। প্ৰথমতে ইয়াৰ জৰিয়তে আমি অৰ্থনৈতিকভাৱে দুৰ্বল পৰিয়াল সমূহৰ বিজুলি বুনিয়াদী চাহিদা পুৰণ কৰিব পাৰিম। দ্বিতীয়তে, বিজুলিৰ অপচয় ৰোধ কৰি শক্তিৰ বহনক্ষম ব্যৱহাৰ নিশ্চিত কৰাৰ ক্ষেত্ৰতো আমি এই পৰিয়াল সমূহক উদগনি যোগাবলৈ সক্ষম হ'ম।

অধ্যক্ষ মহোদয়, ৰাজ্যৰ সাধাৰণ জনতাৰ বাবে বিজুলী মাচুল যাতে ব্যয় সাধ্য হৈ থাকে, সেয়াও আমাৰ চৰকাৰে ইয়াৰ কাৰ্য্যকালত নিশ্চিত কৰিছে। আনহাতে, বজাৰৰ শক্তিসমূহৰ প্ৰভাৱ বিজুলি উৎপাদন আৰু বিতৰণৰ ব্যয় দিনক দিনে উৰ্ধগামী হ'বলৈ ধৰিছে।

অসম ৰাজ্যিক বিদ্যুৎ নিয়ামক আইনে কিছু দিনৰ ভিতৰতে বিদ্যুৎৰ বিজুলীৰ মাচুল বৃদ্ধি কৰাৰ সম্ভাৱনা আছে। কিন্তু এই বিদ্যুৎৰ মাচুল বৃদ্ধিয়ে যাতে সৰ্বসাধাৰণ ৰাইজৰ ওপৰত প্ৰভাৱ বিস্তাৰ বিশেষভাৱে কৰিব নোৱাৰে সেইবাবে আমি প্ৰতিগৰাকী গ্ৰাহকলৈ আমি চাব-চিদি দিবৰ বাবে অসম ৰাজ্যিক বিদ্যুৎ নিগমক ৩০০ কোটি টকা চাব-চিদি হিচাপে আগবঢ়াবলৈ আমি সিদ্ধান্ত লৈছো। এই পুঁজি যোগান দিয়াৰ ফলত যিটো বিদ্যুতৰ মাচুল বহু বৃদ্ধি হ'ব বুলি যিটো ধাৰণা আছিল, সেইটো এতিয়া নোহোৱা হ'ব, কাৰণ ৩০০ কোটি টকা চৰকাৰে এ পি ডি চি এলক চাব-চিদি হিচাপে দিব যাতে বৰ্ধিত বিজুলীৰ মাচুলৰ যিটো প্ৰভাৱ, সেইটো যাতে সাধাৰণ জনতালৈকে নাযায়, চৰকাৰে ইয়াক বহন কৰিব পাৰে। সেইবাবে জ্যোতিষ্মান অসম আঁচনিৰ জৰিয়তে বি পি

এল সকলে ৩০ ইউনিটলৈকে বিনামূলীয়ালৈকে পাব আৰু বাকী সকলৰো বিজুলীৰ মাছুল যাতে বহুত বৃদ্ধি নহয় তাৰ বাবে আমি তাক সুনিশ্চিত কৰিবৰ বাবে সক্ষম হ'ম।

**নৱকল্পিতা "স্বামী বিবেকানন্দ যুৱ সবলীকৰণ যোজনা"**

মাননীয় অধ্যক্ষ মহোদয়, আত্ম সহায়ক গোটৰ ধাৰণাই আমাৰ ৰাজ্যৰ মহিলা সকলৰ সবলীকৰণ আৰু বন্ধনমুক্তি ক্ষেত্ৰত অত্যন্ত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে। যিহেতু অসম হ'ল সীমিত সম্পদশালী ৰাজ্য, সেয়ে. আমাৰ বাবে সৰ্বাধিক উপযোগী হ'ল আৱত্তিত পুঁজি ভিত্তিক আৰ্হিৰ উন্নয়ন। আত্ম সহায়ক গোটৰ ধাৰণাই মহিলা সকলক অৰ্থা ভাৰগ্ৰস্ততাৰ পৰা আত্মনিৰ্ভৰশীলতালৈ উত্তৰণত সহায় কৰিছে। ই পৰিয়াল সমূহৰ আয় বৃদ্ধি তথা জীৱন যাপনৰ মান উন্নীতকৰণতো সহায়ক হৈছে। মহোদয়, দাৰিদ্ৰতাৰ বিৰুদ্ধে যুজ দিয়াতো কেৱল মহিলা সকলোৰে দায়িত্ব নহয়, পৰিয়ালৰ প্ৰতিজন সদস্য ঘাইকৈ যুৱক-যুৱতী সকলে সহায় আগবঢ়া বই লাগিব। গতিকে চিৰন্তন মহিলা আত্ম সহায়ক গোট সমূহৰ আৰ্হিত যুৱক-যুৱতী সকলৰ উদ্যোমী গোট গঠন কৰিবলৈ আমি সিদ্ধান্ত লৈছো। এই আঁচনিৰ জৰিয়তে অধ্যক্ষ মহোদয়, ২,০০,০০০ লাখ যুৱক-যুৱতীক চৰকাৰে ৫০,০০০ কে চিডমানী আগবঢ়াব। ইয়াৰ ফলত ৰাজ্যখনত তৎকালীনভাৱে ২,০০,০০০ লাখ যুৱক উপকৃত হ'ব। এই ২,০০,০০০ লাখ যুৱক প্ৰতিখন ৰেভিনিউ গাওঁত একোটা কে গোট হ'ব আৰু সেই গাওঁত ভৱিষ্যতে যিমান ডিপাৰ্টণ্টেৰ কাম ওলায়, পি ডব্লিউ ডি ৰ কাম ওলায়, ইৰিগেশ্যনৰ কাম ওলায় এটা মূল্যৰ তলৰ কাম এই যুৱক গোট বিলাককে আমি দিবৰ বাবে সিদ্ধান্ত লৈছো। তাৰমানে আমাৰ ২৩ হাজাৰ ৰেভিনিউ ভিলেজত মুখ্যমন্ত্ৰীৰ যিটো সমগ্ৰ গ্ৰাম্য উন্নয়ন পুঁজিৰ যিটো ধাৰণা আছিলে ৰেভিনিউ ভিলেজলৈকে যোৱা এতিয়া প্ৰত্যেকখন ৰেভিনিউ ভিলেজত যুৱক সকলৰ এটা আত্ম সহায়ক গোট গঠন হ'ব তেওঁলোকক আমি ৫০ হাজাৰ টকা দিম ২ লাখ যুৱকক, একহাজাৰ কোটি টকা এইবছৰ যাব। সেই চিডমানীৰে তেওঁলোক শক্তিশালী হ'ব আৰু ভৱিষ্যতে সেই গাওঁত চৰকাৰী ঠিকা-ঠাকুলী যি যাব, সেই যুৱক গোটটোৱে কৰিব, তেওঁলোকে কোনো নিবিদা দিব নালাগিব। তেওঁলোকে ডিৰেক্টলি এই কাম হাতত ল'ব পাৰিব। অৱস্যে সৰ্বস্ব মূল্য এটা আমি নিৰ্ধাৰণ কৰিম। যে ৫ লাখ টকাৰ তলত কাম বা ২ লাখ টকাৰ তলত। অৰ্থাৎ ২ লাখ গোটলৈ আমি প্ৰত্যক্ষভাৱে এই বাজেটৰ জৰিয়তে সহায় আগবঢ়াম Benefit টো individual হ'ব। ২ লাখ যুৱকে ৫০ হাজাৰ টকাকৈ পাব, কিন্তু তেওঁলোকে আত্ম সহায়ক গোটত বন্ধ হৈ থাকিব লাগিব। They will be a member of a self help group কিন্তু ৫০ হাজাৰ টকাটো ব্যক্তিগত একাউন্টত যাব। তাৰপিছত গাওঁত যেতিয়া কাম হ'ব এই group টোৱে কৰিব। এই group টোক আমি এটা economic group লৈ উন্নীত কৰিম। পিছত এটা group ৰ জাগাত দুটা হ'ব। কিন্তু ৫০ হাজাৰ টকাটো ব্যক্তিগত একাউন্টত যাব। তাৰ পিছত গাৱত যিবিলাক কাম হ'ব এই গ্ৰুপটোৱে কৰিব। এই গ্ৰুপটোক আমি এটা ইকনমিক গ্ৰুপলৈ উন্নিত কৰিম। পিছত ১ টাৰ ঠাইত দুটা হ'ব, দুটাৰ ঠাইত তিনিটা হ'ব, depending on the situation। গতিকে এই এটা ডাঙৰ এই বাজেটত চিফ এটা আমি খুজিছো যাতে গাৱতেই গাৱৰ কাম হয়। গাওঁৰ স্কুলখনৰ ঠিকা আহিছে গাৱৰ ল'ৰাই কৰিব, গাৱত অংগনবাড়ী কেন্দ্ৰ আহিছে গাৱৰ ল'ৰাই কৰিব। খোৱা পানী যোগানৰ বাবে গাৱত এটা দমকল স্থাপনৰ কাম আহিছে গাৱৰ এই গ্ৰুপটোৱে কৰিব। গাৱত এটা ৰাস্তা এটা হ'ব যিটোৰ মুল্য ৫ লাখৰ তলত এই গ্ৰুপটোৱে কৰিব। অৰ্থাৎ আমি প্ৰত্যেক গাৱত এটা ইকনমিক গ্ৰুপ আমি গঠন কৰিমআৰু এই বছৰ আমি তেনে ২ লাখ যুৱকক ৫০ হাজাৰ কৰি ১ হাজাৰ কোটি টকা আমি আৱন্টনৰ সিদ্ধান্ত

লৈছো। মাননীয় অধ্যক্ষ মহোদয়, চাহ বাগিচাৰ ধন পুৰষ্কাৰ মেলা । মই মোৰ আন্তৰিক আগ্ৰহৰ এটা বিষয় উল্লেখ কৰিব বিচাৰিছো ২০১৮-১৯ বৰ্ষতে অসমৰ চাহ জনগোষ্ঠী সম্প্ৰদায়ৰ সামগ্ৰিক বিকাশ সুনিশ্চিত কৰিবলৈ চাহ বাগিচাৰ ধন পুৰষ্কাৰ মেলা আঁচনিৰ শুভাৰম্ভ কৰা হৈছিল। পবিত্ৰ সদনত এই কথা প্ৰকাশ কৰিবলৈ পাই সুখী অনুভৱ কৰিছো, যে চাহ জনগোষ্ঠী সম্প্ৰদায়ৰ অৰ্থনৈতিক সৱলীকৰনত এই আঁচনিয়ে ফলপ্ৰসুভাৱে উদগনি যোগাবলৈ সক্ষম হৈছে। এই উদগনিমুলক আঁচনিয়ে চাহ জনগোষ্ঠী সম্প্ৰদায়ৰ সহজ-সৰল লোকক "সাপ্তাহিক নগদ ধন প্ৰদানৰ বৃত্ত'টোৰ পৰা ৰক্ষা কৰাৰ লগতে তেওঁলোকৰ দীৰ্ঘদিনীয়া আৰ্থিক অনিশ্চতয়তাক দুৰ কৰি সামগ্ৰীকভাৱে বিত্তীয় অৱস্থাটোৰ সবলীকৰণৰ শুভাৰম্ভ কৰিছিল। মহোদয়, ২০১৮-১৯ বিত্তীয় বৰ্ষতে আমাৰ চৰকাৰে ৰাজ্যখনৰ ২৬ খন জিলাৰ ৭৫২ খন চাহ বাগিছাৰ ৭ লাখ ২১ হাজাৰ ৪৮৫ জন শ্ৰমিকৰ বেংক একাউন্টলৈ গাইপতি ৫ হাজাৰ টকাকৈ ধনৰ আৱন্টন সম্পুৰ্ন কৰিছে। পোনপটীয়াকৈ প্ৰতিটো বেংক একাউণ্ঠলৈ ২৫০০ টকাকৈ দুটা কিস্তিত মুঠ ৫ হাজাৰ টকা জমা কৰা হৈছিল। মোৰ বিশ্বাস এই যুগান্তকাৰী আঁচনিয়ে চাহ শ্ৰমিকসকলক পুৰনিকলীয়া আৰ্থিক অনগ্ৰসৰতাৰ পৰা মুক্তি দিয়াৰ লগতে তেওঁলোকক আধুনিক আৰু অতীব প্ৰয়োজনীয় বেংক ব্যৱস্থাৰ সৈতে জড়িত কৰাত সফল হৈছে। বেংকত আৰ্থিক সঞ্চয় ব্যৱস্থাৰ জৰিয়তে সুফল লাভতো চাহ শ্ৰমিকসকলক নতুন দিগন্তৰ বাট দেখুৱাইছে।

অৱশ্যে, চাহ বাগিচা ধন পুৰষ্কাৰ মেলা' আঁচনিৰ সম্পুৰ্ন সুফল লাভ কৰাত বেংক একাউন্টৰ সৈতে KYC ৰ বিধি সংযুক্তকৰণ এক হেঙাৰ স্বৰূপে দেখা দিছিল। কিন্তু কেন্দ্ৰীয় বিত্ত মন্ত্ৰী শ্ৰীযুতা নিৰ্মলা সীতাৰমণ ডাঙৰীয়ানীয়ে সাম্প্ৰতিক অসম ভ্ৰমণৰ সময়ত এই সমশ্যাৰ তৎকালে সমাধানৰ পথ প্ৰশস্ত কৰি আমাক উপকৃত কৰিছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰী গৰাকীলৈ এই সুযোগতে আন্তৰিক কৃতজ্ঞতা জনাইছো। সমাজৰ বঞ্চিত এই বৃহৎ অংশটোক আধুনিক বেংক ব্যৱস্থালৈ আদৰি অনাৰ বাবে বেংক বিষয়া-কৰ্মচাৰী সকলকো মোৰ আন্তৰিক ধন্যবাদ জনাইছো। পবিত্ৰ সদনত জনাবলৈ পাই মই আনন্দিত যে সমস্যাৰ আশু সমাধান সম্ভৱ হোৱাৰ বাবে তৃতীয়. কৃস্তিত চাহ শ্ৰমিক সকলৰ ৭ লাখ ২১ হাজাৰ ৪৮৫ টা বেংক একাউন্টত ৰাজ্য চৰকাৰে গাইপতি ৩ হাজাৰ কৈ টকা জমা কৰাৰ সিদ্ধান্ত লৈছো। এই আঁচনিৰ জৰিয়তে ২২০ কোটি টকা বাগিচাৰ শ্ৰমিক সকলৰ বেংক একাউন্টট জমা হ'ব। চাহ জনগোষ্ঠী আৰু আদিবাসী সম্প্ৰদায়ৰ কল্যাণ আঁচনি, মাননীয় অধ্যক্ষ মহোদয়, চাহ বাগিচাত কৰ্মৰত নিয়মীয়া আৰু অস্থায়ী মহিলা শ্ৰমিক সকলে গৰ্ভধাৰণ আৰু প্ৰসৱকালীন সময়ত সন্মুখীন হোৱা মজুৰীৰৰ ক্ষতিপুৰণ হিচাপে আমাৰ চৰকাৰে ১২,০০০ টকাকৈ আগবঢ়াই আহিছে। ২২০০০ মহিলাক এই আঁচনিয়ে উপকৃত কৰিছে। এই বছৰ এই ১২ হাজাৰ টকাৰ পৰিৱৰ্তে ৬ মাহৰ যাতে ভৰণপোষণ মাহত ৩ হাজাৰ চকাকৈ কৰিব পাৰে, সেই বাবে বাগিছাৰ গৰ্ভৱতী মহিলাক আমি ১৮ হাজাৰ টকাকৈ দিয়াৰ বাবে সিদ্ধান্ত লৈছো। যি সকল বাগিছাৰ ছাত্ৰ ছাত্ৰীয়ে ১৯ মেট্ৰিক পাছ কৰিব আৰু হায়াৰ ছেকেণ্ডাৰী পাছ কৰিব, সেই ল'ৰা ছোৱালী সকলক ১০, ০০০ টকাকৈ এককালীনভাৱে আমি তেওঁলোকৰ বেংক একাউন্টত জমা দিম। ১৪,০০০ যুৱকক আমি ইতিমধ্যে ২৫০০০ টকাকৈ এটা এককালীন সাহ্যৰ্য্য আগবঢ়াইছিলো যাতে তেওঁলোকে ক্ষুদ্ৰ ব্যৱসায়ৰ লগত জড়িত হ'ব পাৰে। এইবাৰ আমি ২০ হাজাৰ বাগিছাৰ ছাত্ৰ-ছাত্ৰী আৰু যুৱক-যুৱতীক আমি ২৫ হাজাৰ টকাকৈ দিয়াৰ আমি সিদ্ধান্ত লৈছো। ২০১৮-১৯ বিত্তীয় বৰ্ষত চাহ বাগানৰ লাইনৰ চৰ্দাৰ সকলৰ যোগাযোগৰ সুবিধাৰ বাবে ১১,০০০ স্মাৰ্টফোন বিতৰণ কৰা হৈছিল অৱশ্যে বিগত বৰ্ষত ৪০০০ লাইন চৰ্দাৰ এই আঁচনিৰ পৰা বাদ পৰি গৈছিল।

এইবাৰ তেওঁলোকক স্মাৰ্টফোন যোগান ধৰা হ'ব। অধ্যক্ষ মহোদয় অত্যন্ত বিনম্ৰতাৰে সৈতে আৰু এটা আঁচনি মই আপোনালোকৰ আগত দাঙি ধৰিব বিচাৰিছো, বাগিচাৰ শ্ৰমিক সকল অৱসৰ হয়, gratuity পায় নাপায়, তেওঁলোকক বাগানৰ মালিকে abandone কৰে, এইবাৰ আমি ভৱিষ্যনিধিৰ লগত চুক্তি কৰিছো প্ৰতিজন চাহ বাগিছাৰ শ্ৰমিকে অৱসৰৰ দিনত ৰাজ্য চৰকাৰ আৰু চাহ বাগিছাৰ ভৱিষ্যনিধিৰ যৌথ প্ৰচেষ্টাত ৫০,০০০ টকাকৈ অৱসৰৰ দিনা gratuity লাভ কৰিব। অধ্যক্ষ মহোদয়, বাগিছাত আমি লাইনত প্লেৰ্ভচ ব্লক বনাইছিলো, এইবাৰ আমি বাগিছাৰ ডিভিজনত আমি প্লেৰ্ভচ ব্লকৰ ৰাস্তা বনাবলৈ আমি সিদ্ধান্ত গ্ৰহণ কৰিছো। অধ্যক্ষ মহোদয়, চাহ বাগিছাত এল পি স্কুল আছে, এম ই স্কুল আছে ,হাই স্কুল নাই। এইবাৰ আমি ১০২ খন চাহ বাগিছাত হাইস্কুল আমি স্থাপন কৰিব খুজিছো। প্ৰত্যেকখন হাইস্কুলত আমি ৩ কোটি কৈ টকা খৰচ কৰিম। ইয়াত Annexure এখন দিয়া আছে, আপোনালোকে ১০২ খন গ্ৰন্থৰ ক'ত ক'ত এই হাই স্কুল হ'ব, তাৰ নাম আপোনালোকে পাব। অধ্যক্ষ মহোদয়, চাহ বাগিছা অঞ্চলত ফুটবল খেল জনপ্ৰিয় কৰাৰ বাবে ১০০ খন ফুটবলৰ ফিল্ড নিৰ্মান কৰা হ'ব। ৫ লাখ টকাকৈ তাৰবাবে চৰকাৰে আগবঢ়াব। অধ্যক্ষ মহোদয়, Tea Welfare ৰ দায়িত্ব বহুত বঢ়িলে। কাম কৰিবৰ কাৰণে তেওঁলোকৰ Grass root ত বিষয়া নাই। সেই কাৰণে তেওঁলোকৰ বাবে District Programme Management Unit , আৰ Block District Programme Unit, আৰু আমি স্থাপন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছো। অধ্যক্ষ মহোদয় অৰুন্ধতী আঁচনি, আমি অৰুন্ধতী আঁচনিৰ জৰিয়তে কণ্যা সন্তানৰ বিবাহ হ'লে ১ তোলা সোণৰ বাবে ৩০,০০০ টকাকৈ দিয়াৰ সিদ্ধান্ত লৈছিলো। এই আঁচনি ইতিমধ্যে আৰম্ভ হৈছে। ল'ৰা-ছোৱালীয়ে বিয়া পঞ্জীয়ন কৰি ওৱেবচাইটৰ জৰিয়তে পুঁজিৰ বাবে আবেদন কৰিছে। ৩১ মাৰ্চৰ ভিতৰত তাৰ আমি প্ৰথম কৃষ্টি উলিয়াই দিম। সোনৰ দাম বাঢ়িছে। ৩০ হাজাৰ টকাত ১তোলা সোন নাপায়। এইবাৰৰ পৰা অৰুন্ধতী আঁচনিৰ জৰিয়তে ১ তোলা সোনৰ বাবে আমি ৩০ হাজাৰ টকাৰ স্থানত ৪০ হাজাৰ টকাকৈ দিবৰ কাৰণে সিদ্ধান্ত লৈছো। অধ্যক্ষ মহোদয়, আমি গৌৰৱ অনুভৱ কৰো, যে আমাৰ চৰকাৰে দুখন অতি গুৰুত্বপুৰ্ণ আঁচনি ৰূপায়ন কৰি আছে। এখন হৈছে শ্বহীদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেঞ্চন আঁচনি আৰু আনখন ইন্দিৰা মিৰি সামাজিক বিধৱা পেঞ্চন আঁচনি। অধ্যক্ষ মহোদয়, আমি শ্বহীদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেঞ্চন আঁচনিৰ জৰিয়তে ১৩ লাখ বৃদ্ধ লোকক পেঞ্চন আগবঢ়াবলৈ সক্ষম হৈছো। ইন্দিৰা মিৰি সামাজিক বিধৱা পেঞ্চন আঁচনিত ১ লাখ বিধৱা মহিলাই পেঞ্চনৰ বাবে আবেদন কৰিছে আৰু অলপ আবেদন আহিব ৩১ মাৰ্চৰ আগতে এই পুঁজি যাব। সকলোৱে পাৰ। বিধৱা হ'ল, বৃদ্ধ হ'ল। আমাৰ যি সংহত সামাজিক সুৰক্ষাৰ যি প্ৰতিচ্ছবি, সেই প্ৰতিচ্ছবিখনত এতিয়া আমাৰ মনলৈ ভাহি আহে সেই বিয়া নোহোৱা ছোৱালীগৰাকী, ৪০ বছৰ হ'ল। বিয়া নিজে হোৱা নাই। বা ডিৰ্ভোচ হ'ল বা আন কাৰণত তেওঁ ঘৰৰ নিজৰ ককায়েক ভায়েকক পঢ়াবৰ কাৰনে নিজে বিয়াত নবহাৰ বাবে সামাজিক সিদ্ধান্ত ললে। এই অবিবাহিত মহিলাসকলৰ বাবেও এইতয়াৰে পৰা আমি মাহিলী ২৫০ টকাকৈ পেঞ্চন আগবঢ়াবলৈ আমি সিদ্ধান্ত লৈছো। পেঞ্চন শব্দটো আমি ক'ব খোজা নাই। আপোনালোকে যদি গাৱত যায় তেতিয়া দূৰ্ভাগ্য দেখিব, ছোৱালীজনীৰ বিয়া হ'ব পৰা সকলো গুণ গৰিমা আছে কিন্তু ভায়েকক পঢ়াবৰ কাৰণে কষ্ট কৰি মাকৰ যত্ন লৈ আনৰ কল্যাণৰ বাবে ছোৱলীজনীয়ে নিজে বিয়াত নবহাৰ সিদ্ধান্ত লয়। সেই কাৰনে এই আঁচনিটোক আমি নাম দিছো আইদেউ সন্দিকৈ মহিলা সন্মান আঁচনি। সন্মান আগবঢ়াব খুজিছো আইম তেওঁক পেঞ্চন দিব খোজা নাই। অধ্যক্ষ মহোদয়, এই গোটেইখিনি আঁচনিৰ বাবে আমি

ৰাজ্যচৰকাৰে এই বছৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগকক ৫০৫ কোটি টকা আৱন্টন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছো।

IX. বিস্তাৰিত কনকলতা মহিলা সবলীকৰণ আঁচনি

৯৭। অধ্যক্ষ মহোদয়, ৰাজ্যখনৰ মহিলা আত্মসহায়ক গোটসমূহৰ সবলীকৰণৰ উদ্দেশ্যে ২০১৮ চনৰ ১ এপ্ৰিলত ২৫০ কোটি টকাৰ প্ৰাৰম্ভিক বাজেট ব্যয়েৰে ‘কনকলতা মহিলা সবলীকৰণ আঁচনি’ খনৰ শুভাৰম্ভ কৰা হৈছিল। এই আঁচনিৰ অধীনত পৰিবৃদ্ধিশীল খণ্ডৰ আত্মসহায়ক গোটৰ প্ৰত্যেকে ২৫,০০০ টকাকৈ আৰু অপৰিবৃদ্ধিশীল খণ্ডৰ প্ৰতিটো আত্মসহায়ক গোটে ১০,০০০ টকাকৈ পুঁজি লাভ কৰে। ২০১৯-২০ বৰ্ষত ৬৩,০০০ খন নতুন আত্মসহায়ক গোটক আঁচনিখনে সামৰি লয়।

৯৮। ‘কনকলতা মহিলা সবলীকৰণ আঁচনি’ ৰ দ্বাৰা ২৫,০০০ টকা আৰু ১০,০০০ টকাকৈ আৰ্থিক অনুমোদন লাভ কৰি পাম আৰু অনাপাম খণ্ডত মহিলা সকলৰ দ্বাৰা পৰিচালিত গ্ৰাম্য আত্মসহায়ক গোট সমূহে সন্মান সহকাৰে জীৱন নিৰ্ব্বাহৰ পথ লাভ কৰিছে।

৯৯। মহোদয়, আঁচনিখনে মহিলাসকলক সবল কৰি তোলাৰ আৰু ইয়াৰ দ্বাৰা হিতাধিকাৰীসকলৰ জীৱন আলোকিত হৈ উঠাৰ কিছু হৃদয়স্পৰ্শী কাহিনী মই এই পবিত্ৰ সদনৰ সন্মানীয় সদস্য সকলৰ সন্মূখত ব্যক্ত কৰিব বিচাৰিছো।

১০০। গোলাঘাট জিলাৰ পদ্মিনী আত্মসহায়ক গোটটো দুগ্ধ উৎপাদনত নিয়োজিত আৰু এই গোটে গাখীৰ আৰু দুগ্ধজাত সামগ্ৰীৰ বিক্ৰীৰ দ্বাৰা প্ৰতিমাহে ১.১৫ লাখ টকা উপাৰ্জন কৰে। বঙাইগাওঁ জিলাৰ ‘উন্নতি’ আত্মসহায়ক গোটৰ জাবেদা খাটুনে কনকলতা মহিলা সবলীকৰণ আঁচনিৰ অধীনত এটা ঋণ লৈ ই-ৰিক্সা ক্ৰয় কৰিছিল। তেওঁ বৰ্তমান প্ৰত্যেক মাহতে ১৫,০০০ টকা উপাৰ্জন কৰি আছে। যোৰহাট জিলাৰ ‘তৰা’ আত্ম সহায়ক গোটে আঁচনিখনৰ দ্বাৰা আৰ্থিক সাহাৰ্য্য লাভ কৰি টেইলৰিং গোট স্থাপন কৰিছিল। গোটেটোৱে বৰ্তমান বছৰেকত ২.৫ লাখ টকা উপাৰ্জন কৰে। লক্ষীমপুৰ জিলাৰ ‘আইদেউ জনকল্যাণ আত্মসহায়ক’ গোটৰ ৰুমী গোহাঁয়ে আঁচনিখনৰ সাহায্য লাভ কৰি মুগা উৎপাদন আৰু বয়নত জড়িত হৈ পৰে আৰু বৰ্তমান তেওঁ বছৰেকত ২ লাখ টকাকৈ উপাৰ্জন কৰে।

১০১। গ্ৰাম্য মহিলা সকলৰ এই উৎসাহ-উদ্দীপনা আৰু সফলতাৰ ধাৰা অটুট ৰাখিবলৈ মই ঘোষণা কৰিবলৈ পাই সুখী হৈছো যে বেংকৰ ঋণ লাভ কৰা বা লাভ কৰিবলৈ যোগ্যতা থকা আত্মসহায়ক গোটসমূহৰ প্ৰত্যেকলৈ ৫০,০০০ টকাৰ আৰ্থিক অনুদান আগবঢ়োৱা হ’ব। এই আঁচনিৰ অধীনত আত্মসহায়ক গোটৰ প্ৰায় ১,০৪,৫০৪ গৰাকী মহিলা উপকৃত হ’ব বুলি আশা কৰা হৈছে।

১০২। ইয়াৰ উপৰি আমি পৰিবৃদ্ধিশীল খণ্ডৰ প্ৰতিখন আত্মসহায়ক গোটলৈ ২৫,০০০ টকাৰ আৰু অপৰিবৃদ্ধি অপৰিবৃদ্ধিশীল খণ্ডৰ প্ৰত্যেক আত্ম-সহায়ক গোটলৈ ১০,০০০ টকাৰ আৰ্থিক অনুদান অব্যাহত ৰাখিম। ২০২০-২১ বিত্তীয় বৰ্ষত ৫৪,৮০০ টা নতুন আত্ম-সহায়ক গোট আঁচনিখনৰ দ্বাৰা উপকৃত হ’ব।

১০৩। সেইবাবে এই অতিশয় সফল আঁচনিখনৰ বাবে সৰ্ব্বমুঠ ৬৫০ কোটি টকাৰ ক্ৰমবৰ্দ্ধমান ব্যয় নিৰ্ধাৰণ কৰা হৈছে।

১০৪। মহোদয়, আমি এটা কথা উল্লেখ কৰিব লাগিব যে ‘জীৱিকা সখী’ নামেৰে পৰিচিত সাধাৰণ সমল ব্যক্তি সকলৰ ওপৰতে আঁচনিখনৰ সফলতা নিৰ্ভৰশীল। দৰাচলতে তেওঁলোক হ’ল আত্ম-সহায়ক বিপ্লৱৰ পথ নিৰ্দ্দেশক। তেওঁলোকে ইখন গাঁৱৰ পৰা সিখন গাঁৱলৈ, এখন আত্ম-সহায়ক গোটৰ সভাৰ পৰা আন এখনলৈ সততে অহা-যোৱা কৰি আত্ম-সহায়ক গোটৰ মহিলা সকলক

দশসূত্রৰ নীতিৰে সামৰি তেওঁলোকক সবল আৰু অনুপ্ৰানিত কৰে। অসমৰ জীৱিকা সখী সকলৰ অৱদানৰ স্বীকৃতি স্বৰূপে তেওঁলোকৰ প্ৰত্যেককে আমি একোখনকৈ স্কুটী প্ৰদান কৰিম আৰু তেওঁলোকৰ মাহেকীয়া বেতনৰ ওপৰিঞ্চি ভাৱে ৫০০ টকাকৈ ভ্ৰমণ বানচ আগবঢ়োৱা হ'ব। এই উদ্দেশ্যে মই আঁচনিখনৰ বাবে ৩৬ কোটি টকাৰ আবণ্টন দিছো।

## X. অসম মালা

১০৫। অধ্যক্ষ মহোদয়, ২০১৮-১৯ বৰ্ষৰ বাজেটৰ ঘোষণা অনুসৰি 'অসম মালা' আঁচনিৰে ৰাজ্যিক ঘাইপথ আৰু জিলাৰ প্ৰধান পথ সমূহৰ সংযোগ আৰু সম্প্ৰসাৰণৰ কাৰ্য্যব্যৱস্থা ৰূপায়িত হৈ আছে। মই আপোনাক জনাবলৈ পাই সুখী হৈছো যে এই প্ৰকল্পই বহুমুখী বেংক সমূহৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। লগতে এছিয়ান ডেভেলপমেণ্ট বেংকৰ ৫,০০০ কোটি টকাৰ অৰ্থসাহাৰ্য্যৰ অধীনত আমি ARNP আৰু ASRIP শীৰ্ষক দুটা বাহ্যিক সাহায্যযুক্ত প্ৰকল্প মঞ্জুৰ কৰাবলৈ সক্ষম হৈছো। বিগত বাজেটত 'অসম মালা' আঁচনিৰ বাবে নিৰ্বাচিত পথসমূহৰ তালিকা সন্নিবিষ্ট কৰা নাছিলো, কাৰণ সেইসময়ত আঁচনিখন প্ৰাৰম্ভিক পৰ্য্যায়তে আছিল। এইয়া যিয়েই নহওঁক, সন্মানীয় সদস্য সকল আৰু আন শ্ৰোতা-দৰ্শকৰ জ্ঞাতাৰ্থে 'অসম মালা' অধীনস্থ প্ৰকল্প সমূহৰ এখন তালিকা আগবঢ়ালো।

১০৬। মই অত্যন্ত সুখ অনুভৱ কৰিছো যে নিম্নোক্ত প্ৰকল্প চাৰিটাৰ কাম ইতিমধ্যে চলি আছে আৰু ভাৰসাম্যযুক্ত কাৰ্য্যৰ বাবে বিস্তৃত প্ৰকল্প প্ৰতিবেদন (DPR) যুগুত কৰি থকা হৈছে। প্ৰকল্প চাৰিটা হ'ল- (ক) শিঙিমাৰী-শুৱালকুছি পথ ৰাজগড়লৈ উন্নীতকৰণ আৰু চাৰিলেন যুক্ত কৰি বহলীকৰণ।

(খ) নলবাৰীত ঘগ্ৰাপাৰ দামোদৰ ধাম- বিজুলীঘাট পথৰ উন্নীতকৰণ আৰু বহলীকৰণ।

(গ) মাজুলীৰ গড়মূৰ-জেংৰাইৰ পথটো দুই লেন যুক্ত পথলৈ উন্নীতকৰণ।

(ঘ) গোভালিৰ পৰা ভকতগাঁৱলৈ পথছোৱা (SH-3) ৰ উন্নীতকৰণ।

১০৭। আমি দুটাকৈ বাহ্যিক সাহায্যযুক্ত প্ৰকল্পৰ বাবে ৫,০০০ কোটি টকাৰ প্ৰতিশ্ৰুতি লাভ কৰিছো। বৰ্তমানে আমাৰ বাবে সৰ্বাধিক গুৰুত্বপূৰ্ণ কাৰ্য্য হ'ল প্ৰকল্পসমূহৰ বাবে ভূমি অধিগ্ৰহণ, উপযোগিতা হস্তান্তৰকৰণ আৰু বিস্তৃত প্ৰকল্প প্ৰতিবেদন চূড়ান্তকৰণ। ইয়াৰ বাবে আমি ২০২০-২০২ৰ বাজেটৰ পৰা ২৮৫ কোটি টকাৰ আবন্টন দিছো।

১০৮। মহোদয়, এই বিস্তৃত পথ যোগাযোগৰ মাষ্টাৰ প্লেনে ৰাষ্ট্ৰীয় ঘাই পথ, ৰাজ্যিক পথ, জিলাৰ মুখ্য পথ, গ্ৰাম্য আৰু চহৰীয়া পথকে ধৰি সৰ্ব্বমুঠ প্ৰায় ৫৭,৬১৭ কি.মি. দৈৰ্ঘ্য সামৰি ল'ব। ২০২০-২১ বিত্তীয় বৰ্ষত ৰাজ্যিক অগ্ৰাধিকাৰ ভিত্তিত উন্নয়ণ (SOPD) প্ৰকল্প আৰু প্ৰধানমন্ত্ৰী গ্ৰাম ছড়ক যোজনা (PMGSY) ৰ অধীনত নিৰ্মাণৰত ২৫০০ কিলোমিটাৰ পথৰ উপৰি 'অসম মালা' আঁচনিৰ অধীনত নতুনকৈ সৰ্বমুঠ ১২৬০ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ নিৰ্মাণ কৰা হ'ব। প্ৰধানমন্ত্ৰী গ্ৰামছড়ক যোজনাৰ অধীনত ২১৩০ কিলোমিটাৰ ৰাস্তা নিৰ্মাণ কৰা হ'ব। তাৰবাবে বাজেটত পৰ্যাপ্ত পৰিমাণৰ আবণ্টনৰ প্ৰস্তাৱ কৰা হৈছে।

১০৯। মহোদয়, মই ওদ্যোগিক কেন্দ্ৰ, ব্যৱসায়-বাণিজ্যৰ কেন্দ্ৰক সংযোজিত কৰা ওপৰঞ্চি আঠটা পথৰ উন্নীতকৰণ আৰু বহলীকৰণৰ বাবে প্ৰস্তাৱ আগবঢ়াইছো। কামৰূপ(গ্ৰাম্য), ওডালগুৰি, শোনিতপুৰ, উত্তৰ কাছাৰ পাৰ্বত্য জিলা, তিনিচুকীয়া, ডিব্ৰুগড় আৰু শিৱসাগৰ এই সাতখন জিলাৰ সৰ্বমুঠ এনে ১২২ কিলোমিটাৰ পথৰ উন্নীতকৰণ আৰু বহলীকৰণৰ বাবে মই বাজেটত ২৫০ কোটি টকা আছুতীয়াকৈ ধাৰ্য্য কৰিছো। এনে পথৰ তালিকা পৰিশিষ্ট -৩ ত সংযোজিত কৰা হৈছে।

১১০।ৰাজ্যিক গড়কাপ্তানী বিভাগে চিকিৎসালয় আৰু শিক্ষানুষ্ঠান সমূহক সংযোগ কৰা পথ নিৰ্মাণৰ দায়িত্ব ল'ব।

১১১। মহোদয়, আমি সকলোৱে জানো যে দলং সমূহে আমাৰ অৰ্থনৈতিক প্ৰমূল্য আৰু জনজীৱনত ব্যাপক প্ৰভাৱ বিস্তাৰ কৰে। মই ২০১৭-১৮ বৰ্ষৰ বাজেটত 'লাচিত আৰু চিলাৰায় সেঁতু নিৰ্মাণ অভিযান' ৰ অধীনত ১০০০ খন কাঠৰ দলং পকী দলঙলৈ পৰ্যবসিত কৰাৰ কথা ঘোষণা কৰিছিলো। গড়কাপ্তানী বিভাগে বিভিন্ন উৎসৰ সহায়ত ৭৫৭ খন কাঠৰ দলং কংক্ৰীট দলঙলৈ পৰ্যবসিত কৰিবলৈ ধন মঞ্জুৰ কৰিছে, ইয়াৰে ৬৯ খনৰ কাম সম্পূৰ্ণ হৈছে আৰু ৫৪২ খন দলঙৰ সম্পূৰ্তিৰ কাম বিভিন্ন পৰ্য্যায়ত আছে।

## XI. প্ৰজ্ঞান ভাৰতী

১১২। সন্মানীয় মহোদয়, প্ৰয়াত ৰাষ্ট্ৰপতি এ পি জে আব্দুল কালামৰ কথাৰে ক'বলৈ হ'লে - " শিক্ষা গ্ৰহণ উদ্দেশ্যপূৰ্ণ হ'লে সৃষ্টিশীলতা প্ৰস্ফুটিত হয়। সৃষ্টিশীলতা ফুলি উঠিলে ভাবৰ বিকাশ ঘটে। ভাব বিকশিত হ'লে জ্ঞান সম্পূৰ্ণৰূপে আলোকিত হয়। জ্ঞান আলোকিত হ'লে অৰ্থনীতি সমৃদ্ধ হৈ উঠে।"

১১৩। আমাৰ চৰকাৰে অতি গুৰুত্ব সহকাৰে অসমৰ মাধ্যমিক আৰু উচ্চ শিক্ষাক বিশ্বজনীন ৰূপ দিয়াৰ প্ৰয়াস অব্যাহত ৰাখিছে যাতে আমাৰ লক্ষ লক্ষ শিশুৰ ভৱিষ্যত সমৃদ্ধিশালী হৈ উঠে আৰু তেওঁলোক আমাৰ সমাজ আৰু অৰ্থনাতিৰ উৎপাদনক্ষম সভ্য হৈ পৰে। এই উদ্দেশ্য সৰোগত কৰি আমি ছাত্ৰ-ছাত্ৰী সকলক বিভিন্ন আঁচনিৰে সামৰি লৈ ভিন ভিন আঁচনি ঘোষণা আৰু ৰূপায়ণ কৰিছিলো। যেনে - বছৰি দুই লাখ টকাতকৈ কম উপাৰ্জন কৰা লোকৰ সন্তানক ডিগ্ৰী পৰ্য্যায়লৈ বিনামূলীয়াকৈ নামভৰ্ত্তি কৰা, দ্বাদশ শ্ৰেণীলৈ চৰকাৰী বিদ্যালয়ত অধ্যয়নৰত শিক্ষাৰ্থীক বিনামূলীয়া পাঠ্যপুথি আৰু বিনামূলীয়া সমবেশ (Uniform) ৰ যোগান ধৰা। আমি ২০২০-২১ বিত্তীয় বৰ্ষটো এই আঁচনি অব্যাহত ৰাখিম আৰু ইয়াৰ বাবে যথেষ্ট ধন আছুতীয়াকৈ ৰখা হৈছে।

১১৪।দ্বাদশ শ্ৰেণীলৈ শিক্ষাৰ্থীসকলক বিনামূলীয়া পাঠ্যপুথি যোগানৰ আঁচনি সফল ভাৱে ৰূপায়িত হোৱাৰ পাছত আঁচনিখন স্নাতক পৰ্য্যায়লৈ অধ্যয়ণৰত শিক্ষাৰ্থীলৈ সম্প্ৰসাৰিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই আঁচনিৰ অধীনত প্ৰায় ১ লাখ শিক্ষাৰ্থীৰ প্ৰত্যেককে ২০২০ চনৰ ৩১ মাৰ্চৰ ভিতৰত প্ৰত্যক্ষ বেংক হস্তান্তৰণ (DBT) পদ্ধতিত ১০০০ ৰ কৈ টকা দিয়া হ'ব। ২০২০-২১ বিত্তীয় বৰ্ষত আঁচনিখনেৰে স্নাতকোত্তৰ পৰ্য্যায়ত অধ্যয়ণৰত শিক্ষাৰ্থীকো সামৰি লোৱা হ'ব। এতিয়া পাঠ্যপুথি ক্ৰয়ৰ বাবে শিক্ষাৰ্থীয়ে ১৫০০ টকাকৈ আৰু স্নাতকোত্তৰ মহলাৰ শিক্ষাৰ্থীয়ে প্ৰত্যক্ষ বেংক হস্তান্তৰ পদ্ধতিৰে ২০০০ কৈ টকা লাভ কৰিব। এই ক্ষেত্ৰত শিক্ষানুষ্ঠানৰ মুৰব্বীসকলৰপৰা সম্পূৰ্ণ সহযোগীতা বিচাৰিছোঁ যাতে আঁচনিখন সফলতাৰে ৰূপায়ণ কৰাটো সম্ভৱপৰ হৈ উঠে।

**১১৫।** মহোদয়, চলিত বিত্তীয় বৰ্ষত শিক্ষাৰ্থীৰ আৰ্থিক অৱস্থাৰ ভিত্তিত তেওঁলোকলৈ মাহেকত ৭০০ টকাৰ হিচাপত বছৰি **১০** মাহৰ আবাসিক মাচুল আগবঢ়োৱাৰ কথা ঘোষণা কৰা হৈছিল। মই সুখী যে প্ৰায় **১১,০০০** গৰাকী ছাত্ৰ-ছাত্ৰীলৈ এই ধন নিৰৱচ্ছিন্নভাৱে যোগান ধৰি **২০২০-২১** বিত্তীয় বৰ্ষত এই ৰাজসাহায্যৰ পৰিমাণ মাহেকত **১০০০** টকালৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে আৰু ৰাজ্যিক পৰ্যায়ৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰাবাস-ছাত্ৰী নিবাসত থকা শিক্ষাৰ্থীৰ প্ৰত্যেককে **১০,০০০** টকাক এককালীন অৰ্থ-সাহায্য আগবঢ়োৱা হ'ব। ইয়াৰ বাবে যথেষ্ট পৰিমাণৰ ধন বাজেটত ৰখা হৈছে।

**১১৬।** আমাৰ ৰাজ্যৰ বহুতো অভিভাৱকে তেওঁলোকৰ সন্তানৰ সপোন পূৰণ কৰিবলৈ,

তেওঁলোকক উচ্চ শিক্ষাৰে শিক্ষিত কৰিবলৈ শিক্ষা-ঋণ গ্ৰহণ কৰে। আমাৰ চৰকাৰে অভিনন্দন শিক্ষা ঋণ অৰ্থ-সাহায্য আঁচনি (AELS) এই বৰ্ষতে গ্ৰহণ কৰিছে। ইয়াৰ উদ্দেশ্য হ'ল উচ্চ শিক্ষাৰ বাবে ঋণ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলক **৫০,০০০** টকাৰ এককালীন অৰ্থ-সাহায্য প্ৰদান কৰা। মই আপোনালোকক জনাবলৈ পাই সুখী হৈছে যে প্ৰায় **২,৭০০** ছাত্ৰ-ছাত্ৰীলৈ এনে অৰ্থ-সাহায্যৰ লাভ আগবঢ়োৱা হৈছে। নগাঁও আৰু কাছাৰ কাগজ কলৰ কৰ্মচাৰীৰ সন্তানেও এই সুবিধাকণ লাভ কৰিছে। **২০২০** চনৰ মাৰ্চ মাহৰ ভিতৰত পুনৰ **৩০০০** ছাত্ৰ-ছাত্ৰী এই আঁচনিৰ দ্বাৰা উপকৃত হ'ব।

**১১৭।** মহোদয়, নাৰীক দাসত্ব বন্ধনৰ পৰা মুক্ত কৰা আৰু নাৰীশিক্ষাৰ পূৰ্ণ প্ৰসাৰ ঘটোৱাটো আমাৰ হৃদয়ৰ আহ্বান। আমি তেওঁলোকক তেওঁলোকৰ শিক্ষানুষ্ঠানত নিৰাপদে উপস্থিত কৰোৱাৰ উদ্দেশ্যে দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাত মেধাৰ ভিত্তিত প্ৰথম **২০,০০০** গৰাকী ছাত্ৰীক **২০২০-২১** বিত্তীয় বৰ্ষত একোখনকৈ স্কুটী আগবঢ়াব।

## XII. কৰ্কট ৰোগ নিৰাময় বুনিয়াদ

**১১৮।** অসমত কৰ্কট ৰোগীৰ হাৰ ভাৰতৰ ভিতৰতে সৰ্বাধিক। এই ৰোগ কেৱল বছৰে বছৰে অজস্ৰ লোকৰ মৃত্যুৰ কাৰণেই নহয়, ই ৰোগী আৰু তেওঁৰ পৰিয়াললৈ দুৰ্ঘোৰ আৰ্থিক অমানিসা নমাই আনে। বহু সময়ত কৰ্কটৰোগী আৰু তেওঁৰ পৰিয়ালে চিকিৎসাজনিত কাৰণত দূৰ-দূৰণিৰ বহিঃৰাজ্যলৈ গমন কৰিবলৈ বাধ্য হয়। ই ৰোগী আৰু তেওঁৰ পৰিয়ালৰ মূৰত আৰ্থিক বোজা জাপি দিয়ে। আমি নিশ্চয়কৈ বুজি পাওঁ যে ৰাজ্যখনৰ ভিতৰত কৰ্কট ৰোগ নিৰাময়ৰ সুবিস্তৃত আৰু সবল চিকিৎসা ব্যৱস্থাই ৰোগীসকলক অযথা খৰচান্ত হোৱাৰ পৰা ৰক্ষা কৰিব।

**১১৯।** এই কথাৰ ওপৰত দৃষ্টি নিবদ্ধ কৰি স্বাস্থ্য বিভাগে অসম কৰ্কট ৰোগ নিৰাময় বুনিয়াদ (Assam Cancer Care Foundation: ACCF) ৰ অধীনত কৰ্কট ৰোগ নিৰাময় আঁচনি ৰূপায়িত কৰাৰ ক্ষেত্ৰত ত্বৰান্বিত অগ্ৰগতি লাভ কৰিছে। ৰাজ্যখনত কৰ্কট ৰোগৰ নিৰাময়ৰ বাবে গ্ৰহণ কৰা এয়াই প্ৰথম তিনি তৰপীয়া কাৰ্যাৱলী হিচাপে পৰিগণিত হ'ব। অগ্ৰগণ্য নিৰাময় কেন্দ্ৰসমূহ দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ কৰ্কট নিৰাময় কেন্দ্ৰৰ লগতে সংযোজিত হ'ব। ইয়াৰ দ্বাৰা ৰোগীয়ে ঘৰতে থাকি সমীপস্থ কেন্দ্ৰৰ সহায়ত ৰোগৰ লক্ষণ নিৰূপণ আৰু চিকিৎসা সেৱা অব্যাহত ৰূপত লাভ কৰাৰ সুবিধা পাব। ইয়াৰ দ্বাৰা ৰোগীৰ যাতায়াতৰ শ্ৰম আৰু ব্যয়ৰ বোজা হ্ৰাস পাব।

**১২০।** চৰকাৰে এই অভিলাষী আঁচনিখনৰ বাবে এতিয়ালৈকে **৫৫০** কোটি টকা আগবঢ়াইছে আৰু টাটা নিধিয়ে **২৫০** কোটি টকাৰ আৰ্থিক অংশীদাৰিত্ব আগবঢ়াইছে. আমি এই ক্ষেত্ৰত **২০২০-২১** বিত্তীয় বৰ্ষৰ বাবে **৫০০** কোটি টকাৰ বাজেট নিৰ্ধাৰণ কৰিছোঁ আৰু টাটা নিধিয়ে নিৰ্ধাৰিত অনুপাতত তেওঁলোকৰ অংশীদাৰিত্ব আগবঢ়াব।

**১২১।** এই কেন্দ্ৰসমূহৰ নিৰ্মাণ কাৰ্য ইতিমধ্যে ডিব্ৰুগড়, গুৱাহাটী, বৰপেটা, তেজপুৰ, লক্ষীমপুৰ, যোৰহাট, ডিফু আৰু কোকৰাঝাৰত আৰম্ভ হৈছে আৰু দৰং আৰু শিলচৰত অচিৰেই আৰম্ভ হ'ব। আশা কৰা গৈছে যে **২০২০-২১** বৰ্ষৰ ভিতৰতে এই হাস্পতালসমূহৰ প্ৰথম পৰ্যায়বোৰ কাৰ্যক্ষম হৈ উঠিব।

**১২২।** আনহাতে, বিস্তৃত সজাগতামূলক কাৰ্যাৱলী আৰু প্ৰতিৰোধ ব্যৱস্থাৰ লগতে উচ্চ-স্তৰীয় ৰোগ নিৰাময়ৰ ব্যৱস্থা কৰিবলৈ সংহত প্ৰযুক্তি মঞ্চ গঢ়ি উঠিছে। আমি মাত্ৰ তিনি বছৰতকৈও কম সময়ৰ ভিতৰতে **৩৪,৫৪৪** গৰাকী ৰোগীৰ কৰ্কট চিনাক্ত কৰিবলৈ সমৰ্থ হৈছোঁ।

**১২৩।** মই **২০২০-২১** বৰ্ষৰ বাজেটত এই আঁচনিৰ বাবে **৪৭৫** কোটি টকাৰ আবণ্টন দিছো

আৰু মই দৃঢ়ভাৱে বিশ্বাস কৰো যে এই সুবিশাল আঁচনিখনে পৰৱৰ্তী বিত্তীয় বৰ্ষ শেষ হোৱাৰ আগতেই ৰাইজৰ কাষ চাপিবলৈ সক্ষম হ'ব।

## XIII. ভ্ৰমণ সাৰথি

**য়ত্ৰ বীতভয়াঃ নাৰ্য়ঃ য়ত্ৰ বৃদ্ধাঃ প্ৰপূজিতাঃ**
**উপাস্তে তত্ৰ শান্তিশ্চ শ্ৰিয়াস্তত্ৰ প্ৰবৰ্ধতে !**

**য'ত নাৰীসকলে নিৰাপত্তা পায় আৰু বয়সিয়াল লোকসকলে পায় সন্মান,**
**তাতেই বাস কৰে শান্তি, অংকুৰিত হয় উন্নতি**

**১২৪।** মাননীয় অধ্যক্ষ মহোদয়, অসম হ'ল দেৱী মা কামাখ্যাৰ বসতিস্থল। অসমৰ লোকসকল নাৰী জাতিৰ প্ৰতি সদা শ্ৰদ্ধাশীল। আহোম সাম্ৰাজ্যৰ মূলা গাভৰুৰ দেশৰ নাৰীসকল পুৰুষতকৈ কোনো গুণে পিছপৰা নহয়। আনকি এই স্বাধীনতা সংগ্ৰামী খামি-ডাঠ কনকলতা বৰুৱাই দৰেই নাৰীসকলে এখল সবল অসম গঢ়াত এক অগ্ৰণী ভূমিকা পালন কৰি আহিছে।

**১২৫।** আনহাতে, ভাৰতীয় সংস্কৃতিত বয়সিয়াল লোকসকলক সন্মান প্ৰদৰ্শন কৰি আমি আশীৰ্বাদ গ্ৰহণ কৰো। আমাৰ চৰকাৰে বয়সিয়াল লোকসকলক চোৱাচিতা কৰাৰ উদ্দেশ্যে 'প্ৰণাম'ৰ লেখীয়া বিভিন্ন উদ্যোগ গ্ৰহণ কৰাক আমি আমাৰ নৈতিক দায়িত্ব বুলি অনুভৱ কৰোঁ।

**১২৬।** পিছে ৰাজহুৱা সুবিধাসমূহ বিশেষকৈ ৰাজহুৱা পৰিবহণৰ ক্ষেত্ৰত নাৰী আৰু বয়সিয়াল লোকসকলে সমস্যাৰ সন্মুখীন হোৱা পৰিলক্ষিত হয়। বাছত বহু সময়ত থিয় হৈ যোৱা অথবা শ্বেয়াৰ টেম্পোত যথেষ্ট আহুকালৰ সন্মুখীন হৈ বহি যোৱা কথাটো তেওঁলোকৰ বাবে সঁচাকৈয়ে এক তিক্ত অভিজ্ঞতা। যদিও অসম ৰাজ্যিক পৰিবহণ নিগমৰ অধীনত চলিত বাছসমূহৰ কিছুসংখ্যক আসন নাৰী আৰু বয়সিয়াল লোকসকলৰ বাবে সংৰক্ষণ কৰা হৈছে, এই আসনসমূহ আন লোকে অধিকাৰ কৰা দেখা যায়। একেদৰে এই আসনসমূহ নাৰী আৰু বয়সিয়ালসকলৰ বাবে পৰ্যাপ্ত নহয়।

**১২৭।** এই বিষয়টো সমাধানৰ উদ্দেশ্যে মই 'ভ্ৰমণ সাৰথি' নামৰ এক আঁচনিৰ প্ৰস্তাৱ দাঙি ধৰিছোঁ। এই আঁচনিৰ জৰিয়তে নাৰী আৰু বয়সিয়াল লোকসকলৰ বাবে গুৱাহাটী মহানগৰৰ ভিতৰত আমি এক বিনামূলীয়া আৰু উৎসৰ্গীকৃত বাছ সেৱাৰ ব্যৱস্থা আৰম্ভ কৰিম। এই আঁচনিয়ে নিৰাপদ আৰু আৰামদায়ক যাত্ৰাৰ সূচনা কৰাৰ উপৰি তেওঁলোকক ব্যক্তিগত বাহন ব্যৱহাৰৰ পৰিৱৰ্তে ৰাজহুৱা পৰিবহণ ব্যৱস্থা ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত উৎসাহ যোগাব। গোলাপী ৰঙৰ এই বাছসমূহ মহানগৰৰ ব্যস্ত ৰাজপথসমূহত দিনটো চলাচল কৰি থাকিব আৰু এই বাছসমূহে দেশখনৰ নাৰী আৰু বয়সিয়াল লোকসকলৰ বাবে ক্ষিপ্ৰ, নিৰাপদ আৰু সহজ গতিশীলতা সুনিশ্চিত কৰিব।

**১২৮।** নাৰী আৰু বয়সীয়াল লোকসকলৰ লগত মই আমাৰ নিবনুৱা যুৱকসকলৰ বাবে এক সৰু ঘোষণা কৰিবলৈ ওলাইছো। বিভিন্ন পৰীক্ষা/সাক্ষাৎকাৰত অৱতীৰ্ণ হ'বলৈ ওলোৱা নিবনুৱা যুৱকসকলৰ বাবে অসম ৰাজ্যিক পৰিবহণ নিগমে বিনামূলীয়া যাত্ৰাৰ ব্যৱস্থা কৰিব। সাক্ষাৎকাৰৰ বাবে পঠিওৱা কল লেটাৰখনক এইক্ষেত্ৰত টিকট হিচাপে গণ্য কৰা হ'ব আৰু নিবনুৱা যুৱক-যুৱতীসকলে বাছ কণ্ডাক্টৰজনক এই পত্ৰৰ ফটোকপি হস্তান্তৰ কৰিলেই তেওঁ এই বিনামূলীয়া যাত্ৰা নিশ্চিত হ'ব। এনে ধৰণৰ বিনামূলীয়া যাত্ৰাৰ বাবে হোৱা ব্যয় পৰিবহণ নিগমক পৰিশোধ কৰা হ'ব যাতে নিগমৰ বিত্তীয় হানি নহয়।

**১২৯।** অধ্যক্ষ মহোদয়, ২০২০-২১ বিত্তীয় বৰ্ষত ওপৰোক্ত আৰু অন্যান্য আঁচনি প্ৰৱৰ্তনৰ বাবে মই মুঠ ১৪৮ কোটি টকা আৱণ্টনৰ প্ৰস্তাৱ দিছো।

## XIV. অসম দৰ্শন

**১৩০।** অধ্যক্ষ মহোদয়, অসমৰ বিভিন্ন অঞ্চলৰ পৰ্যটন ক্ষেত্ৰ আৰু ধৰ্মীয় স্থলসমূহৰ উন্নয়নৰ ÂúÈÂ Õ±¿ ÂúÈæÂÂ২০১৯-২০ ত 'অসম দৰ্শন' নামৰ এক আঁচনিৰ ঘোষণা কৰিছিলো। কামৰূপ-কামাখ্যা, ব্ৰহ্মপুত্ৰ আৰু মাজুলী আৰু পবিত্ৰ স্থান যেনে- বৰাক উপত্যকাৰ ভূবন তীৰ্থ আদি দৰ্শন কৰা বিষয়ে এই আঁচনিত উল্লেখ আছে। অসমৰ আধ্যাত্মিক পৰম্পৰা উদ্‌যাপনৰ দ্বাৰা সাংস্কৃতিক আৰু ধৰ্মীয় /আধ্যাত্মিক পৰ্যটনৰ উৎকৰ্ষ সাধন হয় বুলি আমি বিশ্বাস কৰো।

**১৩১।** এয়া মোৰ সৌভাগ্য যে যোৱা ২৪ ফেব্ৰুৱাৰী ২০২০ তাৰিখে ৰাজ্যখনৰ বিভিন্ন অঞ্চলৰ যেনে- মাজুলীৰ পৰা মধুপুৰলৈ, ধুবুৰীৰ পৰা শদিয়ালৈ, কামৰূপৰ পৰা কাছাৰলৈ আৰু কৰিমগঞ্জলৈ, ডিমা হাচাও অঞ্চলৰ পৰা বড়ো অধ্যুষিত অঞ্চললৈ বিভিন্ন স্থানৰ ৯১৫ গৰাকী আধ্যাত্মিক মুৰব্বীৰ উপস্থিতিত এই অভিলাষী আঁচনিখন প্ৰৱৰ্তন কৰিবলৈ সক্ষম হৈছো।

**১৩২।** ২০১৯-২০ বৰ্ষত ঘোষণা কৰাৰ দৰে ২০২০-২১ বিত্তীয় বৰ্ষত আমি ধৰ্মানুষ্ঠানসমূহলৈ অতিৰিক্ত ২ লাখ টকাৰ বাৰ্ষিক অনুদান আগবঢ়াম।

**১৩৩।** আমি ৯১৫ খন অনুষ্ঠানক প্ৰথম কিস্তি হিচাপে ১০ লাখ টকা হস্তান্তৰ কৰিছো। তীৰ্থযাত্ৰীসকলৰ বাবে এই অনুষ্ঠানসমূহৰ আন্তঃগাথনি উন্নত আৰু উপভোগ্য কৰি তুলিবলৈ মন্দিৰ, সত্ৰ, নামঘৰ, মছজিদ, গীৰ্জা আৰু গুৰুদ্বাৰসমূহক এই আঁচনিত অন্তৰ্ভুক্ত কৰা হৈছে। ২০২০-২১ বিত্তীয় বৰ্ষত এই ধৰ্মীয় অনুষ্ঠানসমূহক দ্বিতীয় পৰ্যায়ত আমি ১০ লাখকৈ অনুদান আগবঢ়াম। ২০১৯-২০ বিত্তীয় বৰ্ষৰ বাজেটত দিয়া প্ৰতিশ্ৰুতি অনুসৰি ৯১৫ খন ধৰ্মীয় অনুষ্ঠানৰ পৰা বাদ যোৱা আন ৩৭৭ খন শতবৰ্ষ গৰকা ধৰ্মীয় অনুষ্ঠান আমি সামৰি লম। তীৰ্থযাত্ৰীৰে ঠাহ খাই থকা এই অনুষ্ঠানসমূহক ১০ লাখ টকাৰ আন্তঃগাঁথনিক অনুদান আগবঢ়োৱা হ'ব। এই অনুষ্ঠানসমূহৰ তালিকা পৰিশিষ্ট -৪ ত সংলগ্ন কৰা হ'ল।

**১৩৪।** মাননীয় অধ্যক্ষ মহোদয়, 'অসম দৰ্শন'ৰ সবাতোকৈ গুৰুত্বপূৰ্ণ বিষয়টো হ'ল এই স্থানসমূহলৈ পথ যোগাযোগ ব্যৱস্থাৰ উন্নীতকৰণ। সম্প্ৰতি নিৰ্মাণৰত পথসমূহৰ বাবে আমি ৬১৪ কোটি টকা অনুমোদন জনাইছো। নতুনকৈ চিনাক্ত কৰা ধৰ্মীয় অনুষ্ঠানসমূহৰ প্ৰৱেশ পথ নিৰ্মাণ কৰিবলৈ গড়কাপ্তানি বিভাগ (গ্ৰাম্য)ৰ বাজেটত পৰ্যাপ্ত ধন আৱণ্টন দিয়া হৈছে।

**১৩৫।** নামঘৰসমূহক ধৰ্মানুষ্ঠানৰ ধাৰণাৰ উৰ্দ্ধত এক সামাজিক অনুষ্ঠান হিচাপে গণ্য কৰি আন এক গুৰুত্বপূৰ্ণ বিষয় মই প্ৰস্তাৱ কৰিবলৈ ওলাইছো। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে আমাৰ সাংস্কৃতিক সত্তা উদ্‌যাপনৰ অৰ্থে নামঘৰসমূহ গঢ় দিছিল। শেহতীয়াকৈ অসম চৰকাৰে সামাজিক জীৱন উন্নীতকৰণ আৰু সংস্কৃতিৰ উদ্‌যাপনৰ বাবে নামঘৰসমূহক সামূহিক কেন্দ্ৰ হিচাপে চিহ্নিত কৰি এক অধিসূচনা জাৰি কৰিছে। এই বিত্তীয় বৰ্ষত মই ৰাজ্যখনৰ প্ৰায় ৫০ বছৰীয়া পুৰণি প্ৰায় ৮০০০ নামঘৰলৈ আন্তঃগাঁথনি উন্নয়নৰ বাবে ২.৫ লাখ টকা আবণ্টনৰ প্ৰস্তাৱ দিছো।

**১৩৬।** মই ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ অধীনত অসম দৰ্শন আঁচনিৰ দ্বিতীয় পৰ্যায়ত ২৮৫ কোটি টকাৰ আবণ্টন দিছো।

## XV. যুৱ আৰোহণ ঃ

**১৩৭।** মাননীয় অধ্যক্ষ মহোদয়, বাজেট ভাষণৰ আৰম্ভণিতে মই যুৱক-যুৱতীসকলৰ উদ্যমী সক্ষমতা বৃদ্ধিৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছো। এইক্ষেত্ৰত আমাৰ চৰকাৰে লোৱা বিভিন্ন আঁচনিসমূহৰ

বিষয়েও মই ব্যাখ্যা কৰিছো। আমি অনুভৱ কৰো যে ডেকা, প্ৰাপ্তবয়স্ক লোকসকলক আমি পাৰদৰ্শী কৰি তুলিব লাগিব, যাৰ দ্বাৰা তেওঁলোক উদ্যোগী হিচাপে ঠন ধৰি উঠি চাকৰি বিচৰাতকৈ চাকৰি দিয়া ব্যক্তি হিচাপেহে পৰিগণিত হ'ব।

**১৩৮।** এই আধুনিক অনুভৱক সাৰোগত কৰি আমি একাদশ শ্ৰেণীৰ পৰা তিনি বছৰীয়া ডিগ্ৰী ক'ৰ্চলৈ, লগতে আই টি আই আৰু পলিটেকনিক পাঠ্যক্ৰমতো 'উদ্যমিতা' বিষয়টো সন্নিৱিষ্ট কৰিবলৈ প্ৰয়াস কৰিছো। ৰাজ্যখনৰ যুৱক-যুৱতীসকলে এই উদ্যমিতা শক্তি আহৰণ কৰি তেওঁলোকৰ ভৱিষ্যত সুদৃঢ় কৰিবলৈ সক্ষম হ'ব। কৰ্মই দেশৰ যুৱক-যুৱতীসকলক উদ্যমিতা শক্তি আৰু আৱশ্যকীয় দক্ষতা প্ৰদান কৰিব। কোৱা হয় যে এজন আচল উদ্যমীয়ে এজন সফল কৰ্মী তেওঁ স্বপ্নদ্ৰস্তা নহয়। সেয়েহে ব্যৱহাৰিক আৰু ধাৰণাকৃত শিক্ষাক এক সমন্বয় আমি এই পাঠ্যক্ৰমত সন্নিৱিষ্ট কৰিম। এইবাবে আমি তেওঁলোকক ক্ষুদ্ৰ উদ্যোগ প্ৰতিষ্ঠান গঢ়ি তুলিবলৈ মূলধন হিচাপে অনুদান আগবঢ়াম। ইয়াৰ দ্বাৰা তেওঁলোক ভৱিষ্যত জীৱনত এজন প্ৰকৃত উদ্যমী হৈ পৰিব।

**১৩৯।** মাননীয় অধ্যক্ষ মহোদয়, ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ বাবে চৰকাৰে লোৱা এনে আঁচনিৰ দ্বাৰা এওঁলোকৰ সপোনবোৰ নিশ্চয়েই ফলৱতী হ'ব। মতামতৰ ওপৰত নিৰ্ভৰ কৰি আমি আগত বছৰত আনুগতিকভাৱে বৃদ্ধি কৰিব পাৰিম।

**১৪০।** পবিত্ৰ সদনৰ সন্মানীয় সদস্যসকলক মই আনন্দৰে জনাওঁ যে আমি ইতিমধ্যে এই আঁচনি প্ৰয়োগ কৰাৰ বাবে কাৰ্যাৱলী আৰম্ভ কৰিছো। এই আঁচনিৰে দেশৰ ডেকা শক্তিক আত্মবিশ্বাসী আৰু অৰ্থনৈতিক ভাৱে সবল কৰি তুলিব বুলি মই বিশ্বাস কৰো। এই আঁচনিৰ সফলতাৰ ওপৰত দৃষ্টি ৰাখি ভৱিষ্যতলৈ আমি এই প্ৰচেষ্টাক অধিক সম্প্ৰসাৰণ কৰিম।

**১৪১।** ২০২০-২১ বিত্তীয় বৰ্ষত মই এই আঁচনি প্ৰয়োগৰ বাবে ১৪০ কোটি টকা ধাৰ্য কৰিছো।

## XVI. সোণালী শৈশৱ- ৰূপালী পাঠশালা ঃ

**১৪২।** মাননীয় অধ্যক্ষ মহোদয়, বাজেট ২০১৮-১৯ ত মই এই পৱিত্ৰ সদনক অৱগত কৰিছো যে তিনি পৰ্যায়ত অনুষ্ঠিত গুণোৎসৱে বিদ্যালয়সমূহৰ আন্তঃগাঁথনিক দিশৰ এক কৰুণ ছবি দাঙি ধৰিছে আৰু জানিব পাৰিছো যে ৰাজ্যখনৰ বহু বিদ্যালয়ত ন্যূনতম সুবিধাসমূহ যেনে পৃথক শ্ৰেণীকোঠা, বিদ্যুতৰ ব্যৱস্থা আদি উপলব্ধ নহয়।

**১৪৩।** মাননীয় অধ্যক্ষ মহোদয়, বিদ্যালয়সমূহৰ আন্তঃগাঁথনিৰ দিশৰ উন্নীতকৰণৰ বাবে মই ইতিমধ্যে এখন ছবি দাঙি ধৰিছিলো আৰু সেয়া মই পৱিত্ৰ সদনৰ সদস্যসকলৰ আগত পুনৰবাৰ দাঙি ধৰিছো।

| কাৰ্যক্ৰম | গোটৰ সংখ্যা | প্ৰস্তাৱিত গোট ব্যয় | ধনৰাশি (লাখত) |
|---|---|---|---|
| অতিৰিক্ত শ্ৰেণীকোঠা | ১৩৫৬৪ | ৫.৪ | ২৬১০ |
| ভাগ কৰা দেৱাল | ১০৪৭২ | ০.৪ | ৩৯১৭ |
| টয়লেট | ১৩৭৯ | ১.৯ | ২৬১০ |

বৈদ্যুতিকৰণ ৩৭৫৬০ ০.৫
১৭৭৫৯
**মুঠ**
**৯৮০২৭**

**১৪৪।** মাননীয় অধ্যক্ষ মহোদয়, যুদ্ধকালীন ক্ষিপ্ৰতাৰে এই আঁচনি ৰূপায়ণ কৰিবলৈ আমি চেষ্টাৰ ত্ৰুতি কৰা নাছিলো যদিও বিভিন্ন কাৰণত এই আঁচনি ৰূপায়ণ কৰাত বিলম্ব হৈছে। মই এই পৱিত্ৰ সদনক এই আঁচনিৰ ক্ষিপ্ৰ ৰূপায়ণৰ পুনৰ আশ্বাস দিব বিচাৰিছো। বিদ্যালয় পৰিচালনা উন্নয়ন

| SI No. | Department | Number of Institutions | Number of Teacher/Totors | Annual Financial Implication (in Rs.) | Total Implication Annual (in Rs.) |
|---|---|---|---|---|---|
| 1. | Higher Education | | | | |
| | New Colleges | 32 | 750 | 4788.0 | |
| | No of additional teachers in existing colleges (Earlier Drop out) | - | 768 | 3959.0 | |
| | Total | 32 | 1518 | 8747.0 | 8747.0 |
| 2. | Secondary Education | | | | |
| | New High School | 358 | 2538 | 4102.0 | |
| | New Senior Secondary schools (Junior College) | 154 | 1588 | 3904.0 | |
| | New Higher Secondary Schools | 114 | 768 | 1759.0 | |
| | No of additional teachers in existing colleges (Earlier Drop out) | | 414 | 638.25 | |
| | Total | 626 | 5308 | 10404.64 | 10404.64 |
| 3. | Elementary Education | | | | |
| | New Upper Primary School | 2298 | 7806 | 7523.28 | |
| | New Lower Primary Schools | 2695 | 5556 | 10535.19 | |
| | Total | 4993 | 13462 | 18058.47 | 18058.47 |
| | **Total of 1+2+3** | **5651** | **20288** | | **37210.11** |

সমিতিলৈ খৰতকীয়াকৈ পুঁজি হস্তান্তৰ কৰি ২০২০ চনৰ অক্টোবৰৰ মাহৰ আগেয়ে বিদ্যালয়গৃহৰ নিৰ্মাণ প্ৰক্ৰিয়া সমাপনৰ সম্পূৰ্ণ চেষ্টা কৰিম।

**১৪৫।** মাননীয় অধ্যক্ষ মহোদয়, গুণোৎসৱৰ আন এক স্তৰ চলিত বছৰত আমি অনুষ্ঠিত কৰিম। উক্ত গুণোৎসৱৰ সময়ত আমি উন্নত শিক্ষণ স্তৰৰ উপৰি বিদ্যালয়সমূহত জাকত জিলিকা শ্ৰেণীকোঠা, উপযুক্ত আৰু পৰিচ্ছন্ন টয়লেট আৰু বৈদ্যুতিকৰণ প্ৰত্যক্ষ কৰিম বুলি মই নিশ্চিত।

**১৪৬।** মাননীয় অধ্যক্ষ মহোদয়, ২০১৮-১৯ বিত্তীয় বৰ্ষত মই 'প্ৰত্যাহ্বান' নামৰ এক আঁচনি সম্পৰ্কে উল্লেখ কৰিছিলো। এই আঁচনিৰ দ্বাৰা চৰকাৰী বিদ্যালয়সমূহৰ উন্নয়ন সাধন কৰি উক্ত বিদ্যালয়সমূহক উৎকৰ্ষতাৰ কেন্দ্ৰ হিচাপে গঢ় দি সেই অঞ্চলতল থকা উৎকৃষ্ট বে-চৰকাৰী বিদ্যালয়ৰ সৈতে ফেৰ মাৰিব পৰাকৈ সাজু কৰি তুলিবলৈ চেষ্টা কৰা হৈছে। বুনিয়াদী বিদ্যালয়সমূহ চিহ্নিত কৰি প্ৰতিখন বিদ্যালয়ক ২৫ লাখ টকাৰ অনুদান আগবঢ়োৱা হ'ব। প্ৰথমতে এই অনুদান আগবঢ়াবলৈ ২০০ খন বুনিয়াদী বিদ্যালয় নিৰ্বাচন কৰিম। ৰাজ্যখনৰ বিদ্যালয়সমূহৰ আন্তঃগাঁথনিৰ উন্নয়নত এই পদক্ষেপে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

**১৪৭।** চলিত বাজেটত মই শিতানত ৩১৫ কোটি টকা আৱণ্টন কৰিছো। আঁচনিৰ ফলপ্ৰসূতাৰ ওপৰত চকু ৰাখি ধনৰাশিৰ পৰিমাণ বৃদ্ধি কৰিব পৰা যাব।

## XVII. শিক্ষক প্ৰাদেশীকৰণৰ অগ্ৰগমণ ঃ

**১৪৮।** অধ্যক্ষ মহোদয়, ২০১৮ চনলৈ সংশোধিত হোৱা 'শিক্ষকৰ সেৱাৰ অসম শিক্ষা প্ৰাদেশীকৰণ আৰু শৈক্ষিক প্ৰতিষ্ঠানৰ পুনৰ গঠন আইন, ২০১৭' অনুসৰি মই এই পৱিত্ৰ সদনৰ সন্মানীয় সদস্যসকলক জনাবলৈ পাই সুখী হৈছো যে অসম চৰকাৰে সকলো শিক্ষকৰ সেৱা প্ৰাদেশীকৰণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে।

**১৪৯।** শিক্ষানুষ্ঠান আৰু শিক্ষকৰ প্ৰাদেশীকৰণৰ বাবে বিত্ত বিভাগে শিক্ষা বিভাগৰ পৰা ৫,৬৫১ খন শিক্ষানুষ্ঠান আৰু ২০,২৮৮ জন শিক্ষকৰ প্ৰস্তাৱ লাভ কৰিছে। উক্ত প্ৰাদেশীকৰণৰ বাবে ৩৭২ কোটি টকা ব্যয় নিৰ্দ্ধাৰণ কৰা হৈছে।

**১৫০।** এই বিষয়ে সম্পূৰ্ণ তথ্য তলৰ তালিকাত উল্লেখ কৰা হ'ল ঃ

**১৫১।** অসম চৰকাৰে শিক্ষাৰ অধিকাৰ আইনৰ অন্তৰ্গত প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ সকলো বিধি ইতিমধ্যে গ্ৰহণ কৰিছে। সেয়েহে অধিকাংশ শিক্ষানুষ্ঠানৰে সাম্প্ৰতিক সময়ত প্ৰাসঙ্গিকতা লোপ পাইছে। সেয়েহে আমি প্ৰাদেশিকৰণ প্ৰক্ৰিয়াৰে প্ৰতিজনৰে আৰ্থিক দুৰ্ভোগ দূৰ কৰাৰ উপায় উদ্ভাৱন কৰিছো। অৱশ্যে জনসেৱাত জড়িত হৈ একাংশৰ ব্যক্তিগত আৰ্থিক দুৰ্ভোগ দূৰ কৰিবলৈ এনে সিদ্ধান্ত ল'বলগীয়া হোৱাটো সদায় এক নৈতিক সংকতৰ প্ৰশ্ন হৈ দেখা দিয়ে। কিন্তু যদিও এই শিক্ষানুষ্ঠানসমূহৰ প্ৰাদেশিকৰণৰ প্ৰক্ৰিয়াটো শেষ অৱলম্বনহে, সেয়েহে আমি অনুভৱ কৰো যে এই প্ৰক্ৰিয়াৰ চূড়ান্ত ৰূপ আমি চিহ্নিত কৰা উচিত। আগন্তুক কেইমাহমানৰ ভিতৰতে শিক্ষা খণ্ডত অধিক সংস্কাৰ আনিবলৈ আমি এই প্ৰক্ৰিয়াও সম্পূৰ্ণ কৰিম।

## XVIII. অৰুণোদয়

**১৫২।** মাননীয় অধ্যক্ষ মহোদয়, অষ্টাদশী মুকুতাৰ মালাৰ অন্তিম আঁচনি 'অৰুণোদয়' মই পৱিত্ৰ সদনত উত্থাপন কৰিবলৈ ওলাইছো। অষ্টাদশী মুকুতাৰ মালাৰ সবাতোকৈ অভিলাষী আঁচনি

'অৰুণোদয়' মোৰ হিচাপত বিধানসভাত এতিয়ালৈকে ঘোষণা কৰা সকলোবোৰ আঁচনিৰ ভিতৰত বলিষ্ঠ আঁচনি আৰু সেয়েহে এই আঁচনিৰ অন্তৰালত থকা উদ্দেশ্যসমূহ পৱিত্ৰ সদনক অৱগত কৰিবলৈ মই অলপ বেছি সময় ল'ব লাগিব।

**১৫৩।** মাননীয় অধ্যক্ষ মহোদয়, মই বিধানসভাৰ সদস্য হিচাপে প্ৰথমতে কাৰ্যনিৰ্বাহ কৰিছিলোঁ আৰু **২০০১** চনত সদনত যোগদান কৰিছিলো। যোৱা দুঠা দশকত বিভিন্ন চৰকাৰে দৰিদ্ৰতা নিৰ্মূলকৰণৰ বাবে গ্ৰহণ কৰা বিভিন্ন আঁচনি মই প্ৰত্যক্ষ কৰিছো। এই সকলোবোৰ আঁচনিৰ সপোন নিহিত হৈ আছিল এক আদৰ্শত— দুখীয়াসকলে সিদ্ধান্ত ল'ব নোৱাৰে আৰু তেওঁলোকে সিদ্ধান্ত নিৰূপণ কৰিবলৈ চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰে। এই সকলোবোৰ আঁচনিয়েই হয়, গাইগুটীয়া কল্যাণকৰ আঁচনি (Individual Beneficiary Scheme) হিচাপে প্ৰয়োগ কৰা হৈছে অথবা কোনো উপকৰণ ক্ৰয়ৰ বাবে ব্যৱহাৰ কৰা হৈছে। প্ৰায় ক্ষেত্ৰত আঁচনিবোৰ মাত্ৰ আংশিকভাৱেহে সফল হৈছে।

**১৫৪।** মাননীয় অধ্যক্ষ মহোদয়, বয়সে অভিজ্ঞতা আৰু জ্ঞান বঢ়ায় বুলি গুণীজনে কয়। ভাল অৰ্থ বহন আঁচনিসমূহ প্ৰত্যক্ষ কৰি, এই আঁচনিসমূহৰ ভুল প্ৰয়োগ প্ৰত্যক্ষ কৰি মই এই সিদ্ধান্তত উপনীত হৈছোঁ যে আমি দৰিদ্ৰতা নিৰ্মূলকৰণৰ বাবে ভুল পথত চালিত হৈ আছোঁ। মই অনুভৱ কৰোঁ যে একেবাৰতেই আয় হস্তান্তৰ কৰি আমি আমাৰ দেশৰ লক্ষাধিক লোকক দৰিদ্ৰতাৰ কৰাল গ্ৰাসৰ পৰা মুক্ত কৰিব পাৰো। ক্ষুধা আৰু দৰিদ্ৰতা নিবাৰণৰ বাবে শতাধিক ক্ষুদ্ৰ আঁচনি হাতত লোৱা কাম অন্ধকাৰত শৰ মৰাৰ লেখীয়া কাম। বেছিভাগেই এই লক্ষ্যৰ পৰা বঞ্চিত হ'ব আৰু পৰিয়ালসমূহ দৰিদ্ৰতাৰ জালৰ পৰা মুক্তি পাবলৈ সক্ষম নহ'ব।

**১৫৫।** এক নিস্ফল আঁচনি, লেহেমীয়া আমোলাতন্ত্ৰ, হিতাধিকাৰী নিৰ্বাচনত থকা সুৰুঙা আদিয়ে আঁচনিসমূহৰ সফল ৰূপায়ণৰ ক্ষেত্ৰত সৃষ্টি কৰে অন্তৰায় আৰু প্ৰতিবন্ধকতা।

**১৫৬।** মাননীয় অধ্যক্ষ মহোদয়, দৰিদ্ৰতাৰ কৰাল গ্ৰাসৰ পৰা মুক্তি পাবলৈ এগৰাকী দুখুনী আইতাই আঁচনিৰ সফল ৰূপায়ণৰ বাবে কেতিয়ালৈ অপেক্ষা কৰিব? পুষ্টিহীনতাত ভোগা শিশুটিৰ আশু আৰোগ্য কামনা কৰি মাতৃয়ে কেতিয়াবা চিন্তাক্লিষ্ট হৈ ৰ'ব? প্ৰতিটো পৰিয়ালৰ চিকিৎসাৰ খৰচ সুনিশ্চিত কৰা আমাৰ দায়িত্ব নহয়নে?

**১৫৭।** দৰিদ্ৰতা নিৰ্মূলকৰণ কাৰ্যক্ৰমণিকাত সু-শাসনক ফলপ্ৰসু কৰোৱাৰ আৰু সুবিধাসমূহ প্ৰদানৰ ক্ষেত্ৰত আমূল পৰিৱৰ্তনৰ এয়া উপযুক্ত সময়। যেতিয়া চৰকাৰে সমাজৰ দৰিদ্ৰতম পৰিয়ালক স্বাস্থ্য আৰু পুৰিপুষ্টিৰ প্ৰয়োজনৰ নিশ্চয়তা প্ৰদান কৰিব পাৰে, তেতিয়াহে হিতাধিকাৰীসকলক লক্ষ্য কৰি প্ৰস্তুত কৰা আঁচনিসমূহৰ পুনৰ গঠন সম্ভৱ হ'ব। ইয়াৰ দ্বাৰা লাভান্বিত হ'ব দুখীয়া লোকসকল। ম'বাইল ফোনৰ সৰ্বব্যাপী ব্যৱহাৰ আৰু সুচল বেংক ব্যৱস্থাই আমাৰ চৰকাৰী কাৰ্যব্যৱস্থাৰ আমূল পৰিৱৰ্তন অনাত সুবিধা কৰি দিছে।

**১৫৮।** যেতিয়া নগদ ধন হস্তান্তৰ প্ৰক্ৰিয়াটো খৰচী হয় তেতিয়া তাক দীঘলীয়া সময়ৰ বাবে চলাই থকাটো অসুবিধাজনক। এয়া সদায়েই এক প্ৰত্যাহ্বানৰ বিষয়। পৱিত্ৰ সদনৰ সন্মানীয় সদস্যসকল নিশ্চয় জ্ঞাত যে যোৱা চাৰিটা বছৰত আমি বহু প্ৰত্যাহ্বান গ্ৰহণ কৰিছোঁ আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আশীৰ্বাদত আমি সগৌৰৱে এই প্ৰত্যাহ্বানৰ মোকাবিলা কৰিবলৈ সমৰ্থ হৈছো। এই সকলো বিষয়ৰ ওপৰত ভিত্তি কৰি মই 'অৰুণোদয়' আঁচনি ঘোষণা কৰিছো। এই আঁচনিৰ উক্ত নামটো জানি বুজিয়েই দিয়া হৈছে। আত্মনিৰ্ভৰশীলতা, আত্মবিশ্বাস আৰু সুদৃঢ় লক্ষ্যৰে অসমক পুনৰুত্থানৰ পথেৰে আগবঢ়াই নিয়াৰ কথা সাৱোগত কৰিয়েই আঁচনিখনৰ নামকৰণ কৰা

হৈছে 'অৰুণোদয়'।

**১৫৯।** প্ৰথম প্ৰত্যক্ষ নগদ ধন হস্তান্তৰ আঁচনিৰ আৰম্ভণি কৰিবলৈ প্ৰত্যেকটো পৰিয়ালক মই মাহে **৪০০** টকাকৈ দিয়াৰ কথা ঘোষণা কৰিবলৈ বিচাৰিছো। এই ধন ঔষধৰ বাবে ব্যয় কৰি পৰিয়ালসমূহে চিকিৎসাৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পাৰিব। দুখীয়া লোকসকলৰ বাবে আমি ইতিমধ্যে বিনামূলীয়া চাউল বিতৰণৰ ব্যৱস্থা কৰিছো। মই প্ৰতিটো পৰিয়ালক প্ৰতিমাহে মাহ জাতীয় শস্য ক্ৰয় কৰাৰ বাবে **২০০** টকাকৈ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছো। এই ধনৰাশিৰে এটা পৰিয়ালে এমাহত ক্ৰয় কৰা **৪** কেজি মাহজাতীয় শস্যৰ **৫০** শতাংশ ৰাজসাহায্য লাভ কৰিব। পৰিয়ালসমূহে মাহিলী খৰচ কৰা **৪** কেজি চেনিৰ বাবে প্ৰতিটো পৰিয়ালক **৮০** টকাকৈ দিবলৈ প্ৰস্তাৱ কৰিছোঁ। এই ধনৰাশিয়ে চেনিৰ বাবে খৰচ হোৱা ব্যয়ৰ **৫০** শতাংশ ৰাজ সাহায্য পৰিয়ালসমূহৰ বাবে প্ৰদান কৰিব। অত্যাৱশ্যকীয় ফলমূল আৰু পাঁচলি ক্ৰয় কৰাৰ ক্ষেত্ৰত পৰিয়ালসমূহক সকাহ দিবলৈ মই মাহে **১৫০** টকা দিয়াৰ প্ৰস্তাৱ কৰিছো। ঘৰত উৎপাদিত হোৱা ফল-মূল বা শাক-পাচলিৰ ওপৰঞ্চি তেওঁলোকে ক্ৰয় কৰা ফল-মূল বা শাক-পাঁচলিৰ ক্ষেত্ৰত এই ব্যৱস্থা প্ৰযোজ্য হ'ব।

**১৬০।** চিকিৎসা আৰু পুষ্টি সাহায্যৰ বাবে পৰিয়ালসমূহক মাহিলী **৮৩০** টকাকৈ দিয়া হ'ব। অৰ্থাৎ দুখীয়া পৰিয়ালৰ অতিৰিক্ত আয় হ'ব বাৰ্ষিক **১০,০০০** টকা।

**১৬১।** আমি দুখীয়া আৰু অৰ্থনৈতিকভাৱে পিছপৰা পৰিয়ালৰ প্ৰায় **২৭** লাখ পৰিয়ালক সামৰি ল'বলৈ প্ৰয়াস কৰিছো। হিতাধিকাৰী পৰিয়ালসমূহক বাছনি কৰে গ্ৰাম সভাই। যিহেতু **২০১১** ৰ আৰ্থ-সামাজিক বৰ্ণ জৰীপ তথ্য ব্যৱহাৰিকভাৱে আওপুৰণি হৈ পৰিছে, সেয়েহে হিতাধিকাৰীসকলক গ্ৰাম সভাই নিৰ্বাচন কৰিব। ব্লক আৰু জিলা পৰ্যায়ত সঠিক হিতাধিকাৰীৰ তালিকা প্ৰস্তুত কৰা হ'ব আৰু হিতাধিকাৰীসকলৰ বিষয়ে পুনৰ পৰীক্ষা কৰা হ'ব।

**১৬২।** হিতাধিকাৰীসকলক নিৰ্বাচন কৰাৰ পিছত আমি এই বিত্তীয় বৰ্ষৰ শেষৰফালে তেওঁলোকৰ বেংক একাউণ্টত একে থুপে **১০,০০০** টকা জমা দিম।

**১৬৩।** যেতিয়াই প্ৰত্যক্ষ লাভ হস্তান্তৰ (Direct benefit transfer) সম্পূৰ্ণৰূপে কাৰ্যক্ষম হ'ব, নগদ ধন হস্তান্তৰ মাহিলী হিচাপত কৰা হ'ব। পৰিয়ালসমূহে মাহিলী হিচাপত প্ৰতি মাহত এই ধনৰাশি পালে নিশ্চয়কৈ উপকৃত হ'ব। অহা বছৰবোৰত আমি সম্ভৱতঃ সকলো সামাজিক নিৰাপত্তাজনিত আঁচনিক নগদ হস্তান্তৰৰ এখন আঁচনিলৈ ৰূপান্তৰ কৰিবলৈ সক্ষম হ'ম। আহি থকা বছৰসমূহত এই সুবিধাসমূহ আধাৰ কাৰ্ডৰ স'তে সংযুক্ত কৰি আঁচনিৰ স্বচ্ছতা নিৰূপণ কৰিব পাৰিম।

**১৬৪।** শিশু আৰু বয়সিয়াল লোকসকলৰ চোৱাচিতা কৰাৰ প্ৰাথমিক দায়িত্ব ন্যস্ত থাকে মহিলাসকলৰ ওপৰত। সেয়েহে DBT ৰ যোগেৰে মই এই ধন নাৰীসকলৰ নামত পৰিয়ালসমূহলৈ পঠিওৱাৰ প্ৰস্তাৱ কৰো। মই ভাবো যে এই প্ৰক্ৰিয়াৰ দ্বাৰা নাৰীসকলে খাদ্য আৰু পুষ্টিজনিত সুৰক্ষাৰ নিশ্চিতি লাভ কৰিব আৰু পৰিয়ালৰ শিক্ষা আৰু স্বাস্থ্যৰ ওপৰত তেওঁলোকে মনোনিৱেশ কৰিব।

**১৬৫।** মোৰ দুই দশকৰ অভিজ্ঞতাৰ পৰা মই অনুভৱ কৰিছো যে পদ্ধতিগত আসোঁৱাহ যেনে- ৰঙা ফিটাৰ মেৰপেচ আদিয়ে উন্নয়নত বাধাৰ সৃষ্টি কৰিছে। সেয়েহে দায়িত্ববোধ আৰু আশাব্যঞ্জক অনুভৱক সাৰোগত কৰি মই এই বৃহৎ পদক্ষেপ হাতত লৈছো। 'অৰুণোদয়'ৰ সফলতা উৎসৰ্গা কৰা হৈছে ইয়াৰ স'তে জড়িত সকলো হিতাধিকাৰীৰ উদ্দেশ্যে। যদিহে এই আঁচনিয়ে সফলতাৰ

মুখ নেদেখে, মই তাৰ সম্পূৰ্ণ দায়িত্ব ল'ম।

**১৬৬।** এয়া হৈছে অসমৰ ইতিহাসত সৰ্ববৃহৎ প্ৰত্যক্ষ লাভ হস্তান্তৰ DBT ব্যৱস্থা আৰু এই আঁচনিৰ বাবে মই **২,৮০০** কোটি টকাৰ আবণ্টনৰ প্ৰস্তাৱ কৰিলোঁ।

**১৬৭।** এক নতুন প্ৰভাতক স্বাগতম জনাই চলিত বিত্তীয় বছৰত অষ্টাদশ মুকুতাৰ উন্নয়নী মালাৰ মই ইমানতেই সামৰণি মাৰিলো আৰু বিশেষ কিছুমান আলোকপাত কৰিবলৈ আগবাঢ়িলোঁ।

**(ক) বড়ো চুক্তি আৰু বড়োসকলৰ বাবে ব্যৱস্থা ঃ**

**১৬৮।** মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৰে জ্ঞাত যে অধ্যুষিত অঞ্চলত স্থায়ী শান্তি সুনিশ্চিত কৰিবলৈ এন ডি এফ বি, আবছু, ইউ বি পি অ', অসম চৰকাৰ আৰু ভাৰত চৰকাৰৰ সকলো পক্ষৰ মাজত **২৭** জানুৱাৰী, **২০২০** তাৰিখে এক ঐতিহাসিক ভূমি বন্দবস্তি চুক্তি স্বাক্ষৰ কৰিছে। প্ৰথমবাৰৰ বাবে এন ডি এফ বি আৰু আবছুৰ সকলো পক্ষই এই চুক্তিত স্বাক্ষৰ কৰা এয়া এক ঐতিহাসিক ঘটনা। এই চুক্তিয়ে এই অঞ্চললৈ স্থায়ী শান্তি কঢ়িয়াই আনি সন্ত্ৰাসবাদৰ অৱসান ঘটাব বুলি আশা কৰা হৈছে। মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোডী আৰু মাননীয় গৃহমন্ত্ৰী শ্ৰীঅমিত শ্বাহে উত্তৰ-পূৰ্বাঞ্চললৈ শান্তি আৰু উন্নতি কঢ়িয়াই আনিবলৈ যি প্ৰচেষ্টা অব্যাহত ৰাখিছে তাৰ বাবে মই দুয়োজনালৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

**১৬৯।** এই চুক্তিৰ সত্তাক সাৰোগত কৰি মই নিম্নোক্ত প্ৰস্তাৱসমূহ অতি শীঘ্ৰে কাৰ্যকৰী কৰাৰ প্ৰস্তাৱ কৰিলোঁঃ

(ক) কোকৰাঝাৰ সংগীত আৰু চাৰুকলা মহাবিদ্যালয়ক এখন চৰকাৰী মহাবিদ্যালয়লৈ ৰূপান্তৰকৰণ। বড়ো যুৱক-যুৱতীৰ কলাসুলভ প্ৰয়াসক উৎসাহ যোগাবলৈ এই মহাবিদ্যালয়ৰ উন্নীতকৰণ কৰা হ'ব।

(খ) ভৈয়ামৰ জনগোষ্ঠীসকলৰ বাবে প্ৰতিষ্ঠা কৰা পৰিষদৰ দৰে বি টি এ ডি অঞ্চলৰ বাহিৰত থকা বড়ো গাঁওসমূহৰ উন্নতি সাধনৰ অৰ্থে বড়ো কছাৰী কল্যাণ পৰিষদ গঠন কৰা। বৰ্তমানৰ বাজেট অধিৱেশনত এই ক্ষেত্ৰত এখন বিধেয়ক পৱিত্ৰ সদনত উত্থাপন কৰা হ'ব।

(গ) ভাৰত চৰকাৰে অহা তিনি বছৰৰ বাবে **২৫০** কোটি টকা এই ক্ষেত্ৰত ধাৰ্য কৰিছে। অসম চৰকাৰেও কেন্দ্ৰীয় চৰকাৰৰ দৰে তিনি বছৰৰ বাবে সম পৰিমাণৰ ধনৰাশি প্ৰদান কৰিব বুলি ঘোষণা কৰিব।

(ঘ) বড়ো আৰু অন্যান্য জনজাতীয় ভাষা সমূহৰ চহকী সাংস্কৃতিক ভাষিক ঐতিহ্য ৰক্ষা আৰু উৎসাহ যোগাবলৈআমি এক জনজাতীয় বড়ো ভাষা সঞ্চালকালয় প্ৰতিষ্ঠা কৰিবলৈ প্ৰস্তাৱ জনাওঁ।

(ঙ) প্ৰাক্তন বড়ো উগ্ৰপন্থীসকলৰ বিস্তৃত পুনৰ সংস্থাপন আৰু ভৰণ-পোষণৰ দায়িত্ব লোৱা হ'ব।

(চ) বড়ো চুক্তিয়ে বিভিন্ন আৰ্থ-সামাজিক, শৈক্ষিক আৰু সাংস্কৃতিক কেন্দ্ৰ সুনিশ্চিত কৰিছে। এই চুক্তিত অসম চৰকাৰেও বিশেষ প্ৰতিশ্ৰুতি পালন কৰিছে। ভাৰত চৰকাৰৰ লগত আলোচনা কৰি অসম চৰকাৰে এখন সম্পূৰ্ণ আঁচনি প্ৰস্তুত কৰি বড়ো চুক্তিৰ বিভিন্ন দিশ ৰূপায়িত কৰিব। বড়োলেণ্ড প্ৰাদেশিক অঞ্চলৰ পৰা ৰাজহ গাঁওসমূহ অন্তৰ্ভুক্তিকৰণ বা বাদ দিবলৈ এক আয়োগ প্ৰতিষ্ঠা কৰা বিষয়টোও এই আঁচনিত সন্নিৱিষ্ট হৈ থাকিব।

**(খ) জনজাতীয় সম্প্ৰদায়লৈ স্বীকৃতি আৰু অনুদান প্ৰদান ঃ**

**১৭০।** মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰে 'সবকা সাথ সবকা বিকাশ'ৰ মন্ত্ৰক সাৰোগত কৰি অন্তৰ্বিষ্ট উন্নতিৰ বাবে বিভিন্ন পদক্ষেপ হাতত লৈ অহৰ্নিশে কাম কৰি আহিছে। আমি বিশ্বাস

কৰো যে অসমৰ প্ৰকৃত শক্তি লুকাই আছে এই ৰাজ্যতবাস কৰা বৰ্ণিল লোকসকল আৰু তেওঁলোকৰ চহকী সংস্কৃতিৰ মাজত। আমি এই বৈচিত্ৰ্য লালন-পালন কৰিবই লাগিব।

**১৭১।** এই ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰাৰ উদ্দেশ্যে বিত্তীয় বৰ্ষ **২০২০-২১** ত আমি কোচ ৰাজবংশী সম্প্ৰদায়ৰ বাবে এক স্বায়ত্তশাসিত পৰিষদ গঠন কৰাৰ পোষকতা কৰিছোঁ। বি টি এ ডি আৰু ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ অন্তৰ্ভুক্তি অঞ্চলসমূহক বাদ দি অবিভক্ত গোৱালপাৰা জিলাত বাস কৰা কোচ-ৰাজবংশী সম্প্ৰদায়ৰ বাবে 'কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদ' গঠন কৰিবলৈ আমি মানস কৰিছো। একেদৰে মৰাণ আৰু মটক সম্প্ৰদায়ৰ লোকসকলৰ বাবেও দুখন স্বায়ত্ত শাসিত পৰিষদ গঠন কৰা হ'ব।

**১৭২।** মৰাণ, মটক, চুতীয়া আৰু আহোম সম্প্ৰদায়ৰ লোকসকলৰ বাবে ৫০০ কোটি টকাৰ এক বিশেষ পেকেজ দিবলৈ আমাৰ চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। সম্প্ৰদায়সমূহৰ প্ৰাচীন ঐতিহাসিক কীৰ্তিস্তম্ভ, থলুৱা সংস্কৃতিৰ উত্তৰণ আৰু সংৰক্ষণ আৰু আন্তঃগাঁথনি উন্নয়নৰ উদ্দেশ্যে এই বিশেষ পেকেজ আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। উল্লেখযোগ্য যে এই বিশেষ পেকেজৰ অধীনত প্ৰত্যেকটো সম্প্ৰদায়ৰ প্ৰত্যেকে **১২৫** কোটি টকালৈ লাভ কৰিব। ডব্লিউ পি টি আৰু বি চি বিভাগৰ অধীনত এই ক্ষেত্ৰৰ বাবে আৱশ্যকীয় বাজেট প্ৰস্তুত কৰা হৈছে।

### (গ) অসম ৰাজ্যিক ৰাজধানী অঞ্চল উন্নয়ন প্ৰাধিকৰণ (ASCRDA) ৰ পৰা ৰাভা হাছং (RHAC) স্বায়ত্তশাসিত পৰিষদৰ অপসাৰণঃ

**১৭৩।** মাননীয় অধ্যক্ষ মহোদয়, যোৱা বছৰৰ বাজেটত ঘোষণা কৰা অনুসৰি গুৱাহাটী আৰু ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলক সামৰি এক ৰাজ্যিক ৰাজধানী অঞ্চল স্থাপন কৰা হৈছে। এই ক্ষেত্ৰত অসম ৰাজ্যিক ৰাজধানী অঞ্চল প্ৰাধিকৰণ স্থাপন কৰি গুৱাহাটীক এখন জীৱন্ত মহানগৰ হিচাপে গঢ় দিয়াৰ প্ৰয়াস কৰা হৈছে।

**১৭৪।** থলুৱা লোকসকলৰ অধিকাৰক সন্মান জনাই মই ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদক (ASCRDA) বিধি, ২০১৭ৰ পৰা অপসাৰণ কৰাৰ প্ৰস্তাৱ কৰিছো।

**১৭৫।** গুৱাহাটী উন্নয়ন বিভাগ (GDD) য়ে এই ক্ষেত্ৰত বিধানসভাত আৱশ্যকীয় সংশোধনী দাঙি ধৰিব।

### (ঘ) অসমীয়া ভাষাৰ উত্তৰণ ঃ

**১৭৬।** পৱিত্ৰ সদনৰ সন্মানীয় সদস্যসকলক জনাবলৈ পাই মই সুখী হৈছোঁ যে ইংৰাজী আৰু অন্যান্য মাধ্যমত পঢ়ি থকা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে দশম শ্ৰেণী পৰ্যন্ত অসমীয়া ভাষা শিকাটো বাধ্যতামূলক কৰা হৈছে। এই ক্ষেত্ৰত এই বাজেট অধিৱেশনত শিক্ষা বিভাগে সদনত আৱশ্যকীয় বিধেয়ক উত্থাপন কৰিব। অৱশ্যে এই আইন বৰাক উপত্যকা, বড়ো অধ্যুষিত অঞ্চল আৰু ষষ্ঠ অনুসূচী পৰিষদৰ অন্তৰ্গত পাৰ্বত্য জিলাত প্ৰযোজ্য নহ'ব।

**১৭৭।** ইয়াৰ উপৰি চৰকাৰী চাকৰি পাবলৈ বিদ্যালয়ত অসমীয়া বা আন আঞ্চলিক ভাষা অধ্যয়ন কৰাটো বাধ্যতামূলক বুলি ঘোষণা কৰি এখন আইন প্ৰণয়ন কৰাৰ প্ৰস্তাৱ কৰিছোঁ।

### (ঙ) বাৰ্ষিক ভূমি পট্টাৰ হস্তান্তৰকৰণ সম্বন্ধে ঘোষণা ঃ

**১৭৮।** অধ্যক্ষ মহোদয়, চৰকাৰে এই কথা লক্ষ্য কৰিছে যে যুগ যুগ ধৰি ৰাজ্যখনৰ বুজন সংখ্যক খিলঞ্জীয়া জনসাধাৰণে প্ৰজন্মৰ পিছত প্ৰজন্ম ভূমিৰ বাৰ্ষিক পট্টা লাভ কৰি আহিছে। **২০১৯** বৰ্ষৰ নতুন ভূমি নীতি অনুসৰি ৰাজ্যখনত নতুনকৈ ভূমিক বাৰ্ষিক পট্টা প্ৰদান বন্ধ কৰা হৈছে।

**১৭৯।** অৱশ্যে, আমি বাৰ্ষিক ভূমিপট্টা হস্তান্তৰক্ষম কৰিম যাৰ দ্বাৰা আমাৰ থলুৱা সম্প্ৰদায়সমূহ

বাৰুকৈয়ে উপকৃত হ'ব আৰু তেওঁলোকৰ আৰ্থিক কাৰ্যকলাপ সক্ৰিয় হৈ উঠিব।

**১৮০।** ৰাজহ আৰু দুৰ্যোগ প্ৰশমণ বিভাগে ভূমিৰ বাৰ্ষিক পট্টা হস্তান্তৰণৰ অনুমতিৰ বাবে আইনী সংশোধনৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

**(চ) খিলঞ্জীয়া মুছলিম উন্নয়ন পৰিষদঃ**

**১৮১।** মাননীয় অধ্যক্ষ মহোদয়, যোৱা বাৰৰ বাজেটত মই থলুৱা মুছলিম উন্নয়ন পৰিষদ গঠন কৰা সম্পৰ্কে আলোচনা কৰিছিলো। এই পৰিষদ গঠন কৰাৰ বাবে ইতিমধ্যে কাৰ্যপ্ৰণালী আৰম্ভ কৰা হৈছে। প্ৰতিশ্ৰুতি অনুসৰি এই পৰিষদ সৃষ্টি হোৱাৰ পিছতেই আমি পৰ্যায়ক্ৰমে **১০০** কোটি টকাৰ যোগান ধৰিম।

**১৮২।** ইয়াৰ উপৰি আমাৰ চৰকাৰে যুদ্ধকালীন ক্ষিপ্ৰতাৰে কাম কৰি ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক উন্নয়ন সাধন কৰাৰ উদ্দেশ্যেৰে সামাজিক-অৰ্থনৈতিক জৰীপৰ কাম আৰম্ভ কৰিছে। মুছলমানসকলে সন্মুখীন হোৱা দীৰ্ঘদিনীয়া সংকটৰ সমস্যাও ইয়াৰ দ্বাৰা সমাধান হ'ব।

**(ছ) ১,০০০ গৰাকীকৈ কৃীত ক্ৰীড়াবিদ, শিল্পী আৰু ভ্ৰাম্যমান থিয়েটাৰৰ ব্যক্তিলৈ এককালীন বিত্তীয় সাহায্যঃ**

**১৮৩।** অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যৰ ভিন্ন ক্ষেত্ৰৰ বশিষ্ঠ ব্যক্তিসকলক লৈ আমি সদায়েই গৌৰৱ কৰি আহিছো। এওঁলোকৰ ভিতৰত আছে শ্ৰীমতী হিমা দাস, শ্ৰীমতী ৰীমা দাস, শ্ৰীমতী ইন্দিৰা পি পি বৰা আদি। এওঁলোকৰ প্ৰত্যেকেই নিজ নিজ ক্ষেত্ৰসমূহ ক্ৰীড়া, কলা আৰু সত্ৰীয়া নৃত্যত বিশেষ কৃতিত্ব অৰ্জন কৰিছে। এই ব্যক্তিসকলৰ সাফল্যই বিশ্বজুৰি অসম আৰু অসমীয়া সংস্কৃতিৰ এক নৱ উত্থানৰ প্ৰতিফলন ঘটাইছে।

**১৮৪।** এই পুৰোধা ব্যক্তিসকললৈ আমাৰ শলাগৰ চিন স্বৰূপে আমি তেওঁলোকলৈ এককালীন নগদ বিত্তীয় উদগনিমূলক ধনৰাশি আগবঢ়োৱাৰ সিদ্ধান্ত লৈছো। সেই অনুসৰি ৰাজ্যৰ **১০০** গৰাকী ক্ৰীড়াবিদ, **১০০০** গৰাকী ভ্ৰাম্যমান থিয়েটাৰৰ ব্যক্তিলৈ **৫০,০০০** টকাকৈ এককালীন উদগনিমূলক ধনৰাশি আগবঢ়োৱা হ'ব। মই নিশ্চিত যে এই পুৰোধা ব্যক্তিসকলে তেওঁলোকৰ কৃতিত্বৰ জৰিয়তে আমাক আগলৈকো গৌৰৱান্বিত কৰাৰ লগতে আনসকলকো অনুপ্ৰাণিত কৰিব।

**(জ) পঞ্জীভুক্ত যুৱ সংঘৰ বাবে অনুদান ঃ**

**১৮৫।** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যৰ যুৱ চামক সঞ্চালন, অনুপ্ৰাণিত, সংগঠিত তথা সৱলীকৰণ কৰাৰ উদ্দেশ্যে যুৱ সংঘসমূহ আৰম্ভ কৰা হৈছিল। যুৱ প্ৰজন্মই যাতে দেশৰ দায়িত্বশীল নাগৰিক হৈ উঠে, সামূহিক উন্নয়ন প্ৰক্ৰিয়াত সক্ৰিয় অংশীদাৰ হিচাপে তেওঁলোকে যাতে স্থানীয় নেতৃত্ব বহন কৰিব পাৰে আৰু সাম্য, ধৰ্মনিৰপেক্ষতা তথা স্বেচ্ছাসেৱক মনোভাৱেৰে উদ্বুদ্ধ হৈ যাতে ৰাষ্ট্ৰ নিৰ্মাণৰ কাম-কাজত ভাগ ল'ব পাৰে, তাৰ বাবে যুৱ সংঘসমূহে ভূমিকা পালন কৰি আহিছে।

**১৮৬।** অধ্যক্ষ মহোদয়, ৰাজ্যৰ যুৱ শ্ৰেণী আৰু এনে যুৱ সংঘসমূহৰ গুৰুত্ব তথা সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি, আমাৰ চৰকাৰে এই সংঘসমূহলৈ অনুদান আগবঢ়োৱাৰ প্ৰস্তাৱ লৈছে। সেই অনুসৰি ৰাজ্যিৰ এনে **২৫০০** টা সংঘৰ প্ৰতিটোলৈ **৭৫,০০০** টকাকৈ অনুদান ধাৰ্য কৰা হৈছে।

**(ঝ) বটদ্ৰৱা থানৰ বাবে পদক্ষেপ**

**১৮৭।** মাননীয় অধ্যক্ষ মহোদয়, এই পৱিত্ৰ সদনত মই দাখিল কৰিবলৈ সুযোগ পোৱা আটাইকেইখন বাজেটত আমাৰ পৰম আৰাধ্য গুৰুত্ব মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দৰ্শন অনুনাদিত হৈছে।

**১৮৮।** গুৰুদেৱ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মহত্বৰ প্ৰতি আমি শ্ৰদ্ধাপূৰ্বক মূৰ দোৱাইছো।

এইখিনিতে মই বিনম্রতাৰে উনুকিয়াব খুজিছো যে আমাৰ চৰকাৰে নগাঁও জিলাস্থিত বটদ্ৰৱা থানক কলা, সংস্কৃতি, গৱেষণা আৰু আধ্যাত্মিকতাৰ এক কেন্দ্ৰৰূপে গঢ়ি তুলিবলৈ প্ৰস্তাৱ আগবঢ়াইছে. বটদ্ৰৱা থান চৌহদ আৰু ইয়াৰ আশে-পাশে থকা এলেকাসমূহক এক অদ্বিতীয় সাংস্কৃতিক, ধৰ্মীয় তথা পৰ্যটকৰ আকৰ্ষণস্থলী হিচাপে গঢ়ি তুলিবৰ বাবে গড়কাপ্তানী বিভাগে এখন বিস্তৃত প্ৰকল্প প্ৰতিবেদন যুগুতাই উলিয়াইছে। এই প্ৰকল্পৰ মুঠ আনুমানিক ব্যয় হ'ব **১৮৮** কোটি টকা। এই প্ৰকল্পৰ বাবে মই প্ৰথম পৰ্যায়ত **৫০** কোটি টকা আৱণ্টনৰ প্ৰস্তাৱ আগবঢ়াইছো।

**(ঞ) ভাষা গৌৰৱ আঁচনিঃ**

**১৮৯।** অধ্যক্ষ মহোদয়, অসমৰ কৃষ্টি-সংস্কৃতি চিৰ-চহকী। বৰ্ণাঢ্য জাতি-জনজাতি আৰু বৰ্ণিল ভাষিক বৈশিষ্ট্যৰে আমাৰ ৰাজ্যখনৰ সমাজ ব্যৱস্থা চিৰ-প্ৰৱাহমান।

**১৯০।** অসমৰ বৰ্ণাঢ্য জনগোষ্ঠীয় ভাষা আৰু সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ, প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে আমাৰ চৰকাৰ বদ্ধ পৰিকৰ। ভাষা গৌৰৱ আঁচনিৰ অধীনত ৰাজ্যখনৰ বিভিন্ন ভাষিক পৰিচয়ৰ লেখকক তেওঁলোকৰ সৃষ্টিৰাজিৰ বাবে এককালীন **৫০,০০০** কৈ টকা প্ৰদান কৰাৰ সিদ্ধান্তৰ কথা আমাৰ চৰকাৰে ঘোষণা কৰিছিল। ৰাজ্যখনৰ **১০০০** এনে বিভিন্ন ভাষাৰ সাহিত্যিকক এই টকা প্ৰদান কৰা হৈছে।

অধ্যক্ষ মহোদয়, বাণীকান্ত কাকতি দেৱৰ নামত গুৱাহাটী বিশ্ববিদ্যালয়ত এখন বাণীকান্ত কাকতি আসন প্ৰতিষ্ঠা কৰিবলৈ সিদ্ধান্ত লৈছো। অসমৰ সকলো বিদ্যালয় আৰু মহাবিদ্যালয়ত পঢ়া ১২ পৰা ২০ বছৰীয়া ছাত্ৰীসকলৰ বাবে এই বছৰৰ পৰা চেনিটাৰী নেপকিন যোগানৰ ব্যৱস্থা গ্ৰহণ কৰা হব। 'উত্তৰণ' আঁচনি আমাৰ চলি থাকিব। চি আই বি এফ চলি থাকিব। আদৰ্শ গ্ৰাম যোজনা চলি থাকিব। স্বাস্থ্যৰ ক্ষেত্ৰত শিলচৰত আমি এখন ব্যক্তিগত প্ৰতিষ্ঠানৰ সৈতে অংশীদাৰিত্ব কৰি হ'লেও ছুপাৰ স্পেচিয়েলিটিৰ কাম আৰম্ভ কৰিব খুজিছো । শ্ৰমিক সকলৰ বাবেআমি এটা 'শ্ৰম গৌৰৱ' নামে আঁচনি আৰম্ভ কৰিব খুজিছো। ৪০ বছৰতকৈ কম বয়সৰ প্ৰতিজন পঞ্জীভুক্ত শ্ৰমিকলৈ বাৰ্ষিক স্বাস্থ্য পৰীক্ষাৰ বাবে ৩০০০ টকাকৈ আমি আগবঢ়াম আৰু ৪০ বছৰতকৈ বেছি বয়সৰ শ্ৰমিক সকলক ৫০০০ টকাকৈ আমি আগবঢ়াম আৰু অসংগঠিত ক্ষেত্ৰৰ প্ৰতিগৰাকী শ্ৰমিকক আমি পঞ্জীয়নৰ বাবে ব্যৱস্থা হাতত লম। গ্ৰাম্য বেংকৰ উন্নয়নৰ বাবে এ,টি,এম আৰু বেংকৰ শাখা বনাবলৈ বেঙ্কসমূহক সহায় কৰাৰ বাবে আমি সিদ্ধান্ত লৈছো।তাৰ বাবে এই বাজেটত আমি ৫০ কৌটি টকা ৰাখিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছো। অধ্যক্ষ মহোদয়, চাহ উদ্যোগৰ বৰ্তমান পৰিৱেশৰ প্ৰতি লক্ষ্য ৰাখি 'চাহ মিছন' নামেৰে আমি এটা নতুন মিছন কৰিব খুজিছো। ইয়াৰ জড়িয়তে চাহ উদ্যোগিক সকলে বেঙ্কৰ পৰা যি ৱৰ্কিং কেপিটেল লোন লব , মূলধনী ঋণৰ ওপৰত চৰকাৰে ৩ শতাংশ ৰেহাই দিবৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে আৰু অসমত বিশেষ যি অৰ্থ'ডক্স চাহ, সেই অৰ্থ'ডক্স চাহ যেতিয়া উৎপাদন কৰিব প্ৰতিকেজি অৰ্থ'ডক্স চাহত চাহ উদ্যোগলৈ ৭টকাকৈ ৰাজসাহায্য আগবঢ়াবলৈ চৰকাৰে সিদ্ধান্ত লৈছে। এই ব্যৱস্থাই অসমত অৰ্থ'ডক্স টিৰ উৎপাদন বৃদ্ধি কৰিব, চাহ উদ্যোগক বিপদৰ পৰা ৰক্ষা কৰিব। অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী সণোৱাল ডাঙৰীয়াই ঘোষণা কৰাৰ দৰে প্ৰস্তাৱ অহাৰ ১সপ্তাহৰ ভিতৰতে অসমৰ সকলোবোৰ খালী পদ পূৰণৰ বাবে অনুমোদন দিবলৈ বিত্ত বিভাগে সিদ্ধান্ত লৈছে। এই আঁচনিৰ দ্বাৰাই ৫৫ হাজাৰ খালীপদ পূৰণ কৰিবপৰা হ'ব। কৰ্মচাৰী সকলৰ বাবে আমি বহুখিনি কাম কৰিছো। কিন্তু এইবছৰ আমি দুটা বিশেষ কাম কৰিব খুজিছো। সেইটো হৈছে, মাষ্টাৰৰোল যিসকল কৰ্মচাৰী আছে- হোমগাৰ্ড আছে, ফিক্স পে'ত আছে,মিড ডে মিলৰ কৰ্মচাৰী আছে, আশা-অঙ্গনবাদী কৰ্মচাৰী আছে তেওঁলোকৰ যদি

কিবা কাৰণত দুৰ্ভাগ্যজনকভাৱে মৃত্যু হয়, তেওঁলোকৰ পৰিয়াললৈকে আমি আঢ়ৈ লাখ টকাৰ এটা গ্ৰান্ট আগবঢ়াববৈলে সিদ্ধান্ত লৈছো। অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰে দিয়া দৰমহাৰ উপৰিও কিছু দৰমহা অঙ্গনবাদী কৰ্মীসকলক নিজৰ ফালৰপৰা আগবঢ়ায় ।আশাকৰ্মী সকলকো ১ হাজাৰ টকা ৰাজ্যচৰকাৰৰ ফালৰপৰা আগবঢ়াও। মধ্যাহ্ন ভোজনৰ কৰ্মীসকলৰ দৰমহাৰ লগত ৰাজ্য চৰকাৰৰ কোনো অনুদান ইমানদিনে নাছিল। তেওঁলোকে ১ হাজাৰ টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা পায় আৰু সেইটোকে আমি দিওঁ। এতিয়াৰ পৰা সেই ১ হাজাৰ টকাৰ লগত ৰাজ্য চৰকাৰেও ৫০০ টকা যোগ কৰি দিয়াৰ বাবে সিদ্ধান্ত লৈছে। ইয়াৰ ফলত ৬৬ হাজাৰ মধ্যাহ্ন ভোজন কৰ্মী উপকৃত হ'ব। তেওঁলোকৰ বাবে এই উদগনিমূলক সাহায্যৰ বাবে ৩৬ কোটি টকা অতিৰিক্তভাৱে আৱন্টন কৰিছো। অধ্যক্ষ মহোদয়, আৰক্ষীৰো এটা জীৱন আছে। আৰক্ষী সকলে আমাৰ লগত ডিউটি কৰে। কিন্তু তেওঁলোকক আমি ৰেচনৰ বাবে মাহত ১২০০ টকা দিওঁ। এইখিনি টকাৰে চলিবৰ কাৰণে যথেষ্ট নহয়। সেয়েহে এই বাজেটৰ জড়িয়তে প্ৰত্যেকজন আৰক্ষীৰ জোৱানক মাহিলি ৰেচনৰ বাবদ ১২০০ টকাৰ পৰিৱৰ্তে আমি ২০০০ টকা দিয়াৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছো। অলপ আগতে মই কৈছো যে মুখ্যমন্ত্ৰী সণোৱাল ডাঙৰীয়াই বন আৰু পুলিচ বিভাগক নিৰ্দেশ দিছিল যে কাজিৰঙাত গঁড় হত্যা হ'ব নালাগে।

এই প্ৰচেষ্টাত ২৫ জন বনৰক্ষীৰ মৃত্যু হ'ল, ৬৫জন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হ'ল, কিন্তু গঁড় হত্যা তিনিলৈকে নমাই আনিলে। এই কামৰ স্বীকৃতিস্বৰূপে কাজিৰঙা, মানস আৰু ওৰাং ৰাষ্ট্ৰীয় উদ্যানত কৰ্মৰত ফ্ৰন্টলাইন কৰ্মচাৰীসকলৰ দৰমহাত আমি এটা উদগনি সংযোজন কৰিবলৈ সিদ্ধান্ত লৈছো। অধ্যক্ষ মহোদয়, শিক্ষকৰ বদলি আইনৰ বিষয়ে মই কৈছো, আজি মই তাক বহলাব খোজা নাই। গাওঁবুঢ়া সকলৰ বছৰেকীয়া খৰচ হিচাপে এই বছৰৰ পৰা তেওঁলোকে ১০,০০০ টকা এটা কেপিটেল এক্সপেনডিচাৰ হিচাপে পাব। অফিচ চলাবলৈ প্ৰয়োজনীয় সামগ্ৰীসমূহ ক্ৰয় কৰিবৰ বাবে এই ১০,০০০ টকা বাৰ্ষিক অনুদান হিচাপে আগবঢ়োৱাৰ সিদ্ধান্ত লোৱা হৈছে। ৰাজ্যখনৰ আইন-শৃঙ্খলা ৰক্ষাৰ ক্ষেত্ৰত গৃহ আৰু ৰাজনৈতিক বিভাগে সদায়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। নাগৰিকত্ব সংশোধনী আইন বিৰোধী আন্দোলনৰ গইনা লৈ কিছুমান নিৰ্দিষ্ট সমাজবিৰোধীয়ে সৃষ্টি কৰা হিংসা আৰু সম্পত্তি ধ্বংসৰ ঘটনাৱলী নিয়ন্ত্ৰণ কৰাত আমাৰ আৰক্ষী বাহিনীয়ে পালন কৰা গুৰুত্বপূৰ্ণ ভূমিকা আমি প্ৰত্যক্ষ কৰিছো ।আমাৰ ৰাজ্যখনলৈ তাৎক্ষণিকভাৱে ঘূৰি অহা আইন-শৃঙ্খলাই সমগ্ৰ দেশৰে প্ৰশংসা আদায় কৰিছিল। শান্তি আৰু সমৃদ্ধিৰ বাবে থকা অসমৰ জনসাধাৰণৰ দায়বদ্ধতায়ো স্বাভাৱিক অৱস্থা ঘূৰাই অনাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ইয়াৰ বাবে মই অসমৰ জনসাধাৰণৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰাৰ লগতে আমাৰ আৰক্ষী আৰু অৰ্দ্ধ-সামৰিক বাহিনীৰ শলাগ লৈছো। ৰাজ্যখনত অপৰাধ প্ৰতিৰোধ আৰু আইন-শৃঙ্খলা অটুট ৰখাৰ ক্ষেত্ৰত আমাৰ সাহসী আৰক্ষীৰ লোকসকলে বিশেষ সেৱা আগবঢ়াই আহিছে। তেওঁলোকে নাগৰিকৰ জীৱন আৰু সম্পত্তিৰ সুৰক্ষা দি অহাৰ লগতে সকলো শ্ৰেণীৰ ৰাইজৰ সহায়-সহযোগিতাৰে অপৰাধ চিনাক্তকৰণত উল্লেখযোগ্য সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। চলিত বৰ্ষত অসম আৰক্ষীয়ে দক্ষতাৰে আৰু মানৱীয়তাৰে আন্দোলন নিয়ন্ত্ৰণ কৰি সমগ্ৰ দেশৰে প্ৰশংসা বুটলিবলৈ সক্ষম হোৱাৰ লগতে খেলো ইণ্ডিয়া, ফিল্মফেয়াৰ এৱাৰ্ডচ, মাননীয় প্ৰধানমন্ত্ৰী মোডী ডাঙৰীয়াৰ সৰ্ববৃহৎ ৰাজহুৱা সমাৱেশ আৰু বিভিন্ন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠান আয়োজন কৰাৰ ক্ষেত্ৰত পাৰদৰ্শিতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। অসম আৰক্ষীক ৰাইজৰ প্ৰতি সেৱা প্ৰদানত গুৰুত্ব প্ৰদানেৰে প্ৰকৃততে এটা দক্ষ আৰু পাৰদৰ্শী বাহিনী হিচাপে গঢ়ি তুলিবলৈ অসম

চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

মোৰ প্ৰথম বাজেটত মৈত্ৰী কাৰ্যসূচীৰ ঘোষণা কৰা হৈছিল আৰু এই ঘোষণাৰ জড়িয়তে এতিয়ালৈকে মৈত্ৰী অভিযানৰ বিপৰীতে আমি ২৪৫ কোটি টকা মুকলি কৰি দিছো। প্ৰথম পৰ্যায়ত ৭৩ খন আৰক্ষী চকীৰ ভিতৰত ৩২ খনৰ নিৰ্মাণ সম্পূৰ্ণ কৰিছে।২০২০ চনৰ মাৰ্চৰ ভিতৰত আৰু ১০ খন আৰক্ষীচকীৰ কাম সম্পূৰ্ণ কৰা হ'ব। এতিয়া আৰক্ষী ছাউনী আৰু আৰক্ষীৰ লোকসকলৰ বাসভৱন আদি নিৰ্মাণৰ ক্ষেত্ৰটো এই মৈত্ৰী আঁচনিখন এক্সপান্ড কৰাৰ কাৰণে আমি সিদ্ধান্ত গ্ৰহণ কৰিছো। ট্ৰিবুনেল, 'ডায়েল ১১২' এই গোতেইবিলাক আঁচনি আৰু অসম পুলিচৰ সকলো খালীপদসমূহ পূৰণ কৰাৰ বাবে এই বাজেটৰ জড়িয়তে ৰাজ্যৰ আৰক্ষী বিভাগলৈ ৫২৩৩ কোটি টকা আৱন্টন কৰা হৈছে। অধ্যক্ষ মহোদয়, এক্ট ইষ্ট প'লিচী বিভাগৰ অধীনত এই বছৰটোত ৰাজ্যৰ এক্ট ইষ্ট প'লিচী বিভাগে ভূটান আৰু ম্যানমাৰৰ লগত এক বিশেষ সম্পৰ্ক স্থাপন কৰাত গুৰুত্ব দিব। ইয়াৰ উপৰিও উড়ান আৰু আছিয়ান-ভাৰত যুৱ শীৰ্ষ সন্মিলনৰ জড়িয়তে ইতিমধ্যে এক্ট ইষ্ট ডিপাৰ্টমেন্টে তেওঁলোকৰ দৃঢ় আগমনৰ বিষয়ে ঘোষণা কৰিবলৈ সক্ষম হৈছে। সেই একাডেমীৰ লগত ছিংগাপুৰৰ লী কুৱান ইউ স্কুল অৱ পাব্লিক প'লিচী ৰ সৈতে এক বুজাবজিৰ চুক্তিত স্বাক্ষৰিত হৈছে। আৰু মই যে উপৰাংচুৰ এই এ. চি এছ বিষয়াৰ সকলৰ বাবে যিটো প্ৰতিষ্ঠান হ'ব দেশৰ নহয় বিশ্বৰ ভিতৰতে অন্যতম প্ৰতিষ্ঠান হবগৈ।

মাননীয় অধ্যক্ষ মহোদয়, কৃষি বিভাগৰ জৰিয়তে আমি কৈছো যে **২৭** লাখ কৃষিকে প্ৰধানমন্ত্ৰী মোডী ডাঙৰীয়াৰ কৃষি সন্মান লাভ কৰিলে। **১১** লাখ কৃষকে মুখ্যমন্ত্ৰী কৃষি সা-সজুলি আঁচনি জৰিয়তে **৫** হাজাৰ টকাকৈ লাভ কৰিলে। CMSGUY জৰিয়তে **৭০১** কোটি টকাৰ বিপৰীতে **১১,৪৬২** খন টেক্টৰ বিতৰণ কৰিলে। অহা বছৰত আমি আৰু **৮৫৫০** খন অতিৰিক্ত টেক্টৰ বিতৰণৰ সিদ্ধান্ত লৈছো। মাননীয় অধ্যক্ষ মহোদয়, এই বছৰতোৰ ভিতৰতে **৬৯,৪৫০** টা অগভীৰ নলীনাদ নিৰ্মাণ কৰা হ'ব।

পশুপালন আৰু পশু চিকিৎসা বিভাগৰ জৰিয়তে নগৰ গাখীৰ যোগান আঁচনি কাৰ্যক্ষম কৰি তোলা হ'ব আৰু পৰৱৰ্তী পৰ্য্যায়ত তেজপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু শিলচৰত নগৰ গাখীৰ যোগান আঁচনি কেইখন বিত্তীয় বৰ্ষৰ ভিতৰতে কাৰ্য্যক্ষম কৰি তোলা হ'ব।

অসম ধেনু আঁচনিৰ জৰিয়তে আমি ৰাজ্যখনত গোটেই পশু পালন বিভাগৰ কাৰ্য ব্যৱস্থা আৰু নিৰিক্ষণৰ প্ৰক্ৰিয়াটো কম্পিউটাৰাইজদ কৰিবলৈ সিদ্ধান্ত লৈছো। ভেটেনাৰী বিভাগক এই বাজেটত **৪১০** কোটি টকা আৱন্টন দিয়া হৈছে।

এই বিত্তীয় বৰ্ষত সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগক **৭১** কোটি টকা আৱন্টন দিছো। এই বিভাগটোৱে **২০২০-২১** চনত গুৱাহাটী, তেজপুৰ, যোৰহাট, হাইলাকান্দি আৰু ধুবুৰীত সীমান্ত উৎসৱ আয়োজন কৰিব।

মাননীয় অধ্যক্ষ মহোদয়, সমবায় বিভাগে - শিলঘাট মৰাপাট কলৰ অধীনত এটা পৃথক মৰাপাট কলৰ গোট নিৰ্মাণৰ ওপৰত গুৰুত্ব দিব আৰু আমি সমবায় বিভাগক এই বাজেটৰ জৰিয়তে **১৩০** কোটি টকা আৱন্টন দিয়াৰ প্ৰস্তাৱ কৰিছো।

সাংস্কৃতিক পৰিক্ৰমা বিভাগে - শিলচৰ, পথৰুঘাট আৰু মাজুলীৰ দক্ষিণপাট সত্ৰত নতুন সংগ্ৰহালয় নিৰ্মাণ কৰিব। যোৰহাট, তেজপুৰ, মঙলদৈ আৰু ধুবুৰীৰ গৌৰীপুৰত থকা সংগ্ৰহালয়সমূহৰ উন্নীতকৰণৰ কামত হাত দিব।

**১,০০০** আদৰ্শ সাংস্কৃতিক ব্যক্তিক **৫০,০০০** টকাকৈ এককালীন সাহায্য আগবঢ়োৱা হ'ব।

মোবাইল থিয়েটাৰৰ লগত জৰিত **১,০০০** কলা কুশলী আৰু অভিনেত্ৰীকো আমি **৫০,০০০** টকাকৈ এককালীন সাহায্য আগবঢ়োৱা হ'ব। ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ আৰ্হিত এখন ৰাজ্যিক নাট্য বিদ্যালয় প্ৰতিষ্ঠান গঢ়ি তোলা হ'ব। সম্বলপুৰত থকা সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ বাসভৱনৰ উন্নয়নৰ কাম হাতত লোৱা হ'ব।

চৰাইদেউ মৈদামক সংৰক্ষণ কাৰণে য'ত আহোম স্বৰ্গদেউ সকলৰ মৈদাম আছে তাৰ বাবে আমি **২৮** কোটি টকা ইতিমধ্যে আমি মঞ্জুৰি কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, **২০২০-২১** চনত এই বাৰ্ষিক পূজিৰ বাবে **১৫৭** কোটি টকা আমি মঞ্জুৰি কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, প্ৰাথমিক শিক্ষা বিভাগৰ জৰিয়তে মই আগতে কৈ অহাৰ দৰে বিনামুলীয়া class room, electrification, partition এই সমুহ নিৰ্মাণ কৰাৰ উপৰিও এই বিত্তীয় বৰ্ষত আমি **২০** খন বি এড মহাবিদ্যালয়ৰ ভিতৰত **১০** খনৰ কাম শেষ কৰিব খুজিছো। সেই কেইখন হ'ল বঙাইগাওঁ, বাক্সা, নলবাৰী, কামৰূপ (গ্ৰাম্য), মৰিগাওঁ, ডিমা হাছাও, শিৱসাগৰ, বিশ্বনাথ আৰু লখিমপুৰ জিলাত। ইয়াৰ বাবে ইতিমধ্যে **৩১০** টা পদ পুৰণ কৰাৰ বাবে মঞ্জুৰি দিয়াৰ প্ৰক্ৰিয়া চলি আছে।

মাননীয় অধ্যক্ষ মহোদয়, মীন বিভাগৰ জৰিয়তে আমাৰ ঘৰে ঘৰে পুখুৰী, ঘৰে ঘৰে মাছ এই আঁচনিখন ৰূপায়ণ হৈ আছে। এই আঁচনিখনৰ জৰিয়তে **৫৪০০** মেট্ৰিক টন উৎপাদন বৃদ্ধি কৰাৰ সিদ্ধান্ত লোৱা হৈছে। মীন বিভাগৰ বাবে **৯৭** কোটি টকা এই বাজেটত আৱন্টন দিয়া হৈছে।

আমাৰ খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগে বিনামুলীয়া চাউল যোগানৰ অন্য আঁচনিখন ৰূপায়ন কৰি আছে। ইয়াৰ উপৰিও প্ৰথম বাৰ বাবে Food & Civil Supply Department তে কৃষকৰ পৰা **২** লাখ মেট্ৰিক টন ধান পোনে পোনে উচিত মুল্যত কিনি আমি কৃষক সকলক সকাহ দিছো। এইবাৰ Food & Civil Supply Department ৰ পৰা আমি **২** লাখ মেট্ৰিক টনৰ ঠাইত **৩** লাখ মেট্ৰিক টন ধান, FCI যি কিনি আছে, তাক বাদ দিও আমাৰ বিভাগে কৃষকৰ পৰা **৩** লাখ মেট্ৰিক টন ধান পোনপতিয়াকৈ কিনিবলৈ সিদ্ধান্ত লৈছে। ইয়াৰ উপৰিও মাননীয় অধ্যক্ষ মহোদয়, ধান কিনিলেও তো নহ'ব। চাউল উপযুক্ত মাণদণ্ডৰ হ'ব, যাতে মিলিং কৰিবলৈ কৃষকসকলে অসুবিধা নাপায় মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য যোজনাৰ জৰিয়তে প্ৰতি কৃষক প্ৰতি কুইন্টলত মিলিং কৰিবৰ বাবে **২৫** টকাকৈ আগবঢ়াবলৈ সিদ্ধান্ত লৈছো। তাৰ মানে এক কুইন্টল চাউল যেতিয়া মিলিং কৰি FCI ক দিব বা Food & Civil Supply Department দিব, তেতিয়াহে কৃষকে minimum support মুল্য পাব।

মাননীয় অধ্যক্ষ মহোদয়, সাধাৰণ প্ৰশাসন বিভাগৰ জৰিয়তে দুটা ডাঙৰ কাম আমি সম্পুৰ্ণ কৰিম। সেইটো হৈছে এই বছৰতে কলিকতাত অসম ভৱন নিৰ্মাণ কৰিলো। এই বছৰতে মুকলি হ'ল মুখ্যমন্ত্ৰী মহোদয়ে মাদ্ৰাজত অসম ভৱন মুকলি কৰিলে। অহা কিছুদিনৰ ভিতৰত আমি ভেলোৰত এটা নতুন অসম ভৱন মুকলি কৰিম।

কলিকতাৰ পুৰণা অসম ভৱনটো ভাঙি তাত আমি সুবিশাল এটা অসম ভৱন বনাবলৈ সিদ্ধান্ত কৰিছো। আৰু দিল্লীৰো পুৰণা অসম ভৱনটো ভাঙি তাৰ স্থানত এটা সুবিশাল অসম ভৱন বনাবলৈ আমি সিদ্ধান্ত লৈছো। General Administration Department তে এই কাম হাতত লব। বজালি মহকুমাক এখন পূৰ্ণপৰ্যায় জিলালৈ উন্নত কৰিব।

মাননীয় অধ্যক্ষ মহোদয়, মই এটি গৌৰৱসৈতে জনাব খুজিছো যে অহা দুমাহ মানৰ

ভিতৰতে গুৱাহাটী উন্নয়ন বিভাগে গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজৰ প্ৰথম ৰজ্জুপথটো ৰাইজৰ বাবে মুকলি কৰি দিব **৫৬** কোটি টকা খৰচ কৰি।

মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীৰ বানপানীৰ নিৰাময়ৰ ক্ষেত্ৰত নুনমাটিত থকা পাম্প হাউছৰ নিৰ্মাণ সম্পুৰ্ণ হোৱাৰ পিছত urban flooding ৰ পৰা ৰাইজে বহুত সকাহ পাবলৈ সক্ষম হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, নেহৰু পাৰ্ক, শ্ৰদ্ধাঞ্জলী কানন, শংকৰদেৰ উদ্যান, তৰুণৰাম ফুকন উদ্যান, জয়ন্ত হাজৰিকা স্মাৰক উদ্যান আদিৰ উন্নীতকৰণৰ লগতে আদাবাৰী আৰু হেঙেৰাবাৰীত নতুন উদ্যান নিৰ্মাণৰ পৰিকল্পনা আদি বিভিন্ন পদক্ষেপ লোৱা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, **২০২২** চনৰ ভিতৰত JICA ৰ গুৱাহাটীৰ পানী যোগান প্ৰকল্প সমাপ্ত কৰা হ'ব। কিন্তু **২৫** হাজাৰ পৰিয়ালক লগত লৈ আংশিকভাৱে এই প্ৰকল্পটো আৰম্ভ কৰা হৈছে। লাহে লাহে এই প্ৰকল্পটো বঢ়াই লৈ যোৱা হ'ব। গুৱাহাটী উন্নয়ন বিভাগৰ বাবে **৭৮৩** কোটি টকা বাজেট আৱন্টন দিয়া হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, 'আদৰ্শ হস্ততাঁত গাওঁ' গঢ়ি তুলিবলৈ আৰু বিভিন্ন আঁচনি হস্ততাঁত বস্ত্ৰ আৰু ৰেচন বিভাগে ৰূপায়ন কৰিব। তাৰ বাবে স্ততাঁত বস্ত্ৰ আৰু ৰেচন বিভাগক **২৮৯** কোটি টকা আগবঢ়োৱা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ বিষয়ে আমি আলোচনা কৰিছো। বহুতে মাজে প্ৰশ্ন কৰে যে AIIM ক'ত গ'ল। কিন্তু AIIM কোনেও চাব যোৱা নাই। AIIM ৰ কাম **৫০** শতাংশ সম্পূৰ্ণ হৈ গ'ল, এই বছৰৰ পৰাই AIIM ৰ ক্লাছ আৰম্ভ হ'ব। কেতিয়াবা মই বিধান সভাৰ সদস্য সকলোকো লৈ যাম আপোনালোকে চাই ভাল পাব যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই কৃত্বিমান অসমক স্থাপন কৰিলে। মাননীয় অধ্যক্ষ মহোদয়, মই আগতে কোৱাৰ দৰে আমি নতুন মেডিকেল কলেজৰ কথা কৈছো।

মাননীয় অধ্যক্ষ মহোদয় মই গৰ্ভেৰে জনাব খুজিছো যেতিয়া সৰু লৰাৰ হৃদপিণ্ডত ফুটা হয়, বা বেমাৰ হয়, কোনোবা লৰা-ছোৱালীৰ Blood Cancer হয় তাৰ bone marrow transplant কৰিবলগা হয়, আপোনালোকে শুনি আচৰিত হ'ব জানি আচৰিত হ'ব বিনামূলীকৈ আজিৰ দিনত ৭৪০০ শিশুক আমি চিকিৎসা কৰি সুস্থ কৰি তোলাত সক্ষম হৈছো। অসমৰ বাদে কোনো ৰাজ্যই এই অভিলাষী কাম কৰিবলৈ সক্ষম হোৱা নাই। অধ্যক্ষ মহোদয়, আমি এটা নতুন কাম কৰিব খুজিছো গৰ্ভৱতী মহিলা সকল যেতিয়া চিকিৎসালয়ত থাকে তেওঁলোকে যাতে খুব ভালকৈ সন্তুলিত খোৱা আহাৰ পাব পাৰে তাৰ বাবে তেওঁলোকক আমি ২৫০ টকাকৈ সন্তুলিত আহাৰ দিয়াৰ যোগান ধৰিবলৈ সিদ্ধান্ত লৈছো। তাৰ উপৰিও অধ্যক্ষ মহোদয়, সোনাৰী চিকিৎসালয়খন জিলা চিকিৎসালয় হৈ যাব। গৰমূৰৰ এখন চিকিৎসালয়ৰ কাম ৪০ শতাংশ সম্পূৰ্ণ হৈছে। হামৰেণ চিকিৎসালয়ৰ কাম চলি আছে। বিশ্বনাথ চাৰিআলিৰো ২৫ শতাংশতকৈ অধিক কাম সম্পূৰ্ণ হৈছে। এইখন এতিয়া মেডিকেল কলেজ হ'ব আৰু হাটশিঙিমাৰী চিকিৎসালয়ৰ কামো ২৫ শতাংশ সম্পূৰ্ণ হৈছে। জাপানীজ এনকেফেলাইটিছৰ টীকাকৰণ কাম চলি আছে আৰু এইবছৰ আমি গোৱালপাৰা ,কোকৰাঝাৰ আৰু চিৰাঙত এই টীকাকৰণৰ কাম চলাই আছো পৰ্য্যয়িক্ৰমে এই টীকাকৰণৰ কাম আগবঢ়াই লৈ যোৱা হ'ব। অধ্যক্ষ মহোদয়, প্ৰজ্ঞান ভাৰতৰ বিষয়ে মই ইতিমধ্যে উল্লেখ কৰিছো। দুটা আমি স্পষ্ট কাম কৰিব খুজিছো। মাজুলী বিশ্ববিদ্যালয় আমি স্থাপন কৰিলো। ভট্টদেৱ বিশ্ববিদ্যালয় আমি স্থাপন কৰিলো। সাধনী বিশ্ববিদ্যালয় আমি

স্থাপন কৰিম। ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয় আমি স্থাপন কৰিলো আৰু মাধৱদেৱ বিশ্ববিদ্যালয় স্থাপন কৰিম। মহিলা বিশ্ববিদ্যালয় স্থাপন হ'ল। কিন্তু কাৰো 12th B recognition নাই। কতো অধ্যাপক অধ্যাপিকা নাই। এই বছৰত পুজাৰ আগতে অধ্যাপক অধ্যাপিকাই নহয়, কলেজৰ affilation ৰ সৈতে আমি এই গোটেই কেইখন বিশ্ববিদ্যালয় এক পূৰ্ণাঙ্গ বিশ্ববিদ্যালয় হিচাপে নিৰ্মাণ কৰাৰ সিদ্ধান্ত লৈছো। অধ্যক্ষ মহোদয়, কাৰ্বি আংলং সায়ত্ত শাষিত পৰিষদ আৰু ডিমা হাচাও সায়ত্ত শাষিত জিলা পৰিষদলৈ ১০০ কোটি আৰু ৬৫ কোটি কৈ অতিৰিক্ত সাহাৰ্য্য দিব কাৰণে আমি সিদ্ধান্ত লৈছো। মুখ্যমন্ত্ৰী ডাঙৰীয়াই ২০১৯ চনত ১০ ডিচেম্বৰত পশ্চিম বৰাগাওঁত স্বহীদ স্মাৰক আধাৰশিলা কৰিলে। যিটো উদ্যানত light & sound show থাকিব। অসম আন্দোলনৰ ইতিহাস থাকিব আৰু এই আঁচনিটো ৰূপায়নৰ বাবে এইবাৰ বাজেটত ৫০ কোটি টকা অনুমোদন কৰিছো। অধ্যক্ষ মহোদয়, উদ্যোগ বিভাগৰ জৰিয়তে মই ইতিমধ্যে জনাইছো যে কিমান বৰ্তমানত ১৬ লাখ যুৱক-যুৱতীয়ে আমাৰ চৰকাৰৰ দিনত কৰ্ম সংস্থাপন পালে। ৰাজ্যত বাহঁ বেদ নীতি এই গোটেই বিলাক কামৰ জৰিয়তে আমাৰ Industry Department য়ে উদ্যোগীকৰণৰ ক্ষেত্ৰত এটা এক প্ৰৱল পদক্ষেত্ৰ ল'বলৈ সক্ষম হৈছে। উদ্যোগ আৰু বাণিজ্য বিভাগক আমি ২১৯ কোটি টকা অনুমোদন কৰিছো। অধ্যক্ষ মহোদয়, তথ্য প্ৰযুক্তি বিভাগে এই বছৰত ৪৯ কোটি টকা লাভ কৰিব যাৰ জৰিয়তে তেওঁলোকে matching learning, artificial intelligence, robotics, virtual reality 3D printing, data analyzing দৰে ডাঙৰ ডাঙৰ সৃজনীমূলক কাম সমূহত তেওঁলোকে কলেজ আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক জড়িত কৰিব। অধ্যক্ষ মহোদয়, ই-জিলা প্ৰকল্প তেখেতসকলে আৰু অধিক উন্নতিকৰণ কৰিব আৰু আজিলৈকে ই-জিলা প্ৰকল্পৰ জৰিয়তে ২৬ লাখ লোকক আমি সেৱা কৰিবলৈ সক্ষম হৈছো। অধ্যক্ষ মহোদয়, জলসিঞ্চন বিভাগে long term irrigation ৰ প্ৰকল্পৰ জৰিয়তে ধৰশিৰি প্ৰকল্প ক্ৰিয়ান্বিত কৰিব। irrigation ৰ প্ৰকল্প সমূহ যেনে-পহুমাৰা, মালৈবাৰী, বৰ্দিকৰাই এই গোটেই প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰা হ'ব। এইবছৰ জলসিঞ্চন বিভাগলৈ সৰ্ব্বাধিক কৃষকসকলে যাতে পানী পায় তাৰ কাৰণে আমি ১৫৯২ কোটি টকা অনুমোদন দিছো। অধ্যক্ষ মহোদয়, আমি শক্তিবিভাগৰ কথাত উল্লেখ কৰিছো ৩০ unit লৈকে light বিনামূলীয়া কৈ পাব আৰু আন সকলৰ যাতে বিদ্যুৎ ৰ ব্যয় নাবাঢ়ে তাৰ বাৰে ব্যৱস্থা লোৱা হৈছে। অধ্যক্ষ মহোদয়, গড় কাপ্তানী গৃহ বিভাগৰ জৰিয়তে Prevention Hall নিৰ্মাণৰ কাম চলি আছে। ৪ খন ব্ৰহ্মপুত্ৰৰ ওপৰত নতুন দলং ধুবুৰী, ফুলবাৰী, গহপুৰ, নুমলীগড়, কমলাবাড়ী, নিমাতীঘাট, মৰিগাওঁ, কোপাতি এই গোটেই কেইখন বিভিন্ন পৰ্য্যায়ত ইয়াৰ কাম চলি আছে। অধ্যক্ষ মহোদয়, আমি গড় কাপ্তানী গৃহ বিভাগলৈ ৮৪৮ কোটি টকা অনুমোদনদিছো। গুৱাহাটীত গড় কাপ্তানী পথ বিভাগে মালিগাওঁৰ ওপৰত এখন অতি দীঘলীয়া জালুকবাৰীৰ পৰা একেলগে কামাখ্যা মন্দিৰ পাৰ হোৱা ৪ কিলমিটাৰ জোৱা এখন সুবিশাল fly over নিৰ্মানৰ সিদ্ধান্ত লৈছে। তাৰোপৰি গড় কাপ্তানী বিভাগে কেনেকৈ ১২৬০ কিলমিটাৰ ৰাস্তাৰ PMGSY কৰিব খুজিছে তাৰ বিষয়ে মই উল্লেখ কৰিছো। গড় কাপ্তানী বিভাগক ৮৯০১ কোটি টকা বাৰ্ষিক বাজেট অনুমোদন দিয়া হৈছে। অধ্যক্ষ মহোদয়, মাধ্যমিক শিক্ষা বিভাগৰ জৰিয়তে আমি কেইটামান গুৰুত্বপূৰ্ণ ঘোষণা কৰিব খুজিছো, সেইটো হ'ল ৰাজ্যখনত আজিৰ দিনটোত ২০ হাজাৰ দৰমহা পোৱা যি ৫৩০০ contractual teacher আছে, তেওঁলোকক আমি অহা বহাগ বিহুৰ পৰা নিয়মীয়া pay scale দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছো আৰু তেওঁলোকৰ চাকৰিও আমি ৬০ বছৰলৈকে নিশ্চয়তা প্ৰদানৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছো।

তেনেকৈ  সৰ্বশিক্ষা অভিযানত কাম কৰি থকা ১২ হাজাৰ State pool TET ৰ শিক্ষকে ২০ -২২ হাজাৰ দৰমহা পায়, তেওঁলোকক আমি নিয়মীয়া pay scale  দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছো আৰু তেওঁলোকৰ চাকৰিও ৬০ বছৰলৈকে নিৰাপত্তা প্ৰদানৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছো। ঠিক সেইধৰণে সৰ্বশিক্ষা অভিযানত কাম কৰি থকা ৪২ হাজাৰ শিক্ষকক ৬০ বছৰলৈকে নিৰাপত্তা প্ৰদানৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছো। অধ্যক্ষ মহোদয় মাদ্ৰাছা আৰু সংস্কৃত শিক্ষাৰ  সংস্কাৰৰ বাবেও কিছু চিন্তা কৰি থকা হৈছে তাৰ বিষয়ে আমি মাদ্ৰাছা সমূহত যাতে ধৰ্মৰ বাহিৰে আন শিক্ষা সমূহ পঢ়াব পৰা যায়, ব্যক্তিগত মাদ্ৰাছাবোৰ যাতে পঞ্জীয়ণ কৰিব পৰা যায় তাৰ বাবেও আমি এখন আইন অনাৰ কথা এই সদনত আগবঢ়াইছো। অধ্যক্ষ মহোদয়, সমাজ কল্যাণ বিভাগে ৰূপায়ণ কৰি থকা আঁচনি সমূহৰ বিষয়ে আমি কৈছো ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ জৰিয়তে চাবুৱাত অনিৰুদ্ধদেৱ ৰাজ্যিক ক্ৰীড়া বিশ্ববিদ্যালয় স্থাপনৰ সিদ্ধান্ত নিয়া হৈছে। এই ক্ৰীড়া বিশ্ব বিদ্যালয়ৰ জৰিয়তে শাৰিৰিক শিক্ষা, ক্ৰীড়া প্ৰযুক্তি, ক্ৰীড়া ঔষধ আৰু আৰু ক্ৰীড়া পৰিচালনাৰ ব্যৱস্থা নিয়া হ'ব আৰু অতি সোনকালে ইয়াৰ উপাচাৰ্য্য নিযুক্তিৰ লগে-লগে চাবুৱাত অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয় কাম আৰম্ভ কৰা হ'ব। অধ্যক্ষ মহোদয়, ডিব্ৰুগড়, উত্তৰ লক্ষিমপুৰ, শুৱালকুছিত Stadium নিৰ্মাণৰ কাম  চলি আছে, ৰাজ্যৰ ৩৩ গৰাকী বিধান সভাৰ সদস্যও উত্তৰণ আঁচনিৰ জৰিয়তে ক্ৰীড়া Stadium নিৰ্মাণৰ কামত প্ৰকল্প সমূহ আগবঢ়াই লৈ গৈছে। এই গোটেই আঁচনি সমূহ আমি ৰূপায়ণ কৰি গৈ থাকিম। কাৰিকৰী শিক্ষা বিভাগে এই বছৰতে ধেমাজী অভিযান্ত্ৰিক মহাবিদ্যালয় কাৰ্য্যক্ষম কৰিব। বঙ্গাইগাওঁ, বিহালী, শুৱালকুছিত, মাজুলী, টিংখংৰ পলিটেকনিক নিৰ্মানৰ কামো আৰম্ভ হ'ব। অধ্যক্ষ মহোদয়, পৰ্য্যটন বিভাগৰ পূৰ্ণ্যধাম যাত্ৰাকে ধৰি যিবোৰ আঁচনি চলি আছে এইবোৰ ৰূপায়ণৰ বাবে পৰ্য্যটন বিভাগক ১২৮ কোটি টকা অনুমোদন দিয়া হৈছে। পৰিবহন বিভাগলৈ ৫৪০ কোটি টকাৰ আৱন্টন দিয়া হৈছে। নগৰ উন্নয়ন বিভাগলৈ ১৭৫৪ কোটি টকা আৱন্টন দিয়া হৈছে। য'ত নগৰ সমূহত সৌৰ, শক্তি চালিত street light  যোগান ধৰা হ'ব। জলসম্পদ বিভাগত এই বছৰ ৯৪৮ কোটি টকাৰ আৱন্টন দিয়া হৈছে। কলং নদী পুনৰ উজ্জীৱিত কৰাৰ বাবে আমি যি চেষ্টা কৰিছো তাৰ বাবেও ১৩৫ কোটি টকাৰ DPR  প্ৰস্তুত হৈ উঠিছে। অধ্যক্ষ মহোদয়, সংখ্যালঘু উন্নয়ন বিভাগৰ বাবে ২০৯ কোটি টকা এই বাজেটত অনুমোদন দিয়া হৈছে। অধ্যক্ষ মহোদয়, ভৈয়াম জনজাতি উন্নয়ন বিভাগৰ জৰিয়তে মৰাণ, মটক, কমতাপুৰ উন্নয়ন পৰিষদ, বড়ো-কছাৰী উন্নয়ন পৰিষদ, এই গোটেইকেইটা পৰিষদৰ বাবে পুঁজিৰ যোগান আৰু ST/SC & OBC ৰ ছাত্ৰ-ছাত্ৰীসকলৰ কল্যাণৰ দায়িত্ব ভৈয়াম জনজাতি আৰু  পিছপৰা শ্ৰেণী বিভাগে গ্ৰহণ কৰে। এই বিভাগৰ বাবে এই বিত্তীয় বৰ্ষত ৪,৭৪৮ কোটি টকা অনুমোদন দিয়া হৈছে।

অধ্যক্ষ মহোদয়, মই বাজেটৰ শেষৰ পৃষ্ঠাকেইটালৈ যাব খুজিছো। এতিয়া পৱিত্ৰ সদনৰ সন্মানীয় সদস্যসকলৰ বোধগম্য হোৱাকৈ কেতবোৰ প্ৰধান বিত্তীয় স্থিৰাংক (parameter) ৰ জৰিয়তে  ৰাজ্য চৰকাৰৰ বিত্তীয় অৱস্থাৰ এখন ছবি দাঙি ধৰিব বিচাৰিছো। অধ্যক্ষ মহোদয়, এই পৃষ্ঠাকেইটা আমি ৰেকৰ্ডৰ বাবে ৰাখিছো, গতিকে এই পৃষ্ঠাকেইটা মাননীয় সদস্য সকলে নিজেই পিছত পঢ়ি চাব পাৰিব। কি ধৰণে মানুহে এতিয়া tax ক'তো আহি দিব নালাগে, GRAS website ত directly দিব পাৰে, বিত্ত বিভাগত কেনেকৈ ceiling ৰ বাবে file move কৰিব নালাগে, দিশপুৰত ceiling  দিলে হাফলঙত গৈ সেই ceiling ৰ সুবিধা ল'ব পাৰিব,  কি ধৰণে গোটেই বাজেট এতিয়া স্বয়ংসম্পূৰ্ণ (automation) কৰা হৈছে, এই গোটেইবিলাকৰ

বিষয়ে আমি এই বাজেটখনৰ এই পৃষ্ঠাকেইটাৰ জৰিয়তে উল্লেখ কৰিছো। অধ্যক্ষ মহোদয়, এই কথাখিনি বিশেষকৈ ছাত্র-ছাত্রী সকলে বা আমাৰ ৰাইজে পঢ়িলে transparency ৰ জৰিয়তে বাজেটত কিমান কাম কৰিছো তাৰ সম্যক ধাৰণা পাব। মই credit ল'বৰ বাবে কোৱা নাই। কিন্তু, এইটো সদনৰ সামূহিক কৃতিত্ব। Transparency International য়ে চলোৱা জৰীপ মতে অসমৰ বাজেট ব্যৱস্থাপনাৰ সঞ্চালন আৰু সৃষ্টিৰ বাবে আমি যি অনুশীলন কৰো সেই অনুশীলনৰ ওপৰত ভিত্তি কৰি অসমক শ্ৰেষ্ঠ ৰাজ্য হিচাপে ঘোষণা কৰিছে। এই স্বীকৃতি আন ৰাজ্যই দিয়া নাই বৰঞ্চ Transparency International য়ে দিছে।

এতিয়া মই Taxation proposal লৈকে আহিব বিচাৰিছো। ২০১৭-১৮ বৰ্ষৰ সময়ছোৱাৰ বিপৰীতে, ২০১৮-১৯ বৰ্ষৰ সময়ছোৱাত সৰ্বভাৰতীয় ৬% বৃদ্ধিৰ তুলনাত সামগ্ৰী আৰু সেৱা কৰ (GST) অসমত ৩১% বৃদ্ধি হৈছে। গতিকে অধ্যক্ষ মহোদয়, this is a collective celebration. ২০১৯-২০ বৰ্ষত অসমৰ হাৰ হ'ল ১৭%, যি ক্ষেত্ৰত GST বৃদ্ধিৰ সৰ্বভাৰতীয় হাৰ হ'ল ৪%। ইয়াৰ জৰিয়তে ই এখন আত্মবিশ্বাসী অসমৰ কথাকে কৈছে।

অধ্যক্ষ মহোদয়, আৱকাৰী বিভাগৰ পৰা নতুনকৈ license দিয়া হোৱা নাই। ক'তো নতুন wine shop দিয়া নাই। ২০১৫-১৬ বৰ্ষত আৱকাৰী বিভাগৰ ৰাজহ আছিল ৮২০ কোটি টকা। বৰ্তমান আৱকাৰী বিভাগৰ ৰাজহ হৈছে ১৮০০ কোটি টকা। মহল ব্যৱস্থাৰ বিলুপ্তিকৰণৰ পিছত যি এচাম ব্যৱসায়ীয়ে অসমৰ আৱকাৰী ৰাজহ হাতত ৰাখি থৈছিল, আজি সেই আৱকাৰী ৰাজহ এইখন চৰকাৰে জনসাধাৰণৰ কল্যাণৰ হকে বাহিৰলৈ উলিয়াই আনিবলৈ সক্ষম হৈছে। ই এক অদ্ভুত সফলতা। সদনত আমি কেতিয়াবা ধেমালি কৰি কওঁ যে মহলদাৰসকলে গোলাপ বৰবৰাৰ চৰকাৰ ভাঙিছিল, কথাটো সঁচা নে মিছা নাজানো, কিন্তু অসম বুৰঞ্জীত এইটো এটা অধ্যায় আছে। বৰ্তমান মহলদাৰে চৰকাৰক ভাঙিব পৰা নাই, চৰকাৰেহে মহলদাৰক ভাঙি পেলাইছে। এয়াই হৈছে আমাৰ ৰাজ্যৰ কৃতিত্ব। অধ্যক্ষ মহোদয়, এই বছৰ আমি নতুনকৈ কোনো tax লগাব বিচৰা নাই, tax ৰ গাঁথনিটো অলপ পৰিৱৰ্তন কৰিম যাতে মেঘালয়, নাগালেণ্ডৰ লগত প্ৰতিযোগিতা কৰিব পাৰো, আমাৰ ৰাজহ যাতে আৰু বাঢ়ে।

অধ্যক্ষ মহোদয়, পৰিৱেশ আৰু বন বিভাগৰ ক্ষেত্ৰত এই বাজেটৰ জৰিয়তে নতুন নিয়ম কৰিব বিচাৰিছো। কোনোৱে যেতিয়া PWD বা Flood Controlত কাম পাব, estimateত যি royalty লিখা থাকিব সেইটো বিভাগক direct জমা দিব। 'Zero T. P' ত আমাৰ construction ৰ কাম চলিব। ইয়াৰ জৰিয়তে ঠিকাদাৰসকলৰ দায়িত্ব কম হ'ব, চৰকাৰে পাব লগীয়া ৰাজহ পোনে পোনে পাব। এই কামৰ ফলত আমাৰ construction ৰ উদ্যোগ বাঢ়িব, ৰাজহ বাঢ়িব আৰু দুৰ্নীতিও নোহোৱা হ'ব। বন বিভাগটোত মই royalty বৃদ্ধিৰ বাবে কোনো প্ৰস্তাৱ লোৱা নাই। Excise, Forest, G.S.T.ত কোনো tax ৰ সংযোজন কৰা নাই। অৰ্থাৎ 'অৰুন্ধতী', 'অৰুণোদয়', 'অসম দৰ্শন', 'উত্তৰণ' আদিও হ'ব আৰু চাহ-বাগিচাৰ লগতে সকলো গাঁৱে বিনামূলীয়া চাউল পাব। কিন্তু, কোনো ধৰণৰ নতুন tax আমি এই বিভাগকেইটাত প্ৰৱৰ্তন কৰা নাই।

অধ্যক্ষ মহোদয়, পৰিবহন বিভাগৰ ক্ষেত্ৰতো আমি কৃতিত্ব ল'ব লাগিব যে ২০১৫-১৬ বৰ্ষৰ যান-বাহনৰ ৰাজহ আছিল ৪৫৩.০৪ কোটি আৰু যোৱা চাৰি বছৰৰ ভিতৰত ইয়াৰ পৰিমাণ দুগুণ কৰি ৮৫০ কোটি টকা কৰিলো। আমি Registration Charge এটকাও বঢ়োৱা নাই। বাজেটৰ আৰম্ভণিতে মই কৈছিলো- ব্যক্তি জীৱনৰ সততা। যেতিয়া মই বাজেটৰ চাৰিটা prin-

ciple পঢ়ি গৈছিলো, তেতিয়া হয়তো সকলোৰে বুজি পোৱা নাই যে মই কিয় সেই principle কেইটা পঢ়ি গৈছো। অধ্যক্ষ মহোদয়, সেই শাৰীকেইটা সদায় সাৰোগত কৰি আমি আগবাঢ়িছো আৰু ৫ নং paragraph ত আমি কৈছিলো যে- বাজেটত আমাৰ সু-শাসনৰ modelটোৰ চাৰিটা স্তম্ভ আছিল- ব্যক্তি জীৱনৰ সততা, ৰাজনৈতিক অন্তৰ্ভুক্তিকৰণ, প্ৰশাসনিক ন্যায্যতা আৰু জন অংশীদাৰিত্ব। যিসকল শাসনত আছে, তেওঁলোকৰ যদি individual integrity নাথাকে, তেন্তে এই কাম সম্ভৱ নহয়। অসমৰ ইতিহাসত কেতিয়াও কোনো পাঁচটা বছৰত tax collection দুগুণ হোৱা নাই, ২০% growth কোনেও ল'ব পৰা নাই। এইখন চৰকাৰে ইতিহাসত যদি কিবা থৈ যায়, এইটোৱেই থৈ যাব যে ব্যক্তি জীৱনৰ সততাৰ জৰিয়তে ২০-২৫% tax growth কৰি অসমৰ public expenditure ৩০ হাজাৰ কোটি টকা বঢ়াবলৈ সক্ষম হৈছো। অধ্যক্ষ মহোদয়, এই কথাবোৰ শুনিবলৈ বিৰোধী পক্ষৰ সাহস লাগিব। সাহস থাকিলেহে সদনত বহি শুনিলেহেঁতেন। অধ্যক্ষ মহোদয়, পৰিবহন বিভাগতো আমি কোনো tax লগাব বিচৰা নাই। কিন্তু, কোনোবাই যদি তৎকাল ধেমালি কৰি কওঁ যে মহলদাৰসকলে গোলাপ বৰবৰাৰ চৰকাৰ ভাঙিছিল, কথাটো সঁচা নে মিছা নাজানো, কিন্তু অসম বুৰঞ্জীত এইটো এটা অধ্যায় আছে। বৰ্তমান মহলদাৰে চৰকাৰক ভাঙিব পৰা নাই, চৰকাৰেহে মহলদাৰক ভাঙি পেলাইছে। এয়াই হৈছে আমাৰ ৰাজ্যৰ কৃতিত্ব। অধ্যক্ষ মহোদয়, এই বছৰ আমি নতুনকৈ কোনো tax লগাব বিচৰা নাই, tax ৰ গাঁথনিটো অলপ পৰিৱৰ্তন কৰিম যাতে মেঘালয়, নাগালেণ্ডৰ লগত প্ৰতিযোগিতা কৰিব পাৰো, আমাৰ ৰাজহ যাতে আৰু বাঢ়ে।

অধ্যক্ষ মহোদয়, পৰিৱেশ আৰু বন বিভাগৰ ক্ষেত্ৰত এই বাজেটৰ জৰিয়তে নতুন নিয়ম কৰিব বিচাৰিছো। কোনোৱে যেতিয়া PWD বা Flood Controlত কাম পাব, estimateত যি royalty লিখা থাকিব সেইটো বিভাগক direct জমা দিব। 'Zero T. P' ত আমাৰ construction ৰ কাম চলিব। ইয়াৰ জৰিয়তে ঠিকাদাৰসকলৰ দায়িত্ব কম হ'ব, চৰকাৰে পাব লগীয়া ৰাজহ পোনে পোনে পাব। এই কামৰ ফলত আমাৰ construction ৰ উদ্যোগ বাঢ়িব, ৰাজহ বাঢ়িব আৰু দুৰ্নীতিও নোহোৱা হ'ব। বন বিভাগটোত মই royalty বৃদ্ধিৰ বাবে কোনো প্ৰস্তাৱ লোৱা নাই। Excise, Forest, G.S.T.ত কোনো tax ৰ সংযোজন কৰা নাই। অৰ্থাৎ 'অৰুন্ধতী', 'অৰুণোদয়', 'অসম দৰ্শন', 'উত্তৰণ' আদিও হ'ব আৰু চাহ-বাগিচাৰ লগতে সকলো গাঁৱে বিনামূলীয়া চাউল পাব। কিন্তু, কোনো ধৰণৰ নতুন tax আমি এই বিভাগকেইটাত প্ৰৱৰ্তন কৰা নাই।

অধ্যক্ষ মহোদয়, পৰিবহন বিভাগৰ ক্ষেত্ৰতো আমি কৃতিত্ব ল'ব লাগিব যে ২০১৫-১৬ বৰ্ষৰ যান-বাহনৰ ৰাজহ আছিল ৪৫৩.০৪ কোটি আৰু যোৱা চাৰি বছৰৰ ভিতৰত ইয়াৰ পৰিমাণ দুগুণ কৰি ৮৫০ কোটি টকা কৰিলো। আমি Registration Charge এটকাও বঢ়োৱা নাই। বাজেটৰ আৰম্ভণিতে মই কৈছিলো- ব্যক্তি জীৱনৰ সততা। যেতিয়া মই বাজেটৰ চাৰিটা principle পঢ়ি গৈছিলো, তেতিয়া হয়তো সকলোৰে বুজি পোৱা নাই যে মই কিয় সেই principle কেইটা পঢ়ি গৈছো। অধ্যক্ষ মহোদয়, সেই শাৰীকেইটা সদায় সাৰোগত কৰি আমি আগবাঢ়িছো আৰু ৫ নং paragraph ত আমি কৈছিলো যে- বাজেটত আমাৰ সু-শাসনৰ modelটোৰ চাৰিটা স্তম্ভ আছিল- ব্যক্তি জীৱনৰ সততা, ৰাজনৈতিক অন্তৰ্ভুক্তিকৰণ, প্ৰশাসনিক ন্যায্যতা আৰু জন অংশীদাৰিত্ব। যিসকল শাসনত আছে, তেওঁলোকৰ যদি individual integrity নাথাকে, তেন্তে এই কাম সম্ভৱ নহয়। অসমৰ ইতিহাসত কেতিয়াও কোনো পাঁচটা বছৰত

tax collection দুগুণ হোৱা নাই, ২০% growth কোনেও ল'ব পৰা নাই। এইখন চৰকাৰে ইতিহাসত যদি কিবা থৈ যায়, এইটোৱেই থৈ যাব যে ব্যক্তি জীৱনৰ সততাৰ জৰিয়তে ২০-২৫% tax growth কৰি অসমৰ public expenditure ৩০ হাজাৰ কোটি টকা বঢ়াবলৈ সক্ষম হৈছো। অধ্যক্ষ মহোদয়, এই কথাবোৰ শুনিবলৈ বিৰোধী পক্ষৰ সাহস লাগিব। সাহস থাকিলেহে সদনত বহি শুনিলেহেঁতেন। অধ্যক্ষ মহোদয়, পৰিবহন বিভাগতো আমি কোনো tax লগাব বিচৰা নাই। কিন্তু, কোনোবাই যদি তৎকাল license ল'ব বিচাৰে তেন্তে তাৰ বাবে আমি এটা নূন্যতম মাচুল ল'ম । মই বিশ্বাস ৰাখো যে অহা বছৰো আমি ২০% growth পাম।

অধ্যক্ষ মহোদয়, ইতিহাসত পাঁচটা বছৰ একেলগে বাজেট দিয়াৰ কীৰ্তিমান ফখৰুদ্দিন আলী আহমেদ, কামাখ্যা প্ৰসাদ ত্ৰিপাঠী, মতিৰাম বৰা এই সকলে লাভ কৰিছিল। কেইবাজনো মুখ্যমন্ত্ৰীয়ে বিত্তমন্ত্ৰীৰ অতিৰিক্তি দায়িত্বত থাকোতে বাজেট প্ৰস্তুত কৰিছিল। কিন্তু, এনে পাঁচটা বছৰ নাছিল, য'ত এজন ব্যক্তিয়ে, এজন মুখ্যমন্ত্ৰীয়ে, এজন বিত্তমন্ত্ৰীয়ে এটকাও কৰ বৃদ্ধি নকৰাকৈ বাজেট দিছে। এই পাঁচ বছৰত আমাৰ বাবে এয়া আছিল এক ভীষণ সফলতা। Admission fees বঢ়োৱা নাই, বৰঞ্চ ইয়াক কমোৱাহে হৈছে। মেডিকেলত tax বঢ়োৱা নাই, বৰঞ্চ 'অটল অমৃত অভিযান' দিয়া হৈছে। আনকি, চাহ-বাগিচাৰ সেউজীয়া কেঁচা পাতৰ ওপৰত থকা tax ও আমি withdraw কৰিছো। অধ্যক্ষ মহোদয়, এতিয়ালৈকে যিমানখিনি পঢ়িলো, development ৰ ওপৰত পঢ়িলো। কিন্তু, বিৰোধী পক্ষই বাজেট leak হোৱা বুলি কৈছে। যিসকলে বিত্ত চাইছে, বাজেটখন আমি ইয়াত লিখা নাই, কিয়নো আমি সদস্যসকলৰ বাবে digital budget প্ৰস্তুত কৰিছো। Digital budget আমেৰিকাতো hack হ'ব পাৰে, নাইজেৰিয়াতো hack হ'ব পাৰে। Hacking is a normal norm. সেই কাৰণে আমি ৰাজ্য চৰকাৰে সিদ্ধান্ত লৈছিলো যে আমি বাজেট কম্পিউটাৰত দিম, কিন্তু taxation proposal টো কম্পিউটাৰত নিদিও সেইকাৰণে আমি ৰাজ্য চৰকাৰে সিদ্ধান্ত লৈছিলো যে আমি বাজেট কম্পিউটাৰত দিম কিন্তু Taxational proposal টো কম্পিউটাৰত নিদিওঁ। এতিয়া যদি Google ত চাওঁ এই বাজেটখনত এই proposal টো আহি গ'ল। কিন্তু কিতাপত নাই। মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়া অনুমতি লৈ আমি সংযোজন কৰিম। মই এতিয়া মোৰ Taxation proposal ত আহিছো। পঞ্চমখন বাজেট প্ৰকৃতাৰ্থত নিৰ্দ্দিষ্ট ভূমি কৰ, ৰাজহ, কিছুমান নিৰ্দ্দিষ্ট দ্ৰব্যৰ পৰ্য্যায় ক্ৰমে কৰ বিলোপ কৰিছো। তদুপৰি ১৯৯০ চনৰ অসম কৰৰোপণ আইন অনুসৰি সেউজীয়া চাহ পাতৰ প্ৰযোজ্য আৰোপণ কৰ লেভী আৰু পেমেণ্টত টেক্স ২০২১ ৰ ৩১ ডিচেম্বৰলৈ ৩ বছৰৰ বাবে মূলতবী ৰখা হৈছে। ই একমাত্ৰ সম্ভৱ হৈছে দুৰ্নীতিৰ বিৰুদ্ধে অব্যাহত ৰখা ব্যৱস্থা আৰু ৰাজহ চক্ৰ বৃদ্ধিৰ বাবে থকা মনোযোগ, Tax proposal । মাননীয় অধ্যক্ষ মহোদয়, ২০২০-২১ বাজেট প্ৰাক্কলনলৈ আগবঢ়াৰ আগতে মই এই পৱিত্ৰ সদনত কেতবোৰ অতিৰিক্ত প্ৰস্তাৱ আগবঢ়াব বিচাৰিছো। মই সদায় কৈ অহাৰ দৰে ৰাজ্যখনৰ সম্পদৰ ওপৰত প্ৰথম অধিকাৰ হৈছে-দিব্যাংগ সকলৰ। আজি মই দাখিল কৰা বাজেটখনত অন্তঃসলীলাৰ দৰে প্ৰবাহিত হৈ আছে এটি দৰ্শন। সেয়া হৈছে-দিব্যাংগ, জ্যেষ্ঠ নাগৰিক আৰু মহিলা সকলৰ বাবে আমাৰ দায়িত্ব আৰু কৰ্তব্যবোধ। এই দৰ্শনৰ দ্বাৰা মই অনুপ্ৰাণিত হৈ তলত দিয়া ঘোষণা কেইটা আগবঢ়াব খুজিছো। পেট্ৰল আৰু ডিজেলৰ ওপৰত থকা আমাৰ টেক্স ৫০ পইচাকৈ হ্ৰাস কৰিব। আমি বঢ়াব বিচৰা নাই কামাবলৈ চিন্তা কৰিছো। আমি যিটো Agricultural Income Tax লওঁ, সেই Agricultural Income Tax অহা ৩ বছৰৰ বাবে মই প্ৰত্যাহাৰ কৰিব বিচাৰিছো। যাতে যোৱাবাৰ চেচ উঠাই

ল'লো। এইবাৰ আমি Agricultural Income Tax উঠাই লৈছো। মই ১৯৫২চনৰ মতিৰাম বৰাই দাখিল কৰা বাজেটখন পঢ়িছিলো। তেতিয়া অসমৰ মূল উৎস আছিল খাজানা আৰু Agricultural Income Tax. সময় পৰিৱৰ্তন হ'ল। আজি আমি Agricultural Income Tax ৩ বছৰৰ কাৰণে বন্ধ কৰিলো। যাতে চাহ উদ্যোগে লাভ কৰিব পাৰে। এটা ভাল আঁচনিৰ কিমানদূৰ সফল হয় নে নহয় মই নাজানো। কিছুমান পৰিয়াল আছে যাৰ দিব্যাংগ সন্তান আছে। এতিয়াৰ পৰা যদি সেই পৰিয়ালে দিব্যাংগ সন্তান সকলৰ নামত যদি মাটি-বাৰী কিনে, ঘৰ কৰে তেতিয়াহ'লে তেওঁলোকে কোনোধৰণৰ Registration Stamp Duty দিব নালাগে। তেওঁৰ যাতে এটা চিকিউৰিটী হয়। ফ্লেট বা মাটি কিনিলে দিব্যাংগ ল'ৰা-ছোৱালীৰ নামত কিনিলে Stamp Duty আৰু Registration Duty দিব নালাগে। তাৰ মানে ১ লাখ টকাৰ মাটি কিনিব ৮ হাজাৰ টকা ৰেহাই পাব। কেৰল আমি অনুৰোধ কৰিম যাতে দিব্যাংগ ব্যক্তি জনৰ নামত ঘৰ-মাটি কিনক। মই ৩ য় প্ৰস্তাৱ আনিছো যদি দিব্যাংগ ল'ৰাটোৰ নামত গাড়ীখন কিনে, স্কুটাৰখন যদি দিব্যাংগ ল'ৰাটোৰ নামত কিনে। যদি দিব্যাংগ ল'ৰা-ছোৱালীৰ নামত গাড়ী-মটৰ কিনে তেতিয়াহ'লে মটৰ ভেহীকলৰ যিখিনি Registration feesৰ সেইখিনি আধা দিলে হ'ব। আধা আমি সম্পূৰ্ণভাৱে ৰেহাই কৰি দিম। চৰকাৰী চিকিৎসালয় সমূহত এতিয়াৰ পৰা দিব্যাংগ ল'ৰা-ছোৱালীসমূহ গ'লে তেওঁলোক বি পি এলৰ অধীনত হওঁক বা নহওঁক MRI আৰু City scan কোনো পইচা দিব নালাগে। সম্পূৰ্ণ বিনামূলীয়াভাৱে কৰা হ'ব। অধ্যক্ষ মহোদয়, এইবাৰ যেতিয়া পূজা আহিব, অসম চৰকাৰৰ অধীনত যিমান দিব্যাংগ কৰ্মচাৰী কাম কৰে পূজাত আমি ২ হাজাৰ টকাৰ পূজা বানচ আমি আগবঢ়াম। তাৰোপৰিও দীন দয়াল দিব্যাংগ আঁচনিৰ যি ১ লাখ ৫৬ দিব্যাংগ লোকে মাহেকী সাহাৰ্য্য পাই আছে, তেওঁলোকৰ একাউণ্টত আমি পূজাৰ মাহত ১ হাজাৰ টকাৰ ঠাইত ২ হাজাৰ টকা আগবঢ়াম। যাতে এই পূজা সকলোৰে কাৰণে ভালে ভালে যায়। কোনোবাই যদি কয় চাৰ, মোক পূজাৰ সময়ত নালাগে ঈদৰ সময়ত দিয়ক, কোনোবাই যদি কয় বৰদিনৰ সময়ত দিয়ক তেনেকুৱা কোনো কথা নাই, যেতিয়া যাক লাগে তেতিয়াই তেওঁক দিয়া হ'ব। সেইটো Option ও আমি ৰাখিম। ইয়াৰ ওপৰত অধ্যক্ষ মহোদয়, কোনোবা মহিলাই যদি পুৰুষৰ নামত নহয়, মহিলাই যদি ইলেক্ট্ৰিকেলি চলা যান-বাহন কিনে তেতিয়া তেওঁলোকৰো আমি পঞ্জীয়ন মাচুল আমি আধা কৰিম। ডিজেল-পেট্ৰ'লৰ দাম কমিলে আজিৰ পৰা। দিব্যাংগ সকলৰ বাবে আমি কিছু লগত থিয় হোৱাৰ সুযোগ পালো। মহিলা সকলৰ বাবেও আমি পোৱাৰ সুযোগ ল'লো। অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি বিচাৰিম যে এই ঘোষণা খিনি লিখিত বাজেটৰ অন্তৰ্গত কৰাৰ বাবে অনুমতি প্ৰদান কৰাৰ বাবে। অধ্যক্ষ মহোদয়, শেষৰ পেৰেগ্ৰাফটোৰে সামৰণি মাৰিব খুজিছো। 'অৰুণোদয়' আঁচনিখন। যেতিয়া আমি ৮৩৪ টকা দিম, এইটো প্ৰথম বছৰ। দ্বিতীয় বছৰত দুখীয়া মানুহ এজনক পূজাত ১ হাজাৰ টকা বেছিকৈ লাগে। পূজাৰ মাহটোত আমি ১ হাজাৰ টকা বেচিকৈ ২ হাজাৰ টকা দিব পাৰিম। কলেজৰ মাহটোত ল'ৰাজনক ১হাজাৰ টকা বেচিকৈ লাগে। সেই মাহটোত ১ হাজাৰ টকা বেচিকৈ ২ হাজাৰ টকা দিব পাৰিম। সৰু সৰু আঁচনিবিলাক আমি চলাব নালাগে। যেনেকৈ GST হ'ল, সৰু সৰু টেক্স entertainment tax কিবা tax সকলো সমাহিত কৰি GST হ'ল। কিন্তু পূজাৰ মাহটোত যদি ২৭ লাখ দুখীয়া পৰিয়ালে ১ হাজাৰৰ ঠাইত একাউণ্টত ২ হাজাৰকৈ যায়, অন্ততঃ দুখীয়া পৰিয়ালটোৱেও এযোৰ কাপোৰ কিনিব পাৰিব। মেট্ৰিকৰ পৰীক্ষাৰ মাহটোত ল'ৰা-ছোৱালীয়ে গাখীৰ খাব লাগে। সেই মাহটোত পুষ্টিকৰণৰ বাবে ১হাজাৰৰ ঠাইত আমি ৫০০ আৰু বঢ়াই দিলো। অৰুণোদয় হ'ল দৰিদ্ৰ জনক সেৱা কৰাৰ বাবেআমাৰ

অমোঘ অস্ত্ৰ। এই বছৰটো আমি একো কৰিব নালাগে। যদি আমাৰ কাৰ্য্যকালত আমি অৰুণোদয়ৰ জৰিয়তে আমি ৫ লাখ দৰিদ্ৰ লোকক জীৱনৰ প্ৰাণ দিব পাৰো, সঞ্জীৱনী দিব পাৰো তাতকৈ মোৰ বিধান সভাৰ বাবে ডাঙৰ কৃতিত্ব আৰু ডাঙৰ একো হ'ব নোৱাৰে। ১ হাজাৰ টকা ২ হাজাৰ হ'ব, ২ হাজাৰ টকা ৩ হাজাৰ হ'ব। বছৰি ১০ হাজাৰ টকা দিয়া পুঁজি মাহেকী পাব। এই বাজেটৰ আত্মা লুকাই আছে অৰুণোদয়ত। ২৮ লাখ পৰিয়াল, এটা পৰিয়ালত যদি ৫ জনকৈ লোক ধৰো, এই বাজেটে অসমৰ ৩ কোটি জনসাধাৰণৰ ৫০ শতাংশ ডেৰ কোটি পৰিয়ালক স্পৰ্শ কৰিব। আজি যিসকলে উঠি গৈছে, তেওঁলোকে অলপ পিছতে ক'ব আমি আমাৰ সমষ্টিত কোটা পাম নে নাপাম ? আমি নিৰ্বাচনৰ সুবিধা পাম। এইয়ে হৈছে আমাৰ এইখন বিধান সভা। বহু দিনলৈ যদি ৰোমন্থন কৰিব, এই আঁচনিটো সফল হ'ব। সফলতাৰ কৃতিত্ব অসমৰ ৰাইজৰ। এই বাজেটত লিখিছো। যদি বিফল হয়, ইয়াৰ একমাত্ৰ দায়িত্ব মই মূৰ পাতি ল'ম। অধ্যক্ষ মহোদয়, এতিয়া মই বাজেটৰ প্ৰাক্কলন দিব খুজিছো। ২০২০-২১ বৰ্ষৰ বাজেট প্ৰাক্কলন ৰাজ্যখনৰ একত্ৰিত নিধিত মুঠ ১ কোটি ১০, ৫২ হাজাৰ ৪৬.২৩ কোটি টকাৰ প্ৰাপ্তি প্ৰদৰ্শন কৰা হৈছে। ইয়াৰ বিপৰীতে ৯১ লাখ ৯৩০ কোটি টকা ৰাজহ শিতানত আৰু বাকী ১৩ লাখ৩১৫ কোটি টকা মূলধন শিতানত বিভিন্ন উৎসৰ পৰা একত্ৰিত নিধিৰ আনুমানিক প্ৰাপ্তি হিচাপে তালিকা নং-১ ত উল্লেখ কৰিছো। ৰাজহুৱা শিতানত ১ লাখ ৭৭হাজাৰ ৪৮.১৬ কোটি টকা যোগ হোৱাৰ পিছত সৰ্বমুঠ আদায়ৰ পৰিমাণ ২ লাখ ৮২ হাজাৰ ২৯৪.৩৯ কোটি টকা। ইয়াৰ বিপৰীতে ২০২০-২১ বৰ্ষত ৰাজ্যখনৰ একত্ৰিত নিধিৰ পৰা সৰ্বমুঠ ব্যয়ৰ পৰিমাণ ১লাখ ৩ হাজাৰ ৭৬১.৬৩ হাজাৰ কোটি টকা হ'ব। অৰ্থাৎ এই বছৰ আমি ব্যয় কৰিম ১লাখ ৩ হাজাৰ কোটি টকা। এইটো আমি লক্ষ্য বান্ধি লৈছো। ইয়াৰ বিপৰীতে ৰাজহ শিতানত ৮২ হাজাৰ ৭৯৬কোটি টকা, মূলধন শিতানত ২০ হাজাৰ ৯৮৪.৬৫ কোটি টকা। ২০২০-২১ বৰ্ষত একত্ৰিত নিধিৰ মঞ্জুৰী অনুসৰি ব্যয় সমূহৰ প্ৰাক্কলন তালিকা নম্বৰ ২ ত দেখুওৱা হৈছে। ৰজহুৱা শিতানত হোৱা ব্যয়ৰ পৰিমাণ ১ লাখ ৭৬ হাজাৰ ৫৯৮.৬৬ কোটি টকাৰে বছৰটো সৰ্বমুঠ প্ৰাক্কলিত ব্যয়ৰ পৰিমাণ ২ লাখ ৮০ হাজাৰ ৩৬০.২৯ কোটি টকা। এই দৰে বছৰটোত হোৱা প্ৰাক্কলিত লেন-দেনৰ অনুমানিক ১হাজাৰ ৯৩৪.১০ কোটি টকা ৰাহি হ'ব। ইয়াৰ লগতে বছৰটোৰ আৰম্ভণিৰ ঘাটি ৩হাজাৰ ১৮৩.৬০ কোটি টকাৰ হিচাপ মিলালে ২০২০-২১ বৰ্ষৰ শেষলৈ বাজেট ঘাটিৰ পৰিমাণ ১হাজাৰ ২৪৯ কোটি টকা হ'ব। মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমান চৰকাৰৰ বিত্ত মন্ত্ৰী হিচাপে এইখনেই মোৰ শেষ বাজেট বুলি বাজেট বক্তৃতাৰ আৰম্ভণিতে মই কৈছিলো। চৰকাৰৰ বহুখিনি সফলতাৰ কথা মই বৰ্ণনা কৰিলো। তৎ স্বত্তেও উভতি চালে মোৰ ভাৱ হয়, যে আমি বহুখিনি কাম আৰু ভালকৈ ৰূপায়ণ কৰিব পাৰিলোহেঁতেন। অতি বিনম্ৰতাৰে মই ক'ব বিচাৰিছো ২০১৬ চনৰ ২৬ মেত মই আৰু মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ চৰকাৰখনে অসমৰ জনসাধাৰণক যি প্ৰতিশ্ৰুতি দিছিলো, সেই প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ আমি আপ্ৰাণ চেষ্টা চলাইছিলো। আমাক আৰ্শীবাদ দিয়াৰ বাবে আৰু সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে অসমবাসীৰ ওচৰত আমি কৃতজ্ঞ। মাননীয় অধ্যক্ষ মহোদয়, মই বিশ্বাস কৰো আমাৰ পৃষ্ঠপট, বিশ্বাস, আশা আকাংক্ষাবোৰ ভিন্ন ভিন্ন হ'ব পাৰে। কিন্তু আমি সকলোৱে অসমক ভাল পাওঁ, অসমক লৈ গৌৰৱ কৰো। আমাৰ পূৰ্ব পুৰুষে বাস কৰা এই ভূমিৰ অধিবাসী হিচাপে আমাৰ সকলোৰে নিবিড়ভাৱে ইজন সিজনৰ লগত জড়িত আৰু আমি হাঁহি আৰু চকুলোৰ সমভাগী। এইখন আমাৰ ঘৰ, য'ত বৈচিত্ৰ আৰু প্ৰগতি হাতত ধৰা-ধৰিকৈ আগবাঢ়ি যায়। আমাৰ লক্ষ্যবোৰ ভিন্ন হ'ব পাৰে। কিন্তু মতপাৰ্থক্যবোৰ একাষৰীয়াকৈ থৈ সংঘাত অৱসানৰ চেষ্টা কৰি আমি অসম খনক ভাগ্যলিপিৰ

সুন্দৰদিশে আগুৱাই নিবলৈ সক্ষম হ'ম। মহোদয়, আমি কিন্তু আমাৰ এই সাফল্য সমূহত সন্তুষ্ট হৈ থমকি নৰওঁ। অনাগত দিনবোৰতো জন্মভূমিৰ সেৱাৰ অৰ্থে সদায় সচেষ্ট হৈ থাকিবলৈ আমাৰ আন্তৰিক হাবিয়াস আছে আৰু এই হাবিয়াস শেষৰকন উশাহ থকালৈকে আমি বুকুত বহন কৰিম। সন্মানীয় অধ্যক্ষ মহোদয়, এই বাজেট উত্থাপনৰ বক্তব্য পদ্মশ্ৰী শ্ৰীমতী নলিনীবালা দেৱীৰ এটি সুবিখ্যাত কবিতাৰ এটা পংক্তিৰ উদ্ধৃতিৰে সামৰণি মাৰিব খুজিছো, যি কবিতাটিয়ে মোৰ দৰে অস্যংখ্যজনক জননী জন্মভূমি অসমৰ বাবে উৎসৰ্গিত মনোভাৱেৰে কাম কৰি যাবলৈ উদ্বুদ্ধ কৰি আহিছে।

মেলিলো প্ৰথম চকু তোমাৰ কোলাতে আই
জনমৰ আদিম পুৱাত;
মুদিম আকৌ চকু তোমাৰ কোলাতে শুই
জীৱনৰ শেষ সন্ধিয়াত।
তোমাৰেই ধূলি-বালি তোমাৰ আকাশ বায়ু
আই মোৰ সৰগৰ বাস;
তুমি মোৰ মৰতৰ পূণ্য মুকুতিৰ ভূমি
তুমি মোৰ তীৰ্থৰ প্ৰবাস।
দুখীয়াৰ ভগা পজা একেখনি তীৰ্থ তাত
একেখনি পূণ্যৰ আশ্ৰম;
মৰিলে পুণৰ আহি দুখীয়া দেশতে মোৰ
লওঁ যেন পুণৰ জনম।

জয় আই অসম , জয় হিন্দ।।

**মাননীয় অধ্যক্ষঃ** মই ধন্যবাদ জনাইছো মাননীয় বিত্ত মন্ত্ৰীক, তেখেতৰ বাজেট বক্তৃতাৰ কাৰণে। মই কেৱল এটা কথাই শেষত ক'ব বিচাৰো ইয়াৰ পাছতে সকলোৰে মিলি একাপ চাহৰ ব্যৱস্থা কৰা হৈছে। মই সন্মানীয় মুখ্য মন্ত্ৰীকে ধৰি সন্মানীয় মন্ত্ৰীসকল, সন্মানীয় বিধায়ক বিধায়িকা সকল, যি চৰকাৰী বিষয়া কৰ্মচাৰী সকল, প্ৰেচৰ ইলেকট্ৰনিক মাধ্যমৰ বন্ধু সকল, সকলোকে মই আমাৰ হাউচৰ কাষতে আমি চাহৰ আয়োজন কৰিছো তালৈ নিমন্ত্ৰণ জনাম। আজি যি বাজেট বক্তৃতাটোত এটা বিৰোধ কৰি বিৰোধী সকল ওলাই গ'ল মই তেখেত সকলক বুজাইছিলো যে বাজেটৰ সদায় দুটা পাৰ্ট থাকে আৰু এটা পাৰ্টত আমি বাজেটৰ General Proposal, Economic Policy টোৰ ওপৰত কয় আৰু এটা Tax Proposal কয়। Tax Proposal শেষত দিছে। Tax Proposal টো সাধাৰণতে lick হ'লে বেয়া দেখি। সেইটো ঠিক নহয়। কিন্তু বাজেটৰ আমাৰ যিখিনি কথা সেইখিনি তেখেতসকলে lick হোৱা বুলি কৈছে। মই এই কথাটোত এটাই কথা কথা ক'ব বিচাৰো যে যিহেতু সংসদে এইকথা clear কৈছে যে Lickage of budget proposal before their presented to the house does not constitute a breach of privilege of the house. গতিকে মই বুজি নাপালো কিয় তেখেতসকল ওলাই গ'ল। তেখেতসকলে প্ৰশ্নটো উত্থাপন কৰিছে মই একো বেয়া পোৱা নাছিলো। গতিকে সেইটো আমাৰ privilege ত নপৰে কিন্তু আৱশ্যক হ'লে আমাৰ নিজৰ mechanism আছে,

আমি mechanism ভৱিষ্যতলৈ পৰীক্ষা কৰিম। কিন্তু মই ভাবো যে আজি তেখেতসকলে এই কথাখিনি বাজেটতো শুনা হ'লে ভাল পালো হেতেন সকলোৰে মিলি। কাৰণ এই কথাটো Parliament ত এই কথাটো আগৰ Speaker য়ে এই কথা Clear Ruling দি থৈ গৈছে। মই এইখিনিকে ক'লো। কাইলৈ পুনৰ আমি লগ হ'ব লাগিব। কাইলৈ শনিবাৰে আমাৰ সদন খোলা থাকিব পুৱা ৯.৩০ বজাত বাজেট বক্তৃতাৰ ওপৰত আলোচনা হ'ব। সেইকাৰণে মই এতিয়া পুনৰ সকলোকে এই বাজেট বক্তৃতা শুনাৰ বাবে ধন্যবাদ জনাইছো।

এতিয়া পুৱা ৯.৩০ বজালৈ কাইলৈ সদন স্থগিত ৰখা হৈছে বুলি মই ঘোষণা কৰিছো।